ভাৰাঘৰ

শ্ৰীহিতেশ ডেকা

STATE CENTRAL LIBRARY
ASSAM

পৰিবেশক
নগেন্দ্ৰ লাইব্ৰেৰী
কোকৰাঝাৰ : অসম

VHARA GHAR An Assamese Novel written by HITESH DEKA and Published by Kali Prasad Sarma, Kokrajhar, Assam.

প্ৰকাশক ঃ
শ্ৰীকালী প্ৰসাদ শৰ্মা
কোকৰাঝাৰ-৭৮৩৩৭০
অসম।

নূতন সংস্কৰণ ঃ ১৯৮৪ ইং জানুৱাৰী।

বেচ—ষোল টকা মাথোণ।

মুদ্ৰক ঃ
কৃষ্ণ বোস
অক্ষৰ
৪৪/বি, সূৰ্য সেন ষ্ট্ৰীট,
কলিকতা-৭০০ ০০৯

উপহাৰ

STATE CENTRAL LIBRARY
Call No.
ASSAM

উছৰ্গা

মোৰ পৰম আৰাধ্যা মাতৃদেৱী

শ্ৰীযুক্তা সুন্দৰী প্ৰিয়া ডেকালৈ

নুমলীয়া পুত্ৰৰ ভক্তি অৰ্ঘ্যৰূপে

ইতি

সেৱক

—হিতেশ—

প্ৰাৰ্থনা

ভগৱানৰ ওচৰত আমি বিচাৰিব লাগে কি আৰু বিচাৰো কি ? আমি বিচাৰো পাৰ্থিৱ ধন, জন, ঐশ্বৰ্য্য, বিভূতি, সৌধ, অট্টালিকা, নানা ৰকম অস্থায়ী সুখ ভোগ আদি আৰু বিচাৰো একেকোবে ৰজা হবলৈকো। কিন্তু আমি বিচৰা মতে সেই-বিলাক নাপাওঁ। তেতিয়া আমাৰ প্ৰাণত আহে ভগৱানৰ প্ৰতি এটি বিৰাট অবিশ্বাস আৰু বিক্ষোভৰ ভাব ; মনলৈ আহে ভগৱান নাই ; আৰু ভাবো যদিও আছে তেওঁ নিৰ্ম্মম, নিষ্ঠুৰ, নিৰ্দয়। এনেবিলাক ধাৰণাই আমাৰ মন তৰঙ্গায়িত কৰি তোলে। গতিকে এনেবিলাক পদাৰ্থ ভগৱানৰ ওচৰত আমাৰ বিচৰাতো সমীচীন নহয় বুলি বোধ হয়। কাৰণ আমাৰ পাবলগীয়া অনুযায়ী তেওঁৰ বিচাৰ মতে অৱশ্যে আমাক দিয়ে। আমাক লাগে মাথো চেষ্টা, পুৰুষাৰ্থ আৰু নিৰ্ভৰতা। গতিকে আমি তেওঁৰ ওচৰত বিচাৰিব লাগে দয়া, কৰুণা, কৃপা। তেতিয়া ভগৱানে আমাক উপযুক্ত পাত্ৰ দান কৰে।

শ্ৰীমান হিতেশ বোপায়ো ভগৱানৰ কৃপা লাভ কৰি, লাভ কৰিলে এটি সাহিত্য বীজৰ টোপোলা আৰু তেওঁৰ আশীৰ্বাদ নিৰ্মালি অমূল্য সাহিত্য সম্পদৰ টোপোলা লাভ কৰি কৃতাৰ্থ হ'ল হিতেশ। তেওঁ ৰচনা কৰিলে এখনি সাহিত্যৰ ফুলনি বাৰী। অশেষ চেষ্টা আৰু অধ্যৱসায়েৰে সাৰ আৰু পানী দি সাৰুৱা কৰিলে ফুলনিখনি। তাত পুতি গ'ল সাহিত্য ফুলৰ নানা তৰহৰ গুটি। যথা সময়ত বীজ অঙ্কুৰিত হ'ল, লহপহকৈ উঠিল পুলিবিলাক। যথাক্ৰমে গছবিলাকত নানা তৰহৰ নানা ৰঙৰ ফুল ফুলি উঠিল। তাৰ সৌৰভে আমোদিত কৰি পেলালে ফুলনিৰ গৰাকীৰ মন। আনন্দত আপ্লুত হ'ল, ধন্য হ'ল তৃপ্ত গৰাকী। বাটৰুৱায়ো আনন্দত চাই যায় সেই ফুলনিখনি।

হিতেশ বোপাই ফুল তুলি আনিলে কৰাঁণ ভৰাই ; তাৰেই পুজিলে সত্য শিৱ সুন্দৰৰ চৰণ। প্ৰীতি লাভ কৰিলে আপোন প্ৰাণত। পুজাৰী ধন্য হ'ল, সাৰ্থক মানিলে। ভৱিষ্যতলৈ আৰু সুগন্ধময় ফুল তুলি আনি পুজিবলৈ মন কৰিলে ভগৱানৰ চৰণ। ফুলৰ সুগন্ধ সুধাই গৈ মিলিত হ'ল স্বৰ্গৰ নন্দন কাননৰ

পাৰিজাতৰ সৈতে। আমি আমাৰ প্ৰাণেৰে কামনা কৰো ডেকা বোপাই যেন পৃথিৱীতে এখনি স্বৰ্গৰ নন্দন কানন ৰচনা কৰিব পাৰে। এয়ে আমাৰ বিভুৰ চৰণত প্ৰাৰ্থনা। সাহিত্য সম্পদে হৈছে জ্ঞানৰ চাকি। এই চাকিৰ পোহৰত প্ৰবেশ কৰিলে মানৱ প্ৰাণে গতি কৰে অনন্ত পথৰ পোহৰলৈ। প্ৰাণৰ সাধনা হ'লে লাভ হয় অনন্ত জ্যোতি, তাত আৰু আন্ধাৰৰ পৰশ হব নোৱাৰে।

আমিও প্ৰাৰ্থনা কৰো, যেন লাভ কৰিব পাৰো তেওঁৰ অনুকম্পা আৰু এপাহি নিৰ্মালি, আৰু প্ৰাৰ্থনা কৰো হিতেশৰ সাহিত্য-জ্ঞানৰ উৎকৰ্ষ।

শ্ৰীধৰ্মেশ্বৰী দেৱী বৰুৱানী
(সাহিত্যিক পেঞ্চনাৰ)
১৭।১১।৫৭

মোৰ কথা

বাস্তৱ অভিজ্ঞতা নাথাকিলে উকা কল্পনাকে লৈ লিখা সাহিত্য সপোন-ধুনীয়া হ'লেও হৃদয়গ্ৰাহী হোৱা কঠিন ; সেয়েহে লিখকৰ বাস্তৱ অভিজ্ঞতা লিখাৰ ক্ষেত্ৰত অপৰিহাৰ্য্য। অভিজ্ঞতা যিমানেই পুৱঠ হ'ব, কল্পনা হ'ব তিমানে তীব্ৰ—সৃষ্টি হ'ব তিমানেই প্ৰাণস্পৰ্শী। জীৱন অভিজ্ঞতাৰে পৰিপুষ্ট লিখনিত কল্পনাৰ অনুৰণন হয় ফলপ্ৰসূ, কলাকৃষ্টি হয় শাশ্বত। প্ৰত্যেক ঘণ্টাৰ বুকুতে ঘড়ীৰ কাঁটা দুডালৰ অনিবাৰ্য্য মিলনৰ দৰে প্ৰত্যেক কল্পনাৰ কোনো এক প্ৰান্তত হ'লেও স্পৰ্শ কৰিব লাগিব বাস্তৱৰ এটি ক্ষীণ ৰেখা। তেতিয়াহে ৰূপ লব ভাবে আৰু সজীৱ হ'ব ৰস। কল্পনা আৰু বাস্তৱৰ মিলন সেতুত হে ৰূপ সৃষ্টি সাৰ্থক হয়। সীমাহীন কল্পনাৰ বুকুত সীমিত বাস্তৱৰ মধু পৰশত হে কলা সৃষ্টিৰ সম্ভাৱনা। বন্ধ্যা কল্পনাৰ বুকুত বাস্তৱৰ সংঘাত লাগিলেহে অনুভূতি তীক্ষ্ম হয়—ভাবৰ ছন্দ ফুটে—শিল্প-কলাৰ জন্ম হয়। বাস্তৱ অভিজ্ঞতাহীন আকাশ কুসুম কল্পনাত অনুভূতিৰ চাকনৈয়াৰ সৃষ্টি হ'ব পাৰে কিন্তু শ্ৰেষ্ঠ কলা কৃষ্টিৰ উদ্ভৱ নহয়—পানী হিলৈ পানীৰ বুকুত মাৰ যোৱাৰ দৰে কল্পনাৰ বুকুতে সি লয় হয়। সেই দেখি বাস্তৱ অভিজ্ঞতাৰে পৰিপুষ্ট লিখনিহে সবল আৰু সাৰ্থক লিখনি।

কিন্তু এই লিখনিৰ শ্ৰেষ্ঠত্ব বহুখিনি নিৰ্ভৰ কৰে লিখকৰ উচ্চভাবৰ ওপৰত আৰু লিখনি সবল হয় লিখকৰ প্ৰকাশ ভঙ্গীৰ নিপুণতাৰ ওপৰত। সেই দেখি মোৰ প্ৰত্যেক লিখাৰ মাজতে ব্যক্তিগত বাস্তৱ অভিজ্ঞতা একোটিৰ ক্ষীণ সাঁচ আছে যদিও ভাব প্ৰকাশৰ অক্ষমতা আৰু প্ৰকাশ-ভঙ্গীৰ ন্যূনতাৰ বাবে তাৰ সাৰ্থক প্ৰকাশ হয়তো এতিয়াও বহু দূৰত। মোৰ যিমান ভাব আছে তাৰ একদশমাংশও প্ৰকাশ কৰিব পৰা নাই ; যিমান অভিজ্ঞতা হৈছে তাৰ এক চতুৰ্থাংশকো ৰূপ দিব পৰা নাই ; তথাপি এই অক্ষমতা আৰু ন্যূনতাৰ মাজেৰেই শক্তি অনুসাৰে যি পাৰো তাক ব্যক্ত কৰিবলৈ চেষ্টা কৰিছো। অপ্ৰকাশৰ বেদনা গভীৰ আৰু এই গভীৰ বেদনাকে বুকুত বান্ধি কিঞ্চিত পৰিমাণে হ'লেও তাক প্ৰকাশ কৰিবলৈ যথাসাধ্য চেষ্টা কৰা হৈছে—সাৰ্থকতাৰ আশাত নহয়—সান্ত্বনাৰ আশাতহে।

১৯৫৭ চনত গুৱাহাটীত যেতিয়া মই 'মেচ'ত থাকোঁ তেতিয়াই জন্ম হয় এই 'ভাৱাঘৰ'ৰ। প্ৰায় ৫ মাহৰ মূৰত লিখা শেষ হয়।

ইয়াক লিখোঁতে মোৰ সহৃদয় বন্ধুসকলে নিজৰ ব্যক্তিগত ক্ষতি স্বীকাৰ কৰিও মোক যি সুযোগ আৰু সুবিধা দিছিল সেই উপকাৰ মই পাহৰিব নোৱাৰিম; বিশেষকৈ শ্ৰীযুত শচীনাৰায়ণ বৰা, বি. কম. যেৱে নিজৰ ৰুমটো মোক এৰি দি 'ভাৱাঘৰ' লিখাত যি সুবিধা দান কৰিছিল সেই কথা পাহৰা নাযায়। তেখেতৰ মেজ, মাচিয়া সা-সৰঞ্জাম অকাতৰে এৰি দি মোক যি সুবিধা দান কৰিছিল তাৰ বাবে মই তেখেতৰ ওচৰত চিৰ-কৃতজ্ঞ। শ্ৰীযুত পৰেশচন্দ্ৰ শইকীয়া ডাঙৰীয়াই নিজৰ বহু দৰ্কাৰী আলোচনা আৰু বন্ধু সমাগম বন্ধ কৰি দি মোক যি বদান্যতাৰ পৰিচয় দিলে তাৰ দ্বাৰা তেখেতৰ মোৰ প্ৰতি যে কেনে অন্তৰঙ্গতা আছে তাৰ চিনাকি মোৰ চিৰদিনলৈ মনত ৰ'ল। এই দুজন সহানুভূতিশীল বন্ধুৰ দৰে সুহৃদ মোৰ জীৱনত কমেই পাইছোঁ। এই দুজনাক মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ সেই 'মেচ' নিবাসী আৰু অতি মৰমৰ শ্ৰীমান নগেন্দ্ৰনাথ তামুলী এম. এ আৰু শ্ৰীমান শৰত চন্দ্ৰ ডেকা বি. এ. লৈ মোৰ আন্তৰিক স্নেহ যাচিছোঁ। মোৰ খোৱা-লোৱা, থকা-মিলা আনকি ফুৰা-চকাৰ গতিবিধি পৰ্য্যন্ত নিৰ্ভৰ কৰিছিল এই দুজনৰ ওপৰত। এওঁলোক দুয়োৰে প্ৰীতি আৰু ভালপোৱা নোপোৱা হ'লে মোৰ কলিতে মৰহি গ'লহে'তেন। মই যেতিয়া চিন্তাত বিভ্ৰান্ত আৰু ভাৱত বিৰক্ত হওঁ তেতিয়া ভাগিন শৰতে আহি দিয়ে মোক সন্ত্বনা; যেতিয়া ভাবপ্ৰৱণতাৰ বাবে অধীৰ হৈ পৰোঁ তেতিয়া ভতিজা নগেনে দিয়ে উদ্দীপনা। মনৰ জড়তা ভাগি কিতাপখন লিখাত যি উৎসাহ আৰু উদ্দীপনা আপোন ভাগিন, ভতিজাৰ দৰে এই দুজনে দিছিল তাৰ ফল স্বৰূপেহে ই আজি জন্ম পালে। তাৰ উপৰি খোৱা-লোৱাত নজৰ দি মোৰ স্বাস্থ্যৰ ওপৰত শ্ৰীগিৰীশ চৌধুৰী, শ্ৰীৰবীন চৌধুৰী বি. এ. আৰু শ্ৰীসমৰ চৌধুৰীৰ যি সুতীক্ষ্ম দৃষ্টি আছিল তালৈ মনত পৰিলে তেওঁলোকৰ প্ৰতি কৃতজ্ঞতাত মোৰ অন্তৰ উপচি পৰে। যিমান দিনেই 'ভাৱাঘৰ' জীয়াই থাকিব তিমানদিনে তেওঁলোকৰ স্মৃতি মোৰ মনৰ মাজত জিলিকি ৰব। এনে সহৃদয়তা আৰু বন্ধুত্ব মই ভুলিব নোৱাৰিম। 'মেচ'ৰ বন্ধুবৰ্গক মই অন্তৰভৰা ভালপোৱা নিবেদন কৰিলোঁ।

কিতাপখন লিখা হোৱাৰ পাচত যি সকলে পাণ্ডুলিপিটো পঢ়ি মোক নির্দেশ আৰু উপদেশ দি উপকৃত কৰিলে—তাৰ ভিতৰত মাননীয় শ্ৰীযুত হৰিচৰণ তালুকদাৰ, শ্ৰীযুত লোহিতচন্দ্ৰ ডেকা আৰু বন্ধু শ্ৰীপ্ৰসন্নকুমাৰ ডেকা বি. এ. আৰু শ্ৰীজয়চৰণ ভূঞা বি. এ. আদিক মই হিয়াভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

ইয়াৰ বাহিৰেও অসমৰ স্বনামধন্যা মহিলা কবি শ্ৰীযুতা ধৰ্মেশ্বৰী দেৱী বৰুৱানীয়ে অতি আদৰ কৰি মোক যি আশীৰ্বাদ দিলে তাৰ বাবে মই তেখেতলৈ শত সহস্ৰ প্ৰণাম আগ বঢ়ালোঁ। মোৰ ভক্তি ভৰা সেৱা গ্ৰহণ কৰি মোক যেন কৃতাৰ্থ কৰে, এয়ে মোৰ তেখেতৰ ওচৰত কামনা।

পৰিশেষত মোৰ চিৰ নমস্য পঢ়ুৱৈ সমাজলৈ হাতযোৰ কৰি ৰলোঁ। মোৰ দোষ ত্ৰুটিৰ সীমা নাই ; তথাপি মৰমিয়াল পিতৃৰপৰা অযোগ্য সন্তানেও মৰম পোৱাৰ দৰে স্নেহশীল ৰাইজৰপৰা মই অভাজনেও মৰম ভিক্ষা কৰি কৰপুটে ৰাইজলৈ সেৱা জনাই ৰলোঁ। ৰাইজৰ এধানি মৰম পালে জীৱন ধন্য মানিম। ৰাইজৰ মৰম জানো এফেৰিও নাপাম ? ইতি—

সেৱক—
হিতেশ

॥ এক ॥

সময় ৰাতিপুৱাৰ আগমুহূৰ্ত।

প্ৰভাতৰ মৃদুমন্দ সমীৰণ। গছে-পাতে মলয়াৰ মৃদু পৰশন। শান্ত স্নিগ্ধ প্ৰকৃতিৰ বুকু। নিজম, নিদ্ৰামগ্ন অচেতন জগত। মাজে মাজে শুনা যায় দুটি-এটি কুকুৰাৰ ডাক। লাহে লাহে পুৱে দিয়ে ধলফাট। নিশাচৰ পক্ষীৰ কলকণ্ঠ যায় ধীৰে ধীৰে শূন্যত বিলীন হৈ। কাউৰীয়ে কিৰিলি পাৰি ৰাতিপুৱাৰ জাননী দিয়ে তন্দ্ৰামগ্ন জীৱ-জগতক। সাৰ পাই উঠে ক্ৰমে পশু-পক্ষী; সাৰ পাই উঠে মানুহ। লাহে লাহে পুৱাকাশ হেঙুলীয়া হৈ উঠে। ৰবিৰ উদয়। সবিতাৰ ৰক্তিম ৰাগত ৰঞ্জিত হৈ উঠে পুৱালী আকাশ। সুৰুযৰ ৰাঙলী ৰশ্মি আহি পৰে কামাখ্যা পাহাৰৰ গাত। সেউজীয়া গছ-পাত জিলমিলাই উঠে ৰ'দৰ ৰশ্মিত। ব্ৰহ্মপুত্ৰৰ বুকুত পৰে এচেৰেঙা মিঠা ৰ'দ। ঢৌৰ—বুকুত নাচে ঢৌ—ৰ'দৰ ভিৰ-বিৰ্ণণ অপূৰ্ব মনোমোহা।

প্ৰাতঃ ভ্ৰমণৰ উপযুক্ত সময়। এই সৌন্দৰ্য উপভোগ দিয়ে কৰা নাই তাৰ বাবে গুৱাহাটীত বাস কৰা বৃথা। সেয়েহে শৰতে এই সুযোগ পৰাপক্ষত গ্ৰহণ কৰি আহিছে। জাহাজঘাটলৈ খোজ লৈছে। গাত এটা পাতল পাঞ্জাবী, ক'কালত এটি বগা পায়জামা, কাবুলী চেণ্ডেল। ধীৰ, মন্থৰ গতি। ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে গৈ আছে। এনেতে পিছফালৰপৰা মাত দিয়া শুনিলে—"হেৰ, এইটো 'গাধ' নেকি অ' ?"

পিচমুখ দি চাই দেখে যে তেওঁৰে অন্তৰঙ্গ বন্ধু নবীন। হাঁহি মাৰি গৈ নবীনক আঁকোৱালি ধৰিলে—"আৰে, ধুৰন্ধৰ যে ? ক'ৰপৰা ওলালি অ' এই ধলপুৱাতে ?"

"মাটি ফাটি ওলোৱা নাই। ঘৰৰপৰাই আহিলোঁ। ভাবিছিলোঁ যোলে মোৰ 'গাধৰ' ভালৈকে যাম, পিছে দেখিছোঁ 'গাধ' স্বয়ং আগতে বিদ্যমান।"

"খবৰ কি ?"

"বল, আজি মোৰ গাধয়ে গতি।" নবীনে হাঁহে। হাঁহি মাৰি শৰতে কয়—"মই 'গাধ' থাকোঁতে তই ধুৰন্ধৰৰ আৰু অন্য গতি কি হব ? আহ তেন্তে।"

দুয়ো খোজ কাঢ়ে। নবীনৰ চুটকেচটো শৰতে লয়।

"ঘৰৰপৰা কেতিয়া আহিলি ?"

"যোৱা কালিয়ে আহি বীৰেনৰ তাত আছিলোঁ।"

দুয়ো কথা কয় আৰু আগ বাঢ়ে। আহি আহি পাণবজাৰ পায়।

শৰতৰ কোঠাত প্ৰৱেশ কৰে দুয়ো। সুন্দৰ সজ্জিত কোঠা। আধুনিক সভ্যতাৰ প্ৰতিবিধ নিদৰ্শনে কোঠাটো শোভিত কৰিছে। এই প্ৰাতসতে দুয়ো বন্ধুৰে মিলন। দুয়োৰো ভাল লাগি যায়। অতীতৰ বহু কথা আৰু কাহিনীয়ে আহি যেন দুয়োৰো স্মৃতিৰ পটত উদয় হয়। হাঁহে—আনন্দ—মিলন।

চাহ দি যায় দুয়োকো। দুয়ো খায়। বিস্কুট এডোখৰত কামোৰ মাৰি এচোক চাহ খাই উঠি শৰতে সোধে—"কিয় আহিলি ধুৰন্ধৰ ?"

"মই গুৱাহাটীত বাস কৰিম বুলি আহিছোঁ গাধ।"

নবীনে শৰতক 'গাধ' বুলি মাতে আৰু শৰতে নবীনক মাতে 'ধুৰন্ধৰ' বুলি। ইয়াৰ এটা কাহিনী আছে।

আজি প্ৰায় পাঁচ-ছয় বছৰৰ আগৰ কথা। নবীন তেতিয়া ৩য় বাৰ্ষিকৰ ছাত্ৰ আৰু শৰত ২য় বাৰ্ষিকৰ। দুয়ো বন্ধুই একেলগে যায় কলেজলৈ। আগে আগে যায় কলেজীয়া ছোৱালীৰ দল; পিচে পিচে নবীন আৰু শৰত। হঠাতে নবীনে দিলে জোকাই সবিতাক—"ৰোল নাম্বাৰ টুৱেন্টি!" ৰোল নাম্বাৰ টুৱেন্টি বুলি ক্লাছৰ ল'ৰাবিলাকে জোকায় সবিতা দাসক। শব্দ কেইটা কাণত পৰাৰ লগে লগে সবিতাই খং কৰি "ইউ ষ্টুপিড" বুলি পিচ মুখ দি চালে; আগ বাঢ়ি অহা দেখিলে শৰতক। ছোৱালীজাকে দিলে হাঁহি খিলখিল কৈ। খণ্ডত ৰঙা পৰিল সবিতা। আগতে দেখিলে থিয় হৈ আছে শৰত ভুঞা। ধুৰন্ধৰ নবীনে কথাবাৰ কৈয়ে ৰাস্তাৰ কাষত অলপ বল চিগাৰেট জ্বলোৱা চুতা কৰি। শৰতে জোকোৱা বুলি ভাবি সবিতাই তেওঁলৈ চোচা ললে। তেওঁ থতমত খাই ভয়তে কৈ উঠিল—"মই নহয় মিছ্ দাস।" ঘটনাটো বুজি ছোৱালীজাকে আকৌ দিলে খিলখিলাই হাঁহি। অৱস্থা লজ্জাজনক অনুমান কৰি দলৰ মাজৰপৰা এজনীয়ে গৈ সবিতাক টান মাৰি আনি ক'লে—"হেৰ, কি কৰ সবি? তেখেত নহয় আহ। মিছাকৈ ৰাস্তাত হাল্লা নকৰিবি।"

সবিতাক হাতত ধৰি টান মাৰি লৈ গ'ল আৰু গোটেই কেইজনী তাৰপৰা আঁতৰি পৰিল।

শৰতে হতভম্ব হৈ থিয় হৈ ৰয়। ছোৱালী কেইজনী যোৱাত নবীনে আহি হাঁহি হাঁহি ক'লে—"কি হ'ল, অ' ভায়া ?"

নবীনৰ মাত শুনি খঙতে শৰতে কৈ উঠিল—"তোৰ ঘৰে দুষ্ট নাই। ছোৱালী জোকাই পলাইছ ধূৰন্ধৰ ?"

"আৰু তই বুৰ্বকৰ দৰে থিয় হৈ আছ গাধ ?" নবীনে কয় আৰু হাঁহে; শৰতে শুনে আৰু খং কৰে।

"তই ইমান বদমাইচ, ধূৰন্ধৰ বুলি মই ভবা নাছিলোঁ।"

"আৰু তয়ো ইমান গাধ বুলি মই জনা নাছিলোঁ।"

"ছোৱালী জোকাই কিয় পলাইছিলি ? মোক যে গালি পাৰিলে ?

"মই চিগাৰেট জ্বলোৱা চুতা কৰি পিচ পৰিছোঁ; তই পাণ দোকানখনৰ আগত তামোল খোৱা চুতা কৰি থিয় নহ'লি কিয় ? তেতিয়াতো তাই তালৈকে নগ'ল-হেঁতেন ! তই এটা এক নম্বৰ গাধ।"

"তই এটা এক নম্বৰ ধূৰন্ধৰ—ওহঃ মোৰ ইমান লাজ লাগিছে।"

"ইয়াৰপৰা তোৰ লাভ হব পাৰে ভায়া।"

"মোৰ লাভ নে অপমান ?"

"অপমান নহয় বৰং অসমীয়াৰ লাভ গুচি ইংৰাজীৰ 'লাভ' (Love) হবৰ হে সম্ভাৱনা, কাৰণ 'সংঘাতে তুলি দিয়ে জীৱনৰ নতুন তৰঙ্গ'।" নবীনে হাঁহে। শৰতে ধমক দি কৈ উঠিল—

"দূৰ, বদমাইচ। তোৰ লগত যাব নোৱাৰি। মই এতিয়া কলেজলৈ যাওঁ কেনেকৈ। ইমান লাজ পাইছোঁ। তেওঁলোকে দেখিলে……" কথাবাৰ কৈয়ে শৰতে লাহে লাহে খোজ কাঢ়ে। ৰঙে গৈ বাগত পৰিণত হোৱা দেখি নবীনবো বেয়া লাগিল। তেৰো ধীৰে ধীৰে আগ বাঢ়ে। দুয়ো আহি কলেজ পালে। ফাইনেল বেল পৰাৰ পাচত মনে মনে পিচৰ বেঞ্চত বহিলগৈ দুয়ো।

ইফালে বেঞ্চৰপৰা আচল ঘটনাটো জানিব পাৰি সবিতাই নিজে নিজে বৰ লাজ পালে। অনুশোচনা আহিল—বেচেৰা নিৰীহ শৰতটোক বিনা দোষত অপমান কৰিলে। তাইৰ বেয়া লাগিল।

সঁচাকৈয়ে কলেজ ছুটীৰ পাচত সবিতাই অকলে শৰতক লগ ধৰি নাজানি কৰা দোষৰ বাবে ক্ষমা চালে। শৰত লাজ আৰু আনন্দত অভিভূত হৈ পৰিল। অকস্মাতে দুয়োৰে মাজত এটা প্ৰীতিৰ ভাব গজি উঠিল। শৰতৰ মনত পৰিল নবীনে কোৱা কথাষাৰ—"সংঘাতে তুলি দিয়ে জীৱনৰ নতুন তৰঙ্গ।" দুয়োৰো

দোষ স্বীকাৰ কৰা আৰু ক্ষমা কৰা পৰ্ব শেষ হ'ল। তাৰ পাচতে হ'ল দৃষ্টি বিনিময়। তেতিয়াৰেপৰা আৰম্ভ হ'ল শৰতৰ কবিতাৰ কছৰৎ আৰু সবিতাৰ পত্ৰৰ বিনিময়। এনেকৈয়ে চলিল প্ৰেমৰ পূজা।

সি আজি পাঁচ-ছয় বছৰ আগৰ কথা। সিদিনাৰেপৰা শৰতে মাতে নবীনক 'ধুৰন্ধৰ' বুলি আৰু নবীনে মাতে শৰতক 'গাধ' বুলি।

চাহৰ কাপত মুখ দি এঢোক খাই উঠি নবীনে ক'লে—

"বুজিছ গাধ, মই গুৱাহাটীত থাকিম বুলি ভাবিছোঁ। এটা ভাৰাঘৰ ঠিক কৰি দে।"

"আজিকালি গুৱাহাটীত ঘৰ পোৱা বৰ কঠিন। বাৰু চাওঁচোন কি হয়, নহ'লে মোৰ এই ৰুমেই গতি হব দুয়োৰো।"

"বাৰু চাচোন ক'ত আছে। এটা কথা কিন্তু মনত ৰাখিবি, যাতে তিনিটা 'প'ৰ সমাহাৰ হয়।"

"তিনিটা 'প'ৰ সমাহাৰ মানে ?"

"তাৰ মানে পানী, পাইখানা, পাকঘৰ। পানীৰ 'প', পাইখানাৰ 'প' আৰু পাকঘৰৰ 'প' থাকিব লাগিব।"

"পানী, পাইখানা, পাকঘৰ নহ'লেনো ভাৰাঘৰ লব কোনে ? এই কেইটা থাকিবই লাগিব।" হাঁহে শৰতে। হাঁহি মাৰি কয় নবীনে—

"আজিকালি গুৱাহাটীত এই কেইটা নাথাকিলেও চলে দেখিছোঁ।"

অলপ টেলকা মাৰি শৰতে কয়—"মই জনাত এটা ঘৰ আছে অৱশ্যে। সবিতাহঁতৰ এটা ঘৰ আছে। সুধি চাম বাৰু।"

চাহত এটা ঢোক মাৰি এঢোক খাই হাঁহি মাৰি কয় নবীনে—

"সবিতাহঁতৰ ঘৰ মানে সবিতাৰ ঘৰটো নহয়তো ?"

"ধেৎ ধুৰন্ধৰ, আজিকালি তোৰ ইমান বয়স হ'ল, তথাপি পাতল স্বভাৱটো নগ'ল নে ?"

"বৰ গধুৰ হ'লে সাধাৰণ মানুহে দাঙিব নোৱাৰি দুৰতে চালাম কৰি থিয় হৈ থাকিব লগা হব; সেই ভয়তে এই স্বভাৱটো এৰা নাই ভায়া।"

"বাৰু, চাহ খা, বিস্কুট চোবালেই হব—কথা চোবাব নালাগে।"

দুয়ো চাহ খায়। নানা গল্প কৰে, কিন্তু চিন্তা থাকে ভাৰাঘৰৰ বিষয়ে।

সময় আবেলি। পাতল আন্ধাৰ ধীৰে ধীৰে ঘণীভূত হৈ আহিব ধৰিছে। ৰিব্ ৰিব্‌কৈ বলিছে মলয়া বতাচত[redacted] গছৰ ডালত কিৰিলি পাখিৰ ধৰিছে ওবে দিনে অন্ন অন্বেষণকাৰী বিহঙ্গৰ দলে[redacted]পথশ্ৰান্ত ক্লান্ত যাযাবৰৰ দলে বিচাৰিছে আশ্ৰয়ৰ স্থল—গছৰ তল। ব্যস্ত নুপৰাজ কৰ্মৰত বনুৱাৰ দলে লানি লাগি গৃহাভিমুখে কৰিছে গমন। কিন্তু ৰিক্সা আৰু মটৰৰ চলাচল বাঢ়িছে দুগুণ উচাহে। সন্ধিয়াৰ শান্তিভঙ্গকাৰী যান-বাহন, মটৰ, ৰিক্সা, ঘোঁড়াগাড়ীৰ নিমিষে নিমিষে আবিৰ্ভাৱ—অন্তৰ্ধান। ইয়াৰে মাজেৰে ফুৰে গুৱাহাটীৰ মধ্যবিত্তৰ দল পদব্ৰজে। পাণবজাৰৰ চকত জমে ডেকা ল'ৰাৰ দল, ব্ৰহ্মপুত্ৰৰ পাৰত জমে নব দম্পতিৰ দল। কিন্তু পাৰ্কৰ বেঞ্চত ? প্ৰেমিকপ্ৰেমিকা নতুবা কোনো বান্ধৱ-বান্ধৱী। ফুলনিৰ মাজত দুবৰিৰ ওপৰত বহি হয়তো কোনো প্ৰেমিক কয় তাৰ ব্যৰ্থ ইতিহাস তাৰ বন্ধুৰ আগত, নতুবা কোনো ৰূপমুগ্ধ পুৰুষে বৰ্ণনা কৰে তাৰ প্ৰিয়াৰ অঙ্গৰ সৌন্দৰ্যৰ। চুপি চুপি ইফালে-সিফালে চাই হয়তো কোনো প্ৰেমিকাই প্ৰেমিকৰ কাণৰ কাষত কৈ উঠে—"ইমান ভাল লাগে মোৰ···।" হয়তো অকস্মাতে কোনো গাড়ীৰ লাইটৰ 'ফোকাচ' পৰে দুয়োৰো মুখত। ঘপ্ কৰে বন্ধ হৈ যায় আধা কোৱা কথা।

এয়ে ব্যস্ত নগৰী। এয়েতো শান্তি—জিৰণি সন্ধিয়া। দিনে আহে মধুৰ সন্ধিয়া-দিনে ফুৰে ব্যস্ত নাগৰিক।

বহুত দিনৰেপৰা একেলগে ফুৰে শৰত-সবিতা। সন্ধিয়াৰ আগ মুহূৰ্তত সাজি-কাচি অপেক্ষা কৰিছে সবিতাই শৰতৰ আগমন। চাই চাই আমনি লাগিল। তেওঁ নাহিব নেকি আজি ? প্ৰশ্ন জাগে তাইৰ। উচপিচ কৰে মন—বাৰে বাৰে ভুমুকি মাৰে ৰাস্তাৰ ফালে। হঠাতে চকুত পৰে শৰতক অলপ দূৰৈত। মনত ভাল লাগি যায়। আগবাঢ়ি ওলাই আহে—

"আপোনাক চাওঁতেই মোৰ আমনি লাগিল।"

ওচৰলৈ আহি হাঁহি মাৰি কৈ উঠে শৰতে—"ইচ্ছা যিমানেই প্ৰবল হয় বস্তুৰ মূল্য সিমানেই বাঢ়ে। গতিকে মোৰ মূল্য বঢ়াবলৈ···।

"অৰথা পলম কৰিছে ? ভাবি দুষ্ট। বলক এতিয়া।"

"ক'লৈ ?"

"দেশভক্ত ফুকন পাৰ্কলৈ।"

"বিক্সা এখন মাতিম নেকি ?"

হাঁহি মাৰি সবিতাই কয়—"বিক্সা[redacted]য়া একেলগে যাবলৈ এতিয়াও বহুত বাকী।"

"এৰা। বলা পদব্ৰজে গমনে শ্ৰেয়ঃ।

"নিশ্চয়।"

কথাবাৰ কৈয়েই সবিতাই শৰত ভুঞাৰ ফালে আগবাঢ়ি আহিল। কানি-কাপোৰবোৰৰ ফালে নিৰীক্ষণ কৰি উঠি তাই এবাৰ খোপাটো হাতেৰে টিপি দি ফুলটো ভালকৈ গুজি ললে। চেণ্ডেলযোৰৰ ফিটা জোৰকৈ মাৰি ললে। ৰিহাখন ক'কালত আটিলকৈ বান্ধিলে। "টাইট্‌ৰেচটো" ফিট কৰি লৈ শৰতৰ পিচে পিচে খোজ ললে। দুয়ো ওচৰা-ওচৰি।

ফুকন পাৰ্ক।

দুয়ো সোমাই গ'ল ফুলনিৰ ভিতৰলৈ। নানা ৰঙৰ ফুল, নানা বৰণৰ লতা। সুশোভিত উপবন। সেউজীয়া দুবৰিৰ শ্যামল পাটিত যেন প্ৰৱেশ কৰিলে দুয়ো। মনত জাগিল পুলক, অন্তৰত আহিল যেন কবিতাৰ বান। আবেগভৰা হিয়া, পুলকভৰা প্ৰাণ। ধীৰে ধীৰে বহি পৰিল শৰত-সবিতা। সবিতাৰ চুলিৰ গন্ধ নাকত লাগিল শৰতৰ। কি তীব্ৰ। কি মনোমোহা! কি সুন্দৰ! শৰতে সবিতাৰ মুখলৈ চালে। প্ৰসাধনৰতা সবিতাৰ নিমজ গাল দুখনত বিজুলী বাতিৰ বগা মিঠা পোহৰ পৰি আৰু নিমজ আৰু লাহী হৈ উঠিছে। ওঁঠৰ ৰক্তাভ আবেশে মুখমণ্ডল ৰক্তিম কৰি তুলিছে। সুগন্ধ এচেণ্টৰ মলমলীয়া গন্ধে গোটেই মানুহজনীক যেন এপাহ গন্ধৰাজ ফুলত পৰিণত কৰি তুলিছে। মুখত মধুৰ হাঁহি, চকুত চতুৰ দৃষ্টি। বিমুগ্ধ হৈ গ'ল শৰত। তেওঁৰ কবি মন হৈ উঠিল আকুল, চঞ্চল। ইমান ৰূপ। লুব্ধ হৈ গ'ল তেওঁ। সৌন্দৰ্যৰ অফুৰন্ত মায়ামাধুৰিমা বোধ হয় নাৰীৰ এই মোহিনী ৰূপতে লুকাই আছে। তেওঁ ভাবে—তেন্তে নাৰীয়েই ৰূপ নে ৰূপেই নাৰী ? কবিৰ মনত জাগে প্ৰশ্ন। বন্য পহুৱে চিকাৰীৰ টৰ্চৰ ফালে ভেলেকি লাগি চাই থাকাৰ দৰে একেথৰে চাই থাকে শৰতে সবিতাৰ মুখৰ ফালে। হঠাতে ৰাস্তাৰে অতিক্ৰম কৰি যোৱা কোনো এখন মটৰৰ

লাইটৰ পোহৰ শৰতৰ মুখৰ ওপৰেদি বাগৰি যায়। সবিতাৰ চকুত পৰে শৰতৰ নীৰৱ নিবন্ধ দৃষ্টি। হঠাৎ মাৰি কৈ উঠে—"কবি, কি চাইছে ইমানকৈ মোৰ মুখত ?"

"মোকেই চাইছোঁ।"

"আপোনাক চাইছেনে মোক চাইছে ?"

"তোমাৰ ভিতৰেদি মই মোকেই চাইছোঁ।"

"মোৰ ভিতৰেদি আপোনাক চাইছে ?"

"এৰা।"

"তেন্তে মই দাপোণ নেকি যে মোৰ মুখৰ মাজেৰে আপুনি নিজক দেখিছে ?"

"এৰা, তুমি দাপোণ। তোমাৰ এই ৰূপৰ ভিতৰেদি মই মোৰ অন্তৰৰ ৰূপ দেখা পাইছোঁ।"

"এৰক আপোনাৰ দৰ্শন শাস্ত্ৰ।"

অলপ কাষ চাপি আহি সৰুকৈ কয়—"এনেকৈ মুখলৈ নাচাব ; মোৰ বৰ লাজ লাগে। মানুহে দেখিলেও বেয়া বুলিব।"

"মানুহে ভাল বেয়া বোলাৰ লগত সত্যৰ কোনো থাতিৰ নাই।"

"বহুদিন আপুনি এনেকৈ কৈছে। বাৰু কওঁকচোন ইয়াৰ অৰ্থ কি ?"

"তাৰ অৰ্থ—নিজৰ সৌন্দৰ্যবোধ থাকিলেহে দৃষ্ট বস্তুত সৌন্দৰ্য দেখা যায়। সেইবাবে বস্তুৰ ৰূপৰ মাজেৰে আমি আমাৰ অন্তৰৰ ৰূপকে দেখোঁ।"

"বাৰু, আপুনি মোক ভাল পায় নে মোৰ ৰূপ ভাল পায় ?"

"মই তোমাক বা তোমাৰ ৰূপক একোকে ভাল নাপাওঁ—মই ভাল পাওঁ মোকহে। সেইবাবেই তোমাৰ ৰূপৰ ভিতৰেদি যেতিয়া মই মোক দেখা পাওঁ তেতিয়া মোৰ আনন্দ লাগে আৰু তোমালৈ মুগ্ধ হৈ চাই ৰওঁ।"

"ভালকৈ কওঁক।"

"ভালকৈ কবলৈ হ'লে, মোৰ অন্তৰত ৰূপ আছে। এই ৰূপ থকাৰ প্ৰমাণ সৌন্দৰ্যবোধ। এই মোৰ সৌন্দৰ্যবোধৰ দ্বাৰাই তোমাৰ বাহিৰৰ ৰূপৰ মাজেৰে মোৰ অন্তৰৰ ৰূপ দেখা পাইছোঁ। মোৰ সৌন্দৰ্যসত্তাৰ তুমি মাত্ৰ আলম্ব। তুমি পাত্ৰ ; মদ হ'ল মোৰ অন্তৰৰ ৰূপ। মই মোৰ সৌন্দৰ্য-সুৰাক তুমি পাত্ৰত বাকি লৈ পান কৰিছোঁ মাত্ৰ। গতিকে তুমি মোৰ আলম্বন হে, ৰূপ মোৰ অন্তৰতেই

আছে। তাকেই মই লেখিব ধৰিছোঁ। শুনা সবিতা, মোৰ এটি জ্বলন্ত কবিতা—

"তোমাৰ ৰূপৰ মাজে প্ৰতিভাত হয় যাথোঁ মোৰেই স্বৰূপ।"

"থওক আপোনাৰ মান্ধাতাৰ আমোলৰ কবিতা। আজিকালি ইবিলাক অচল মহাৰাণীৰ টকাৰ দৰে হৈছে।"

"সেই বুলি তোমাৰ আধুনিক কবিতাও বজাৰত চলা নাই। পুৰণি কবিতা অচল তেন্তে আধুনিক কবিতাৰো চলা দিন অহা নাই। এটা অচল আনটো চলা নাই।"

"কবিতা অন্তৰৰ স্বতস্ফূৰ্ত বাণী। তাক ছন্দৰ চেপাত পেলাই চেপেতা কৰি প্ৰকৃত ৰূপ নষ্ট কৰাটো সম্পূৰ্ণ ভুল। সেইবাবে পুৰণি কবিতাত ছন্দৰ গন্ধ আছে সঁচা কিন্তু অবিকৃত সত্যৰ ৰূপ তাত নাই।"

"আধুনিক কবিতা গন্ধহীন কাগজৰ ফুল। কাগজৰ ফুলৰ ৰূপ আছে ; কিন্তু ফুলৰ গন্ধ হ'লে তাত সমূলি নাই।"

এনেতে পিচফালৰপৰা হৰ্ণ বাজি উঠে। দুয়োৰো তৰ্ক হঠাতে বন্ধ হৈ যায়। মটৰৰ পোহৰ ক্ৰমে উজ্জ্বল হৈ আহে। দুয়োৰো গাত পৰে। সবিতাই ঘপহকৈ উঠি কয়—"তৰ্ক এৰক। যাওঁ বলক। ৰাতি হ'ল।"

"বলা বাৰু।" শৰতো থিয় হয় ; দুয়ো লাহে লাহে ওলাই আহে। বাটত দুয়ো ওচৰা-উচৰিকৈ খোজ কাঢ়ে। শৰতে লাহেকৈ এটা প্ৰশ্ন সোধে—"বাৰু সবিতা, তোমালোকৰ সেই ঘৰটো ভাৰাত দিবা নেকি ?"

"কাক লাগে ?"

"মোক ?"

"আপোনাক ?"

"এৰা।"

"ঠাট্টা বাদ দি ভদ্ৰলোকৰ দৰে কওক।"

"ঠাট্টা নহয়। মোকে লাগে ; তাৰ মানে মোৰ বন্ধু এজনক লাগে।"

"কোন বন্ধু ?"

"নবীন বৰ্মণ।"

"অ' সেই ধুৰন্ধৰটোক ?"

"হয়।"

"ঔ আই, সেইপাটক মোৰ বৰ ভয় লাগে পায়।"

"কিয় ?"

"মনত নাইনে তাহানিৰ কথা ? কম বুদ্ধিমান নহয় সেইজন। ইমান চালাক ! বাপৰে বাপ্ ! সাংঘাতিক লোক।"

"সাংঘাতিক বুদ্ধিমান স'চা কিন্তু সমূলি দুষ্ট নহয়।"

"মই কিবা দুষ্ট বুলি কৈছোঁ নেকি ? মইতো বেয়া বোলা নাই।"

"তেন্তে দিবা নে নিদিবা ?"

"তেখেত থাকিলেতো ভালেই হয়। পিছে মোৰ হ'লে ভিতৰি ভিতৰি বৰ ভয় লাগে পায়। ইমান চালাক মানুহ।"

"ইমান চালাক বাবে ঠগিবৰ ভয় নহয়নে ?"

"যাওক আপোনাৰ কথাবোৰ। মই কিবা ঠগিবৰ ভয় কৰি নিদিম বুলি কৈছোঁ নেকি ?"

"তেন্তে ?"

"পিতাক সুধি নাচালে কেনেকৈ কওঁ।

"বাৰু, কাইলৈ অনুগ্ৰহ কৰি পিতাৰাক সুধি বেচেৰাৰ এটি গতি লগাই দিয়া। সি বেচেৰাই বৰকৈ ঘৰ বিচাৰি ফুৰিছে।"

"গুৱাহাটীত কিয় থাকে ?"

"নাজানো। সি বোলে গুৱাহাটীত থকা নিতান্ত দৰ্কাৰ।"

"বাৰু, কাইলৈ খবৰ কৰিম।"

লাহে লাহে আহি দুয়ো সবিতাহ'তৰ নওলামুখ পালে। সবিতা ভিতৰ সোমাই গ'ল। শৰত ঘৰলৈ ফিৰিল।

॥ তিনি ॥

শৰত আৰু সবিতা। এজন হ'ল ঠিকাদাৰ জগন্ত ভূঞাৰ ল'ৰা আৰু আনজনী হ'ল ইঞ্জিনীয়াৰ গিৰীশ দাসৰ ছোৱালী। দুয়োবো ওচৰ চাপে দুয়ো অতি নিবিড়ভাৱে। দুয়োবো অন্তৰ বিনিময় হয়। আবেগত হৃদয় উপচি পৰে। কিন্তু সমাজ, ধৰ্ম আৰু ভদ্ৰতাৰ অনুশাসনে সুসংযত কৰি ৰাখিছে দুইকো ইমান দিনে। সেয়েহে আজি এই কেইবছৰে অবাধ মিলামিচা কৰা সত্বেও দুয়ো কোনো পঙ্কিলতাত খোজ দিয়া নাই। শিক্ষা-দীক্ষা আৰু বংশ মৰ্যাদাই এই ক্ষেত্ৰত মানুহক বহুত সংযত কৰি ৰাখে। এয়ে শিক্ষাৰ গুণ। বিবেকৰ সবল শাসনত প্ৰবৃত্তিৰ দুৰন্ত কামনা অবদমিত হয়। ইয়াতে পোৱা যায় মানুহৰ ৰুচিৰ পৰিচয়। এনে সুৰুচি-সম্পন্ন হোৱা বাবেই অতদিনে তেওঁলোকৰ অবাধ মিলনত গিৰীশ দাসে জীয়েকক একো হকাবধা কৰা নাই। উচ্চ বংশজাত আৰু উচ্চশিক্ষিত দাসে তেওঁৰ প্ৰাপ্তবয়স্কা উচ্চশিক্ষিতা জীয়েকৰ ৰুচিবোধৰ পৰিচয় বহুদিন আগতে পাইছে। সেই বাবে জীয়েকৰ ৰুচিৰ বিৰুদ্ধে একো কৰিবলৈ ইচ্ছা নকৰে। বাপেক ইঞ্জিনীয়াৰ—ধনী; জীয়েক শিক্ষিতা—ৰূপহী। দুজন পুতেক—তৰুণ, বৰুণ। ডাঙৰজন ডাক্টৰ, আনজন ইঞ্জিনীয়াৰ। কনিষ্ঠা সবিতা।

মাকৰ ইচ্ছা, ল'ৰা দুটিক বিয়া কৰাই দিব—বোৱাৰী লাগে।

বাপেকৰ ইচ্ছা, ছোৱালীজনীক বিয়া দিব—জোঁৱাই লাগে।

ধনী মানুহ। সুন্দৰ ঘৰবাৰী, ফাষ্টক্লাছ মটৰগাড়ী। ছোৱালী উচ্চ শিক্ষিতা, লগতে ৰূপহী। দৰাৰ জাক আছে পালে পালে, যেন দ্বাপৰৰ দ্ৰৌপদীৰহে স্বয়ম্বৰ। কিন্তু আহিলে কি হব? একে কথা; পণপ্ৰথা। সকলোকে লাগে টকা। কিমান টকা যৌতুকত দিব এয়ে হৈছে দৰাপক্ষৰ প্ৰশ্ন। কোনোৱে খোজে পাঁচ হেজাৰ, কোনোৱে খোজে দহ হেজাৰ নগদ; তাৰ উপৰি বিয়াৰ খৰচ আছেই। কোনোৱে ঘূনুক ঘানাক্‌কৈ কয় যে ল'ৰাক বিলাতত পঢ়া খৰচো দিব লাগিব। শুনি শুনি বিৰক্তি লাগে অৰুণ আৰু বৰুণৰ। কিমাননো শুনিব সেই একে কথা। খং উঠে তেওঁলোকৰ। হায়! হায়! নিৰুপায় তুমি শতিকাৰ ছোৱালীৰ পিতা!

এনে নিৰ্লজ্জ আৰু বিৰক্তিকৰ কথাবোৰ শুনি শুনি সবিতাৰ কাণ কলা যেন হ'ল। তাই কিবা পণ্যদ্ৰব্য নেকি যে ইমান দৰদাম চলে? টকা ভেটী দি চাকৰি

লোৱা যায়—কিন্তু ছোৱালী দিয়া দিয়া নাযায়। তাই ক্ৰমশ হৈ যায় ভিতৰে ভিতৰে। তাইৰ মূল্য যেন একেবাৰে কমি গৈছে! এদিনাখন ৰাতি ভাতৰ পাতত এই বিষয়ে মেল কৰি থাকোঁতে সবিতাই খঙৰ বেগতে কৈ উঠিল—

"পিতা, আপোনালোকে মোক কিবা আপদনীয়া বুলি ভাবিছে নেকি যে, সদায় মোৰ বিয়াৰ কথাকে কৈ থাকে? মই আৰু আজি সেই কেঁচুৱা ছোৱালী নহওঁ। মোৰ বয়সৰ লগে লগে জ্ঞানবুদ্ধিও কিছু হোৱা বুলি মোৰ ধাৰণা। এতিয়া মই মোৰ বাবে চিন্তা কৰিব পৰা হৈছোঁ। আপোনালোকে সদায় মোৰ বাবে ভাবি মূৰ গৰম নকৰিব।"

শিক্ষিতা জীয়েকৰ এনে বোষপূৰ্ণ উক্তি শুনি পিতাকৰ মাত বন্ধ হৈ গ'ল। দুই ককায়েক হতবাক হৈ ৰল। মাক লাহেকৈ ৰান্ধনীঘৰৰ ভিতৰলৈ সোমাই গ'ল সেইদিন ধৰি তাইৰ বিয়াৰ কথা আৰু আলোচনা হোৱা নাই।

॥ চাৰি ॥

সবিতাৰ পিতাকৰ লগত বন্দোবস্ত কৰি শৰতে সবিতাহঁতৰ আগেপিচে ভাৰাত দিয়া ঘৰটোকে নবীনৰ বাবে ঠিক কৰি দিলে। তেওঁ এটি ৰান্ধনি ল'বা ৰাখি তাত থাকিবলৈ ল'লে।

নবীন তাত থকাৰপৰা শৰতৰ লগত সবিতাৰ মিলনত বেছ সুবিধা মিলিল। বন্ধুৰ বাহত উপস্থিত হোৱাৰ অজুহাত দেখুৱাই সবিতাৰ লগত মিলাৰ এটা সুযোগ মিলিল। নিতৌ শৰত আহে নবীনৰ বাহলৈ। নানা গল্প-গুজৱ। সাহিত্যৰ আলোচনাকে আৰম্ভ কৰি ৰাজনীতিত গৈ শেষ হয়। মাজে মাজে গুপুত প্ৰণয় কাহিনীলৈ জেৰ টানে। ঘনিষ্ঠতা গঢ়ি উঠাৰ পাচত মাজে সময়ে সবিতায়ো আহি আলোচনাত অংশ গ্ৰহণ কৰে। সাহিত্যৰ আলোচনাত নাৰীৰ উপস্থিতিয়ে আৰু এখোপ ৰূপ চৰায়।

আজিকালি নবীন, শৰত আৰু সবিতাৰ ঘন ঘনকৈয়ে আলোচনাচক্ৰ বহে। কেতিয়াবা কেতিয়াবা দুই চাৰিজনী সবিতাৰ বান্ধবীয়েও আহি যোগ দিয়ে। নাৰীৰ এনে উপস্থিতিয়ে আলাপ আৰু ৰসাল কৰি তোলে। মাজে মাজে শৰতৰ

দুই চাৰিজন বন্ধুও আছে। সৰ্ববহী নবীনৰ বসাল আৰু হাস্যমধুৰ ব্যৱহাৰে দিনে দিনে তেওঁৰ বন্ধুৰ সংখ্যা বৃদ্ধি কৰি আনিছে। ক্ৰমে নবীনৰ ঘাহটো এক-প্ৰকাৰ আড্ডা হৈ উঠে। তেওঁৰ বসাল আৰু সজীৱ কথোপকথনে সকলোকে বিমুগ্ধ কৰি তোলে।

শৰত আৰু সবিতাৰ ভিতৰত যে ভালপোৱা আছে তাৰ গম পায় ভালদৰে নবীনে। সেয়েহে মাজে মাজে কথাৰ ছলতে দুটি এটি ঠাট্টাৰ খোচা সোধাবলৈ চেগ চাই থাকে তেওঁ, আৰু সুবিধা পালেই মাৰে খোচাটো। অৱশ্যে তেওঁলোক দুয়োজনে এনে মিঠা ঠাট্টা পেটে পেটে ভালহে পায়—বেয়া নাপায়।

শৰত আৰু সবিতাৰ ভিতৰত যে মিল আছে এই কথাৰ গম সবিতাহঁতৰ সকলোটিয়ে পায়। অৱস্থা, চেহেৰা, বিদ্যা-বুদ্ধিৰ ফালৰপৰা ঠিক মিলিব বুলি মাক-বাপেকেও আন্তৰিক অনুমতি দিছে। সুচতুৰা সবিতাই যে শৰতৰ দৰে এজন মেধাবী আৰু চৰিত্ৰবান ল'ৰাক হাত কৰিব পাৰিছে তাকে ভাবি নিষ্ক্ৰিয় ইঞ্জিনক সক্ৰিয় কৰা ইঞ্জিনীয়াৰে একৰকম তবধ মানিছে।

আজিকালি ঘৰখনৰ আটায়ে শৰতক ভাল পায়, মাতে, আনকি ভাত খাবলৈও নিমন্ত্ৰণ কৰে। লগতে ভাগ মিলে নবীনৰ।

দিন বাগৰি যায়—মন পিছলি যায়। লাহে লাহে বাঢ়ি আহে প্ৰীতিৰ শলিতা। এনেকৈয়ে চলি থাকে দুই বন্ধু আৰু এক বান্ধৱীৰ জীৱন।

* * *

শৰতে নবীনৰ ৰুমত বহি চাহ খাই থাকোঁতে সুধিলে—

"আচ্ছা ধুৰন্ধৰ, তই যে ইয়াত ঘৰভাৰা কৰি আছ, কি কৰিবি বুলি ভাবিছ ?"

"কৰিম আৰু কি ? খাই-লৈ কিছুদিন থাকি ভাৰা নিদিয়াকৈ হঠাতে এদিন অন্তৰ্ধান হম।"

"তামচা বাদ দে। মই সচাঁকৈয়ে সুধিছোঁ।"

"তেন্তে শুন, মই এখন আলোচনী উলিয়াম।"

"টকা কোনে দিব ?"

"লিখকসকলে।"

"আমি জানো যে, কাকতৰ মালিকেহে লিখকসকলক টকা দিয়ে ; তেনেস্থলত তই আকৌ লিখকসকলৰপৰা টকা লবি ?

"এবা।"

"কিয় দিব লিখকে টকা ?"

"তেন্তে কিয় ছপাম তেওঁলোকৰ প্ৰবন্ধ ?"

"আলোচনী উলিয়াব লাগিলে প্ৰবন্ধ ছপাব লাগিবই।"

"নাম কৰিব লাগিলেও প্ৰবন্ধ ছপাব লাগিব আৰু প্ৰবন্ধ ছপাব লাগিলে টকা দিব লাগিবই।"

"বিখ্যাত লিখকৰ প্ৰবন্ধ টকা দিলেও পোৱা টান ; তেনেস্থলত তোক আকৌ ওলোটাই টকা দিব ?"

"আৰু অখ্যাত লিখকে টকা দিলেও প্ৰবন্ধ ছপোৱা টান, তেনেস্থলত বিনা পইচাই মই ছপাম ?"

"অখ্যাত লিখকৰ প্ৰবন্ধ পঢ়িব কোনে ? নপঢ়িলে আলোচনী বিক্ৰয় নহ'ব আৰু আলোচনী বিক্ৰি নহ'লে তোৰ লোকচান হ'ব।"

"লোকচান হ'লে হ'ব লিখকৰ—মোৰ নহয়।"

"বাৰু টকা কি বুলি খুজিবি ?"

"শুন তেন্তে মোৰ আঁচনি। প্ৰথমে মই 'নতুন অসমীয়া', 'অসম ট্ৰিবিউন', 'অসম বাণী' আদিত জাননী দিম মোৰ আলোচনীৰ বাবে প্ৰবন্ধ লাগে বুলি। যেতিয়া প্ৰবন্ধবোৰ আহিব তেতিয়া প্ৰত্যেক লিখকলৈ একোখন চিঠি লিখিম—যদি আপোনাৰ প্ৰবন্ধটো ছপাব লাগে, তেন্তে অনুগ্ৰহ কৰি পঁচিশ টকা পঠাই দিব ; ন'হলে সেই বিষয়ৰ প্ৰবন্ধ আৰু দুটা আহিছে ;, প্ৰবন্ধ দুটা এইটোতকৈ উচ্চ পৰ্যায়ৰ হৈছে। যদি আপুনি টকা দিব নোৱাৰে, তেন্তে আন দুটিৰ এটিকে ছপাম। সেইবাবে আপুনি অতি সোনকালে টকাখিনি পঠাই দিয়ক।' এনেকৈ প্ৰত্যেক লিখকলৈ লিখিম। তেতিয়া নিজৰ নাম জাহিৰ কৰাৰ বাবে হামবাও কাঢ়ি নতুন লিখকসকলে সহজে টকা দি দিব। তই দেখিবি, মোৰ কাম হাচিল হয় নে নহয়।"

"ধন্য তোৰ বুদ্ধি, ধুৰন্ধৰ। তোৰ ধুৰন্ধৰ নাম সাৰ্থক হৈছে ভাই। পিছে পুৰণা আৰু ডাঙৰ লিখকৰ বেলিকা কি কৰিবি ?"

"মই জাননী দিওঁতে তলত লিখি দিম—নামকৰা অৰ্থাৎ বিখ্যাত লিখকৰ কোনো লিখা নালাগে ; কাৰণ অখ্যাত লিখকসকলক বিখ্যাত কৰাহে মোৰ উদ্দেশ্য।

অনামীসকলৰ প্ৰতিভাৰ বিকাশৰ বাবেহে মই আলোচনী উলিয়াব খ্‌জিছো। দেশৰ হেজাৰ-বিজাৰ অখ্যাত আৰু অৱহেলিত লিখকসকলৰ প্ৰবন্ধহে আমি আগ্ৰহেৰে লম; কিয়নো আমাৰ দেশত শ'শ' লিখকে সুবিধাৰ অভাৱত বাইজৰ আগত নিজক প্ৰকাশ কৰিব পৰা নাই। আমি তেওঁলোককহে প্ৰকাশ আৰু পোহৰৰ বাটলৈ আনিবলৈ ইচ্ছা কৰিছো। দেশত আমাক মানুহ লাগে, সাহিত্যিক লাগে—ইত্যাদি নানা ৰকমৰ জনপ্ৰিয় কথা লিখি দিম। তেতিয়া ডাঙৰ সকলো বাধ পৰিব আৰু ন লিখকো বেঁচিকৈ ওলাব। ইফালে মোৰো কাৰবাৰ সুকলমে চলিব।"

"কব নোৱাৰোঁ এইবাৰ তই কি কাণ্ড কৰ। পিছে আলোচনীখনৰ নাম কি দিবি?"

"নাম দিম 'অনামী'।"

"কাম-যেনে নামো তেনে আবিষ্কাৰ কৰিছ। বেছ; আৰু সম্পাদক?"

"সম্পাদক? ধুৰন্ধৰ—আৰু পোৱাৰ ঠাই ভাৰাঘৰ, গুৱাহাটী" বুলি কৈ নবীন খিলখিলকৈ হাঁহি দিয়ে। শৰতবো হাঁহি উঠে নবীনৰ এই গাজাখুৰি গল্প শুনি। তাৰ পিচত হাঁহি হাঁহি কয়—"এইবোৰ কল্পনাহে তোৰ মগজত উদ্ভাৱন হৈছে। এইবোৰ কল্পনা বাস্তৱত পৰিণত হব নোৱাৰে। পিছে বাস্তৱত কি কৰিবি কচোন?"

অলপ টলকা মাৰি কয় নবীনে—"এইবোৰ ভবা কথা আৰু কোৱা কথা—কৰা আৰু দেখুৱা কথা নহয়। কিন্তু এইটো হ'লে ঠিক যে, মই এখন আলোচনী উলিয়ামেই আৰু তাৰ নাম ৰাখিম 'অনামী'—লগতে সম্পাদকৰ নাম দিম 'ধুৰন্ধৰ'—এইটো হ'লে ঠিক। বাকীবোৰ অৱশ্যে কৰা নাযাব।"

এনেকৈয়ে দুয়ো বন্ধুৱে আলোচনা কৰে। তাৰ পাচত চাহ খাই উঠি দুয়ো ফুৰিবলৈ ওলাই যায়।

॥ পাঁচ ॥

ইঞ্জিনীয়াৰিং পাচ কৰি আহি দাসে প্ৰথমে এচ্. ডি. ও. হৈ পি. ডব্লিউ. ডি. ডাগত সোমায়। অতি গৰীব অৱস্থাৰপৰা আহি আজি এইখিনি পাইছে। এক্জিকিউটিভ ইঞ্জিনীয়াৰ বৰ্তমান। টকা-পইচা, ঘৰবাৰী, মটৰ গাড়ী আৰু অন্যান্য সা-সুবিধাৰ অন্ত নাই এতিয়া। মানুহে অৱশ্যে ভেটীভুটা খোৱা বুলি বদনাম কৰে। কিন্তু দাসে একো কেৰেপকে নকৰে, কাৰণ মানুহে নো কি নকয় ? ডাঙৰ পুতেক তৰুণে এম্. বি. বি. এচ্. পাছ কৰি প্ৰাইভেট প্ৰেক্‌টিচ কৰিছে। সৰু পুতেক বৰুণে ইঞ্জিনীয়াৰিং পৰীক্ষা পাছ কৰি বাপেকৰ তলতে টেম্পোৰেৰি ইঞ্জিনীয়াৰ হিচাবে কাম কৰিছে। ভৱিষ্যত এচ্. ডি. ও. হোৱাৰ সম্পূৰ্ণ আশা। নুমলীয়া সন্তান সবিতা পিতাক, মাক ককায়েক-হঁতৰ অতি আদৰৰ। কন্যাপ্ৰাণ পিতাই কোনো কামতে হকাবধা নকৰে সবিতাক। ককায়েকহঁতেও আৰামৰ সমস্ত সা-সুবিধা কৰি দিছে ভনীয়েকক। বৰ সুখ আৰু আৰামত ডাঙৰ-দীঘল হৈছে সবিতা।

আজি কেবাবছৰ আগৰ কথা। যুদ্ধৰ সময়ত জগত ভুঁঞাই অনাই-বনাই ঘূৰি ফুৰি শেষত গিৰীশ দাসৰ আশ্ৰয় লয়। দাসে প্ৰথমে তেওঁক এটি সৰু ঠিকা দিয়ে। পাচত লাহে লাহে দাসে তেওঁক ডাঙৰ ডাঙৰ ঠিকাবোৰ দিয়ে। তেওঁৰ সৌজন্যত ভুঁঞাই আজি এজন লেখত লবলগীয়া ঠিকাদাৰ হৈ উঠিছে। অৱশ্যে লাভৰ ভাগ দুয়োৰো পঞ্চাশ পঞ্চাশ। বৰ্তমান জগত বাবুৱে পাণবজাৰত সুন্দৰ ঘৰ-মাটি লৈ বসবাস কৰিছে।

দুয়োঘৰৰ মাজত ভাল সৌহাৰ্দ্য আছে। তাতে আকৌ শৰত আৰু সবিতাৰ ভিতৰৰ বন্ধুত্বই ঘনিষ্ঠতা আকৌ গাঢ় কৰি তুলিছে। তাৰ উপৰি বৰুণ আৰু শৰত দুয়ো কলেজীয়া বন্ধু লগতে কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ সহ-অভিনেতা। দুয়োৰো প্ৰীতিয়ে শৰত-সবিতাৰ বন্ধুত্বত দুগুণ বৰঙনি যোগাইছে। দুয়োঘৰৰ ভিতৰত অহা-যোৱা আছে।

নবীন বৰ্মণ বৰ কষ্ট-সহিষ্ণু। সাহস আৰু বুদ্ধিও যথেষ্ট আছে। তেওঁ নিজৰ উদ্দেশ্য ভুলি যোৱা বিধৰ লোক নহয়। সেয়েহে আলোচনী এখন প্ৰকাশৰ চেষ্টা তেওঁ এৰি দিয়া নাই। ধীৰ-স্থিৰ ভাৱে চিন্তা কৰি চাইছে তেওঁ। অসমীয়া

আলোচনী উলিয়াবলৈ মনস্থ কৰিলে। তেওঁ যদিও ঠাট্টাৰ চলত নানা কথা কৈছিল ; কিন্তু কাৰ্যক্ষেত্ৰত তেওঁ তেনে পাতল ন হয় ; ইফালে কৌশলীও। তেওঁৰ গাজাখুৰী গল্পৰ ভিতৰত ৰ'ল—আলোচনী আৰু সম্পাদকৰ নামটো—বাকীবোৰ ইং গ'ল। আলোচনীৰ নাম দিলে—"অনামী" আৰু সম্পাদক হ'ল—'ধুৰন্ধৰ'। বাৰ্তাৰ কাকতত আচৰিত ধৰণৰ আলোচনীৰ নাম আৰু অদ্ভুত ধৰণৰ সম্পাদকৰ নাম শুনি মানুহ চমকিত হৈ গ'ল। কৌতুহলবশতঃ বহুতে প্ৰবন্ধ-পাতি পঠালে। চাওঁতে চাওঁতে "অনামী" বংচঙীয়া সাজেৰে বাইজৰ মাজত ওলাল। অৱশ্যে ধনৰ ফালটো পূৰণ কৰিলে সবিতাৰ দাদা বৰুণে আধা আৰু প্ৰেছে আধা। "অনামী"ত বিখ্যাত, কুখ্যাত, অখ্যাত সকলো লিখকৰ প্ৰবন্ধ লোৱা হ'ল। প্ৰবন্ধৰ গুণানুসৰি তাত স্থান পালে। নলিখক বহুতৰে আবিৰ্ভাৱ হ'ল। শৰত সবিতাকো দেখা গ'ল। শৰতে সদায় ছন্দবন্ধ কবিতা লিখে আৰু সবিতাই লিখে আধুনিক কবিতা। শৰতৰ ছন্দবন্ধ কবিতাটিৰ তলত সবিতাৰ আধুনিক কবিতাটি নিদি নবীনে দুটো বিভাগ কৰিলে। এটা ছন্দবন্ধ কবিতাৰ আৰু আনটো আধুনিক কবিতাৰ। ইয়াৰপৰা দুয়োবিধ কবিতাৰে স্বাদ লবলৈ পাঠকৰ সুবিধা মিলিল।

বাৰ্তাৰ কাকতত জাননী পাই মানুহে ধুমধাম আলোচনীখন কিনিব ধৰিলে। গ্ৰাহকৰ সংখ্যা অতিপাত বাঢ়ি গ'ল। চাওঁতে চাওঁতে কেইমাহমানৰ ভিতৰতে মাহেকীয়া আলোচনী "অনামী"ৰ নাম বিয়পি পৰিল। সম্পাদক ধুৰন্ধৰৰ নাম দেশত প্ৰচাৰ হৈ গ'ল। অতি কম দিনৰ ভিতৰতে সুচতুৰ তীক্ষ্ণদৰ্শী নবীনে সমাজত এডোখৰ ঠাই অধিকাৰ কৰি বহিল। তাকে দেখি শৰত আৰু সবিতাই তবধ মানিলে। বৰুণৰ বিশ্বাস গাঢ় হ'ল। স'চাকৈ নবীন কামৰ মানুহ। টকা মাৰা যাবৰ ভয় নাই।

নবীনৰ প্ৰতিপত্তি বাঢ়ি আহিল। আজিকালি নবীনৰ বাহত অৰ্থাৎ ভাৰাঘৰত কবি-সাহিত্যিকসকলৰ পদধুলি পৰে। সমাজৰ বৰমূৰীয়া, দেশনেতাসকলৰ লগতো নবীনৰ পৰিচয় ঘটি উঠিল। তাৰ-উপৰি গুৱাহাটীৰ ডেকা লিখক-লিখিকা-সকলে সঘনে ভুমুকি মাৰে নবীনৰ ভাৰাঘৰত। বন্ধু-বান্ধৱৰ মেল-মেল বহে ইয়াতে। শৰত, সবিতা, জয়ন্তী, বাসন্তী, মঞ্জু, পৰেশ, দীনেশ, উমেশ আদিৰ মিলন হয় ইয়াতে। নানা গল্প চলে ; নানা আলোচনা চলে। লগতে চলে জলযোগ। আৰু তাৰ লগতে চলে—বন্ধু-বান্ধৱীৰ ঠাট্টা-মস্কৰা। ভাৰাঘৰ হৈ পৰে মুখৰিত

—আনন্দমুখৰ। হাঁহি-খিকিন্দালিৰ মাজতে শৰতে হাঁহি মাৰি কবিৰ কাঁধ ঠাট্টা কৰে নবীনক—

তব পদাৰ্পণে হেথা বন্ধুবৰ,
পুণ্যাহ হ'ল, ধন্য হ'ল এই ভাবাঘৰ।

তেওঁৰ ব্যঙ্গ কবিতাত খিল্‌খিলকৈ হাঁহি দিয়ে সকলোটিয়ে। তাৰে পাছতে সবিতাই গাই উঠিল—

অনন্ত বিশ্বৰ বুকুত অশান্ত পিপাসা—
সাক্ষী ভাবাঘৰ।
জীৱনৰ শেষ তাৰিখত কেই টকা বাকী?
এৰি গ'লে ভাবাঘৰ মালিকৰ খাটাত
বিয়োগ অঙ্ক বহিব;
চিত্ৰগুপ্তক ফাঁকি দিব নোৱাৰি।
আত্মাৰ দেহ ভাবাঘৰ!
দেনাৰ হেঁচাত ভাবাঘৰে কান্দে;
অপবিত্ৰ কৰিলা কিয় ভাবাঘৰ?

হাঁহি মাৰি নবীনে ক'লে—"কবিতাৰ উজান উঠিছে ভাবাঘৰত। ন-পুৰণিৰ হেঁচাত জনতাৰ প্ৰাণান্ত হয় এতিয়া। দোহাই আপোনালোকক! জীৱনৰ শেষ নপাবলেও মাহৰ শেষ পাইছে। তাতে হাতত এটা ফুটা কড়িও নাই। গতিকে ভাবাঘৰৰ কথা বন্ধ কৰিলে নথৈ আনন্দিত হম। আবেদন মঞ্জুৰ নহয়নে?"

"নিশ্চয়, নিশ্চয়" হাঁহি হাঁহি মঞ্জুৰ হ'তে কৈ উঠে। শৰত আৰু সবিতাই দুয়ো দুয়োৰে ফালে চাই চকুৰে চকুৰে যেন কথা কয়। নবীনৰ চকুত পৰি হাঁহি উঠে। তাকে দেখি অইনবোৰেও হাঁহি দিয়ে। শৰত-সবিতা লাজত পৰে। অকস্মাতে আৰু হাস্যকৰ হয়। এনেতে চাহ লৈ চাকৰ ল'ৰাজন সোমাই আহে। সকলো গম্ভীৰ হয়, আৰম্ভ হয় চাহপৰ্ব।

* * *

শৰতে ইতিমধ্যে প্ৰতিযোগিতামূলক পৰীক্ষা দিছিল। বন্দিৰ বাতিৰত কোনো "ৰেকিং" নোহোৱাকৈয়ে মনোনয়ন পালে ই. এ. চি. ৰ। তেওঁৰ পদৰ হ'ল "পোষ্টিং"। বন্ধু-বান্ধৱে ৰং পালে; ঘৰৰ সকলোৱে পালে আনন্দ। নবীন,

সাৰিতা, মৰুণে নথৈ খুচি। সৰিতাহঁতৰ ঘৰখনেই যেন খুচি হৈ গ'ল। জীৱনৰ এনে কৃতকাৰ্যতাত শৰতৰো আনন্দ লাগিল। নিজৰ ওপৰত আছিল অসীম বিশ্বাস, ঈশ্বৰৰ ওপৰত আছিল অবিচলিত আস্থা। ঘৰত খানাৰ যোগাৰ কৰিলে। বাপেক ঠিকাদাৰে যথেষ্ট টকা খৰচ কৰিলে মানুহক খুৱাই। সন্তানৰ কৃতিত্বত পিতৃৰ আনন্দ হোৱা স্বাভাৱিক।

যোৱাৰ আগতে শৰতে নবীনৰ লগত আলোচনী সম্পৰ্কে আলোচনা কৰিলে। কিবাকিবি দৰ্কাৰী কথা হ'ল। তাৰ পাচত দুই বন্ধুৰ হ'ল বিদায় সম্ভাষণ। বন্ধুৰ কৃতকাৰ্যতাত প্ৰকৃত বন্ধুৰ আনন্দ হয়। কিন্তু আঁতৰি থাকিব লগা হ'লে আছে বেজাৰ। নবীনৰো হ'ল সেয়ে। নবীনৰ দুখ লাগিল; লগতে শৰতৰো। দুই বন্ধুই হিয়াখুলি শুভেচ্ছা জ্ঞাপন কৰিলে ইটিয়ে সিটিক। তাৰ পাচত হ'ল বিদায় নিবেদন। এটা করুণ আবেষ্টনীৰ ভিতৰেদি আঁতৰি আহিল শৰত। নবীনে আগবঢ়াই থলে।

শৰত বাহিৰে বাহিৰে গৈ সোমাল সবিতাহঁতৰ ঘৰত। প্ৰিয় ঋতু শৰতৰ আগমনত প্ৰকৃতিৰ সমস্ত গছ-লতিকা মঞ্জুৰিত হৈ উঠাৰ দৰে প্ৰিয়জন শৰতৰ আগমনতো যেন সবিতাহঁতৰ ঘৰখনেই আনন্দমুখৰ হৈ উঠিল। সবিতাৰ মাকে আহি আদৰেৰে আগবঢ়াই নি একেবাৰে ভিতৰত বহুৱালে। বৰ আবেগেৰে সুধিলে—কেতিয়া যায়, ক'ত থাকিব ইত্যাদি কথাবোৰ, যেন নিজৰ পুতেকহে প্ৰবাসলৈ যাব। শৰতে যথাযথ উত্তৰ দি গ'ল। কিছু সময় পাচত সবিতাৰ পিতাকো আহি পালে। তেওঁ ওচৰতে বহি শৰতৰ কুশল বাৰ্তাৰি সুধিলে, চাকৰিত ভৰ্তি দিনৰ কথা সুধিলে। এইবোৰ কথাবতৰাৰ মাজতে চাহো আনিলে আৰু তেওঁলোকে চাহ খাই মেল কৰি থাকিল। চাহ-তাহ খোৱা হ'লত শৰতে দুয়োজনকে নমস্কাৰ কৰিলে। তেওঁলোকে মূৰত ধৰি আশীৰ্বাদ দিলে। তাৰ পাচত বিদায় লৈ তাৰপৰা উঠিল।

লাহে লাহে শৰতে সবিতাৰ ৰুমত প্ৰৱেশ কৰিলে। সবিতাই কাপোৰবোৰ আলনাতে জাপি আছিল; শৰত যোৱা দেখি বৰ কৰুণ ভাৱে চকী এখন আগবঢ়াই দিলে। শৰত বহিল। শৰতে এবাৰ ৰুমৰ চাৰিওফালে চকুফুৰাই চালে। তাৰ পাচত সবিতাৰ ফালে চালে; দেখিলে সবিতা যেন আজি এটা শোকাবহ কবিতা। ম্লান মুখশ্ৰী, অসংবৃত পৰিধান, অবিন্যস্ত কেশ, বিষাদক্লিষ্ট পৰিৱেশ। এটা করুণ

হাঁহিৰে আমৰণি জনালে সবিতাই। শৰতৰ হৃদয়ত বেদনাৰ ছায়া যেন ক্ৰমে ঘনীভূত হৈ আহিল। বেদনাজৰিত কণ্ঠে মাত লগালে শৰতে—"স-বি-তা।"

"কওক।"

"তোমাক ইমান মলিন দেখিছোঁ কিয় সবিতা ? তোমাৰ কি হৈছে ?"

"আপুনিয়ে বাৰু কওক মোৰ কি হব পাৰে ?"

তাইৰ চকু সজল, মাত কম্পিত, নিশ্বাস ঘন। শৰতৰ চিত্ত যেন বিগলিত হৈ গ'ল। তথাপি নিজক সংযত আৰু সবল কৰি লৈ ক'লে—"ইমান কোমল তোমাৰ মন ?"

"আৰু ইমানেই কঠিন আপোনাৰ প্ৰাণ ?"

"মই যে বাধ্য সবিতা।"

"মই যে বৰ দুৰ্বলমনা—সহ্য কৰিব নোৱাৰোঁ।"

"সংসাৰত এইবোৰ সহ্য কৰিবই লাগিব।"

"ইয়াৰ বেদনা যে অসহনীয়।"

শুনা সবিতা—"প্ৰেমৰ বুকুতে আছে বিৰহ বেদনা ;
বিৰহৰ বেদনাতে মিলন ৰচনা।"

"এই ব্যাথা যে অসহ্য। আৰু যে কিমান দিন···। কেনেকৈ মই ধৈৰ্য ধৰিম··· ?"

"সহ্য কৰিব লাগিব সবিতা ; পুৱাৰ হেঙুলী কিৰণ ফেৰাৰ বাবে পদুমীয়ে সহ্য কৰে ৰাত্ৰিৰ সুদীৰ্ঘ আন্ধাৰ, সন্ধিয়াৰ মৃদুমন্দ মলয়াচাটিৰ বাবে সহ্য কৰে শেৱালিয়ে মধ্যাহ্নৰ তীক্ষ্ন ৰৌদ্ৰ-তাপ আৰু পূৰ্ণিমাৰ স্নিগ্ধ জ্যোৎস্নাৰ তিমিৰাচ্ছন্ন পঞ্চদশ ৰজনী।"

"এই আন্ধাৰ ফালি জানো অৰুণোদয় হব ?"

"যদি নহয় তেন্তে তাৰ বাবে কৰিব লাগিব কঠোৰ তপস্যা।"

সবিতা শৰতৰ ওচৰ চাপি আহে। শৰতৰ থিয় হয়। সবিতাই শৰতৰ চকুলৈ সজল নয়নে চাই প্ৰাৰ্থনা কৰে—"আশীৰ্বাদ কৰক যাতে তেনে সাধনা কৰিব পাৰোঁ।"

সবিতা লাহে লাহে শৰতৰ বুকুত ঢলি পৰে। শৰতে সবিতাৰ মূৰটো বুকুৰ মাজত চপাই লয়। মূৰৰ চুলিৰ মাজেৰে ধীৰে ধীৰে আঙুলি বুলাই মৰমেৰে

কয় শৰতে—"তোমাৰ তেনে কোনো সাধনাৰ প্ৰয়োজন নাই সবিতা। তুমি আজন্ম বিজয়িনী।"

সবিতাৰ কৃষ্ণ-কেশৰ সুঘ্ৰাণ আস্বাদন কৰি অভিভূত হৈ পৰে শৰতে। ক্ৰমে ক্ৰমে দুই বাহুৰে মাজৰপৰা সবিতাক মুক্ত কৰি দিয়ে। মেঘমুক্ত সবিতাৰ দৰে শৰতমুক্ত সবিতা উজ্জ্বলি উঠে।

সন্ধিয়াৰ আকাশত তেতিয়া উজ্জ্বল তৰাটি দেখা যায়।

॥ ছয় ॥

ৰাতি কুসুমকোমল শয্যাত শয়ন কৰি সবিতাই ভাবে শৰতৰ কথা। শৰতৰ কণ্ঠস্বৰ, ভাব, আদৰ্শ সকলোবোৰ যেন একেলগে আহি তাইক গধা মাৰি ধৰে। নাভাবোঁ বুলি চকু দুটা মুদি টোপনি যাবলৈ চেষ্টা কৰে, কিন্তু বৃথা। ভাল-পোৱাৰ আসক্তি অতি তীব্ৰ। তাক অস্বীকাৰ কৰা যায়, অৱদমিত কৰা যায় কিন্তু তাৰপৰা নিষ্কৃতি পোৱা নাযায়, তাক বিস্মৃত কৰা নাযায়। তাই লাইটটো জ্বলাই বিছনাত উঠি বহে। কাগজ কলম লয়। তাই চিঠি লিখিব। লিখিবলৈ আৰম্ভ কৰে। আবেগৰ জোঁৱাৰে চিঠিৰ ভাষা কৰি দিয়ে উজ্জ্বল, ভাব কৰি দিয়ে স্বচ্ছল। আধুনিক কবিতাৰ পূজাৰিণী সবিতাই আবেগতে লিখি পেলায় এখনি আবেগময় মৰ্মস্পৰ্শী পত্ৰ।

গুৱাহাটী

মৰমৰ শৰতদা,   ১।৪।৫৭

হঠাৎ মোৰ মন চঞ্চল হৈ উঠিছে কিয় কব নোৱাৰোঁ। নাৰীমনৰ স্বাভাৱিক দুৰ্বলতাই মোক অজ্ঞাতে কৰি তুলিছে বিহ্বল। নাজানো কোন দুৰ্যোগক্ষণত হঠাতে আমাৰ দুয়োৰো ওপৰত দুষ্ট শুক্ৰগ্ৰহৰ দৃষ্টি পৰিল। মই জ্যোতিষ বিশ্বাস কৰিবলৈ টান পাওঁ শৰতদা, কিন্তু অন্তৰত অজ্ঞাতে সেই অন্ধবিশ্বাসে বাহ লয়। যুক্তিৰ জালেৰে যিমানেই খণ্ডন কৰিবলৈ চেষ্টা কৰোঁ আবেগৰ বানে সিমানেই কোবাল বেগে উটাই নিয়ে। মনৰ ভিতৰৰ যুদ্ধত মগজৰ জয় নে হৃদয়ৰ জয়? বুদ্ধিৰ নে আবেগৰ? যুক্তিতৰ্কৰ নিখুঁত সিদ্ধান্তক বাদ দি মনে কিয় গ্ৰহণ

কৰিব নোখোজে ? বোধহয় যুগে যুগে ধৰি ভাৰতীয় মনত শিপাই থকা পুৰণি বিশ্বাসে তাৰ উত্তৰাধিকাৰ সূত্ৰে পোৱা ক্ষমতাকে লৈ মনৰ ওপৰত জোৰ, জবৰদস্তি কৰি দখল কৰিবলৈ আৰম্ভ কৰে। বাস্তৱিক আমি বৰ নিসহায়—অতি দুৰ্বল। এই দুৰ্বলতাৰ চেলু লৈয়ে মোক অধীৰ কৰি তুলিছে শৰতদা। আপুনি হয়তো মোৰ চিঠি পঢ়ি হাঁহিব, পাগলী বুলি—নিতান্ত নাবালিকা বুলি পুতৌৰ দৃষ্টিৰে চাব। কিন্তু সঁচাকৈ কবলৈ গ'লে মই বৰ্তমানে চৌবিশ বছৰীয়া নাবালিকাই। মাহীদেউৰ অনুৰোধত যদিও আপোনালোকৰ তালৈ যাওঁ তথাপি শৰতদা, আপোনাক নেদেখি মোৰ মন শুদা যেন লাগে। অৱশ্যে মাহীদেৱে আপোনাক নাপাই মোকে পুতেক যেন দেখা হৈছে। তথাপি মোৰ মন বেয়া লাগিছে আৰু কিয় বেয়া লাগিছে এই কথা বোধহয় নক'লেও বুজিব পাৰিছে। ইমান দিনে যি অবাস্তৱ কল্পনা আছিল আজি বাস্তৱৰ উপলব্ধিত সি সত্যৰূপে সমুজ্জ্বল হৈ উঠিছে। বাস্তৱতে হিয়াৰ আকৰ্ষণ দুৰ্নিবাৰ—অদমনীয়। আজি মই স্বীকাৰ কৰিছোঁ।

সোনকালে চিঠি দিব। শব্দৰ বুকুত হৃদয় লুকাই থকা বুলি মোৰ ধাৰণা। প্ৰীতিৰে—। ইতি—

আপোনাৰ চেনেহৰ

—সবিতা—

তাই কেবাবাৰো চিঠিখন পঢ়ে। পঢ়ি পঢ়ি মিচিক-মাচাকুকৈ হাঁহে নিজে নিজে। কেনে কেনে যেন লাগে মনটো চিঠিখন পঢ়ি। এবাৰ ভাবে—নপঠাবই নেকি ? এটা দ্বিধাৰ ভাব আহে—জানোচা কিবা ভাবে। কিজানি নিতান্ত ল'ৰালিৰ ভাব বুলি তাচ্ছিল্য কৰে ? নানা প্ৰশ্ন আহে। কিছুপৰ নিস্তব্ধ হৈ ভাবে। তাৰ পাচত হঠাতে লেফাফাৰ ভিতৰত ভৰাই দি শিৰোনামাটো লিখিব ধৰে। শৰতৰ নামটো লিখি যেন এটা মাদকতা অনুভৱ কৰে। কি শিহৰণ ! কি পুলক ! অন্তৰ উপচি পৰে। জীৱনৰ সাগৰত যেন কববাৰ শীতল মলয়া ধীৰে ধীৰে বয়। সবিতাই চিঠিখন লেটাৰ বক্সত পেলাই দিয়ে। কেইদিনমান বাগৰি যায়।

আনফালে শৰতৰো একে গতি। এতিয়া ই, এ, চি,—চৰকাৰৰ উচ্চ বিষয়া। থাকিব বহুত। হাকিম বুলিলে জনসাধাৰণে যি বুজে তাৰপৰা বহু বেলেগ।

কাছাৰিৰ কাম আৰু কেচৰ চিন্তাই জুৰুলা কৰি থাকে। এনেহেন হাকিমগণৰ কামৰ মাজেদি ওৰে দিন কাম কৰি পৰিশ্ৰান্ত হৈ যেতিয়া শান্তিৰ শীতল ছাঁয়াৰ অভিলাসেৰে আহি বিছনাত বাগৰ দিয়ে তেতিয়া আৰু টোপনি নাহে—আহে সাত ব্ৰহ্মাণ্ডৰ ভাব। বিৰক্তিকৰ অফিসৰ কামৰ মাজৰপৰা আহি অলপ বিশ্ৰাম ললেই আহে জীৱনৰ অন্য এটা ফালৰ ভাৱণা—ডেকা বয়সৰ ধৰ্ম। মনৰ কোন নিভৃত কক্ষৰপৰা ধীৰে ধীৰে ভুমুকি মাৰে অৱদমিত মনৰ গোপন গুহাৰ ছবি বিক্ৰেতা। ছবি লৈ আহে সবিতাৰ। দ্বাপৰৰ অনিৰুদ্ধৰ দৰে যেন অনিমেষ নয়নে চাই ৰয় তেওঁৰ মনৰ উষা সবিতাৰ মনোমুগ্ধকাৰিণী ৰূপ। মানৱ মন বাস্তৱতে ৰূপদক্ষ—শিল্পী। মনে কুৰূপাক দান কৰে তিলোত্তমাৰ ৰূপ, কদাকাৰক দান কৰে কামদেৱৰ সৌন্দৰ্য। নিজৰ মনৰ সমস্ত ৰূপ দি মানুহে গঢ়ি তোলে তাৰ মানস প্ৰতিমা। শৰতেও তেওঁৰ মনৰ সমস্ত ৰূপ ঢালি গঢ়ি তুলিছে সবিতাৰ ছবি। তাৰে হৈছে পূজা আৰম্ভ। ক্ৰমে ক্ৰমে মন হৈ উঠিছে আকুল, চঞ্চল। সবিতাৰ ৰূপৰ ধ্যানে শৰতক গহীন, গম্ভীৰ আৰু হৃদয়বান কৰি তুলিছে। এতিয়াহে তেওঁ উপলব্ধি কৰিছে যে অন্তৰ চহকী কৰিব লাগিলে জীৱনত অন্ততঃ এবাৰ কাৰোবাৰ প্ৰেমত পৰিব লাগে। প্ৰেমে মানৱ অন্তৰ সৰস কৰে, চহকী কৰে।

এনেদৰে শৰতে ভাবে। এনেতে তেওঁ কব নোৱাৰাকৈয়ে কেতিয়া আহি নিদ্ৰা দেৱীয়ে তেওঁৰ সংজ্ঞা কাঢ়ি নিলে কবই নোৱাৰিলে। ৰাতিপুৱা শুই উঠি দেখে যে, তেতিয়া আঠ বাজি গৈছে। খৰধৰকৈ হাত-মুখ ধুই চাহ-জলপান খোৱাৰ পাচতে পিয়ন আহি উপস্থিত হ'ল। কেইখনমান চিঠি দি পিয়ন গুচি যায়। চিঠিৰ বাহিৰত সবিতাৰ আখৰ দেখি শৰতে আগেয়ে সেইখন খুলি লয়। বৰ আবেগ আৰু উৎকণ্ঠাৰে সবিতাৰ চিঠিখন পঢ়ে কেবাবাৰো। পঢ়ি চিঠিখন জাপি থয়। তেওঁ ভাবে। সবিতাৰ অন্তৰভৰা বাণীয়ে মন আনন্দিত কৰি তোলে। হাকিমী পদবীয়ে এতিয়াও তেওঁৰ কবিতা দেৱীক নিৰ্বাসিত কৰিব পৰা নাই। তেওঁৰ হৃদয়ত কবিতা দেৱীয়ে প্ৰৱেশ কৰিলে। উদ্বেগ আকুলতা লৈ লিখিলে চিঠিৰ উত্তৰ—

তেজপুৰ

"চেনেহৰ সবিতা, ৩।৪।৫৭

তুমি মোৰ জীৱনৰ সৰস কবিতা;

তোমাৰ কামনা—

*　　*　　*　　*

আৰু শুনা,

সৃষ্টিৰ বুকুত　　　　বিধাতা পুৰুষে
গঢ়িলে যিদিনা নৰ-নাৰী,
কামনা বাসনা　　　　ৰচিলে প্ৰাণত
আমাৰ জীৱন লক্ষ্য কৰি।
সেই কামনাৰ　　　　সেই বাসনাৰ
নাযায় সূত্ৰ সহজে ছিগি ;
সংসাৰৰ মাজত　　　　মহাকৰ্ষণৰ
নাযায় বান্ধ সহজে ভাগি।
আমি মাথোঁ তাৰ　　　　খেলাৰ পুতলা
নাচিছোঁ তাৰ মায়াত পৰি ;
নাচোঁতে নাচোঁতে　　　　হঠাতে এদিন
হয়তো উঠিব জীৱন ভৰি।
ভৰা জীৱনৰ　　　　বিমল আনন্দে
নাচিব আমাৰ মন প্ৰাণ ;
মহা জীৱনৰ　　　　মহা মিলনৰ
উঠিব বাজি বিজয় গান।
তাৰে অপেক্ষাত　　　　তাৰে প্ৰতীক্ষাত
আশা পালি আছোঁ অত দিন ;
হয়তো এদিন　　　　মিলি দুয়োজনে
অসীমৰ মাজে হম লীন।

ইতি—

তোমৰ মৰমৰ

—শৰতদা—

কবিতাটি লিখি শৰতে এনভেলপ এটাত ভৰাই সবিতালৈ পঠাই দিলে। দুদিন পাচত সবিতাই পালে চিঠিৰ সলনি এইটি কবিতা। পঢ়ি পঢ়ি তাইৰ ভাল লাগি যায়। কিমান মাইল দূৰে—গুৱাহাটী, তেজপুৰ! দুখনি হিয়া—শৰত আৰু

সবিতা। কিমান দূৰে ? দুখনি হিয়াৰ মাজত দূৰেৰ কিমান ? তাৰ মাপকাঠি কি ? চিঠি ? কবিতা ? আমি নাজানো। হয়তো সিহঁতেও নাজানে ? দুৰ্জ্ঞেয় মনৰ অজ্ঞেয় ৰহস্য ভেদ কৰিবৰ শক্তি নাই। বাস্তৱিকে মানুহ কিমান দুৰ্বল জীৱ !

ইয়াৰ পাচত ঘনাই চিঠি আহে, চিঠি যায়। দুখনি হিয়াৰ আকুল আবেগ বহন কৰে এখিলা কাকতে। পোষ্ট অফিচ হয় মেঘদূত—প্ৰেম-বাৰ্তাবাহী। প্ৰেমৰ বোকোচা কঢ়িওৱা হ'ল তাৰ কাম। ধন্যবাদ কবি শতিকাৰ পোষ্ট অফিচ !

॥ সাত ॥

পুতেকৰ বিদ্যা বঢ়াৰ লগে লগে বাপেকৰ সম্মান বাঢ়ে, পুতেকৰ ধন বঢ়াৰ লগে লগে বাপেকৰ গৌৰৱ বাঢ়ে, পুতেকৰ মূল্য বঢ়াৰ লগে লগে পিতাকৰ বাঢ়ে ক্ষমতা। জগত ভূঞাৰো একেই কথা। পুতেক শৰতে হাকিম পদবী পোৱাৰ লগে লগে বাপেক জগত ভূঞা হ'ল জগত বাবু। আগৰ ঠিকাদাৰ বাবু আজি কনট্ৰাক্টৰ চাহাব। হাকিমৰ পিতাক। সম্মানৰ অভাৱ নাই, খাতিৰৰ অন্ত নাই। কালৰ গতি—চক্ৰবত পৰিবৰ্তন্তে দুখানিচ সুখানিচ। ইয়াকে বোলে ভাগ্য।

যি ঠিকাদাৰ এদিন হাতত কিবা উপঢৌকন লৈ আৰু কপালঠুকা চালাম এটা দি "চাৰ' বুলি সসব্যস্তে ইঞ্জিনীয়াৰ চাহাবৰ আগত থিয় হৈছিল, সেই ঠিকাদাৰ ভূঞা আজি স্বয়ং ইঞ্জিনীয়াৰ চাহাবৰদ্বাৰা সসম্মানে নিমন্ত্ৰিত, আড়ম্বৰেৰে অভ্যৰ্থিত। এদিন যাক লগ পাবলৈ ঘণ্টাৰ পাচত ঘণ্টা পৰ দি থাকিব লাগিছিল, আজি সেই ইঞ্জিনীয়াৰে স্বয়ং ঠিকাদাৰৰ ড্ৰইং ৰুমত বহি অনাহক সময় নষ্ট কৰিব ধৰিছে। কথাৰ পিচত কথা। চাহ-তামোলৰ শৰাধ। তাৰ উপৰিও ঠিকাদাৰৰ গুণৰ জোলোঙাখন যেন এতিয়াহে ইঞ্জিনীয়াৰ চাহাবে আৱিষ্কাৰ কৰিলে। কিমান যে গুণ নহুপানিলে তেওঁৰ, তাৰ অন্ত নাই। এনেকৈ চলে দুয়ো ঘৰৰ অহা-যোৱা—ঘনিষ্ঠতা।

ইঞ্জিনীয়াৰে ঘনাই ঘনাই আহে ঠিকাদাৰৰ ঘৰলৈ আজি-কালি। দিন আহে মানে ইঞ্জিনীয়াৰৰ আগমনো সঘন হয়। বহু চেষ্টা কৰিও তেওঁ মনৰ কথাষাৰ

খুলি কৰলৈ সাহস কৰা নাই ঠিকাদাৰৰ আগত ; জানোচা একেবাৰেই নাকচ কৰি দিয়ে। যিহে প্ৰকৃতি ঠিকাদাৰৰ! হঠাতে প্ৰত্যাখ্যান কৰা তেওঁৰ পক্ষে একো টান কথা নহয়। সেইবাবে ঠিকাদাৰৰ মন বুজিবলৈকে পোনতে চেষ্টা কৰিছে।

কওঁ কওঁ বুলিও আজি কেবাদিনে কথাষাৰ কব পৰা নাই। কিন্তু ডাক্তৰে বেমাৰীৰ মন চিনে আৰু ইঞ্জিনীয়াৰে ঠিকাদাৰৰ মন চিনে। তাকে অনুমান কৰি তেওঁ ক'লে—"বুজিছে ভুঞা, এইবাৰ পলাশবাৰীৰ গৰাখহনীয়াত বহুত টকা অপচয় হ'ল চৰকাৰৰ। কিছুমান কনট্ৰেক্টৰে অৱশ্যে কিছু সুবিধা কৰিলে।"

"অকল কনট্ৰাক্টৰেই নহয় দাস, বোড্‌মহৰাৰ, ওভাৰচিয়াৰ আদিয়েও বেছ সুবিধা কৰিছে।"

"কিনো কৰিব, দেশখন লুটিয়াৰৰহে হ'ল।"

"এটা কথা কিন্তু ; আজিকালি কিবা উপায়ে দু-পইচা কৰিব নোৱাৰিলে মানুহে মানুহ যেনেই নেদেখে ; গতিকে দুই-চাৰি পইচা ধৰি লোৱা বেয়া নহয়।"

"অৱশ্যে। জগতৰ সোঁত যিফালে গৈছে তাৰ বিৰুদ্ধে যোৱাটো বুৰ্বকৰহে কাম।"

"পিচে এইবাৰ ব্ৰিজৰ কন্‌ট্ৰাক্টটো বাৰু কাক দিব বুলি ভাবিছে আপুনি।"

"মই দিয়া নিদিয়াৰ গৰাকী নে ? টেণ্ডাৰত ৰেট কম হ'লে, যেয়ে সেয়ে পাব পাৰে।"

"হ'লেও আপোনাৰ মৰ্জি হ'লে······মোৰ টকাৰ বৰ টান।" হাঁহে ঠিকাদাৰে। ইঞ্জিনীয়াৰেও হাঁহি মাৰি কয়—"বোলো টকাৰ ইমান দৰ্কাৰ কিয় ? শৰতৰ বিয়া পাতিছে নেকি ?"

"বিয়ানো পাতিম কিহেৰে ? টকা নহ'লে কিহেৰে বিয়া পাতিম ? অৱশ্যে কেইবা গৰাকী লোকেও মোক বিয়াৰ কথা কৈছে। ডাক্তৰ উপেন বৰুৱা, প্ৰফেচাৰ জীতেন দাস, ভদ্ৰ বৰা মহাজন আদিয়ে আহি মোক সদায় তাকে কয়। আৰু কয় কি জানে ? তেওঁলোকে বোলে বিয়াৰ যাবতীয় খৰচ আৰু নগদ টকাও যি লাগে দুই-চাৰি হেজাৰ দিব। সিদিনা, তেজপুৰৰ সিফালৰ কোনোখিনিৰ হ'ল মই পাহৰিলো, বৰ্তমান এম, এল, এ, এজনো আহি গৈছে। তেওঁ হেনো টকা বাৰহেজাৰ দিব। ছোৱালীজনীৰ যৌতুকৰ বাবে সেইখিনি ধন তেওঁ বেঙ্কত জমা ৰাখিছে। লাগিলে আগেয়েও দিব পাৰে। মই কিন্তু কথা দিয়া নাই, কাৰণ মইতো টকা লবৰ মন কৰা নাই। পিচে বিয়া কৰাব লাগিলে অৱশ্যে

ঘৰ-দুৱাৰ বান্ধিব লাগিব আৰু তাৰ বাবে দহ হেজাৰ মান টকাৰ দৰ্কাৰ আছে। যদি কোনোবাই ধাৰলৈ দিয়ে, তেন্তে কিবা এটা কৰি থবও পাৰোঁ— 'হুৰমুৰ যাত্ৰা দি কৰে বিধাতা' বুলি ভাবি।"

ঠিকাদাৰৰ মতলবটো বুজিবৰ বাকী নাথাকিল ইঞ্জিনীয়াৰৰ। দেখাকৈ দৰাপণ হিচাবে টকা নলয়; কিন্তু ধাৰ বুলি হ'লে লয়। বিয়াৰ আগে কন্যাপক্ষৰ টকা ধাৰ কৰা মানে যে পৰিশোধ কৰিব লগা ঋণ নহয় তাক তেওঁৰ জনা আছে। ইফালে বহুত মানুহৰ নাম কোৱাৰ অৰ্থও যে দাম-দৰ কৰাৰ দিহা, তাক তেওঁ বুজিবলৈ বাকী নাই। বহুত গ্ৰাহকৰ নাম কোৱা মানে যে বস্তুৰ মূল্য বঢ়াবৰ কায়দা তাক তেওঁ জানে। সেইবাবে ৰসতে নাম থৈ লাহেকৈ মাত দিলে—

"মোৰ হাতত টকা থকা হ'লে আপোনাক সহায় কৰিবৰ মন আছিল। পিচে মোৰো বৰ্ত্তমান মুঠেই টকা নোহোৱা হৈছে বুজিছেনে। সেই দেখি আপোনাক একো সহায় কৰিব নোৱাৰিম, নহ'লে মই থাকোঁতে আপুনি অইনক ওচৰলৈ যাব লাগে নে?"

"অৱশ্যে নাথাকিলে দিব ক'ৰপৰা, জানি-শুনি ময়ো একো কোৱা নাই। পাৰিলে অইনতে ক'ৰবাত চেষ্টা কৰি চাব লাগিব।"

"অৱশ্যে।"

তাৰ পাচত চিগাৰেট এটা জ্বলাই লৈ হুপিব ধৰে ইঞ্জিনীয়াৰে।

ঠিকাদাৰে মিকচাৰ পকাই এটা চিগাৰেট জ্বলাই হুপে। লাহে লাহে দুয়োৰো কথা চুটি হৈ আহে। শেষত ইঞ্জিনীয়াৰ উঠে। ঠিকাদাৰে আগ বঢ়াই থয় মটৰলৈকে। মটৰত উঠি ঠিকাদাৰক নমস্কাৰ কৰি মুখত হাঁহি আৰু পেটত খং লৈ ইঞ্জিনীয়াৰে মটৰ চলাই দিয়ে। ঠিকাদাৰ নীচ লোক বুলি তাচ্ছিল্যৰ, ঘৃণাৰ ভাব এটাই ঠাই ললে ইঞ্জিনীয়াৰৰ মনত।

ৰাতি। ভাতৰ পাতত বহিছে ইঞ্জিনীয়াৰ দাস আৰু দুই পুত্ৰ—তৰুণ, বৰুণ। সবিতাৰ মাকে দালি তৰকাৰী দি আছে। খোৱাৰ মাজতে সবিতাৰ মাকে মাত দিলে—"আজিনো কি ক'লে ভুঞাই? বিয়াৰ কথা জানো উলিয়াইছিল?"

দাসে মাছৰ মূৰটোত কামোৰ মাৰি চোবাব ধৰে। দুই পুতেকে শহাকৰ্ণীয়া হৈ পিতাকৰ ফালে নজৰ কৰে—কিনো কয়। সবিতাই দৰ্জাৰ সিফালৰপৰা কাণ দিয়ে। দাসে বহুপৰ নীৰবে বয়। তাৰ পাচত হঠাতে বিৰক্তিৰে কৈ উঠে—

"নীচ লোক। মোৰ ছোৱালী বিয়া দিয়া নাযাব। জগত ভুঞাক বোৱাৰী নালাগে, লাগে টকা।"

মাক, ককায়েকহ'ত চমকিত হৈ উঠে। সবিতাৰ বুকুত কলিজাৰ স্পন্দন খৰ হয়—হাওঁফাওঁত নিশ্বাস ঘন হয়। বৰুণে মূৰ তুলি পিতাকৰ ফালে চায়। পিতাকে তলমূৰকৈ ভাতত গৰাহ মাৰে।

"কিমান টকা লাগে?" প্ৰশ্ন কৰে বৰুণে।

"সংখ্যা কিয় লাগে? মুঠৰ ওপৰত টকা লাগে।"

"আজিকালি তেনে প্ৰথা চলিছেই অৱশ্যে। আপুনি কি ক'লে?"

"মই কি কব লাগে?" খং ভাৱে কয় পিতাকে। পিতাকৰ খং উঠা দেখি তৰুণে কৈ উঠে—"তই মনে মনে থাক বৰুণ। যেই সেই প্ৰশ্ন নকৰিবি।" বৰুণ নীৰৱ হয়। মাকে দেখিলে যে কথা বিষম। লাহেকৈ মাত লগালে—"যেতিয়া যি নিয়ম চলে তেতিয়া তেনেকৈ নচলিলে হব কিয়? কিবা এটা কৰা দেখোঁ বেয়া নহয়। আজিকালি সকলো ধৰাই লয়।"

"মই দিব নোৱাৰো।"

"নিজৰ বেলিকা কি কৰিব? ঈশ্বৰৰ ইচ্ছাত নিজৰো দেখোঁ দুটি⋯।"

"তাৰ মানে এতিয়া জীয়েৰাৰ বিয়াত দি পুতেৰাৰ বিয়াত লবা এয়েতো? বেছ বুদ্ধি তোমাৰ! মই তেনে নীচ নহয়।" আৰু কাৰো কথা নাই। নীৰৱ ভাৱে খাই-বই উঠি আহে তিনিও। মাক আৰু বৰুণৰ পেটে পেটে খঙেই উঠিছিল পিতাকলৈ। সবিতাই কাষৰ ৰুমত ম্ৰিয়মান হৈ পালেঙত বাগৰি ৰল।

কেইদিনমান পাৰ হৈ যায়।

ঘৈণীয়েকৰ একান্ত অনুৰোধ আৰু জীয়েকৰ অব্যক্ত অনুযোগৰ তাড়নাত দাসৰ মন কিং-কৰ্ত্ত'ব্যবিমূঢ় হৈ উঠিছিল। কি কৰিব একো থিৰ কৰিব নোৱাৰাত পৰিল। নিৰুপায়। হেজাৰ হ'লেও আধুনিক বিয়াৰ বজাৰত কন্যাৰ পিতা! তলহাত যেতিয়া সেও হৈ চলিবই লাগিব; নিজৰ মত পৰিত্যাগ কৰিবই লাগিব, নিজৰ বৰাই বজাই ৰখা অসম্ভৱ। সেইবাবে আকৌ এবাৰ যাবলৈ মনস্থ কৰিলে।

ইফালে ঠিকাদাৰেও বুজিলে যে, কথাৰ চলতে বিয়াৰ কথা সোধাৰ অৰ্থ নিশ্চয় ছোৱালী বিয়া দিয়া। অৱশ্যে আগৰেপৰা দুয়োঘৰৰ মাজত এই কথাৰ পৰোক্ষ আলোচনাও চলিছিল। সময়ত সুবিধা লব জনা ঠিকাদাৰে সুবিধা পাই দুই পইচা

খিৰি লৰৰ দিহা কৰিছিল মাত্ৰ। তাকে ভাবি তেওঁ শৰতৰ বিয়াৰ কথা প্ৰচাৰ কৰিলে যাতে অইনৰ মুখত বিয়াৰ খবৰ আৰু যৌতুকৰ অঙ্ক শুনি ইঞ্জিনীয়াৰ সাজু হয়।

সচাকৈয়ে নিৰুপায় হৈ শেষ নিষ্পত্তিৰ কাৰণে ইঞ্জিনীয়াৰ উপস্থিত হ'ল গৈ ঠিকাদাৰৰ ঘৰত। তেওঁ অৱশ্যে ভাবিছিল কিজানি এতিয়া মতি-গতি বদলিছেই। কিন্তু কথা ওলোটা; মতি-গতি বদলিব দূৰৰ কথা বেঁচিহে হৈছে। দ্বিতীয়বাৰ প্ৰবেশ কৰাত আন পক্ষৰ যেন অনুমান কৰি এইবাৰ আৰু এখোপ চৰাহে হ'ল ঠিকাদাৰ।

আদৰ অভ্যৰ্থনা। নানা কথা-বতৰাৰ পাচত ঠিকাদাৰে পাকে-প্ৰকাৰে জনালে যে হাকিম ল'ৰাক জোঁৱাই পাব লগা হ'লে অন্ততঃ দহ হেজাৰ টকা খৰচ কৰাও ভাল। ঠিকাদাৰৰ এনে নিলাজ চিন্তা আৰু নীচ মনোবৃত্তি দেখি দাসৰ অতিপাত ঘৃণা উপজিল তেওঁৰ ওপৰত। দাসেও কথাৰ চলতে জনালে যে, ভদ্ৰঘৰৰ শিক্ষিতা ৰূপহী ছোৱালী বিয়া দিব লাগিলে দ'ৰাৰ গুণৰ উপৰিও ঘৰখনৰ মানদণ্ড চাব লাগে যাতে ছোৱালীজনীয়ে আহি কোনো হীন-নীচ অৱস্থাত পতিত হব লগা নহয়। সিদিনাৰেপৰা ঠিকাদাৰ ইঞ্জিনীয়াৰ দুয়োৰো ভিতৰত চলিল মনোমালিন্য।

এই প্ৰত্যাখ্যানৰ সম্ভেদ পালে তৰুণ, বৰুণ, সবিতা আৰু মাকে। ম্ৰিয়মান হৈ গ'ল তেওঁলোকে। দাসে ঘৈণীয়েকক ক'লে—"বুজিছা সবিতাৰ মাক, কুকুৰক ৰজা পাতিলেও যে জোতা কামুৰিব নেৰে এয়ে তাৰ প্ৰমাণ। নীচ সদায় নীচ; উচ্চ হব কেনেকৈ? মোক আৰু একো নকবা। মোৰ ছোৱালী বজাৰৰ পকা কল নহয় যে, আজি বিক্ৰি কৰিব নোৱাৰিলে পচি যাব। মোৰ ছোৱালী মই য'তে ত'তে দিব নোৱাৰো।" ঘৈণীয়েকে একো নামাতিলে। মনত বৰ আঘাত পালে, লগতে ঠিকদাৰৰ ওপৰত খঙো উঠিল। আচলতে তেওঁ শৰতক বৰ পচন্দ কৰিছিল। হঠাতে এনেকৈ আশাছেদ হব বুলি ধাৰণাই কৰা নাছিল তেওঁ।

ইফালে ঘটনাৰ এনে বিষদ ৰূপ দেখি সবিতাৰো অন্তৰ ভাগি পৰিল। যাক মনে-প্ৰাণে ভাল পাইছে, যদি তেওঁক নাপায় তেন্তে? তাই আৰু ভাবিব নোৱাৰে। টেবুলত মূৰ গুঁজি চিন্তা কৰে—কি কৰিব এতিয়া।

পিচদিনা ৰাতিপুৱাই তাই লিখা টেবুলৰ ওচৰত বহি লিখিলে শৰতলৈ—এইবোৰ সমস্ত ঘটনা বিবৰি।

॥ আঠ ॥

ইঞ্জিনীয়াৰ আৰু ঠিকাদাৰৰ ভিতৰত বাৰুকৈয়ে প্ৰতিযোগিতা চলিল। ইঞ্জিনীয়াৰেও ঠিক কৰিলে কোনোমতে জীয়েকক টকা দি ঠিকাদাৰৰ ল'ৰাক বিয়া নিদিয়ে ; আৰু ঠিকাদাৰেও মনস্থ কৰিলে কোনোমতে টকা নোলোৱাকৈ তেওঁৰ ল'ৰালৈ ইঞ্জিনীয়াৰৰ ছোৱালী বিয়া নকৰে। ঠিকাদাৰে বুজিছে যে, ল'ৰা-ছোৱালীৰ মিল আছে। ইফালে জীয়েকৰ কথা পিতাকে নেপেলায় নিশ্চয়। গতিকে জীয়েকৰ ইচ্ছাত বাধা নিদি জৰুৰ টকা দি হ'লেও বিয়া দিব। তাৰ উপৰি আজিকালি নিদিলে ভাল দৰা ক'ত পায় ? ইয়াকে ভাবি ঠিকাদাৰ ভুঞা দৃঢ় হ'ল।

আনফালে ইঞ্জিনীয়াৰে ভাবিলে, যদি দলঙৰ ঠিকাটো বন্ধ কৰি দিয়া যায় ; তেন্তে আপোনা-আপুনি ঠিকাদাৰে তেওঁৰ ওচৰলৈ আহিব আৰু কিবা এটা নিষ্পত্তি কৰিব। কিন্তু দেখা গ'ল ঠিকাদাৰ নাহিল। "টেণ্ডা'ৰত কম 'ৰেট' দি বহি আছে। কম 'ৰেট' হ'লে ঠিকা পাবই। সাজসৰঞ্জাম, মানুহ-দুনুহ যোগাৰ কৰি বিজাল্টৰ কাৰণে অপেক্ষা কৰি থাকিল। এই কৌশল বুজিব পাৰি ইঞ্জিনীয়াৰেও ঠিকাটো বন্ধ কৰি থৈ দিলে।

ঠিকা বন্ধ হোৱাত ঠিকাদাৰসকলৰ বৰ আপত্তি চলিল। ওপৰৱালাৰ কৌশল বহুত। 'এষ্টিমেট' ভুল হোৱা বুলি কৈ তেওঁ ক'লে যে, কিছুদিন পাচত তেওঁ নিজে এইবোৰ পৰীক্ষা কৰিব আৰু বিজাল্ট দি দিব।

এনেকৈ বিজাল্ট বন্ধ কৰি ৰখাত ভুঞাৰ বৰ ক্ষতি হ'ল। সাজ-সৰঞ্জাম, মানুহ টকা-পইচা আদি এনেয়ে জব্দ হৈ থাকিবলগীয়া হোৱাত বৰ লোকচান হ'ল। সেইদেখি তাৰাতাৰি 'বিজাল্টটো' বাহিৰ কৰি আনিবৰ বাবে উপায় চিন্তা কৰিব ধৰিলে। সেই মানসে হঠাতে এদিন তেওঁৰ হব খোজা বিয়ৈ এম. এল. এ ডাঙৰীয়াৰ ওচৰ চাপি ইঞ্জিনীয়াৰে যাতে খবৰটো সোনকালে দিয়ে, তাৰবাবে ইঙ্গিত দিবলৈ অনুৰোধ কৰিবলৈ স্থিৰ কৰিলে। তাৰ লগতে ঠিকাটো যাতে তেওঁৰ ভাগতে পৰে এই আৱাৰো কৰলৈ চেষ্টা কৰিব। ঠিকাদাৰৰ এই অনুৰোধ ৰক্ষা কৰিবলৈ এম. এল. এ. ডাঙৰীয়াই জানো সন্মতি নিদিব ? ভৱিষ্যত হব খোজা কুটুম্বঘৰৰ যদি এইফেৰা উপকাৰকে কৰিব নোৱাৰে তেন্তে বিধান সভাৰ বিধান ৰচনা কৰা কি এম. এল. এ. হ'ল ?

এম. এল. এ. ডাঙৰীয়াক এটা লম্বা চালাম দি বঙলাত সোমাই প'ল ভুঞা।

তেওঁক বাহিৰ দি ধীৰে ধীৰে এম, এল, এ ডাঙৰীয়াই কথা উলিয়ালে। বহু কথা বহু প্ৰশ্ন। উত্তৰ কিন্তু যথাযথ। শেষত দলঙৰ ঠিকাটোৰ কথা শুনালে। ভুঞাই কাতৰ ভাবে ক'লে, "আপুনি যদি এবাৰো মোৰ কথাটো ভাবে, তেন্তে এই কনট্ৰাক্টটো মোক দিয়াৰ কিবা এটা ব্যৱস্থা কৰক। ইঞ্জিনীয়াৰে মোক নিদিয়ে। যদি আপুনি কয়, তেন্তে দিবলৈ বাধ্য হব। অনুগ্ৰহ কৰি···।"

"মই ক'লে জানো দিব ভুঞা ? মোৰ কি ক্ষমতা আছে ?"

"আপোনাৰ যদি ক্ষমতা নাই, তেন্তে ক্ষমতা কাৰ থাকে ? যদি ৰাইজৰ প্ৰতিনিধি এজনৰে গণতন্ত্ৰৰ যুগত ক্ষমতা নাই তেন্তে কাৰ থাকিব ? আপুনি ক'লেই তেওঁ দিবলৈ বাধ্য। মোৰ কথাখিনি ৰাখক।"

হাঁহি মাৰি ক'লে তেওঁ—"আপোনাৰ কথা ৰাখিবৰ চেষ্টা কৰিছোঁ। সেইবাবেইতো ইমান গোলমাল।"

এনেতে অইন মানুহ দুজন ভিতৰ সোমাই আহিল। ঠিকাদাৰে কথা বন্ধ কৰিলে। এম, এল, এ, ডাঙৰীয়াই ভুঞাক যাবলৈ ইঙ্গিত দিলে। ভুঞাই তেওঁৰ ৰুমৰপৰা ওলাই আহিল এটা স্বস্তিৰ নিশ্বাস লৈ।

মানুহ দুজন পেট বিশিষ্ট খদ্দৰ পৰিহিত গান্ধী টুপিধাৰী। মটৰ দুখন বাহিৰত ৰাখি দুয়ো সোমাই আহিছে। কথা-বতৰাৰ ভাষাৰ পৰা বুজিব পৰা গ'ল যে তেওঁসব মাৰোৱাৰী ব্যৱসায়ী। কিবা পাৰমিট-টাৰমিটৰ লেঠাৰ বাবে আহিছে বোধহয়। দুয়োকো দেখি এম, এল, এ, ডাঙৰীয়াই হাঁহিৰে অভ্যৰ্থনা কৰিলে। তেওঁসবেও কপালত দুই হাত লগ লগাই লম্বা চালাম দি প্ৰতি-নমস্কাৰ জনালে। নিৰ্দেশিত আসন গ্ৰহণ কৰি দুই ধনকুবেৰে একোটা ব্যৱসায়ৰ হাঁহি মাৰি কথা আৰম্ভ কৰিলে। কথা অলপ গুপুত ধৰণৰ; গতিকে সৰুকৈ আলোচনা চলিল। তাৰ পাচত দুয়ো হাঁহি হাঁহি বাহিৰ হৈ আহিল। মুখৰ ভাব আৰু কথাৰ ভঙ্গিৰপৰা বুজা গ'ল যে তেওঁসবৰ মনোৰথ পূৰিল।

তাৰ পাছত ভুঞাদেৱৰ অনুৰোধ ৰক্ষাৰ্থে হবলা এম, এল, এ, ডাঙৰীয়াই ফোন কৰি মাতি পঠালে ইঞ্জিনীয়াৰ চাহাবক বঙলালৈকে। এম, এল, এৰ আহ্বান। "ফোন" পায়ে মটৰত উঠিল দাস। ক্ষন্তেকতে দাসৰ মটৰ আহি বঙলামুখ পালে। দাসে সসব্যস্তে উপস্থিত হ'ল বঙলাত। কৰতো নোৱাৰি কি জগৰ লগালে চৰকাৰৰ! দাসৰ মনত সন্দেহ।

দাসক বাহিৰ দি এম, এল, এ, ডাওৰীয়াই কথা আৰম্ভ কৰিলে—"মিন্টাৰ দাস, আপোনাৰ খবৰ ভালতো ?"

"ভাল চাৰ। একৰকম আছোঁ আৰু।"

. তেওঁ দাসলৈ চিগাৰেট কেচটো আগবঢ়ায়। দাসে চিগাৰেট এটা লৈ জ্বলায়। দুয়ো চিগাৰেট হুপে। তাৰে মাজতে হাঁহি মাৰি লাহেকৈ সোধে—"বাৰু দাস, সেই যে ওভাৰ ব্ৰিজৰ কন্‌ট্ৰাক্টটো, তাৰ বিজাল্ট বোলে দিয়া নাই ? বহুতে ঠিকাদাৰে আহি মোক আপত্তি দেখুৱাইছে কিয় বাৰু দেৰি হৈছে অনুগ্ৰহ কৰি কবনে ?" ডিপাৰ্টমেণ্টৰ ভিতৰুৱা কথাত হস্তক্ষেপ কৰাৰ বাবু কি অধিকাৰ আছে তেওঁৰ ? কথাষাৰ শুনি দাসৰ বৰ খং উঠিছিল। কবৰ মন আছিল, ডিপাৰ্টমেণ্টৰ ভিতৰুৱা কথা সুধিবৰ তেওঁৰ একো অধিকাৰ নাই আৰু সোধাও অনুচিত। কিন্তু নোৱাৰিলে ; ভয় কৰিলে। হেজাৰ হ'লেও চাকৰিৰ মায়া। নম্ৰসুৰত হাঁহি মাৰি উত্তৰ দিলে—"তাৰ এষ্টিমেচন ঠিক হোৱা নাই চাৰ ; গতিকে কিছুদিনলৈ অপেক্ষা কৰা হৈছে।"

"অৱশ্যে হিচাব-পত্ৰ ঠিক নহলেনো দিব কেনেকৈ ? বাৰু আপুনি জগত ভুঞাক চিনে নহয় ?"

"হয়। ভালকৈ চিনো। কিয় ?"

"কিয় মানে কথাটো কবলৈ লাজ লাগিছে। মানুহজনৰ বৰ অসুবিধা হৈছে ; গতিকে ঠিকাটো পালিলে···বেচেৰা বৰ চিন্‌চিয়াৰ মানুহ। অ' বুজিছেনে ?"

"হয় চাৰ। পিচে এটা কথা চাৰ ; ৰেট কম হ'লেহে পাব। গতিকে··· ।"

"ৰেটৰ লগত সকলো সময়ত কথা নহয় দাস ; মানুহকো চাব লাগে।"

"হলেও অলপ অসুবিধা হয় চাৰ। অন্যাবিলাকে আপত্তি কৰিব। আইনৰ ফালেৰেও বিধেয় নহয় ; তেনেস্থলত···।"

"আইনৰ কথা থওক। আইন আপুনিও জানে, ময়ো জানো। কিন্তু আইন পালন কৰে কিমানে ? আপুনি, ময়েই বা কিমান মানি চলোঁ।"

"এটা কথা চাৰ... ।"

"কথা নবঢ়াব দাস। মোৰ অনুৰোধ।"

দাস নীৰৱ হয়। পেটে পেটে বৰ খং উঠে। ৰাইজৰ প্ৰতিনিধি ! কথা নুশুনিলে চাকৰিৰ ফালে···। পেন্সন পাবলৈ আৰু সৰহ দিন নাই। এনে

অন্ধাত হঠাতে গোলমাল হলে একেবাৰে দিগ্‌দোৰ হৈ যাব। ভাবি-চিন্তি দাস তলমূৰা হৈ বল। এম. এল. এ. ডাঙৰীয়াই তাৰ পাচত তেখেতক যাবলৈ কলে। ইঞ্জিনীয়াৰ উঠিল।

অফিচলৈ আহি তেওঁ চিন্তা কৰিব ধৰিলে। একেৰাহে দুটা চিগাৰেট পুৰি শেষ কৰিও যেতিয়া একো উপায় উলিয়াব নোৱাৰিলে, তেতিয়া মানুহজন হতাশ হৈ পৰিল। ঠিকা দিলে ভুঞা হাত ছাৰি যাব, নিদিলে চাকৰিয়ে হাত ছাৰি যাবৰ সম্ভাৱনা। মহা সঙ্কটত পৰিল তেওঁ। কিছুসময় চিন্তা কৰাৰ পাচত কলিংবেলটো বজাই দিলে। দীঘল চালাম এটা দি চাকিদাৰ উপস্থিত।

"কলিতা বাবু" ইঙ্গিত দিয়ে দাসে।

চাকিদাৰে গৈ প্ৰবীণ কলিতাক মাত দিয়ে। প্ৰবীণ কলিতাই টেম্পোৰেৰি ইঞ্জিনীয়াৰ হিচাবে কাম কৰিছে আজি কিছুদিনৰ পৰা। ডেকা ল'ৰা। ইঞ্জিনীয়াৰিঙো ভালদৰেই পাছ কৰিছে। ইঞ্জিনীয়াৰ দাসেই তেওঁক এই কামত মকৰল কৰে। দাসৰ আহ্বান পাই তৎক্ষণাৎ গৈ প্ৰবীণ কলিতা হাজিৰ হ'ল দাসৰ ৰুমত। কলিতাই এটা চালাম দি সুধিলে—"মোক মাতিছিল চাৰ ?"

"হয়।"

"কিয় ?"

"দৰ্কাৰ আছে। বহাচোন।"

কলিতা বহে। দাসে কয় লাহে লাহে—"বৰ মস্কিলত পৰিলো প্ৰবীণ।"

"কি হল চাৰ ?"

"সেই যে ব্ৰিজৰ কনট্ৰাক্টটো—তাৰ বাবে এম. এল. এ. লাগিল, বোধহয় ভুঞাই কিবা লগাইছে, ৰিজাল্ট দেখি হোৱা বাবে আপত্তি কৰিছে।"

"আমাৰ হিচাব হলেতো দিমেই, তাত আৰু এম. এল. এ. কিয় মাত মাতিব লাগে চাৰ ?"

"সেয়েতো অনধিকাৰ চৰ্চা।"

"আমি কেয়াৰ নকৰো চাৰ।"

"তুমি, মই কেয়াৰ কৰিবই লাগিব প্ৰবীণ। আজি-কালি তেওঁলোকেই আমাৰ ভাগ্য বিধাতা।"

"আমি আমাৰ 'পাৰচনেল মেটাৰ'ত কি খাতিৰ কৰিব লাগে চাৰ ?"

"খাতিৰ নকৰিলে চাকৰি যাব। আজি ঠিকাৰ কথা, কালি হয়তো চাকৰিৰ কথাও হ'ব। তোমাক মই টেম্পোৰেৰি ইঞ্জিনীয়াৰ হিচাবে এপইণ্টমেণ্ট দিয়া কথাটোৱে কিমান কথা উঠিছে ওপৰ মহলত তাৰ গম পোৱা নাই নে ?"

"পাইছোঁ চাৰ।"

"তেন্তে তোমাৰ, মোৰ গতি কি হব পাৰে নিজে কল্পনা কৰি চোৱা।"

"এইবোৰ বাৰু কোনে কৰা বুলি আপুনি ভাবে, চাৰ ?"

"তুমি বাৰু কাক বুলি ভাবা ?"

"মোৰ অনুমান এই খচ্চৰ ভুঞাৰহে এইবোৰ কাম। এই মানুহজনক মই বিশ্বাস কৰিব নোৱাৰোঁ।"

"তুমি ঠিকেই অনুমান কৰিছা প্ৰবীণ। পিচে এতিয়া কি কৰা যায় ?"

"ৰিজাল্ট দি দিয়ক চাৰ ; কিন্তু এই ভুঞাক হ'লে ঠিকাটো দিব নালাগে।"

যদি 'ৰেট' কম হয় তেওঁৰ টেণ্ডাৰত ?

"তাৰ এটা ব্যৱস্থা কৰা যাওক চাৰ।"

"কি ব্যৱস্থা ?"

"তেওঁৰ 'টেণ্ডাৰখন' খুলি 'ৰেট্‌টো' চাই তাতকৈ কম ৰেট দি এজনৰ নামে এখন টেণ্ডাৰ দিয়ক সেই তাৰিখ দি। তাৰ পাচত দুয়োখন টেণ্ডাৰ পুনৰ বন্ধ কৰি পঠাই দিয়ক। তেতিয়া এনেয়ে ভুঞা 'কেণ্সেল' হব।"

"চাব্বাচ প্ৰবীণ। বঢ়িয়া বুদ্ধি তোমাৰ। বাৰু, তাকেই কৰ হ'ক। তুমি মনে মনে গৈ টেণ্ডাৰ কেইখন চাই এই কামটো কৰাগৈ। তোমাৰ বুদ্ধিক নশলাগি নোৱাৰিলোঁ। তুমি পাৰিবাতো ?"

হাঁহি মাৰি প্ৰবীণে ক'লে—"কিয় নোৱাৰিম চাৰ ? নিশ্চয় পাৰিম।"

"তেন্তে তৎক্ষণাৎ যোৱাগৈ। এইখিনি কাম কৰি দিলে মই নথৈ আনন্দ পাম।"

"ভাল চাৰ।"

চালাম কৰি প্ৰবীণ যায়। দাসে যেন এটা উপায় পালে। ৰক্ষা কোনো ৰকমে। ঠিকাৰ কথাত এম. এল. এ. লগোৱা বুলি ভাবি ঠিকাদাৰ জগত ভুঞাৰ ওপৰত খঙহে উঠি পৰিল ইঞ্জিনীয়াৰ গিৰীশ দাস। এই কথাত তেওঁ অপমান বোধ কৰিলে। এফালে হ'ল উপেক্ষিত আৰু আনফালে হ'ল অপমানিত। দাসৰ খং দুগুণে চৰিল।

॥ ন ॥

সবিতাৰ চিঠি পাই শৰৎ চমকি উঠিল। ইকি কাণ্ড পিতাৰ ? পুতেকক লৈ ই আকৌ কেনে ধৰণৰ ব্যৱসায় ? পিতাকৰ ওপৰত ভয়ানক খং উঠিল শৰতৰ। তেওঁ যাবলৈ স্থিৰ কৰিলে, কিন্তু কাছাৰি বন্ধ নাই। শেষত অফিচিয়েল কামৰ অজুহাত দেখুৱাই এদিন গুৱাহাটীলৈ আহিল।

পুতেক অহাত মাক-বাপেকৰ আনন্দৰ সীমা নাই। ইমান দিনৰ মূৰত আহিছে শৰৎ! মাকৰ হিয়া উগুল-থুগুল লাগিল। পুতেক যিমানেই বুদ্ধিমান নহওক, মাকৰ মনত সদায় অজলা; যিমানেই ডাঙৰ চাকৰিয়াল নহওক, মাকৰ মনত সদায় কেঁচুৱা। মাকে সদায় পুতেকহঁতক নাবালক বুলিহে ভাবে—ডাঙৰ হৈ চাবালক হৈ দেশৰ দহৰ এজন লেখত লবলগীয়া হোৱা খবৰ তেওঁ নাৰাখে আৰু জানিলেও তাক সেই ল'ৰালি কালৰ দৃষ্টিৰেহে চায়। সেই দেখি শৰৎ অহাত মাকে নানা ৰকমৰ সাধাৰণ সুবিধা-অসুবিধাৰ কথা সুধিব ধৰিলে। ৰাতি ভাত ৰান্ধি-বলৈ যোৱাত ওচৰতে শৰতক বহিব দি ল'ৰালিকালৰ দৰে সুধিব ধৰিলে—তেজপুৰত কি খাইছে, ক'ত কি কৰিছে ইত্যাদি কথাবোৰ। শৰতেও মাকক উত্তৰ দি গৈ আছে। মাকে সুধিলে মাহীয়েকহঁতৰ তালৈকে গৈছিল নে নাই আৰু যদি গৈছিল, তেন্তে তেওঁলোকৰ খবৰ কি, কেনে আছে ইত্যাদি! শৰতে তাৰো যথাযথ উত্তৰ দি গ'ল।

ৰাতি খাই-বৈ উঠি শৰৎ পিতাকৰ ৰুমত প্ৰৱেশ কৰিলে। পিতাকে "অসম ট্ৰিবিউন'খন পঢ়ি আছিল। শৰতে ওচৰৰ বিছনাতে বহিল। পিতাকে বৰ মৰম কৰি সুধিলে—"বোপা" গা-মূৰ ভালে আছে নে ?"

"আছে পিতা।"

"তই কালি কেতিয়া যাব লাগে ?"

"ৰাতিপুৱা ছয় বজাতে যাব লাগিব।"

"কালি জানো থাকিব নোৱাৰ ?"

"নোৱাৰো পিতা। নতুন মানুহৰ ওপৰত বৰকৈ নজৰ কৰে তেওঁলোকে।"

"যদি নোৱাৰ তেন্তে যাবি গৈ।"

"বাৰু পিতা, ঠিকাটো পালে নে নাই ?"

"খবৰটো ওলোৱা নাই। আৰু ওলালেও নাপাম।"

"কিয় ?"

"বদ্‌মাইচ ইঞ্জিনীয়াৰৰ বাবে।"

"কিয় ? দাসৰ লগত কিবা কাজিয়া লাগিছিল নেকি ?"

"কাজিয়া একো নাই। তেওঁৰ মতলব, তেওঁৰ সেই ঘৰবৃঢ়ী ছোৱালীজনী যদি তোলে বিয়া কৰাওঁ তেন্তে দিব, নহলে নিদিয়ে। মই তেওঁৰ সেই ছোৱালী-ডালক কিয় আনিম ? গাঁতিকে ঠিকা বন্ধ।"

এনেতে মাক সোমাই আহিল। তেওঁ গিৰীয়েকৰ কথাৰ প্ৰতিবাদ কৰি কলে—"সবিতাৰ দৰে ছোৱালীৰ আপুনি বদ্‌নাম নকৰিব। সাক্ষাৎ সৰস্বতী। তেনেজনী ছোৱালীৰ বদ্‌নাম মই সহ্য কৰিব নোৱাৰোঁ। সিদিনাৰ ছোৱালী তাই। কিমাননো বয়স হ'ল ? টাউন চহৰৰ ল'ৰা ছোৱালীৰ বয়স হলেহে বিয়া হয়। সেইমতে তাই এতিয়াও উপযুক্ত হোৱাই নাই। মিছাকৈ বদ্‌নাম কৰে কিয় ?"

"তেপ্‌ তেপ্‌ নকৰিবাহে। তুমি কি বুজা আজিকালিৰ ছোৱালীৰ চৰিত্ৰ ?"

"ইবিধৰপৰা সিবিধলৈ আৰু যায় কিয় ? বিয়া নকৰে নকৰিব, সেই বুলি লোকৰ ছোৱালীৰ বদ্‌নাম নকৰিব। আচল কথা ক'ৰবাত, তাকে নকয়, কেৱল নোহোৱা কথা কয়……।"

শৰতে বুজিলে যে মাকে সবিতাক বৰ পচন্দ কৰিছে ; কিন্তু পিতাকে কিবা স্বাৰ্থৰ কাৰণে এনেকৈ কৈছে।

ঘৈণীয়েকৰ কথাত থং কৰি ভুএাই ক'লে—"কি আচল কথা নোকোৱা কিয়া তুমি ?"

মাকে পুতেকক লক্ষ্য কৰি গম্ভীৰভাৱে ক'লে—"ঢাকি থলেনো কি হব, তোৰ আগতে কওঁৱে বাৰু ; শুন শৰৎ, সবিতাক বিয়া কৰাব লাগিলে পিতেৰাক কিছু-মান টকা দিব লাগে তাইৰ বাপেকে। কিন্তু দাসৰ দৰে মানুহে কিয় টকা দি সবিতাৰ দৰে ছোৱালী বিয়া দিব ? সবিতাৰ বাবে কিবা দৰাৰ অভাৱ হৈছে নে ? কিমানে থেম খাটনি ধৰি আছে তাৰ লেখ নাই।" কিছু সময় টলকা মাৰি পুনৰ ক'লে—"কোনোবাই বোলে দহ নে বাৰ হেজাৰ টকা দিয়া হৈছে, গতিকে…… ।"

"তুমি মনে মনে থাকা।" চকু ৰঙা কৰি কৈ উঠে ভুএাই। ঘৈণীয়েক খঙতে ওলাই যায়। শৰতে তন্ময় হৈ বয়। কিছু সময়ৰ মূৰত কয়—"ছোৱালী

বিয়া কৰক নকৰক সেইটো বেলেগ কথা পিতা, কিন্তু বিয়াত টকা লোৱা বেয়া—বিশেষকৈ সবিতাহঁতৰপৰা। আমি তেওঁলোকৰপৰা বহুত সহায় পাই আহিছোঁ ইতিমধ্যে। তেনেস্থলত······।”

পিতাকে এটা উপহাসৰ হাঁহি মাৰি ক'লে—“সহায়? দাসৰপৰা? হাঁহি উঠে। তই জান গিৰীশ দাসে কেনেকৈ ধন কৰিলে? কিমান টকা-পইচা, বাচন বৰ্তন, খাট-পালেং দি মই তেওঁৰ ঘৰ ভৰাইছোঁ ইমান দিনে, তই তাক কেনেকৈ বুজিবি? ইঞ্জিনীয়াৰৰ ঘৰটো যে দেখিছ সেইটো কোনে বান্ধি দিছে?

সেইবেলি পি. ডব্লিউ. ডি.-ৰ ডাঙৰ ঠিকাটো দিছিল; তাৰ লাভৰ আধাৰে বান্ধিছে সেইটো। এই ঘৰটো মোৰহে। আজিও ঘৰটো দেখিলে মোৰ গা পিৰ-পিৰাই যায়। মটৰগাড়ীখন যে দেখিছ, কাৰ? সুনিলাল কেঞাক সেইবেলি মাটিৰ ঠিকা দিয়া বাবে তাৰ উপহাৰ। কিমান টকা দি দি তেওঁৰ ঘৰ ভৰাইছোঁ মইহে জানো, তই কি বুজিবি? এতিয়া কিবা মই তেওঁৰ টকা খুজিছোঁ নেকি? মই দিয়া টকাৰ সুদখিনিতো দিয়ক অন্ততঃ।” পিতৃৰ ৰঙা চকুৰ তলত ডাঙৰ হোৱা সন্তান; মুখ ফুটাই এষাৰ কবৰ সাহস এতিয়াও হোৱা নাই। তথাপি এনে এটা সাংঘাতিক কথাৰ উত্তৰ নিদিলে নিজক হীন কৰা হব ভাবি লাহেকৈ শৰতে ক'লে—“হলেও এইবোৰ বেয়া পিতা। দিয়া বস্তুৰ ওপৰত দাবী নাথাকে। এনেবোৰ ভাব ভাল নহয়। মই আশা কৰোঁ আপুনি পুনৰ কথাটো ভাবি চাব।”

“মই যি কৰোঁ কৰিম, তই এতিয়া শুই থাক্‌গৈ।”

পিতাকে আঠুৱাখন পেলাই দি শুবৰ যত্ন কৰে। তাকে দেখি শৰতে লাহে লাহে আঁতৰি আহে। দুনাই তেওঁ একো কব নোৱাৰিলে; কেৱল এটা হুমুনিয়াহ কাঢ়িলে। নিজৰ ৰুমত আহি বিছনাত শুই পৰিল। সমস্ত শৰীৰ যেন কণ্টকাকীৰ্ণ হৈ উঠিল। লাজ, অপমান আৰু দুখত জৰ্জৰিত হ'ল।

পিচদিনা ৰাতিপুৱাতে তেজপুৰলৈ ৰাওনা হ'ল। শৰতৰ সবিতাহঁতৰ তালৈকে আনকি বন্ধু নবীনৰ বাহালৈকেও যাবৰ ইচ্ছা নহ'ল। মনৰ বেজাৰেৰে গুৱাহাটী এৰিলে। তেজপুৰ পায়ে চিঠি লিখিলে বৰ মৰ্মস্পৰ্শী ভাষাত সবিতালৈ।

॥ দহ ॥

শৰতৰ চিঠি পাই সবিতা মৰ্মাহত হৈ পৰিল। ইযে বিনা মেঘে বজ্ৰপাত। কেবাবাৰো চিঠিখন পঢ়িলে সবিতাই। খং উঠে তাইৰ। ইমান দুৰ্বলচেতা শৰৎ। এতিয়াও তেওঁৰ নিজৰ ব্যক্তিত্ব তৈয়াৰ হোৱা নাই? পিতাকৰ অভিভাবকত্বৰ অৱসান জানো এতিয়াও হোৱা নাই? নিজৰ অন্তৰত কি অলপো সৎ সাহস নাই?—কাপুৰুষ। চিঠিত লিখিছে—"মৰমৰ সবিতা, হয়তো তোমাক আৰু মৰমৰ বুলি সম্বোধন কৰিব নোৱাৰিম। মানুহৰ সকলো কামনা পূৰণ নহয়। মানুহৰ ইচ্ছাৰ বিৰুদ্ধে যেন ভগৱানৰ ইচ্ছা।" কি চমৎকাৰ সান্ত্বনা বাণী। আৰু লিখিছে—"পিতাকে বুজাবলৈ মই যত্ন কৰিছোঁ; কাৰণ তেখেতৰ অমতত মই কোনো কামকে কৰিব নোৱাৰিম। মই পাৰ্যমানে চেষ্টা কৰিম—অনুৰোধ কৰিম; তেতিয়াও যদি সম্মত নহয়, তেন্তে মই নিৰুপায়। পিতাৰ বিৰুদ্ধে যাবৰ মোৰ সাহস নাই।" পিতৃভক্ত ৰামচন্দ্ৰ! নিজৰ মত যেন একো নাই—পিতাহি পৰমং তপঃ। বাঃ কিযে ভক্তি! আৰু লিখিছে—"পিতাৰ মতৰ ওপৰতে নিৰ্ভৰ কৰিছে আমাৰ ভাগ্য। এতিয়া তোমাৰ আৰু মোৰ ভৱিষ্যত ভাগ্যৰ ওপৰত নিৰ্ভৰ।" কি চমৎকাৰ ভাগ্য-বাদী। কি দুৰ্বল মনোবৃত্তিৰ লোক। কি দৰকাৰ এনে এজন দুৰ্বলমনা পুৰুষৰ ওপৰত নিজক সৰু কৰি দেখুৱাবলৈ? ইমান হীন…! ছিঃ! ঘৃণাত তাইৰ নাক কোঁচ খাই আহিল। তেওঁৰ লগত আৰু কোনো সম্পৰ্ক নাৰাখিব বুলি স্থিৰ কৰিলে। খংঅভিমানত তাইৰ অন্তৰত দাবানল জ্বলি উঠিল। অতিপাত ভাব-প্ৰৱণ কবি-প্ৰাণা-নাৰী সবিতা, ক্ষন্তেকতে উত্তেজনা আহে। উত্তেজনাবশতঃ লিখিলে এখন উত্তেজনাময় পত্ৰ—যাৰ তীক্ষ্ম ছুৰিকা সদৃশ্য বাক্যবাণ প্ৰহাৰত শৰতৰ শান্ত সৌম্যচিত্ত উদ্বেলিত হৈ উঠে।

॥ এঘাৰ ॥

সবিতাৰ মাকে শৰতক বৰ মৰম কৰিছিল; আনকি ভৱিষ্যতে জোঁৱাই হ'ব বুলি বৰ আশা কৰিও আছিল; কিন্তু শৰতৰ পিতাক আৰু গিৰীয়েকৰ মাজত মনো-মালিন্য হোৱাত সেই আশা পূৰণ নহ'ব বুলি জানি মনত বৰ দুখ পালে। নানা কথাৰ চলতে গিৰীয়েকক কিবা এটা মীমাংসা কৰি বিয়াখন শেষ কৰিবলৈ কয়।

কিন্তু ইঞ্জিনীয়াৰে তেওঁৰ কোনো কথাকে গ্ৰাহ্য নকৰে। নিৰ্দিম বুলিছে, নিদিয়ে ছোৱালী বিয়া তেওঁলোকৰ ঘৰত, ই স্থিৰ সিদ্ধান্ত দাসৰ। জগতত ল'ৰাৰ অভাৱ নাই। শৰতৰ বাবে এজনী ছোৱালী পালে সবিতাৰ বাবেও এজন দৰা পাব—এই বিশ্বাস তেওঁৰ আছে। সেই দেখি ৰাতি শুবৰ সময়ত যেতিয়া ঘৈণীয়েকে শৰতৰ কথা সুধিলে তেতিয়া তেওঁ বিৰক্ত হৈ ক'লে—"দিনে দিনে খেচ্‌খেচ্‌ কৈ তুমি কি সুধি থাকা ? শৰতৰ কথা নকবা।"

"শৰতৰ কথা বাৰু নকওঁ, সেই বুলি জানো অন্য দ'ৰাৰ বিচাৰো কৰিব নালাগে ?"

"লাগে। মই বাৰু এনেয়ে বহি আছোঁ নেকি ?

"কি কৰিছে আমাক ক'লেহে আমি জানিব পাৰোঁ।"

"মই এটা ভাল ল'ৰাকে ঠিক কৰিছোঁ।"

"কোন নো ?"

"প্ৰবীণ কলিতাক তুমি চিনি পোৱা ?"

"সেই যে হালধীয়া হাৱাই চাৰ্ট পিন্ধি আমাৰ ইয়ালৈ আহে মাজে মাজে ?"

"এৰা।"

"পিচে ?"

"পিচে আৰু কি ; তাক টোপ দিছোঁ।"

"কি টোপ দিয়াৰ কথা কৈছে ?"

"তাৰ মানে আশা দেখুৱাইছোঁ। টেম্‌পোৰেৰি ইঞ্জিনীয়াৰ হিচাবে আগেয়ে তাক মই কামত নিয়োগ কৰিছোঁ। মই জানো যে এজনকে বাট চাই থাকিব নালাগে—হাতত আৰু অন্য ৰাখিব লাগে। সেইবাবে আগেয়ে তাক কামত সুমুৱাই দি হাতত ৰাখি থৈছোঁ। এতিয়া এচ. ডি. ও. কৰাৰ কথা কৈছোঁ যদি সি সবিতাক বিয়া কৰাবলৈ গাত লয়।"

"ল'ৰাজন বা কেনে ?"

"ল'ৰা ইঞ্জিনীয়াৰ, বুদ্ধিমান, কাৰ্যদক্ষ, দেখনিয়াৰ। সবিতাৰ উপযুক্ত পাত্ৰ।"

"ল'ৰাই জানো মত দিছে ?"

"মত নিদি পাৰেনে ? তাৰ মত মই অনাইছোঁ।"

"গৃহস্থৰ ?"

"গাঁৱলীয়া গৃহস্থৰ মত, বাৰু এনে সুবিধাৰ বাহিৰত হ'ব পাৰেনে ? সকলো ঠিক, কেৱল তোমাৰ ছোৱালীক ঠিক মতত আনা মাত্ৰ, দেখিবা মই এসপ্তাহৰ ভিতৰতে বিয়া সমাধা কৰি পেলাম। সবিতাৰ সোনকালে মত লোৱা। ঠিকাদাৰৰ ল'ৰাতকৈ মোৰ ছোৱালীৰ বিয়া মই আগতে দিবলৈ চাওঁ। মই দেখুৱাম যে গিৰীশ দাস এলাপেচা বিধৰ লোক নহয়।"

"আপোনালোকৰ কাজিয়াখনৰ বাবেতো ইমানখিনি হ'ল। সবিয়ে আৰু মত দিলেহে······।"

"সেইটো তোমাৰ ওপৰত নিৰ্ভৰ কৰে—মোৰ নহয়।"

"শিক্ষিতা ছোৱালীক মই একো কৰিব নোৱাৰোঁ।"

"বাৰু দেখা যাওক। প্ৰবীণ আহিলে সবিতাৰ লগত কথা-বতৰা হবৰ সুবিধা দিবাচোন। ল'ৰা বৰ ভাল।"

॥ বাৰ ॥

ইঞ্জিনীয়াৰ দাসৰ মতলব ধৰিব পাৰি প্ৰবীণ কলিতা পৰম খুচি হৈ গ'ল। চাকৰিৰ লগতে নাৰী। ইয়াতকৈ ডাঙৰ সৌভাগ্য বোধ হয় আৰু মানুহৰ থাকিব নোৱাৰে, তেওঁৰ বিশ্বাস। আনন্দত প্ৰবীণৰ হিয়া নাচি উঠিল। এচ্. ডি. ও হব চাকৰি আৰু জীৱন সঙ্গিনী হব ইঞ্জিনীয়াৰৰ দুহিতা। এনে সুযোগ তেওঁ এৰি নিদিয়ে।

সিদিনাৰেপৰা প্ৰবীণ আহে সবিতাহঁতৰ ঘৰলৈ। চাহ খায়, তামোল খায়; সবিতাৰ মাকৰ অভ্যৰ্থনা লয়। লগতে সবিতালৈ লুকাই লুকাই চায়। সবিতাই বুজিছে মাক-পিতাকৰ গোপন ৰহস্য। তাই মনে মনে হাঁহে। প্ৰবীণৰ সবিতাক মাতিবলৈ বৰ ইচ্ছা যায়; কিন্তু সাহস নাই। সবিতাই দুই-এবাৰ কাষেৰে অহা-যোৱা কৰে, প্ৰবীণলৈ চাই কিজানি মাতেই। কিন্তু ক'তা ? মাতিব দূৰৰ কথা, সবিতাৰ ব্যক্তিত্বক সঙ্কোচ কৰে সি। তাৰ এনে 'ইনফিৰিওৰিটি কমপ্লেক্স' দেখি সবিতাৰ হাঁহিও উঠে আৰু বেয়াও লাগে। তাইৰ মনলৈ অকস্মাতে ভাব

আছে—যদি জীৱনত এওঁ আহি লগ দিয়ে ? যদি এওঁৰ লগতে……। তাই আৰু ভাবিব নোৱাৰে। দুখ আছে—গা শিয়ঁৰি উঠে।

তাই তাক নামাতে ; সি হতাশ হয়।

তাইৰ মন যোগাবৰ বাবে সি আহে নিত্য নতুন সাজেৰে। কোনোদিন চুট-পেণ্ট পিন্ধি, কোনোদিন ধুতি পিন্ধি, কোনোদিন গাত থাকে গেবাৰ্ডিনৰ কোট, কোনোদিন পপ্‌লিনৰ হাৱাই চাৰ্ট। তাইৰ মন আকৰ্ষণ কৰিবৰ বাবে পাৰ্যমানে চেষ্টা কৰে প্ৰবীণে। গাত নানা ৰং-বেৰঙৰ চোলা চুলিত নানান গন্ধৰ তেল। পাউডাৰ, এচেন্সে মুখৰপৰা আৰম্ভ কৰি পকেটস্থ ৰুমাললৈকে অধিকাৰ কৰিছে। নানা সাজ, নানা বেশ—যেন নিৰবচ্ছিন্ন সাধনা চলিছে সবিতাক উদ্দেশ্য কৰি। তথাপি সবিতাৰ সঁহাৰি নাই। ব্যৰ্থ পূজা-দেৱী অপ্ৰসন্না। ভাবি-চিন্তি নিৰুপায় বেচেৰা প্ৰবীণ। যদি সি এই পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰে ; তেন্তে ছলনাৰ মধ্যেঁ। যাদুকৰী ?

সেইদিনা অফিচ বন্ধ। দাসে প্ৰবীণক ভাত খাবলৈ নিমন্ত্ৰণ কৰিছে। প্ৰবীণ আহি পৰ্টিকʼত বহিছে। এনেতে দাসে আহি আদৰ অভ্যৰ্থনা কৰি মাতি ওচৰৰ চকিখনতে বহিল আৰু হাঁহি মাৰি কʼলে—“তোমাৰ সিদিনাৰ বুদ্ধিয়ে বেছ কাম দিলে বোপা। এতিয়া ঠিকাৰ ৰেজাল্ট দিলেও ভুঞাৰ টেণ্ডাৰ কেঞ্চেল হব। বৰ মজা হৈছে।”

“হবৰে কথা। বাৰু দেখা হব।”

“তুমি মোৰ সহায় থাকিলে মই মন্ত্ৰী, এম, এল, এ, কালৈকো ভয় নকৰোঁ।”

এনেতে চাকৰে চাহ দি গʼল। দুয়ো চাহ খালে। চাহ খাই উঠি দাসে কʼলে—“মই যাওঁ, মোৰ অলপ কাম আছে। তুমি অলপ বহা বোপা।” ওচৰৰে ৰুমত প্ৰসাধন কৰি থকা সবিতাক মাত দি কʼলে—“সবি, এওঁক তামোল-চালি দিবিচোন।” এই বুলি কৈ তেওঁ তাৰপৰা গʼল। প্ৰবীণ অকলে থাকিল।

খিৰিকীৰে সবিতাৰ ৰুমটো দেখি, পৰ্দাৰ ফাঁকেৰে এবাৰ সবিতাৰ উপস্থিতি অনুভৱ কৰি প্ৰবীণ সাজু হৈ ৰʼল। নেক্‌টাইটো টানকৈ মাৰি ললে, মানুহ-জনে পোন হৈ বহি ললে যেন বৰ চাহাবৰ লগতহে দেখা কৰিব। মনত উথলে-থুপুলে ভাব, কাৰণ আজি দুদিন আগতে সবিতাৰ লগত কথা হৈ সি বৰ অপদস্থ হৈ গৈছে। সবিতা এলা-পচা ছোৱালী নহয়—একেবাৰে আধুনিক

কবিতা লিখিকা, আধুনিক কবিতাৰ দৰে ছন্দহীন জটিল কবিতা। তাইৰ ৰহস্য ভেদ কৰিব লাগিলে পঢ়িব লাগিব মনোবিজ্ঞান, অধ্যয়ন কৰিব লাগিব দুৰ্ভেদ্য নাৰী চৰিত্ৰ। সি জানিছে যে, ইঞ্জিনীয়াৰিঙৰ অংকতকৈ ছোৱালীৰ অংক বেচি টান, আৰু ইঞ্জিনীয়াৰিঙৰ বাহ্যিক জগতৰ কৌশলতকৈ নাৰী জগতৰ মনৰ কৌশল বেচি চমকপ্ৰদ। এটাৰ খেলা বস্তুৰ লগত, আনটিৰ খেলা মনৰ লগত।

কেইমিনিটমান অধীৰ অপেক্ষাৰ পাচত হঠাতে আহি সবিতা দেৱী প্ৰৱেশ কৰিলে। কি ৰূপ! ছায়াচিত্ৰ জগতৰ কোনোবা চিত্ৰতাৰকাহে যেন ধীৰে ধীৰে নামি আহিছে প্ৰবীণ কলিতাৰ আগলৈ। তাঁৰ ৰূপৰ উজ্জ্বল আলোকে প্ৰবীণৰ চকু যেন ছাঁত মাৰি ধৰিলে। প্ৰবীণ মুগ্ধ হৈ চাই ৰ'ল। সবিতাই নমস্কাৰ কৰিলে। প্ৰবীণে প্ৰতি নমস্কাৰ দিবলৈ ভুলি এ'ল। প্ৰবীণৰ মনৰ অৱস্থা বুজিব পাৰি সবিতাৰ পুতৌৰ ভাব জন্মিল। বেচেৰা একেবাৰে মুগ্ধ হৈ গ'ল। এনে বোধ হ'ল যে সি বোধহয় জীৱনত নাৰীৰ সঙ্গ কোনো দিনে পোৱা নাই। বেয়াও লাগিল আৰু ভালো লাগিল সবিতাৰ। বেয়া লাগিল তাৰ ব্যৱহাৰ দেখি আৰু ভাল লাগিল তাৰ ৰূপৰ পূজা দেখি। নীৰৱ অকুণ্ঠ ৰূপৰ পূজা নাৰীয়ে অন্তৰেৰে কামনা কৰে; কিন্তু গ্ৰহণৰ বাবে নে খেলাৰ বাবে লয় তাক বুজা টান। নাজানো এই ৰূপমুগ্ধ ইঞ্জিনীয়াৰ লগত কি খেলা খেলে আজি ক্ৰীড়ামোদী ৰূপহী সবিতাই।

তাই অতি আয়াসেৰে বহি ললে চেয়াৰখনত তেওঁৰ মুখামুখিকৈ। কলিতায়ো আৰামেৰে বহি ললে। তাই হাঁহি মাৰি ক'লে—"আপোনাৰ ভাল নে কলিতা?"

"এক প্ৰকাৰ আছোঁ আৰু—।"

কিছুপৰ নীৰৱ দুয়ো। নীৰৱতা ভঙ্গ কৰি সবিতাই প্ৰশ্ন কৰে—

"এচ্ ডি, ও, হ'লে মাক ভনীয়েকহঁতক আনিব বোধ হয়?"

"গুৱাহাটীত ঘৰভাৰা যিমান বেচি তালৈ চাই আমাৰ দৰে জীৱে গৃহস্থী কৰা মিছা।"

"তেন্তো আকৌ এজনী আপদ চপাই লবৰ মন কৰিছে কিয়?" চতুৰ দৃষ্টিৰে প্ৰবীণৰ ফালে চাই প্ৰশ্ন কৰে তাই। প্ৰবীণ একপ্ৰকাৰ অপদস্থ হৈ গ'ল। কিন্তু মন হতাশ নকৰি এই আক্ৰমণৰ হাত সাৰিবৰ বাবে তৎক্ষণাৎ ব্যঙ্গ কৰি উত্তৰ দিলে—

"তিৰোতাৰ ভাগ্যত কিজানি কিবা সুবিধা মিলেই ; তাকে ভাবি। পুৰুষৰ ভাগ্যে জন, তিৰোতাৰ ভাগ্যইহে ধন। গতিকে…।"

"গতিকে গৃহলক্ষ্মীক চপাবৰ মন ? বাহ ! বেছ বৈদিক যুগৰ বচন ফাঁকি মাতিলে আপুনি। আপুনি দেখিছোঁ ধৰ্মধ্বজ—গোৰা হিন্দু। মুখৰ আগতে আপ্তবাক্য।" সবিতাৰ ঠাট্টাত প্ৰবীণ একেবাৰে সেঁতা পৰি গ'ল। সি কোনো দিনে বোধহয় চোকাবিধৰ ছোৱালীৰ লগত কথাৰ খোঁচা মৰা নাছিল আৰু খোঁচাও খোৱা নাছিল। আজি এনে হঠাৎ আক্ৰমণত বেচেৰা ইঞ্জিনীয়াৰ বাবু লেতু-সেতু হৈ পৰিল। সবিতাই আকৌ কিবা কোৱাৰ আগতে প্ৰবীণে কৈ উঠিল—

"অৱস্থা চাই ব্যৱস্থা কৰা জ্ঞানীৰ কাম।"

"কিন্তু উপাৰ্জনৰ ৰাস্তা পৰিস্কাৰ নোহওঁতে বিয়া কৰোৱা কোন জ্ঞানীৰ কাম ?"

প্ৰবীণ অপ্ৰস্তুত হৈ পৰিল। এনে অপ্ৰত্যাশিত প্ৰশ্ন সবিতাৰপৰা আহিব বুলি তেওঁ কল্পনা কৰা নাছিল। তেন্তে সবিতাৰ মতলব বেলেগ নেকি ?

"বিয়াৰ কথা অবান্তৰ। মই বিয়া কৰাম বুলি আপুনি ধৰি ললে কিয় ?"

"ঘৰত কঁঠাল পকিলে গন্ধ ওলায়—তাক ধৰি লবও নালাগে আৰু ঢাকি থবও নোৱাৰি ?"

কথাষাৰ শুনি প্ৰবীণৰ বেয়া লাগিল। তেওঁ একো নকৈ মনে মনে ৰ'ল। এনে ধৰণৰ কবিনী-চবিনী ছোৱালীৰ লগত তৰ্ক কৰা বৃথা, গৃহস্থী কৰাটো আৰু বিৰম্বনা। তেওঁ নীৰব হোৱাত কোঠাটোত নীৰৱতা বিৰাজ কৰিলে। সবিতাই অস্বস্তিবোধ কৰি কৈ উঠিল—"কি হ'ল আপোনাৰ ? হঠাৎ দেখোঁ গ্ৰামোফোনৰ পিন বন্ধ কৰা ৰেকৰ্ডৰ দৰে হ'ল ? কথা নকয় কিয়।"

"মোৰ অলপ কাম আছে। যাব লাগে এতিয়া। নমস্কাৰ, এতিয়া মই উঠোঁহে !"

তেওঁ উঠিবৰ উপক্ৰম কৰে। সবিতাই হাঁহি মাৰি কয়—"বহক অল্প সময়। যাওঁ বুলিয়ে যায় নে ? কিমাননো মেচিনৰ লগত খেলা কৰে ? মানুহৰ লগতো অলপ কথা হওকচোন।"

"মই কামৰ মানুহ, কথাৰ মনুহ নহয়।"

"নিশ্চয়, নিশ্চয়, শতবাৰ। পিচে মইও মাত-কথা দিবপৰা বিধৰ যন্ত্ৰ,—মেচিনৰ দৰে বোবা নহয়। গতিকে…।"

"আপোনাৰ লগত তৰ্ক কৰিবৰ মোৰ সময় আৰু সুবিধা নাই সবিতা দেৱী। মই উঠোঁহে বৰ্তমান।"

"বৰ, চাহ নোখোৱাকৈ ক'লৈ যায় ?"

"চাহ খালোঁ নহয় আপোনাৰ দেউতাকৰ লগত।"

"পিতাৰ লগত হে খালে। পিতাৰ লগত চাহ 'অফিচিয়েল'; এতিয়া মোৰ লগত 'নন অফিচিয়েল' ঘৰুৱা চাহ খাব লাগিব।" সবিতাই হাঁহি দিয়ে। কলিতাৰো হাঁহি উঠে। হাঁহি মাৰি কয় তেওঁ—"আপোনাৰ লগত আৰু নোৱাৰি···।"

"অলপ বহক।"

তাই উঠি যায়। কিছুপৰ পাচতে দুপিয়ালা চাহ আৰু দুখনকৈ 'কেক' আনি টেবিলৰ ওপৰত থয়।

"খাওক। আগৰ দিনৰ জলপানে আজিকালি জলযোগৰ ৰূপ লৈছে।" তাই হাঁহি হাঁহি চাহ আৰু কেকৰ প্লেট এখন আগবঢ়াই দিয়ে। কলিতাই হাঁহি মাৰি গ্ৰহণ কৰে। দুয়ো চাহ খাবলৈ আৰম্ভ কৰে। সবিতাই 'কেক' একামোৰ মাৰি সোধে—"চাহমেলত কি আলোচনা হয় ?"

"আপোনালোক কবি-সাহিত্যিক সকলৰ কবিতা, গল্প আদিৰ ৰসৰ বিষয়ে।"

"আৰু আপোনালোক ইঞ্জিনীয়াৰসকলৰ লোহা-লক্কৰ ইলেক্‌ট্ৰিকৰ কাৰেণ্ট সম্পৰ্কে ?" দুয়ো খিল্‌খিল্‌কৈ হাঁহে। কলিতা পৰম আনন্দিত হয়। সবিতাৰ মধুৰ চাৱনি আৰু অসামান্য ৰূপৰ প্ৰভাৱে তেওঁৰ মনত বিজুলী সৃষ্টি কৰে। চাহ খাই উঠি সবিতাই বৰ আনন্দেৰে প্ৰবীণক বিদায় দিয়ে। হাঁহি হাঁহি অন্তৰত এক অজান আনন্দ লৈ গুচি যায় প্ৰবীণ কলিতা। হিয়াত এটা কুটিল ভাব ৰাখি মুখত হাঁহি দেখুৱায় কপটী সবিতাই।

প্ৰবীণ যায়; সবিতাই আগবঢ়াই থয়। তাৰ পাচত ফিৰি আহে। শৰতৰ ছবিখন মনৰ মাজত জিলিকি উঠে। মনৰ তলিৰপৰা শোকৰ উচ্ছ্বাসে আহি হেচি ধৰে। তাইৰ বেয়া লাগে। নিজৰ কোঠালৈ সোমাই বিছনাত দীঘল দি পৰি গাৰুত মূৰ গুঁজি উচুপিব ধৰে। কি আশ্চৰ্য তাইৰ মন! ক্ষন্তেকতে হাঁহি, ক্ষন্তেকতে অশ্ৰু। অদ্ভুত উপাদানেৰে গঠিত সবিতাৰ মন।

॥ তেৰ ॥

সবিতাৰ মাকৰ মন নাই প্ৰবীণক জোঁৱাই কৰি লবলৈ। কিন্তু নিৰুপায়। হাততে পোৱা ল'ৰাজন এৰি দিলে বিপদ হব পাৰে। যদি প্ৰবীণতো বিয়া নিদিয় বুলি কয় আৰু শৰতেও বিয়া নকৰায় তেন্তে কি উপায় হ'ব? সেইবাবে একো কোৱা নাই। প্ৰবীণ নিতৌ আহে, নিতৌ যায়। সবিতাৰ লগত কথা হবৰ মন কৰে। সবিতাই কথা কয়; কিন্তু প্ৰাণ ঢালি নহয়। কিবা যেন ছলনা মনত লৈহে সবিতাই এনেকুৱা কৰে—এনে অনুমান কৰে মাকে। নাৰীয়ে নাৰীৰ মন বুজে ভালকৈ। সবিতাৰ গতি-মতি লক্ষ্য কৰে। তাই যদি সুখী হয়; তেন্তে কোনো কথা নাই।

সবিতাই বুজে প্ৰবীণ কিয় আহে ঘনকৈ। বস্তুৰ লগত, মেচিনৰ লগত খেলা কৰা ইঞ্জিনীয়াৰে মানুহৰ মনৰ লগত, তিৰোতাৰ প্ৰাণৰ লগত খেলা কৰিব বিচাৰে। পুৰুষৰ ভালপোৱা অজ্ঞাত আৰু অপ্ৰকাশিত হ'লেও তাক সহজে নাৰীয়ে ধৰি পেলায়। নাৰীৰ এইটো অদ্ভুত শক্তি। সেই বাবেই নাৰীয়ে নেপথ্যৰপৰা পুতলাচালন কৰাৰ দৰে পুৰুষৰ মনৰ অজ্ঞাতেই ৰহস্যৰ খেলা খেলিব পাৰে। প্ৰবীণৰ মনৰ তাঁৰত বিজুলী প্ৰবাহৰ গম নধৰাকৈ থকা নাই সবিতাই।

এই সমস্ত ঘটনাৰে গম পায় নবীনে। বন্ধুৰ এনে প্ৰণয়-সঙ্কট দেখি তেওঁৰ মনত বৰ বেজাৰ লাগে। ইফালে আজিকালি 'অনামী'ৰ প্ৰচাৰ বহুল হৈছে। কামো বাঢ়িছে, কিন্তু কাম কৰা মানুহৰ অভাৱ। শৰত আঁতৰি যোৱাৰ পিচৰপৰা সবিতাও প্ৰায় আঁতৰি পৰাৰ দৰে। মাজে মাজে গৈ দুই-এদিনহে তাই তেওঁক সহায় কৰে। 'অনামী'ৰ কাৰ্যালয়ত মানুহৰ সমাগমো বাঢ়িছে। জয়ন্তী, বাসন্তী মঞ্জু আদি চহৰীয়া ছোৱালীৰ এটা দলে আজি-কালি সঘনে উপস্থিত হয় সম্পাদকৰ চ'ৰাত। তেওঁলোকৰ লগতে তেওঁলোকৰ উপগ্ৰহবোৰেও আহি প্ৰদক্ষিণ কৰে। ডেকা সমাজখনৰ লগত ধুৰন্ধৰ ওৰফে নবীন বৰ্মণৰ আজি-কালি ভাল পৰিচয় ঘটি উঠিছে। মঞ্জু দেৱীৰ প্ৰবেশৰ লগে লগেই তেওঁৰ আকৰ্ষণৰ গ্ৰহ পৰেশ চোধুৰীৰো প্ৰৱেশ হয় সঘনে। ইয়াকে লক্ষ্য কৰি ধুৰন্ধৰে বেছ কাম আদায় কৰিব ধৰিছে। মঞ্জুক কিবাকিবি কৰিব দিয়ে। তাই কাম কৰি থাকিব লগা হোৱাত পৰেশেও এনেয়ে বহি নাথাকি কিবাকিবি কৰি দিবলৈ বাধ্য হয়। শৰত, সবিতাৰ খালী ঠাই

পূৰণ কৰিবৰ বাবেই যেন মঞ্জুৰ, পৰেশৰ আবিৰ্ভাৱ। সম্পাদকৰ প্ৰতি মঞ্জুৰ ইমান দৰদ দেখি জয়ন্তীয়ে লক্ষ্য কৰে—ইয়াৰ অন্তৰালত একো মতলব নাইতো? তাইৰ সন্দেহ হয়। পাচত গৈ এদিন গম পালে যে, মঞ্জুৰ আকৰ্ষণ আলোচনীত নহয়—আলোচনীৰ সম্পাদকৰ ওপৰতহে। তাইৰ বৰ খং উঠে। আজি কিছুদিনৰ-পৰা জয়ন্তীয়ে তাইৰ ৰশ্মি ধুৰন্ধৰৰ ওপৰত পেলাবলৈ বৰ যত্ন কৰিছে। বিগত-যৌৱনা অবিবাহিতা জয়ন্তী দেৱীৰ আকৰ্ষণ যে সদ্য প্ৰস্ফুটিত কুসুম সদৃশ কিশোৰী মঞ্জুৰ ৰূপৰ ওচৰত বিকৰ্ষণত পৰিণত হব, এই আশঙ্কা কৰি জয়ন্তী দেৱী খড়্গহস্ত হৈ উঠিল মঞ্জুৰ ওপৰত। ধীৰ, স্থিৰ, শান্ত জয়ন্তী হৈ উঠিল অস্থিৰ, চঞ্চল আৰু অশান্ত। ঈৰ্ষাৰ জ্বালা ক্ৰমে বাঢ়ি আহিল দুয়োৰো মাজত। এই দ্বন্দ্বৰপৰা লাভ হ'ল ধুৰন্ধৰৰ—বিনা দৰমহাই কৰ্মী। ইয়াৰ গম বুজিব পাৰি তেওঁ মনে মনে খুচি হৈ গ'ল আৰু সময় বুজি তেওঁলোকৰ লগত খেলা আৰম্ভ কৰিলে। এটি নৰ, দুটি নাৰী।

আনফালে শৰতৰপৰা অন্য প্ৰকাৰৰ লাভ হ'ল নবীনৰ। শৰতৰপৰা আজি-কালি সুন্দৰ কবিতা আহিব ধৰিছে 'অনামী'লৈ। শোক-বিষাদৰ মৰ্মস্পৰ্শী কবিতা ওলাব ধৰিছে শৰতৰ কলমৰপৰা। শোকৰ কবিতা প্ৰাণস্পৰ্শী। ব্যৰ্থতাৰ হুমুনিয়াহ হৃদয় বিদাৰক। প্ৰেমৰ পূজাৰী প্ৰেমিক কবি শৰৎ হৈ পৰিল বিষাদত অভিভূত বিৰহৰ কবি।

আনফালে আধুনিক, ছন্দহীন কবিতাৰ পূজাৰিণী সবিতা হৈ পৰিল ব্যথা-বেদনাৰ অন্তৰ পৰশা বিৰহিণী কবি। দুটি কবিৰ আদৰ্শৰ দৃষ্টিকোণ বদলি গ'ল। জীৱনৰ গতিধাৰা বদলিল—বদলিল ভাৱৰ গতিধাৰা আৰু লগতে বদলিল—কবিতাৰ গতিপথ। বেদনাৰ ইতিহাসে মানৱ অন্তৰ কৰে দ্ৰৱীভূত—কৰে আকৰ্ষণ। তাতে বাঢ়ে আলোচনীৰ প্ৰচাৰ আৰু প্ৰসাৰ।

"অনামী"ৰ বিক্ৰি বাঢ়ে; নবীনৰ আয় বাঢ়ে। কাৰো ক্ষতি, কাৰো লাভ।

।। চৈধ্য ।।

ইঞ্জিনীয়াৰ দাসে ল'ৰা যোগাৰ কৰা কথাৰ গম পাই ঠিকাদাৰেও ছোৱালী বিচাৰিব ধৰিলে। বিচৰা মানে বিচাৰি যাব নালাগে,—যাচিবলৈ অহাবিলাকৰ ভিতৰত এজনীক ঠিক কৰিলেই হ'ল ; কিন্তু বহুত মাছত বগলী কণা হোৱাৰ দৰে ইমানবোৰ ছোৱালীৰ মাজৰপৰা এজনীক উপযুক্ত বিবেচনা কৰা সহজ নহয়। হাকিম পুত্ৰেকলৈ,—কন্যাৰ পিতা পালে পালে আহে। তেওঁ নিৰ্ধাৰিত কৰিব নোৱাৰে। এনেকৈ কিছুদিন গুণা-গ'থাকৈ থাকোঁতে এদিন এটা ভাল উপহাৰ আহিল। তেজপুৰৰে বিখ্যাত উকিল মধুবাবুৰ জীয়েক মিনতি বৰুৱাক শৰতলৈ প্ৰস্তাৱ কৰি পঠালে, লগতে জনালে যে ছোৱালী বি. এ. পাছ ; যৌতুক বাৰ হেজাৰ টকা। ঠিকাদাৰে বৰ মনোযোগেৰে শুনিলে। যৌতুকৰ অঙ্কটোৰ প্ৰতি নজৰ অলপ তীক্ষ্ম যেন বোধ হ'ল। বহুত চিন্তা কৰি শেষত প্ৰস্তাৱত মান্তি হোৱা বুলি জনাই দিলে।

এই কথাৰ গম পালে ইজিনীয়াৰ দাসে। মনৰ ভিতৰত যি ক্ষীণ আশা আছিল তাৰো মৃদা মৰিল। গিৰীয়েক-ঘৈণীয়েকৰ ভিতৰত এই সম্পৰ্কে আলোচনা হল গধূলি দুইং ৰুমত। ঘৈণীয়েকে এটা হুমুনিয়াহ কাঢ় ক'লে—"মোৰ ছোৱালীৰ ভাগ্যত নাই···।"

আনদিনা ৰাতি ভাত খাবৰ সময়ত বেছ হাঁহি আনন্দৰ কথাৰ মাজেৰে খোৱা হয় ; কিন্তু আজি আৰু আনন্দ নাই, কাৰো মুখত হাঁহি নাই। এটা যেন নিৰা-নন্দৰ ভাবে ঘৰখনত বিৰাজ কৰিছে। পিতাকৰ এটা সামান্য ভুলৰ কাৰণেই যে শৰতৰ দৰে ল'ৰা এটা হাত এৰি গ'ল, এই কথা দুই পুত্ৰই বাঢ়িয়াকৈ বুজিলে। ডাঙৰ তৰুণ ডাক্তৰে ক'লে—

"টকা-পইচাৰ বাবে পিচুৱাব নালাগিছিল। টকা দিলেও আমাৰ নিজৰ ভনী-জনীক দিলোহেঁতেন। দহ হেজাৰ লাগে, বাৰ হেজাৰ লাগে যিয়ে নালাগক দিন বুলি কোৱা বেয়া নাছিল। সবিতাৰ ভাগত অন্ততঃ কুৰি হেজাৰ টকা পৰিব ; তেনেস্থলত পিতাই···"

বৰুণে অলপ উত্তেজিত ভাবে ক'লে—

"আজিকালি পণপ্ৰথা চলিছেই। বাৰু দেখিম, আমাৰ বিয়াত পিতাই টকা

লয় নে নলয়।” তেওঁ যে ক্ষুণ্ণ হৈছে এই কথাৰ প্ৰমাণ হৈ গ’ল। মাকে মুখলৈ চালে। পিতাকেও এবাৰ মুখৰ ফালে চাই পুনৰ তলমুৰা হৈ ভাতত গৰাহ মাৰিলে। পিতাকৰ ভাব বুজিব পাৰি তৰুণে কৈ উঠিল—

“বৰুণ, তই ইঞ্জিনীয়াৰ মানুহ; লোহা-লক্কৰত টান টানকৈ কোব মাৰি মাৰি নৰম হ’বলৈ পাহৰিয়ে গৈছ। কথাত টান কোব পৰিলে কিন্তু বিপদ আছে বৰুণ। পিতাক কোনো কথা কোৱা উচিত নহয়, কাৰণ আমাৰ মাত মাতিবৰ একো অধিকাৰ নাই।”

তৰুণে যে বিনাবাক্যব্যয়ে পিতাকৰ আদেশ পালন কৰে এই কথা বৰুণে জানে ভালকৈ। পিতাকৰ মেজাজৰ লগতো তেওঁৰ পৰিচয় নোহোৱা নহয়। তাকে ভাবি ক’লে—“মই তেনে কোনো কথা কোৱা নাই দাদা। মই কবলৈ গৈছোঁ যে, টকা দিয়া একো বেয়া নাছিল। আমাৰ একমাত্ৰ ভনীজনীক যদি টকাৰ কাৰণে এটা ভাল ল’ৰাত দিব নোৱাৰোঁ; তেন্তে আমি ইমান টকা উপাৰ্জন কৰাৰ কোনো সাৰ্থকতা নাই। পিতাই মত দিলে দহ হেজাৰ টকা মই দিম।”

“তেনে কথা নহয় বৰুণ; টকা লৈ কথা নহয়—কথা হৈছে সন্মান লৈহে। পিতাৰ কথা ইমান সোনকালে নলবে।”

“বাৰু, যি কৰে কৰক। মোৰ কিন্তু কলিতাৰ তাত দিয়াৰ মত নাই। সি এটা অলগধ।”

“একে ইঞ্জিনীয়াৰ বৰুণ। তোৰে স্বজাতি। স্বজাতি নিন্দা কৰিব নাপায়।” তৰুণে কয়।

“আচল কথা দাদা, সবিতাক মই য’তে ত’তে দলিয়াই দিব নোৱাৰোঁ। আজি ইমান বছৰে সেই কাৰণেই বাট চাই আছোঁ; নহলে তাই কলেজত থাকোঁতেই বিয়া দিব পাৰিলোঁহেঁতেন।”

বৰুণ বাহিৰ ওলাই গ’ল মুখ ধুই। দুই চকু জলপূৰ্ণ হবৰ উপক্ৰম হৈছে। এওঁৰ যিমান সোনকালে খং উঠে তিমান সোনকালে দুখো লাগে। বৰ উত্তেজনাশীল বৰুণটো। পিতাকো নীৰৱে উঠি গ’ল, তৰুণেও একো নমতাকৈ উঠি গ’ল। মাকে সজল নয়নে চাই ৰ’ল। পৰ্দাৰ আঁৰালৰ পৰা সবিতাই সকলোবোৰ কথা শুনি আছিল। ককায়েকহঁতৰ এনে দৰদ ভৰা কথা শুনি দুই চকুৰে পিৰপিৰকৈ চকুলো সৰি পৰিল। নিজৰ জীৱনৰ এনে এটা শোকাবহ পৰিণতি দেখি বৰ বিমৰ্ষ

হৈ গ'ল। বেদনাৰে তাইৰ হিয়া সিক্ত হৈ গ'ল। মাকে ভাত খাবলৈ মতাত কেইগৰাহমান খায়েই উঠি গ'ল। মাকে বুজিলে জীয়েকৰ এই অৰ্ধভোজনৰ কাৰণ। বৰ দুখ লাগিল তেওঁৰ।

ৰাতি সবিতাৰ টোপনি নাহিল। সেই একেটা প্ৰশ্ন—তেওঁ তেন্তে তেজপুৰৰ মধু উকিলৰ ছোৱালীকে কিয় কৰাব? তাইৰ ইমান দিনৰ আশা-আকাঙ্ক্ষা চুৰমাৰ কৰি তেওঁ হব কোনো ধনী উকিল জীয়াৰীৰ স্বামী? উকিল জীয়াৰীৰ স্নেহৰ সোহাগ পাই হয়তো তাইৰ স্মৃতিবোৰ মচি পেলাব চিৰদিনৰ বাবে। এটা তাচ্ছিল্যৰ—উপহাসৰ, উপেক্ষাৰ হাঁহিৰে হয়তো দুয়ো স্বামী-স্ত্ৰীয়ে তাইৰ ফালে চাই হাঁহি মাৰিব। তাই আৰু ভাবিব নোৱাৰে—সহিব নোৱাৰে। মনটো উন্মাদ হৈ উঠে। উচুঁপি উচুঁপি গাৰু তিয়াই পেলাবৰ মন যায়। হিয়াত যেন জুই লাগে।

শোকৰ পিচত আহে খং। তাই যেন নিজে নিজে কৈ উঠে—পিতাকৰ এনেহে পিতৃভক্ত পুত্ৰ; খুলি এষাৰ কথা কব নোৱাৰে? এয়ে মোৰ প্ৰতি ভালপোৱা? ভুল—মোৰ ভুল। মই ভুল বুজিছোঁ, তেওঁ ভাল মানুহ নহয় নিশ্চয়। সুবিধাবাদী প্ৰবঞ্চক, অতি নীচ মনোবৃত্তিৰ লোক। টকাৰ লোভত নিজক বিক্ৰি কৰিব ওলাইছে। ঠিকাদাৰ বাপেকে ঠিকা নাপাই পুতেকৰ জীৱন লৈয়ে ঠিকা আৰম্ভ কৰিছে; আৰু পিতৃভক্ত পুত্ৰয়ো পিতাকৰ অস্ত্ৰ হিচাবে নিজক ব্যৱহাৰ কৰিছে। বাস্তৱিক টকা হলেই মানুহ নহয়, বিদ্বান হলেই মানুহ নহয়। তাৰ প্ৰমাণ এই পিতা-পুত্ৰ।

তাইৰ খং উঠে শৰতৰ পিতাকৰ ওপৰত, শৰতৰ ওপৰতো।

তাই আৰু অন্য ৰকমে ভাবে—নাই, শৰত ইমান তললৈ নামিব নোৱাৰে। ইমান নীচ নহয় তেওঁ। মোৰ সিদিনাৰ চিঠিখন পাই খং কৰিলে হবলা। ছিঃ! তেনেকৈ লিখিব নালাগিছিল! ভুল কৰিলোঁ। ক্ৰোধৰ বশৱৰ্তী হৈ নিলিখিব লগীয়া কথা লিখি পেলালোঁ। নহয়···। ক্ষমা খুজি চিঠি লিখিব লাগিব। কিন্তু এতিয়া যে সময় পাৰ হৈ গ'ল? এতিয়া ক্ষমা খোজা মানে ফাচি হৈ যোৱা মানুহক খালাচ হোৱা হুকুম শুনোৱাৰ দৰে হব। বন্দোবস্ত হৈ গৈছে যেতিয়া বিয়া অনিবাৰ্য। মিছাকৈ অসময়ত ক্ষমা খুজি মোৰ সন্মান মই লাঘৱ কৰিব নোৱাৰোঁ। বাৰু দেখা যাওক, তেওঁৰ মতি-গতি কেনে হয়। যদি মোক প্ৰকৃততে ভাল পায়, তেন্তে তেওঁ কলৈকো যাব নোৱাৰে। তেওঁ মোৰ···।

ভাবি ভাবি তাই শুই পৰে। চিলিমিলকৈ টোপনি আহে। হঠাতে আকৌ সাৰ পাই উঠে। শৰতক সপোনত দেখে। তাই আকৌ শুবলৈ যত্ন কৰে। আঠুৱাখন ভালকৈ লৈ পুনৰ শুই পৰে।

|| পোন্ধৰ ||

উকিলৰ ছোৱালী ঠিক কৰা খবৰ দিলে পিতাকে শৰতক। চিঠি পঢ়ি শৰতৰ মন উদ্বিগ্ন হৈ উঠিল। উহ! কিযে হৈ গ'ল! এতিয়া কি কৰিব তেওঁ? সবিতাক গ্ৰহণ কৰিব নে পিতাকৰ আদেশ পালন কৰিব? পিতৃৰ আজ্ঞা লঙ্ঘন কৰিব? নোৱাৰে; প্ৰাণ গ'লেও শৰতে পিতাৰ আদেশ উলঙ্ঘা কৰিব নোৱাৰে। একমাত্ৰ ল'ৰা হৈ কেনেকৈ বাৰু পিতাকৰ কথা উলঙ্ঘা কৰে? কিমান দুখ পাব পিতাকে! ইমান দুখ তেওঁ পিতাকক দিব নোৱাৰে, লাগে নিজৰ যিমানে দুখ নহওক, ক্ষতি নহওক।

সবিতা, এৰা সবিতা। সবিতাৰ কথা মনত পৰি প্ৰাণ কান্দি উঠে। অতীতৰ ক'ত মধুস্মৃতি বিজৰিত দিনৰ ইতিহাস আহি সম্মুখত প্ৰকট হৈ উঠে। সেই ভালপোৱা তেওঁ কেনেকৈ নেওচিব? প্ৰশ্ন কৰে; কিন্তু উত্তৰ? লোকৰ মোকৰ্দমা সুধি ৰায় দিয়ে; কিন্তু নিজৰ প্ৰশ্নৰ উত্তৰ দিব কোনে? তেওঁ ভাবে, চিন্তে, গুণে-গাঁথে। মনৰ মাজত চিন্তাৰ প্ৰৱল ধুমুহা। আদালতত পৰৰ বিচাৰ যি হাকিমে কৰে, নিজৰ ঘৰত নিজৰ বিচাৰ তেওঁ কৰিব নোৱাৰে; পৰৰ প্ৰশ্নৰ সমাধান কৰিব পাৰে, নিজৰ প্ৰশ্ন সদায় সমাধানৰ বাহিৰত ৰয়।

তেওঁ ভাবে, সবিতাক বিস্তাৰিত ভাৱে লিখি জনাব। আৰু লিখিব এই অপৰাধৰ বাবে যাতে তেওঁ ক্ষমা কৰে। তেওঁ ক্ষমা খুজিব, আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিব যাতে সবিতা সুখী হয়। শেষত তাকেই কৰিলে। বৰ দুখ আৰু বেজাৰেৰে হৃদয়পূৰ্ণ কৰি লিখিলে —

মোৰ মৰমৰ সবিতা,

মোৰ হিয়াভৰা প্ৰীতি গ্ৰহণ কৰিবা। মোৰ শৰীৰ ভাল কিন্তু মন বেয়া। মোৰ আজি বৰ বেয়া লাগিছে। আজি মই যি কথা লিখিম সি অতি ভয়ঙ্কৰ। বোধহয় মোৰ জীৱনত ইয়াতকৈ নিৰ্মম ৰায় আৰু কোনো বিচাৰতে মই শুনাব

নোৱাৰিম। মোক ক্ষমা কৰিবা সবিতা। জীৱনত তোমাৰ ওচৰত অনিচ্ছা সত্ত্বেও যি দোষ কৰিলোঁ সি ক্ষমাৰ বাহিৰত। তথাপি মই তোমাৰ ওচৰত আজি ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

মোৰ আদৰিণী সবিতা,

তুমি জানা যে মই তোমাক কিমান ভাল পাওঁ; কিন্তু কি কৰিম সবিতা? বোধহয় তুমি শুনিবই পাইছা যে, পিতাই মধু উকিলৰ জীয়েকক···। পিতাৰ আদেশ—অৱশ্যে পালনীয়। মই নিৰুপায়। এফালে তুমি, আনফালে পিতা। তুমি জানা যে, মই পিতাৰ আদেশ অমান্য কৰিব নোৱাৰোঁ।···মই কি কৰোঁ সবিতা? তুমি মোক উপায় দিয়া।

জীৱনত হয়তো তোমাৰ মই বহুত দোষণীয় কাম কৰিছোঁ; তুমি তোমাৰ এই মৰমৰ শৰতদাক ক্ষমা কৰিবা সবি, তোমাৰ এই হতভগীয়া শৰতদাক খং নকৰিবা। আৰু লিখিব নোৱাৰোঁ; মন বেয়া লাগিছে। তোমাৰ মঙ্গল হওক এয়ে মোৰ আন্তৰিক কামনা। তুমি সুখী হোৱা জানিলেই মই সুখী হম। তুমি সুখী হোৱা সবিতা, তোমাৰ জীৱনত আনন্দই বিৰাজ কৰক—

ফুলক জীৱনে তব শতেক গোলাপ,
হিয়া হক ভৰপূৰ বিমল আনন্দে;
ব্যৰ্থ ই জীৱন মাজে ধৰাৰ বুকুত
বাজক জীৱন গীতি নৱ নৱ ছন্দে।

ইনি
তোমাৰ মৰমৰ
শৰৎদা

চিঠি গৈ সবিতাৰ হাতত পৰিল। চিঠি পঢ়ি সবিতাৰ কেনে লাগিল। দুখো লাগিল, খঙো উঠিল! চিঠিখন কেবাবাৰো পঢ়ি পঢ়ি আৰামী চেয়াৰখনত বহি পৰিল। মুখত ফুটি উঠিল এটা তাচ্ছিল্যৰ হাঁহি। বাঃ কুৰি শতিকাৰ পিতৃভক্ত ৰামচন্দ্ৰ! পিতাৰ আদেশ অৱশ্য পালনীয়। যদি তাকেই ভাবিছে—যদি বিনা বিচাৰে পিতৃ আজ্ঞা-পালন কৰিব বিচাৰে, তেন্তে সবিতাক কিয়? তাৰ পাচত লিখিছে এজোলোকা আশীৰ্বাদৰ কবিতা, যেন পইচা খোজা বামুণ হে! ইমান আশীৰ্বাদ কিয় বাপু? যদি মুখ খুলি কথাবাৰ কৰৰ সাহসে নাথাকে,

তেওঁতে মিছাকৈ ফাঁকিফুকা দি নিজেও জুলুম হোৱাৰ কাম নাই আৰু আনকো জুলুম কৰাৰ লাভ নাই, বৰং অন্যায়। মোক আৰু আশীৰ্বাদে সান্ত্বনা দিব নোৱাৰে। এতিয়া ক্ষমা খুজিছে। যদি নিজে জানেই যে, নিজে একো-কৰিব নোৱাৰে ; তেনেহলে কিয় ইমান আগ বাঢ়িছিল ? কাপুৰুষ ! তাই নিজে নিজে মনতে যেন কৈ উঠে। ঈৰ্ষাৰ জ্বালাই সৰ্বাঙ্গ দহন কৰে। সন্দেহ হয় তেওঁৰ চৰিত্ৰৰ ওপৰত। যদি উকিল জীয়াৰীৰ প্ৰেমত পৰিছে ! একে তেজপুৰতে থাকে। তাইৰ ধাৰণা ক্ৰমে গাঢ়ৰপৰা গাঢ়তৰ হয়। বোধহয় উকীল জীয়াৰীৰ ৰূপৰ ছবিকাখনৰ মুখটো বেচি জোঙা ; সেয়েহে ৰকুত লগা মাত্ৰকে সোমাই গ'ল— এতিয়া আৰু উলিয়াই আনিব নোৱাৰে। ভাল কথা,—প্ৰেমত পৰিছা, বিয়া কৰোৱা, সুখী হোৱা নিজে নিজে, কিন্তু মোক কিয় সোধা ? আশীৰ্বাদৰ জোলোঙাখন মেলিছা কিয় ? মোক সান্ত্বনা দিবলৈ নে ঈৰ্ষাত জ্বলাই মাৰিবলৈ ? কোনে আশীৰ্বাদ বিচাৰিছে বিশ্বাসঘাতক ? থং অভিমান ঈৰ্ষাত তাইৰ সৰ্বশৰীৰ জৰ্জৰিত হৈ গ'ল। মন একেবাৰে ক্ষীপ্ত হৈ উঠিছে। কি কথা, কি চিন্তাবোৰ যে মনলৈ আহিছে তাৰ ঠিক নাই। সুস্থ অৱস্থাত যিবিলাক কথা তাই কল্পনাও কৰিব নোৱাৰে, মনৰ এনে বিকাৰগ্ৰস্থ অৱস্থাত সেইবোৰেই বাস্তৱত প্ৰতিভাত হব ধৰিছে। পাগলীৰ দৰে কেতিয়া কি ভাবে একো থিৰ কৰিব নোৱাৰে। মন অসুস্থ—দেহ শিথিল।

ইয়াতেই আৰম্ভ হ'ল ভুল বুজাবুজি। ভুল সৃষ্টি হয় মানুহৰ নিজৰ মনত— বাহ্যিক ঘটনাবোৰ মাত্ৰ তাৰ আলম্বন—উদ্দীপন—বিভাব।

তেজপুৰত শৰতৰ মাহীয়েকৰ ঘৰ। মহাকে ইণ্ডিওৰেণ্চৰ কাম কৰে—এজেণ্ট। তেওঁৰ ল'ৰা চাৰিজন, ছোৱালী দুজনী। ডাঙৰ ছোৱালীজনী বৰ্তমান ৩য় বাৰ্ষিক বি. এ. পঢ়ে। দেখাত দেখনিয়াৰ। যৌৱনৰ লোভনীয় চেহেৰা আৰু কলেজীয়া চাল-চলনে অনিতাক আৰু ৰূপহী কৰি তুলিছে। কলেজৰ বাহিৰা কামবোৰত অনিতা আগবঢ়া বিধৰ ছোৱালী। বেছ স্মাৰ্ট—আপ্ টু ডেট।

পূজাৰ বন্ধত অনিতাই গুৱাহাটীলৈ ওলাল শৰৎ ককাইদেৱেকৰ লগত। দুয়ো মটৰেৰে আহি উত্তৰ গুৱাহাটীৰপৰা ফেৰিত পাৰ হৈ ফাচিবজাৰৰ ঘাট পালে। দুয়ো নামিল। শৰতৰ হাতত চুটকেচটো আৰু অনিতাৰ হাতত লেডীচ ছাতিটো। দুয়ো সদৰ ৰাস্তা উঠি খোজকাঢ়ি যাবলৈ স্থিৰ কৰিলে কাৰণ গুৱাহাটীৰ কিবাকিবি

ঠাই চাই থাকলে অনিতাই ইচ্ছা কৰিছিল। অনিতাৰ গুৱাহাটী ভ্ৰমণ এইবাৰকে লৈতে তিনিবাৰ যদিও তথাপি বহু অনুষ্ঠান অনিতাই নিচিনে, নাজানে। দুয়ো খোজ লৈছে। শৰতে নতুনকৈ বন্ধা কাছাৰিঘৰ, হাইকোর্ট আদি দূৰৈৰপৰা আঙুলিয়াই দেখুৱাই দিছে। অনিতাই চাই গৈছে। হেনসময়ত সন্মুখফালৰপৰা আহে সবিতা মটৰেৰে। দূৰৈৰ পৰাই শৰতক দেখি তাই চিনিব পাৰিছে। ওচৰ পোৱা মাত্ৰে মটৰ ৰখাই মটৰৰ ভিতৰৰপৰা মূৰটো উলিয়াই শৰতক মাত দিলে —"কিহে পিতৃভক্ত ৰামচন্দ্ৰ! বনবাস কিমান বছৰ?

হঠাতে সবিতাক এনেভাৱে লগ পাব বুলি শৰতে কল্পনাও কৰা নাছিল। এনে শ্লেষপূৰ্ণ প্ৰশ্ন শুনি প্ৰথমে তেওঁ থমকি ৰ'ল। এবাৰ মটৰৰফালে চাই সবিতাক দেখি আচৰিত হোৱা যেন দেখুৱাই ক'লে—"অ তুমি সবিতা! ক'লৈ গৈছিলা? আজি পায়ে তোমাক লগ পাই বৰ ভাল লাগিল।"

"ভাল যে লাগিছেময়ো তাক বুজিছোঁ; অৱশ্যে মোক লগপাই নে কাৰবাক লগ ল'ই কব নোৱাৰো। পিচে ক'ৰপৰা?"

"তেজপুৰৰ পৰা।"

সবিতাই এবাৰ অনিতাৰফালে বক্ৰদৃষ্টিৰে চাই ললে; দেখিলে অনিতাই নিজ শৰীৰটো কিছু মূল্যবান কৰি তৈয়াৰ কৰি লৈছে। গাৰ গঠন আৰু বৰণ অৱশ্যে ঈশ্বৰ প্ৰদত্ত কিন্তু সাজ-সজ্জা আৰু পণ্য সৌন্দৰ্যৰে দেহটো অধিক আকৰ্ষণীয় কৰি তুলিছে। অনিতাৰ ৰূপ দেখি আৰু শৰতৰ লগত একেলগে অহা দেখি সবিতাৰ তৎক্ষণাৎ ভাব হ'ল যে এইজনীয়ে সেই উকিল দুহিতা। কথাষাৰ চিন্তা কৰাৰ লগে লগেই যেন তাইৰ মূৰ গৰম হৈ উঠিল। ঈৰ্ষাত যেন সৰ্বাঙ্গ কণ্টকিত হৈ উঠিল। তাই সহ্য কৰিব নোৱাৰি খঙৰ বেগতে শৰতৰ ফালে চাই পুনৰ শ্লেষপূৰ্ণ উক্তিৰে ক'লে—"নমস্কাৰ চাৰ, মই এতিয়া যাওঁ। ড্ৰাইভাৰ!"

ড্ৰাইভাৰ বুলি মাত দিয়াৰ লগে লগেই ড্ৰাইভাৰজনে মটৰ ষ্টাৰ্ট দিলে। শৰতে কিবা কওঁ বুলিছিল, কিন্তু ক'ব নোৱাৰিলে; মটৰ গুচি গ'ল। মটৰ যোৱা ফালে অনিতাই অনিমেষ নয়নে চাই ৰ'ল। শৰতে লাহেকৈ ক'লে—

"বলা অনিতা, বিস্নাত যাওঁ বলা।"

"বাৰু বলক।"

শৰতে এখন ৰিক্সা মাতে। দুয়ো ৰিক্সাত উঠে।

"এওঁ কোন ককাইদেউ ?"

"গুৱাহাটীৰ গিৰীশ দাস ইঞ্জিনীয়াৰৰ ছোৱালী।"

"আপোনাৰ কি হয় ?"

"একো নহয় ! এনেয়ে চিনা-পৰিচিতা।"

"ইমানকৈ যে ঠাট্টা কৰিলে।"

"তেওঁৰ কথাই তেনে।"

"কথা-বতৰাৰ ভঙ্গীত অহঙ্কাৰী যেন অনুমান হ'ল।"

"তেওঁৰ কথাবোৰ অৱশ্যে তেনেই।"

"অভদ্ৰ বুলি মোৰ অনুমান হ'ল। ৰাস্তাই-ঘাটে মানুহক ঠাট্টা কৰে···। তাৰ উপৰি চিনা-অচিনা মানুহ একো নাচায়···।" তাই আৰু কব নাপালে ; ৰিক্সা থামি পৰিল। দুয়ো নামিল। তাই নক'লে যদিও পেটে-পেটে বৰ বেয়া পালে।

দুয়ো ঘৰ পোৱাত শৰতৰ মাকে বৰ আদৰ কৰি অনিতাক আগবঢ়াই ভিতৰলৈ লৈ গ'ল। তাই অহা খবৰ আগতে পাইছিল শৰতৰ মাকে। গতিকে বাট চাই নখলামুখলৈ চাই আছিল। ঘৰৰ খবৰ-বাতৰি সুধিব ভিতৰলৈ নি। শৰতে তেতিয়া বাথৰুমত প্ৰৱেশ কৰিছে স্নান-ক্ৰিয়া সমাপন কৰিবলৈ।

॥ ষোল ॥

সবিতাৰ অন্তৰত জ্বলিল ঈৰ্ষাৰ অনল। তাই জ্বলি-পুৰি মৰিব ধৰিলে। প্ৰেমিকাই কঠোৰ আঘাত সহ্য কৰিব পাৰে, লাঞ্ছিতা অপমানিতা হৈয়ো নীৰৱে সহিব পাৰে—কেৱল নোৱাৰে তাইৰ প্ৰেমিকে অইনৰ লগত মিলা দেখিবলৈ। ইয়াতে জাগে ঈৰ্ষা, তাতে আছে অসহ্য বেদনা। তাই ভাবিলে যে শৰতৰ পিতাকে ছোৱালী ঠিক কৰা নাই বৰং স্বয়ং শৰতেই ছোৱালী ঠিক কৰিছে। তেজপুৰলৈ গৈয়ে বোধ হয় এই অপেস্বৰীৰ লগত দেখা হয় আৰু তাই ভেৰাৰাম শৰতক ভেঁৰা বনাই প্ৰেমত পেলাই এই কাণ্ডখন ঘটালে। শৰতে প্ৰেমত পৰিছে আৰু পিতাকলৈ গোপনে চিঠি লিখিছে ; সেয়েহে পিতাকে ইমান সোনকালে বিয়াৰ বন্দোবস্ত কৰিছে। টকাৰ কথা মিছা। এম. এল. এ.ৰ ছোৱালী বিয়া নকৰাই যে মধু উকিলৰ ছোৱালী বিয়া কৰাব ওলাইছে ইয়াৰ গুৰিত এয়েহে ! ইমান ছলনা ! ইমান প্ৰতাৰণা !! এয়ে

পুৰুষৰ মন ? তাৰ ঘৃণা ওপজে গোটেই পুৰুষ জাতিটোৰ ওপৰতে। তাই খণ্ডতে ঠিক কৰে—“কণ্টকে নৈৰ কণ্টকম্।” হুলেৰেহে তাই হুল কাঢ়িব—প্ৰতিশোধ লব। নিৰ্মম ভাৱে সবিতাই শৰতৰ ওপৰত প্ৰতিশোধ লব। শৰতৰ ওপৰত প্ৰতিশোধ লবৰ বাবে তায়ো কূট ছলনা, প্ৰতাৰণাৰ আশ্ৰয় লব। তাই আৰু ধৰ্ম নামানে, ন্যায় নামানে। সবিতাৰ অন্তৰৰ প্ৰতিহিংসাৰ পশুটো যেন কৰ্মৰাই জাগি উঠে।

আনদিনাৰ দৰে পিচদিনা পুৱাও প্ৰবীণ আহিছে সবিতাহঁতৰ ঘৰলৈ। সবিতাক জয় কৰিবলৈ চলিছে তাৰ অক্লান্ত সাধনা—সবিতাৰ ৰূপে তাক কৰি তুলিছে অধীৰ, উন্মনা। ড্ৰইং ৰুমত উপস্থিত হৈয়ে সবিতাৰ উপস্থিতি লক্ষ্য কৰিলে। আজি সবিতায়ো বাঞ্ছা কৰিছিল প্ৰবীণৰ উপস্থিতি। তেওঁ অহা দেখি হাঁহি মুখেৰে ওলাই আহিল তাইৰ ৰুমৰপৰা। প্ৰবীণে হাঁহি মাৰি নমস্কাৰ কৰিলে। সবিতাই প্ৰতি নমস্কাৰ কৰি সম্মুখৰ চেয়াৰখনত প্ৰবীণক বহিবলৈ নিৰ্দেশ দি নিজেও আনখনত বহি পৰিল।

“মিষ্টাৰ কলিতা, আজি আবেলি অলপ সোনকালে আহিব। আমি আজি চিনেমালৈ যাম।”

হঠাতে এনে অপ্ৰত্যাশিত আমন্ত্ৰণৰ কথা শুনি প্ৰবীণ স্তম্ভিত হৈ গ'ল। আজি ইমান দিনে যি সবিতাই প্ৰবীণৰ লগত একেলগে এটা খোজ দিয়া নাই, সেই সবিতাই আজি যাব চিনেমা চাবলৈ ? প্ৰবীণৰ মনত সপোন যেন বোধ হ'ল। সি নীৰৱ ভাৱে তাইৰ মুখলৈ চাই ৰ'ল। তাই তাৰ মনৰ ভাৱ বুজিব পাৰি হাঁহি মাৰি ক'লে—“বিশ্বাস কৰিবলৈ টান পাইছে নেকি ?”

“নাই। কিয় টান পাম ?” সি যে আচৰিত হোৱা নাই আৰু অবিশ্বাস কৰা নাই বৰং স্বাভাৱিক বুলিহে ধৰি লোৱা হৈছে ইয়াকে প্ৰমাণ কৰিবৰ বাবে কোনো খোকোজা নলগাকৈয়ে উত্তৰ দিয়ে। তথাপি তাৰ চকুৰ সন্দেহাকুল আৰু বিস্ময়াতুৰ দৃষ্টি লক্ষ্য কৰি তাই কৈ উঠে—“তেন্তে কি ভাবিছে ?”

“একো ভবা নাই। কিন্তু...। নাই, ঠিক আছে।”

“কিন্তু কি ?”

“পিচে, লগত আৰু কোন কোন যাব ?”

“কিয় ? ভয় লাগে নেকি ? ডেকা মানুহকো জানো লগ লাগে ? মই আৰু

আপুনি—বহু—আৰু কাক লাগিছে ?”

“অৱশ্যে।”

“তেন্তে অলপ আগধৰি আহিব—দুয়ো অলপ ফুৰিম।”

“বাৰু।”

এনেভাৱে কথা হয়। তাৰ পাচত চাহ আনে; চাহ খায়। খাই-বৈ উঠি প্ৰবীণে বিদায় লয় মেছলৈ। যাওঁতে বাটে বাটে সি ভাবে কিয় ইমান দৰদ উপজিল আজি তাৰ প্ৰতি। হঠাতে এনে অনুৰাগী হৈ পৰিল কিয় ? কব নোৱাৰি এই ভগৱতী গোসানী কেতিয়া ৰুষ্ট আৰু কেতিয়া তুষ্ট হয়। চিন্তা কৰি গৈ থাকে প্ৰবীণ—অন্তৰত আনন্দৰ থোকি-বাথো।

আবেলি তিনিটামান বজাত সি আহি উপস্থিত হ'ল সবিতাহঁতৰ ঘৰত। গাত মূল্যবান সাজ-পাৰ; মুখত প্ৰসাধন ক্ৰিয়া; অন্তৰত আনন্দৰ বান। সবিতাই ইতিমধ্যে সাজি-কাচি ওলাই আছিল। চুট-পেণ্ট পিন্ধি সাক্ষাৎ চাহাবজন হৈ আহি সমুখত থিয় হোৱা মাত্ৰে সবিতাই হাঁহি মাৰি ক'লে—“গুড্‌ ইভিনিং মাই ডিয়াৰ ইণ্ডিয়ান চাহাব”। তাই ইংলিচ ফেচনৰ চালাম কৰি হাঁহি মাৰি ওচৰ চাপি আহে। প্ৰবীণ ঠাট্টা বুজি পাই হাঁহি মাৰি ওলোটা চালাম দিয়ে—“গুড্‌ ইভিনিং মাই ডিয়াৰ ইণ্ডিয়ান লেডী। পিচে কিমান দেৰি।”

“ৰেডি। প্লিজ কাম ইন্‌।” তাই তাক ভিতৰলৈ মাতি নিয়ে। সি গৈ ড্ৰইং ৰুমত বহে। সবিতাই সাজি কাচি ওলাই আছিল। ভিতৰত গৈ মাকৰ আগত থিয় হৈ ক'লে—মা, আমি চিনেমা চাবলৈ যাওঁ। ডাঙৰ দাদা আহিলে মই চিনেমালৈ যোৱা বুলি ক'বি।” মাকৰ আগত কথাষাৰ কৈ তাই ওলাই আহিল আৰু প্ৰবীণক ক'লে—“ইয়েচ্‌ মিষ্টাৰ কলিতা, উই অ'ত টু গো নাও।”

“ও ইয়েচ্‌। কাম অন।”

দুয়ো ৰাস্তালৈ ওলাই আহে। ওচৰতে থকা ৰিক্সাথন মাতি আনি উঠি বহে সবিতা। তাৰ পাচত প্ৰবীণক মাতি আনি কাষত বহুৱাই লৈ ৰিক্সাৱালাক যাবলৈ অনুমতি দিয়ে।

* * *

মাকৰ মুখত প্ৰবীণৰ লগত সবিতা চিনেমালৈ যোৱা শুনি পিতাকে পৰম খুচি হৈ প'ল। ইমান দিনে বি সবিতাই প্ৰবীণৰ লগত কথা হবলৈকেই ইচ্ছা কৰা

নাছিল বৰং ঘৃণা কৰিছিল, সেই সবিতাই আজি নিজে চিনেমালৈ লৈ গৈছে প্ৰবীণক। দাসৰ আন্তৰিক ইচ্ছা পূৰণ হবৰ পূৰ্বৰাগ দেখা গৈছে। এনে অভূতপূৰ্ব কাণ্ড দেখি গিৰীশ দাসৰ মনত নতুন আশাই ভুমুকি মাৰিলে।

প্ৰবীণ আৰু সবিতা। একেখন ৰিক্সা। গাতে গা লগাকৈ বহিছে দুয়ো। প্ৰবীণৰ গাৰ উত্তাপৰ তাৰতম্য দেখা গ'ল ; সবিতা অবিচলিত। প্ৰবীণৰ বক্ৰদৃষ্টি সবিতাৰ ৰং ঘহা ৰংচুৱা গাল দুখনিৰ ওপৰত। সবিতাৰ সতৰ্ক দৃষ্টি ৰাস্তাৰে খোজা মানুহৰ ওপৰত। দৃষ্টিৰ অন্তৰালত লুকাই আছে কোনো এজনক লগ পোৱাৰ প্ৰবল আকাংক্ষা। সেইজন কোন নক'লেও হব। তাই ভাবিছে যে, শৰতে নৱ প্ৰেমিকা ভাবী সঙ্গিনী উঁকিল দুহিতাক লগত লৈ যেনেতেনে চিনেমা যাত্ৰা কৰিব। তাকে ভাবি শৰতক লগ পোৱাৰ উদ্দেশ্যে এই অপূৰ্ব অভিযান সবিতাৰ। তাইৰ ঈৰ্ষা জাগিছে। তেওঁ যদি তাইক এৰি আন এজনীক লগত লৈ ফুৰিব পাৰে তেন্তে তায়ো তেওঁক এৰি আন এজনক লগত লৈ ফুৰিব পাৰে। প্ৰবীণৰ দৰে এজন ইঞ্জিনীয়াৰক লগত লৈ গৈ তাই দেখুৱাব যে সবিতাৰ ৰূপো নিৰৰ্থক নহয়— তাইৰ সৌন্দৰ্যও উপেক্ষাৰ বস্তু নহয়। পুৰুষৰ মনত তাইৰ ৰূপ জপৰ আৰাধ্য নহ'লেও অৱহেলাৰ সামগ্ৰী নহয় ; বৰং তেওঁৰ দৰে অনেক পুৰুষৰে এই সৌন্দৰ্য চিৰ কামনাৰ ধন। তাকেই তাই প্ৰমাণ কৰিব বিচাৰে। প্ৰবীণ হ'ল তাইৰ কাৰ্য-সিদ্ধিৰ আহিলা মাথোন। কিন্তু বৰ পৰিহাসৰ কথা যে, বেচেৰাই নাজানে এই খেলুৱৈ ছোৱালীজনীৰ যে সি এটা খেলাৰ গুটি মাত্ৰ। অদ্ভুত খেলুৱৈ এই সবিতা দাস। পুৰুষৰ মন লৈ তাই আৰম্ভ কৰিলে এই প্ৰতাৰণাৰ খেলা। সৌন্দৰ্যৰ মায়াজালেৰে আৱদ্ধ কৰি দংশন কৰিব জগতৰ সমস্ত পুৰুষ জাতিক। তাইৰ আৰু দয়া নাই, মায়া নাই, কোনো অনুকম্পা নাই পুৰুষ গোষ্ঠীৰ ওপৰত। পুৰুষক নচুৱাই ৰং চাবৰ বাবেই তাই আৰম্ভ কৰিলে ছলনাৰ খেলা। নাৰীৰ হাতত আজি পুৰুষ হ'ল খেলাৰ সামগ্ৰী।

দুয়ো গৈ 'কেলভিন' চিনেমা হল পালে। ৰিক্সাখনক বিদায় দি ভিতৰলৈ সোমাই গৈ প্ৰবীণে টিকট আনিব খোজাত সবিতাই বাধা দি ক'লে—"ৰব, টিকট নকৰিব। মই ভিতৰৰপৰা আহোঁ। জয়ন্তীহঁত অহা কথা আছিল, যদি অহা নাই ; তেন্তে ইয়াত নাচাওঁ।" তাই ভিতৰ সোমাই গ'ল। হলৰ ভিতৰৰ মানুহবোৰক লক্ষ্য কৰিলে। উদ্দেশ্য হৈছে শৰতৰ অন্বেষণ। এজন দুজনকৈ

লক্ষ্য কৰি ক'তো শৰতক নাপাই সবিতা বিফল মনোৰথ হৈ ফিৰি আহিল। বাহিৰলৈ আহি দেখে প্ৰবীণে তাইকে বাট চাই টিকট নকাৰি অপেক্ষা কৰি আছে। তাই অহা মাত্ৰে ক'লে—"টিকট আনো ?"

"নালাগে। তাইহ'ত ইয়াত নাই। বোধহয় 'ৰূপশ্ৰীত' সোমাল। বলক তালৈকে।" নাৰীৰ আজ্ঞাবাহী পুৰুষ। তৎক্ষণাৎ ৰিক্সা আহ্বান কৰি আনি উঠি বহিল। সবিতাই লাহেকৈ প্ৰবীণৰ কাষতে বহি ৰিক্সাৱালাক ক'লে—"জলদি চলো ৰূপশ্ৰী মে।" ৰিক্সা জোৰেৰে চলিল। টিকট বন্ধ হবৰ আৰু বেচি পলম নাই। ৰূপশ্ৰী চিনেমা হল পায়েই দুয়ো তৎক্ষণাৎ নামি পৰিল। সবিতাই 'অলপ ৰব' বুলি কৈয়ে পোনে পোনে হলৰ দুৱাৰ মুখলৈ গৈ হলৰ ভিতৰখন তন্ন তন্নকৈ পৰ্যবেক্ষণ কৰি গ'ল। আধা আন্ধাৰ আধা ছাঁত হঠাৎ এবাৰ অনিতাৰ মুখখন দেখা পালে 'স্পেচিয়েল ক্লাচত'। দেখা পায়েই তাই তৰিৎ বেগে বাহিৰ হৈ আহি প্ৰবীণক দুখন প্ৰথম শ্ৰেণীৰ নিকট আনিবলৈ হুকুম দিয়ে। তাই অনুমান কৰিলে যে, সেই প্ৰেমিকা আছে যেতিয়া প্ৰেমিক থকাটো নিতান্ত সম্ভৱ। এই অনুমানৰ ওপৰত নিৰ্ভৰ কৰিয়ে তাই দুখন টিকট খৰধৰ কৰি আনিবলৈ আদেশ দিয়ে। আদেশ অনুযায়ী কাম। নিমিষতে দুখন প্ৰথম শ্ৰেণীৰ টিকট লৈ হাজিৰ হ'ল প্ৰবীণ সবিতাৰ সম্মুখত বিজয় গৌৰৱত। এটা ধন্যবাদ দি সবিতাই টিকট দুখন লৈ ভিতৰলৈ সোমাই গ'ল। পিচে পিচে সোমাল প্ৰবীণ। দুয়ো গৈ নিৰ্ধাৰিত আসনত উপবেশন কৰিলে।

চিনেমা আৰম্ভ হোৱাৰ আগ মুহূৰ্তত বিজলী বাতিৰ উজ্জ্বল আলোকত সবিতাৰ চকুত পৰিল সেই ৰূপহীৰ কাষতে নীৰৱ ধ্যানী বুদ্ধৰ দৰে বহি আছে তাইৰ আজি ওৰে দিনৰ চিকাৰ শৰৎচন্দ্ৰ। তাইৰ গাত যেন বিদ্যুৎ প্ৰবাহিত হৈ গ'ল! বেচেৰা প্ৰবীণে ইবিলাকৰ একো গম ধৰিব নোৱাৰিলে; কেৱল যন্ত্ৰ চালিতৰ দৰে সবিতাক অনুসৰণ কৰি গ'ল। সবিতাই বুজিলে—ইঞ্জিনীয়াৰে ইঞ্জিনহে চলাব পাৰে—মানুহৰ মন চলাব নোৱাৰে। তেওঁলোকে খবৰ জানে মেচিনৰ, মানুহৰ মনৰ খবৰ তেওঁলোকে নাৰাখে। বিজুলীৰ আলোকত শৰৎ অনিতাক ভালদৰে চাই লৈ সবিতাই এনেভাৱে প্ৰবীণৰ কাষত বহিল যাতে শৰতে খুব স্পষ্ট ভাবেই তাইক দেখিবলৈ পায়। শৰতক দেখাকৈ তাই প্ৰবীণৰ গাত লগাকৈ বহিল। পিচফালে ওপৰত বহি থকা শৰতে বেছ লক্ষ্য কৰিলে। সবিতা

আৰু তাইৰ সঙ্গীজনক দেখি শৰতৰ ধমনিৰ তেজৰ সোঁত খৰতৰ গতিত চলা যেন অনুভৱ কৰিলে। শ্বাস-প্ৰশ্বাস ঘন হ'ল। ইকি অদ্ভুত পৰিবৰ্তন! সবিতাই একেলগে চিনেমা চাবলৈ আহিছে ইঞ্জিনায়াৰ কলিতাৰ লগত? ঠিক নে সাপোন? পবনৰ বুকুত তেতিয়া লুইতৰ ধল।

চিনেমা আৰম্ভ হ'ল; বিজুলী বাতি বন্ধ কৰি দিলে হলৰ ভিতৰত। আন্ধাৰে আবৰি ধৰিলে সমস্ত ঘৰ; মাথোন ৰূপালী পৰ্দাত জিলিকি উঠিল চিত্ৰজগতৰ চিত্ৰতাৰকাৰ দল। নৃত্য-গীতৰ চলিল মধু মূৰ্ছনা। আন্ধাৰৰ মাজত লুকাই পৰিল দৰ্শকবৃন্দ; পোহৰৰ বুকুত প্ৰতিভাত হ'ল আলোকচিত্ৰ।

চিত্ৰ আৰম্ভ হল; কিন্তু শৰতৰ মন হ'ল সবিতাৰ চিন্তাত নিমগ্ন। চকু থাকিল পৰ্দাত কিন্তু মন থাকিল সবিতাৰ চিন্তাত। গতিকে তেওঁ চিনেমা চালেহে, নেদেখিলে। মনেহে প্ৰকৃততে দেখে। যাৰ চকু থাকে পৰ্দাত আৰু মন থাকে কাৰবাৰ চিন্তাত তেওঁ বাৰু কি দেখিব? চিনেমা চলি গ'ল। এটাৰ পিচত এটা কৰি দৃশ্য অতিক্ৰম হৈ গল—"ৰিল" শেষ হব ধৰিলে। শেষত জিৰণিৰ সময় হ'ল। বিজুলী বাতিবোৰ আকৌ জ্বলি উঠিল। ঘৰময় আলোকিত হৈ উঠিল। ঠিক সেই মুহূৰ্তে সবিতাই তাইৰ সোঁহাতখন এবাৰ প্ৰবীণৰ কান্ধত থৈ তৎক্ষণাৎ আঁতৰাই আনি শৰীৰত এটা লয়লাস ভঙ্গীমা তুলি প্ৰবীণৰ কাণৰ কাষলৈ গালখন নি হাঁহি মাৰি পুনৰ মুখখন আঁতৰাই আনিলে। প্ৰবীণৰ শৰীৰত এটা অস্বাভাৱিক শিহৰণ আহিল। তাইৰ মুখলৈ চাই হাঁহি মাৰি দিলে। পিচফালে বিশেষ শ্ৰেণীত বহি থকা শৰতৰ চকুত পৰিল এই দৃশ্য। জিৰণিৰ লগে লগে ইকি দেখিলে তেওঁ? সবিতাই প্ৰবীণৰ কান্ধত হাত থৈ···। হাঁহিছে দুয়ো? উহু! ইমান সময়ে আন্ধাৰ আছিল ভালেই আছিল; পোহৰ হোৱাত দেখিলে কি? তেওঁৰ কল্পনাৰ সিপাৰৰ কান্ড। শৰতৰ মনত বলিল বৰদৈচিলা। জিৰণিৰ লগে লগে এইপাট অস্ত্ৰ মৰাৰ অৰ্থ আছিল সবিতাৰ একবাণে দুই পক্ষী বধ। এফালে কৰিলে প্ৰবীণক আকুল আৰু অন্যফালে কৰিলে শৰতক উন্মাদ। প্ৰবীণৰ অন্তৰত উঠিল পুলকৰ চঞ্চল তৰঙ্গ, শৰতৰ হৃদয়ত উঠিল ঈৰ্ষাৰ প্ৰচণ্ড তুফান। সবিতাৰ এটিমাত্ৰ চালাকিত দুই পুৰুষৰ অন্তৰত সৃষ্টি হ'ল দুটা বিভিন্ন ধাৰা, বিভিন্ন উৎস। এজনে বিচাৰিলে জীৱনত চপাই লবলৈ, আনজনে বিচাৰিলে ঠেলি দিবলৈ। এজনে পালে আনন্দ, আনজনে পালে জনালা। এটি নাৰী, দুটি পুৰুষ, এটি চাকি,

দুটি চপা। কি ৰহস্য! কি যে সাধৰ!! এবাৰ পিচমুখে দি শৰতৰ ফালে চায় সবিতাই। দেখিলে, শৰতে ক্ৰোধোন্মত্ত সিংহৰ দৰে তাইৰ ফালে চাই আছে একেধ্যানে। দুবৈৰ পৰাই তেওঁৰ চকুৰ তীব্ৰতা লক্ষ্য কৰিছে সবিতাই। মনে মনে তাই বেছ খুচি হৈ গ'ল। বেছ প্ৰতিশোধ। ঈৰ্ষাৰ জ্বালা অসহনীয়—ই অন্তৰ দগ্ধ কৰে। তাই বুজে। সেইবাবে আকৌ জ্বালাতন কৰাৰ উদ্দেশ্যে তাই তেওঁক দেখাকৈ প্ৰবীণৰ গাতে ঢলি পৰিব খোজে। তাৰ হাতখন আনি আঙুলিকেইটা লিৰিকি-বিদাৰি থাকে। প্ৰবীণে অনুভৱ কৰে প্ৰেমৰ পৰশ, শৰতে অনুভৱ কৰে সৰ্পৰ দংশন। প্ৰবীণৰ প্ৰাণত বয় প্ৰণয় সলিল, শৰতৰ বুকুত জ্বলে ঈৰ্ষাৰ অনল।

কিন্তু সবিতাৰ ?

তাই নিস্পৃহ দৰ্শক হৈ চাই থাকে দুই পুৰুষৰ মনৰ সংগ্ৰাম। আশ্চৰ্য খেলুৱৈ সবিতা। মানুহৰ মন লৈ বেছ খেলা খেলিছে তাই।

প্ৰবীণে জীৱনত এনে আবেগ এনে পুলক কোনো দিনে অনুভৱ কৰা নাছিল। জীৱনত এয়ে প্ৰথম নাৰীৰ কোমল-কৰস্পৰ্শ। আঃ! কিযে শিহৰণ, কিযে অনুভূতি! পৰ্দাত আকৌ চিত্ৰ দেখা দিলে লগে লগে ঘৰময় হৈ পৰিল ঘন আন্ধাৰ। জিৰণিৰ পিচত পুনৰ ছবি। কিন্তু পৰ্দাত কি ওলাইছে কি হৈছে, তালৈ লক্ষ্য নাই প্ৰবীণৰ—লক্ষ্য কেৱল সবিতাৰ প্ৰতি। আজিয়ে সি নিশ্চয়কৈ বুজিলে যে, তাৰ জীৱনলৈ নামি আহিল চিৰ বসন্ত চিৰ আনন্দ। আনন্দত আত্মহাৰা হৈ সি আন্ধাৰৰ আঁৰে আঁৰে সবিতাৰ গাতে গা লগাই বহি বাওহাত-খনেৰে সবিতাৰ বেণীডালত ধৰি লাহে লাহে পিহি, মুচুৰি টানি হিয়াৰ আবেগৰ ইঙ্গিত জনালে; সবিতাই বুজিলে যে বেচেৰা বেয়াকৈ মজিল। তাইৰ পেটে পেটে হাঁহি উঠিল পুৰুষৰ দুৰ্বলতা দেখি। পুৰুষ লো'ৰ দৰে টান কিন্তু পানীৰ দৰে তৰলো। তাই মনে মনে হাঁহে। ইফালে প্ৰবীণৰ অন্তৰত বহিল প্ৰণয়ৰ বা'-মাৰলী।

আনফালে চিৰদিন নিস্কলঙ্ক চৰিত্ৰবান শৰতৰ ধমনিত তেজৰ সোঁত ক্ষিপ্ৰ গতিৰে প্ৰবাহিত হৈছে। এনে আঘাত তেওঁ জীৱনত কোনোদিনে পোৱা নাই, আৰু কোনোদিনে আশাও কৰা নাছিল। ঈৰ্ষাত মন জ্বলি গ'ল শৰতৰ। ই কি কাণ্ড সবিতাৰ? তাই তেন্তে শৰতক ভুলি গ'ল? কিয়—কিয় তেন্তে ইমান আবেগেৰে অত-

দিনে তেওঁক সম্ভাষণ জনাইছিল ? ই জানো প্ৰতাৰণা ? নাৰী ছলনাময়ী। প্ৰতাৰণাৰে পূৰ্ণ নাৰীৰ হৃদয়। ইমান দিন যাক মন-প্ৰাণ দি ভালপাই আহিছিল সিজনাই কৰিলে ছলনা ? প্ৰতাৰণা ? অভিনয় ? শৰতৰ অন্তৰ দ্বিধা, বিদ্বেষ, ঈৰ্ষাত জৰ্জৰিত হৈ যায়। প্ৰবীণৰ ফালে ভালকৈ লক্ষ্য কৰি নিজে নিজে যেন কৈ উঠে কোন এওঁ ? প্ৰবীণ কলিতা, ইঞ্জিনীয়াৰ ? তাৰ হাততে মন প্ৰাণ সঁপি দিছে দ্বিচাৰিণী সবিতাই ? তাইৰ প্ৰেমৰ মূল্য নাই—বজৰুৱা প্ৰেম। ই মাত্ৰ কামনাৰে পূৰ্ণ। তাইৰ প্ৰেম বাৰবনিতাৰ প্ৰেম। তেওঁ আৰু ভাবিব নোৱাৰে ; শৰীৰ যেন জ্বলি যায় ; মন যেন পগলা হয়। একেবাৰে তাইৰ কাণ্ডকাৰখানা চায়। মনটো চট্‌ফট্ কৰি উঠে। খঙৰ বেগ ক্ৰমে চৰে। কি ছবি, কি ঘটনা, কোন আহিছে, কোন গৈছে ইত্যাদি সমস্ত কথাছবিয়ে যেন তাইৰ বুকুতে জাহ যাব ধৰিছে। তেওঁৰ দৃষ্টি ৰূপালী পৰ্দাত নহয়—সবিতাৰ ওপৰতহে। তেন্তে কি তেওঁ আজি চিনেমাত তাইকে চাব আহিছে নেকি ? এজনী বেশ্যাৰ নিলাজ চিত্ৰ চাই তেওঁৰ আৰু দৃষ্টিশক্তিক কলুষিত কৰিবৰ ইচ্ছা নাই ; বৰং ইচ্ছা হয় যেন তেওঁ সেই মুহূৰ্ততে উঠি গৈ তাইৰ গালত দুটা চৰ মাৰি কৈ দিব যে বজৰুৱা বেশ্যাৰ স্থান চিনেমাহলত নহয়। চহৰৰ কোনোবা কৰ্দমাক্ত গলিত স্থানতহে তাইৰ উপযুক্ত বাসস্থান। ভদ্ৰতাৰ এটা সীমা আছে। ভদ্ৰ ঘৰৰ ললনা হৈ শিক্ষিতা বিদুষী ছোৱালী হৈ তাই আজি কৰিছে একেবাৰে হীন নীচ অসভ্য কাণ্ড। শৰতৰ আৰু সহ্য নহয়। অনিতা লগত নোহোৱা হলে এতিয়াই বাহিৰ ওলাই গৈ বাহিৰত অপেক্ষা কৰি থাকি চিনেমাৰ শেষত বাহিৰ ওলোৱা মাত্ৰে তাইৰ গালত ঠাচ্-ঠাচ্ কৈ দুটা চৰ সোধাই দি কলেহেঁতেন—"দ্বিচাৰিণী বাজহুৱা প্ৰেমিকাৰ পুৰস্কাৰ এনেকুৱাই।" শৰতৰ উজ্জ্বল চকুদুটা তাৰকাৰ দৰে তিৰবিৰাই উঠে ; সমস্ত শৰীৰ উত্তপ্ত হৈ উঠে। উহ কি কৰিব তেওঁ··· ! ই যে তেওঁৰ আদালতৰ বাহিৰ। নিৰুপায় বেচেৰা হতভাগ্য শৰৎ !

আনফালে সবিতা। হেছ আনন্দ মিলিছে আজি তাইৰ। চিকাৰীৰ আনন্দ। বাণবিদ্ধ বিহঙ্গৰ করুণ আৰ্তনাদে যেন নিষ্ঠুৰ চিকাৰীৰ অন্তৰত তুলি দিছে আনন্দ-হিল্লোল—কৃতকাৰ্যতাৰ উদ্দাম স্ফূৰ্তি। তাত নাই "মা নিষাদ প্ৰতিষ্ঠা ত্বমগমঃ শ্বাশ্বতী সমাঃ"ৰ বাল্মিকীৰ অন্তৰ উজাৰি অহা করুণ কবিতা, আছে মাথোঁ এক হিংস্ৰ আনন্দ, নিষ্ঠুৰ আস্ফালন। পৰিতৃপ্তিৰ বিমল সন্তুষ্টি হৃদয়ত লৈ খেলিব

ধৰিছে এক ছলনাৰ খেলা ফুৰি শতিকাৰ আধ্বনিকা সবিতা সুন্দৰীয়ে। হে শতিকা ! হে সবিতা !!

প্ৰবল ইচ্ছা হৈছিল শৰতৰ বাহিৰ ওলাই আহিবলৈ ; কিন্তু নোৱাৰিলে। কাষত বহি আছে বেচেৰী নিৰীহ অনিতা ; বৰ কৌতুক জন্মিছিল সবিতাৰ বাহিৰ ওলাই আহি শৰতৰ মনৰ ক্ৰিয়া কেনে হয় চাবলৈ ; কিন্তু নোৱাৰিলে। কাষত বহি আছে নিমাষিত প্ৰবীণ কলিতা।

চিনেমা শেষ হ'ল। সকলো বাহিৰ হ'ল। আগে আগে ওলাই আহিল প্ৰবীণ, সবিতা ; পিচে পিচে বাহিৰ হ'ল শৰৎ, অনিতা। বিজ্বলীৰ উজ্জ্বল আলোকত উদ্ভাসিত চতুৰ্দিশ। সকলোৰে মুখ হৈ উঠিল আলোকমণ্ডিত। সেই পোহৰৰ অনুগ্ৰহতে দেখা গ'ল প্ৰবীণৰ হাস্যময় মুখমণ্ডল। প্ৰবীণৰ মুখত ফুটিছে তৃপ্তিৰ আনন্দ ; সবিতাৰ মুখত ফুটিছে বিদ্ৰূপৰ হাঁহি। কিন্তু শৰতৰ মুখত ? শৰতৰ মুখত পৰিস্ফুট হৈছে ঘৃণাৰ কাজল।

বাহিৰ ওলাল সকলোটিয়ে। চাৰিওৰে দেখা দেখি হ'ল। সবিতাক দেখা মাত্ৰেই অনিতাৰ মনত এটা ঘৃণাৰ ভাব খেলি গ'ল। যোৱা কালিৰ সেই ঘটনাৰপৰা সবিতাৰ ওপৰত তাইৰ ভাল ধাৰণা নাই। ইমান সময়ে অনিতাই সবিতাক লক্ষ্যাই কৰা নাছিল। এতিয়া হঠাতে এনেভাৱে ওচৰতে দেখি আৰু একেলগে চিনেমা চোৱা বুলি বুজিব পাৰি মনত এটা বিদ্ৰূপৰ ভাব উদয় হ'ল। তাচ্ছিল্যৰ হাঁহি এটা মাৰি কেৰাহিকৈ এবাৰ সবিতাৰ ফালে চাই তাই দৰায়েকৰ আৱাল হ'ল। তাকে দেখি সবিতাই এটা ক্ৰূৰ হাঁহি মাৰি শৰতৰ ওচৰলৈ আহি সুধিলে—

"হানিমুন এনজয় নেকি ?"

কথাষাৰ কবহে পালে সবিতাই, শৰতে খণ্ডত বাহ ভঙা কদো যেন হৈ উঠিল। তেওঁৰ সৰ্বাঙ্গ জ্বলি গ'ল। চকু থিয় কৰি ধমক দি উঠিল—

"চাট্ আপ্।"

সবিতা থমকি উঠিল ; প্ৰবীণে চক্‌খাই গ'ল। শৰতে খঙৰ বেগতে টানকৈ মাত দিলে এজন ৰিক্সাৱালাক—"এ ৰিক্সা।"

ওচৰতে থকা ৰিক্সাখন লৈ ৰিক্সাৱালা আহি উপস্থিত হ'ল নিমিষতে। শৰৎ বহি পৰিল ৰিক্সাত ততালিকে আৰু সোঁহাতখনেৰে অনিতাৰ বাহুত ধৰি টান মাৰি তাইক ৰিক্সাত তুলি লৈ কৈ উঠিল—"চলো জলদি।" মুহূৰ্তত ৰিক্সা গৈ বহুদূৰ

পালে। প্ৰবীণ আৰু সবিতাই ইমান সময়ে হতবাক হৈ চাই আছিল। শৰৎ বোৱাৰ লগে লগে হঠাতে যেন সাৰ পাই উঠিল সবিতা। তায়ো তৎক্ষণাত এখন ৰিক্সা মাতি আনি ঘপহকৈ বহি পৰিল আৰু বাওঁহাতখনেৰে প্ৰবীণৰ বাহুত ধৰি টানমাৰি তুলি লৈ খণ্ডৰ বেগতে কৈ উঠিল—

"মাৰ জোৰছে।" ৰিক্সা চলিল বায়ুবেগে, যেন টেক্সীহে। বৰ জোৰেৰে গৈ তাই শৰতৰ পিচ ললে। অলপ দূৰত তাইৰ কাণত পৰিল নাৰীকণ্ঠ—

"কি অসভ্য ছোৱালী। নষ্ট চৰিত্ৰ। লজ্জ কেৰেক্টাৰ।"

"কাণ্ডজ্ঞানহীন ; দুঃসাহসী। ডেচ্‌পাৰেট।"

"ইমান খং উঠিছিল···। চেণ্ডেলেৰে কোবাবৰ মন গৈছিল।"

"বজৰুৱা ছোৱালীৰ লগত কাজিয়া কৰি লাভ নাই।"

এই কণ্ঠস্বৰ শুনাৰ পিচত আৰু শুনিব নাপালে। ৰিক্সা জোৰেৰে চলি গ'ল ! শৰতৰ কণ্ঠত 'বজৰুৱা ছোৱালী' আখ্যা শুনি সবিতাৰ সৰ্বাঙ্গ জ্বলি গ'ল। ক্ৰুদ্ধা ফণিনীৰ দৰে তাই চটফটাই থাকিল। উহু, তাই একো কবলৈ নাপালে···। প্ৰবীণৰো যেন চমক ভাগিছে। শৰতৰ ওপৰত তাৰো খং উঠিল—"কি অভদ্ৰ ! নাৰীৰ সম্মান নুবুজে। ই. এ. চি. নে ষ্টুপিড ? আৰু দুআষাৰ শুনাই দিবৰ মন আছিল ! কিন্তু নোৱাৰিলে।

প্ৰেমিকাৰ অপমান কোনো প্ৰেমিকে সহ্য নকৰে। প্ৰতিশোধৰ চূড়ান্ত স্পৃহা যেন তাৰ অন্তৰত জাগি উঠিল।

ঘৰ পালে। ৰিক্সাৱালাক বিদায় দিলে। প্ৰবীণকো বিদায় দিয়ে সবিতাই। কিন্তু হৃদয়ত জ্বলিব ধৰিলে ঈৰ্ষাৰ দাবানল ; প্ৰতিহিংসাৰ দুৰ্বাৰ অনল।

॥ সতৰ ॥

ৰাতি প্ৰবীণৰ টোপনি নাহিল। আনন্দ সাগৰত উত্তাল তৰঙ্গমালাৰ অশান্ত কল্লোল। কৰ্ণত পশিছে যেন কাৰোবাৰ মধুৰ গুঞ্জনধ্বনি। হিয়াৰ সুপ্ত তাঁৰত আজি গুপ্ত পৰশন। কি যে মধু! কি যে তৃপ্তি! হিয়া মন মছগুলে প্ৰণয়ৰ মধুৰ ৰসেৰে। কত ভাব, কত কল্পনা আহে সবিতাক কেন্দ্ৰ কৰি। সবিতা যেন আজি তাৰ মানত প্ৰেমৰ শলিতা!

ইফালে সবিতা। তাইৰো টোপনি নাই। আনন্দ—এক অভূতপূৰ্ব হিংসা-আনন্দই তাইৰ দেহ-মন যেন আচ্ছন্ন কৰি ৰাখিছে। ই কিহৰ আনন্দ? বিজয়ৰ নে প্ৰতিশোধৰ? চিকাৰীৰ নে জল্লাদৰ? এৰা ই জল্লাদৰ হত্যাৰ আনন্দ। আজি তাই জল্লাদৰ দৰে হত্যা কৰি আহিছে তাইৰ বিগত দিনৰ প্ৰেমিকৰ আলসুৱা আত্মা। তাইৰ অকপট প্ৰেমৰ নিষ্ঠুৰ অৱমাননা সহ্য নকৰে। নিৰ্মমভাৱে তাই প্ৰতিশোধ ললে এনেকৈ। আজি তাইৰ কি স্ফূৰ্তি! কি আনন্দ!!

কিন্তু তাতো তাই শান্তি পোৱা নাই। প্ৰতিশোধত তৃপ্তি আছে কিন্তু শান্তি নাই। তাই ধৰফৰাই বিছনাত বাগৰি থাকে। ক'তো শান্তি নাই। যি শৰতক এদিন নেদেখিলে তাই ৰব নোৱাৰিছিল, যি শৰতৰ লগত এপাক নুফুৰিলে তাইৰ গা জুৰ নপৰিছিল, যাৰ অমিয়সনা কণ্ঠত তাই আকুল হৈ উঠিছিল, সেই শৰতক আজি তাই অপমান কৰিলে। অকল অপমানেই নহয়—একেবাৰে তিক্ত-বাণীৰে অন্তৰ ভাঙি চুৰমাৰ কৰি দিলে। কি অত্যাচাৰিণী তাই! কি হৃদয়হীনা তাই!! তাই আৰু ভাবিব নোৱাৰে। উহ! কি কৰিছে তাই? প্ৰতিহিংসাৰ বশৱৰ্তী হৈ কি অমানুষিক কাৰ্য কৰিছে! তাইৰ অমাৰ্জনীয় অপৰাধ হৈছে। তাই ভাবে—কালি পুৱাতে উঠি গৈ তেওঁৰ ওচৰত ক্ষমা খুজিবগৈ। আজি তাইৰ মনত পৰিল সেই প্ৰথম দিনৰ মিলনৰ কথা। আজি ছয় বছৰ আগৰ সেই চিত্ৰই আহি তাইৰ আগত খেলা কৰিব ধৰিলে—কলেজলৈ যাওঁতে ৰাস্তাত জোকোৱা কথা আৰু বিনাদোষতে শৰতক 'ষ্টুপিড' বুলি গালি পৰাৰ কথা; শেষত ভুল বুজিব পাৰি ক্ষমা খোজাৰ কথা। মনত পৰিল কেনেকৈ তাতেই হ'ল দুয়োৰো মিলনৰ পূৰ্বৰাগ। হয়তো কোনে জানে যে আজিও তাই ভুল কৰা নাই? ক্ষমা খুজিব বুলি তাই মনস্থ কৰে। তাইৰ চেনেহৰ শৰতদাই তাইক নিশ্চয় ক্ষমা কৰিব; শৰত-

যাই পাগলী সবিতাক ভালকৈ জানে। তাইৰ দুবছ জন্মে শৰতৰ ওপৰত। কি যে নিৰীহ বেচেৰা! কোনো দিন কোনো কথাতে তীব্ৰ প্ৰতিবাদ কৰি কাৰো লগত কাজিয়া নকৰে, কাকো টান কথা নুশুনায়। নিজৰ মত নিমিলিলে মৌনভাৱে এৰাই আহে। এনে নিৰীহ শৰতদাৰ ওপৰত খং কৰি তাই ভুল কৰিছে। ছিঃ তাই যে কী হে গৈছে···! তাই ভাবে নিজে নিজে আৰু নিজেই ধিক্কাৰ দিয়ে নিজক।

পিচ মুহূৰ্ত্ততে ভাবে—ওহো, নহয়; তাই ক্ষমা নোখোজে। তেওঁৰ ওচৰত ক্ষমা খুজি তাই নিজক ইমান হীন প্ৰতিপন্ন কৰিব নোৱাৰে। তেওঁৰ ওচৰত তাই সৰু হব পাৰে; কিন্তু তেওঁৰ কোনো প্ৰেমিকাৰ ওচৰত তাই হাঁহিয়াতৰ পাত্ৰী হব নোৱাৰে। হেজাৰ হলেও তাইৰ ওচৰত সবিতা সৰু হব নোৱাৰে কোনোমতেই। তাই সকলো কৰিব পাৰে কিন্তু শৰতৰ কোনো প্ৰণয় প্ৰাৰ্থিনীৰ ওচৰতে তাই হেয় হব নোৱাৰে। তাই মন সবল কৰি লয়—দৃঢ় কৰি লয়। তাইৰ মনত শৰতৰ ভালপোৱাৰ যেই কোনো পাত্ৰীয়ে তাইৰ প্ৰতিদ্বন্দ্বী, তাইৰ সতিনীৰ তুল্য। তিৰোতাই সকলোকে সহ্য কৰিব পাৰে, কেৱল নোৱাৰে প্ৰেমৰ প্ৰতিদ্বন্দ্বী সতিনীক। অতীত যুগতে নহয়, আজি আধুনিক যুগতো নাৰীৰ বাহ্যিক আচাৰ-নীতি, চালচলন বদলিলেও অন্তৰৰ আচল প্ৰবৃত্তি বদলা নাই। নাৰী মন সেই আবহমান কালৰেপৰা ঠিক একেদৰেই চলি আহিছে। যিমানে ইয়াক বাহিৰত অস্বীকাৰ কৰি দেখুৱাবলৈ যোৱা যায়, সিমানেই নাৰী হৈ পৰে অসন্তুষ্টা। ভিতৰি ভিতৰি স্বাভাৱিক সত্তা হেৰুৱাই হৈ পৰে পুৰুষ-বিদ্বেষিণী। সবিতাৰ হ'ল সেই অৱস্থা। মনৰ এই বিষম প্ৰশ্নত, অন্তৰ্দ্বন্দ্বৰ এই তুমুল সংঘাতত পৰি ওৰে ৰাতি কটালে বিনিদ্ৰ-ৰজনী।

আনফালে শৰৎ বেচেৰা। জীৱনত এনে লাঞ্ছনা, এনে অপমান কোনো দিনে পোৱা নাছিল। নিজ ভগ্নী সদৃশ অনিতাক অপমান কৰিলে······। খং দুখ আৰু লাঞ্ছনাত হৃদয় জৰ্জৰিত হৈ গৈছে। ভাবি ভাবি যে উন্মাদ হৈ যাব। সেই সবিতা—যি সবিতাই তাইৰ শৰতদা নহলে এখোজ দিব নোৱাৰিছিল, এদিন নগলে পিচ-দিনাই ওফোন্দ পাতি বহুপৰ নামাতি হৃদয়ৰ ভালপোৱাৰ ইঙ্গিত দিছিল, শ্ৰান্ত ক্লান্ত মুখ দেখিলে মৰমতে পমি গৈ অতি সোহাগেৰে সুধিছিল—"কি হৈছে শৰতদা? ইমান মলিন দেখিছোঁ কিয়? কওক; এনে মলিন মুখ দেখিলে মোৰ বৰ দুখ লাগে।" তাইৰ কাতৰ অনুৰোধত উত্তৰ দিছিল শৰতে—"তুমি এতিয়াও সৰু

হোৱালীটিৰ দৰে কেনে প্ৰশ্ন কৰা সবিতা ? এতিয়াও তোমাৰ ল'ৰালি স্বভাৱ আছে, শিশুমন আঁতৰা নাই ? ইমান ডাঙৰ হ'লা, উচ্চ শিক্ষাও পালা, তথাপি পুৰঠ মন এটা তৈয়াৰ নহ'ল ? বালিকাৰ দৰে প্ৰশ্ন কৰিছা যে ?" তাৰ উত্তৰত তাই কৈছিল— "মই সদায় বালিকা শৰৎদা ; আপোনাৰ ওচৰত সবিতা সদায় নাবালিকা—সদায় শিশু।" এনে সুকোমল মনৰ গৰাকিনী সবিতা আজি হৈ পৰিল এনে সুকঠোৰা ? তায়ে কৰিলে এনে নিষ্ঠুৰ ব্যৱহাৰ ? লাঞ্ছিত কৰিলে, অপমানিত কৰিলে আজি সেই মৰমৰ সবিতাই। উহ! কি নিৰ্মম! তেওঁ আৰু সহ্য কৰিব নোৱাৰে। অতীতৰ সমস্ত ঘটনা এটিৰ পিচত এটি কৰি ওলাই আহি আগত মূৰ্তিমান হৈ উঠে। তেওঁ আৰু স্থিৰেৰে থাকিব নোৱাৰে। মনৰ ভিতৰৰ সমস্ত গ্ৰন্থি যেন ছিন্ন-ভিন্ন হৈ যায়। বেচেৰাৰ ৰাতি টোপনি নাই। ওৰে দিন পৰিশ্ৰান্ত, পথক্লান্ত ; ওৰে ৰাতি চিন্তাক্লিষ্ট, নিদ্ৰাহীন, ভাবত বিভ্ৰান্ত।

এনেভাৱে এটি ৰাতিত এটি ঘটনা তিনিটা প্ৰাণীৰ ; কিন্তু বেলেগ বেলেগ চিন্তা তিনিওৰো!

* * *

মানুহৰ চিন্তাৰ শেষ নহ'লেও দিন আৰু ৰাতিৰ শেষ আছে। কৰ্ম্মৰ শেষ নহলেও সূৰ্য্যৰ উদয়-অস্ত আছে। প্ৰকৃতিয়ে আমাক অপেক্ষা কৰি নাথাকে। সেয়েহে প্ৰকৃতিৰ তিনি প্ৰাণীৰ বিনিদ্ৰ ৰজনী অতিবাহিত হোৱা সত্বেও ৰাতি পুৱাল, সূৰ্য উদয় হ'ল। প্ৰবীণৰ মনত অপাৰ আনন্দ। মুখত এমোকোৰা হাঁহি লৈ উপস্থিত হ'ল সবিতাহঁতৰ নঙলামুখত। মৃণাল সদৃশ বাহু দুটিৰে লয়লাস ভঙ্গী তুলি আদৰি আনিলে সবিতাই। হাস্যময়ী নাৰীৰ লাস্যময়ী বদনে প্ৰবীণৰ অন্তৰত তুলি দিলে সঙ্গীতৰ মধুৰ ৰাগিণী। হিয়াৰ তন্ত্ৰীত যেন জঙ্কাৰি উঠিল বিপুল পুলক। মধুৰ আলাপন, প্ৰাণভৰা সম্ভাষণ। অপ্ৰত্যাশিত আদৰ আপ্যায়ন সবিতাৰ। প্ৰবীণৰ মন-পখী যেন কোন কল্পলোকলৈ উৰা মাৰিলে।

ঠিক পিচ মুহূৰ্ত্তে অভাৱনীয়ভাৱে হঠাতে দেখা গ'ল শৰতক। মলিন বদনে, অধোমুখে ধীৰে ধীৰে খোজ কাঢ়ি আহিছে তাইহঁতৰ ফালে। দূৰৈৰপৰাই দেখিলে সবিতাই। শৰতক দেখিয়ে তাইৰ মনত তৎক্ষণাৎ প্ৰতিহিংসাৰ ভাবটো প্ৰকট হৈ উঠিল। তাই প্ৰবীণৰ ওচৰতে থিয় হৈ শৰতৰ ফালে চাই ৰ'ল। শৰতে নঙলামুখ পোৱা মাত্ৰে মাৰিলে শাৰ্দ্দুল। প্ৰবীণৰ হাতখন বক্ষুৰ ওচৰলৈ টানি

আনি লিৰীক বিদাবি আঙুলি কেইটাৰ মত ভাঙি দিব ধৰিলে। শৰতে কেৰাহিকৈ চাই একো নামাতি পাৰ হৈ গ'ল। তেওঁ নবীনৰ বাহালৈ যাব আৰু তেওঁৰ তালৈ যোৱা বাট মাথোঁ একমাত্ৰ সেইটোৱেই। তেওঁ পাৰ হৈ যোৱাত সবিতাই প্ৰবীণৰ হাতখন এৰি দিলে আৰু ওচৰতে পৰ্টিকত থকা আৰামী চেয়াৰখনত বহি পৰিল। তাকে দেখি আনন্দ-বিগলিত-চিত্তে প্ৰবীণেও সমুখৰ আসনখনত বহি পৰিল। প্ৰবীণে আত্মহাৰা হৈ সবিতাৰ মুখৰ ওচৰলৈ মুখ নি প্ৰেমপূৰ্ণ নয়নেৰে এবাৰ চাই লৈ আবেগ বিজৰিত কণ্ঠে প্ৰশ্ন কৰিলে—"আহক, এবাৰ ৰেডিও চেণ্টাৰ'ৰপৰা আহোঁ।"

কিন্তু চিকাৰ যোঁতয়া আঁতৰিল বন্দুকৰ আৰু কি প্ৰয়োজন? সেইবাবে তাই নিৰুদ্বেগচিত্তে উত্তৰ দিলে—"মোৰ আজি মুৰটো বিষাব ধৰিছে, ক'লেকো নাযাওঁ; অলপ সময় বাগৰিম হে।" তাই তাক এনেভাৱে নামঞ্জুৰ কৰিলে যে সি শিল পৰা কপৌৰ দৰে হতভম্ব হৈ ৰ'ল। সি ভবাই নাছিল যে অলপ আগতে ইমান উষ্মা দি তৎক্ষণাত ইমান শীতল ব্যৱহাৰ কৰিব। সি প্ৰস্তুত নাছিল অলপো। সেমেনা সেমেনি কৰি হাত মোহাৰি সি ক'লে—

"তেনেহলে নালাগে, থাওক।"

"হয়। মই শুম। আপুনি যা'ক গৈ।"

তাই কথাষাৰ কৈয়ে তেওঁৰপৰা বিদায় লৈ তাইৰ ৰুমত সোমাই বিছনাত দীঘল দি পৰিল। প্ৰবীণে বুজি নাপালে তাইৰ বিষ মুৰৰ নে মনৰ। সি অবাক হৈ কিছুসময় বৈ তাৰপৰা লাহে লাহে উঠি আহিল আৰু ইঞ্জিনীয়াৰৰ ৰুমলৈ বুলিয়ে গ'ল। সি মনতে ভাবিলে, সবিতাৰ মন ধৰিবৰ বাবে সময় লাগিব কাৰণ তাই এলাপেচা সাধাৰণ ছোৱালীৰ দৰে নহয়। অতিপাত 'চেণ্টিমেণ্টলে'।

শুই শুই সবিতাই শৰতৰ কথাকে ভাবিছে। তেওঁ তাইহঁতৰ তালৈ আহিব বুলিহে তাই এই নাটকীয় অভিনয় কৰিছিল; যদি তেওঁ নাহে, তেন্তে কি প্ৰয়োজন এই অভিনয়ৰ? কাৰবাবে এই আয়োজন? প্ৰবীণৰ বাবে? মুঠেই নহয়। প্ৰবীণ হ'ল সবিতাৰ মনত মাথোঁ এটি বন্দুক—শৰতৰ অন্তৰত গুলী কৰিবলৈ। যদি চিকাৰেই পলাল তেন্তে বন্দুকৰ আৰু কি প্ৰয়োজন? সেই কাৰণেই তাই তাক আঁতৰাই পঠালে মুৰৰ বিষ উঠা ছুতা কৰি। এই কৌশলৰ একো গম ধৰিব নোৱাৰিলে নিৰ্জীৱ ইঞ্জিনৰ তৎ ধৰিব পৰা ইঞ্জিনীয়াৰ প্ৰবীণ কলিতাই। সবিতাই আকাশপাতাল ভাবে। ভাবৰ একমাত্ৰ কেন্দ্ৰ সেই শৰৎচন্দ্ৰ।

শৰতে আহি নবীনৰ ঘাহা পালে। নবীনে প্ৰাতস্নতে উঠি 'অনামী'লৈ পঠোৱা কিছুমান প্ৰবন্ধ চাব ধৰিছে। শৰৎ উপস্থিত হোৱা দেখি হাঁহি মাৰি ক'লে— "আজি এই প্ৰাতস্নতে গাধৰ প্ৰৱেশ ; কিনো অঘটন ?"

শৰতে জোৰ কৰি হাঁহিবলৈ চেষ্টা কৰে যাতে নিজৰ মনৰ বেজাৰৰ ভাব প্ৰকাশ নাপায়। নবীনে চেয়াৰ এখন আঙুলিয়াই দি বহিবলৈ কৈ সোধে—"আচ্ছা গাধ, তই কোনদিনা আহিলি ?"

"আহিবৰ আজি দুদিনেই হ'ল ধুৰন্ধৰ।"

ক্ষীণ হাঁহি এটা মাৰি কয় শৰতে। নবীনে মুখলৈ চাই কয়—"তোৰ মুখখন ইমান মলিন দেখিছোঁ কিয় গাধ ?"

হাঁহি মাৰি ঠাট্টাৰ সুৰত কয় শৰতে—"বোজা কঢ়িওৱাত বৰ কষ্ট হৈছে ধুৰন্ধৰ!"

একেদৰে ঠাট্টা কৰি কয় নবীনে—"তেন্তে মালিকক এটা লাথি মাৰি বগৰাই দি বোজাটো পেলাই নিদিয় কিয় ?"

"তেনে কাম খেলাৰ ঘোঁৰাৰহে ভাই, গাধৰ নহয়।"

"তেনেহলে তই মৰিবি। তোৰ পিঠিত এইবাৰ বেঁচিকৈ বোজা দিব আৰু মানুহো উঠিব।"

"সেইটো জানো, কিন্তু কি কৰিম!"

"পিতাৰাই কিন্তু বৰ ভাল কাম কৰা বুলি মোৰ মনে নধৰে। তোৰ জীৱনটোৰ মূল্য টকা-পইচাৰ দ্বাৰা নিৰ্ণয় কৰিবলৈ যোৱাটো একো ভাল হোৱা নাই।"

"মই বাৰু এতিয়া কি কৰোঁ ?"

"তোক হলে এওঁলোকৰ ঘৰখনে বৰ আশা কৰিছিল। কিন্তু চিন্তাৰ সোঁত এতিয়া অন্যফালে বৰলৈ বাধ্য হৈছে। এতিয়াও চেষ্টা কৰিলে কিবা কৰিব পাৰ।"

"নোৱাৰিম। অসম্ভৱ। স্বয়ং নিজৰাই অন্যফালে গতি কৰিছে।"

"কেনেকৈ জানিলি ?"

"নিজৰ চকুৰে দেখিলোঁ।"

কলমটো ওঁঠত লগাই আচৰিত হৈ নবীনে চাই ৰয় শৰতৰ ফালে। শৰতে বৰ কৰুণভাৱে কৈ যায়—"মোৰ জীৱন-নদীত বালিচৰ পৰিল।"

"কেনেভাৱে ?"

শৰতে ধীৰে ধীৰে কৈ যায় সমস্ত ঘটনা। সেই ব্ৰহ্মপুত্ৰৰ পাৰত লগ পোৱাৰ

ঘটনা, চিনেমা হলৰ কাণ্ড আৰু আজি আহোঁতে এতিয়াই এইমাত্র তাইহ'তৰ দুৰাৰ-মুখত দেখুওৱা অমাৰ্জনীয় অপমানৰ কথা। কে কৈ শৰৎ যেন শোক, দুখ আৰু জ্বালাত অভিভূত হৈ পৰে। এনে অকথনীয় অত্যাচাৰ আৰু হৃদয়হীন ব্যৱহাৰৰ কথা শুনি নবীন ম্রিয়মান হৈ পৰিল। তাৰ পাচত কিছুসময় চিন্তা কৰি ক'লে—"এইবোৰ কি জান গাধ? এইবোৰেই হ'ল ঈৰ্ষাৰ জ্বালা। ইয়ে তোক দগ্ধ কৰিব আৰু তাই নিজেও জ্বলি-পুৰি মৰিব। ই এটা খেলা। মনৰ এটা বিকাৰ। মনোবিজ্ঞান বিশ্লেষণ কৰিলে বুজা যায় ই মানৱৰ এটা আত্মপীড়নৰ প্ৰবৃত্তি মাথোন। কিন্তু এতিয়া তেন্তে কৰা যায় কি?" তেওঁ চিন্তামগ্নভাৱে কিছুপৰ ওপৰলৈ মুখ কৰি কলমটো ওঁঠত লগাই ভাবে আৰু কয়—"ঘটনাৰ সোঁত বদলোৱাৰ সময় পাৰ হৈ গৈছে। ইমানখিনিলৈকে নামিছে যেতিয়া তাক আৰু ফিৰোৱা সহজ নহব। সবিতা আৰু সবিতা হৈ থকা নাই—সবিতা বৰ্তমান দুৰ্বোধ্য কবিতা হৈ পৰিছে। তথাপি চেষ্টা কৰি, কঠোৰ অধ্যয়ন কৰি হলেও এই কবিতাৰ অৰ্থ ভেদ কৰিবই লাগিব।

"ই কিন্তু সাধ্যৰ অতীত।"

"যদি পাৰোঁ, তেন্তে তই জানো পুনৰ গ্ৰহণ কৰিব পাৰিবি?"

"পাৰিম—যদি তেওঁ এইবোৰ মাত্ৰ খেলাহে খেলিছে—নিজে মজি যোৱা নাই। তেন্তে কোনো আপত্তি নাই।"

"চেষ্টা কৰিব লাগিব। কিন্তু যদি তোৰ ইফালে বিয়া হৈ যায়?"

"মোৰ জীৱনত যি ট্ৰেজেডি আৰম্ভ হৈছে তাত কমেডিৰ স্থান নাই ভাই।"

"ওহ! কি কঠোৰ সমস্যা।"

|| ওঠৰ ||

সবিতা আৰু প্ৰবীণৰ এনে প্ৰীতিৰ ভাব দেখি সবিতাহঁতৰ ঘৰখনেই আনন্দ পালে। তথাপি এটা গতি লাগিল। একেলগে ফুৰা, চিনেমা চোৱা, ৰং-ধেমালি কৰি কথা-বতৰা কোৱা ইত্যাদি জানিব পাৰি সবিতাৰ বাপেকৰ বৰ বং লাগিল। মনে মনে তেওঁ পাতিলে কেনেকৈনো সবিতাক প্ৰবীণৰ লগত বিয়া দিব পাৰে।

অফিচৰ প্ৰায় কামবোৰত প্ৰবীণক নজৰ দিবলৈ কয় দাসে। প্ৰবীণেও আনন্দ মনেৰে ভাবী শহুৰেকৰ আদেশ, উপদেশবোৰ পালন কৰি যায়। কেৰাণীসকলে আজি-কালি প্ৰবীণক বৰ খাতিৰ কৰে, আনকি একাউণ্টেণ্ট মিষ্টাৰ চৌধুৰীয়েও আজিকালি প্ৰবীণৰ প্ৰতি কথাতে সম্মতিসূচক মত দিয়ে। তেওঁলোকে জানে যে দুদিন পাচতে তেওঁ হব অফিচৰ মালিক—হুকুমৰ অধিকাৰী। লগৰ ইঞ্জিনীয়াৰ, ওভাৰচীয়াৰসকলৰ ঈৰ্ষা হয়। আগত বেছ খাতিৰ কৰে, সম্ভাষণ কৰে, কিন্তু পিচ-দিলেই ঘৃণাসূচক মন্তব্য কৰে—ঘৰজোঁৱাই বুলি। ইঞ্জিনীয়াৰ দাসৰ ছোৱালী বিয়া কৰাব, দুদিন পাচত এচ্. ডি. ও. হব আৰু এক্‌জিকিউটিভ ইঞ্জিনিয়াৰ যে নহব তাৰ কি ঠিক? 'কোৱালিফিকেচন আছে—ভৰিত তেল দিবপৰা তেলীয়া স্বভাৱ আছে; গতিকে প্ৰবীণৰ পক্ষে যে এক্‌জিকিউটিভ ইঞ্জিনীয়াৰ হোৱা একো টান নহয়, এই কথা সকলোৱে উপলব্ধি কৰিছে। আজি কালি অফিচত প্ৰবীণ আৰু সবিতাক কেন্দ্ৰ কৰি বহুত গল্প, বহুত ধুহুতীয়া কথাৰ অৱতাৰণা হৈছে। কেৰাণী-সকলে কথাৰ ছলতে দুই এটি মিঠাকথা খোচাও নোসোধোৱাকৈ নাথাকে, পি. ডব্লিউ. ডি. অফিচটো একপ্ৰকাৰ সজীৱ হৈ উঠিছে।

শৰতে নবীনৰ বাহাৰপৰা আহি বাহিৰে বাহিৰে সবিতাহঁতৰ তাত সোমাও বুলি ভাবিও নোসোমাল। পোনে পোনে ঘৰলৈ আহি তেওঁৰ বেয়া লাগিল। আজি ইমানদিনে যিখন ঘৰত অতি হেঁপাহেৰে সোমাইছিল সবিতাৰ মাকৰ মিঠা মাতষাৰ নাপালে যাৰ হিয়া জুৰ নপৰিছিল, যি সবিতাৰ মুখৰ ধুনীয়া হাঁহিটিৰ সাদৰ সম্ভাষণ এটি নাপালে দিনৰ ভাগৰ নপলাইছিল, সেইখন ঘৰলৈকে নগ'ল আজি শৰৎ। ভাবি ভাবি তেওঁৰ বেয়া লাগি যায়। খাই বৈ উঠি আবেলি বিছনাত পেট পেলাই আকৌ সেই কথাকে ভাবে। হঠাতে তেওঁৰ মনলৈ উত্তেজনা আহে; নিজক দোষী সাব্যস্ত কৰে। অন্ততঃ সবিতাৰ মাকক এবাৰ মাতটিও অহা দৰ্কাৰ।

কালি পুৱাতেই যাওনা হব ; যদি এবাৰ দেখা নিদিয়ে, তেন্তে বৰ অকৃতজ্ঞৰ কাম কৰা হব। সবিতাই দোষ কৰিছে কিন্তু সবিতাৰ মাকেটো কোনো দোষ কৰা নাই ; অপমান কৰা নাই বৰং অন্তৰে অন্তৰে আহ্বান হে কৰি আছে। তেওঁ আৰু স্থিৰেৰে থাকিব নোৱাৰিলে।

পিচদিনা ৰাতিপুৱা বিছনাৰপৰা উঠি লংপেণ্টটো সুমুৱাই লৈ হাৱাই চার্টটো পিন্ধি ওলাল সবিতাহঁতৰ ঘৰলৈ।

খিৰিকীৰে দুৱৈৰ পৰাই শৰতক দেখা পালে সবিতাই। শৰতে ক্ৰমে ক্ৰমে ওচৰ চাপি আহি তাইহঁতৰ নঙলামুখ পালে। সেই সময়ত পার্টিক'ত বহি প্ৰবীণে সবিতাক অপেক্ষা কৰি আছিল 'মেটিনি শো' চাবলৈ যাব বুলি। সবিতায়ো প্ৰসাধন কৰি আছিল সেইবাবেই তাইৰ ৰুমত। শৰতক অহা দেখি তাই খৰধৰ কৰি পাউডাৰখিনি গালত ঘঁহি, ওঁঠত অলপ লিপষ্টিক দি দি ওলাই আহিল বাহিৰলৈ। শৰৎ তাহাঁতৰ ফালে অহা যেন অনুমান কৰি তাই আহি প্ৰবীণৰ পিচফালে থিয় দিলে। প্ৰবীণে বাহিৰলৈ মুখ কৰি শৰতৰ অহাফালে চাই আছিল। সবিতাই প্ৰবীণ বহা চেয়াৰৰ পিচফালে আউজি শৰতৰ ফালে চাই থাকিল। শৰৎ আহি পার্টিক'ত উঠা দেখি সবিতাই উপহাস কৰা ছলেৰে এটা নমস্কাৰ দি কৈ উঠিল—"নমস্কাৰ হাকিম বাবু।"

শৰতৰ ভ্ৰুযুগল কুঞ্চিত হ'ল !, এনে তাচ্ছিল্যৰ আৰু বিদ্ৰূপৰ প্ৰতিদান হয়তো দিলেহেঁতেন শৰতে কিন্তু সমুখতে বহি আছে অচিনাকি ইঞ্জিনীয়াৰজন। এবাৰ তীক্ষ্ম দৃষ্টিৰে চাই 'নমস্কাৰ' বুলি নিৰুদ্বেগে সোমাই গ'ল ভিতৰলৈ। শৰতৰ এনে হেয় ব্যৱহাৰত সবিতা ক্ষুণ্ণ হৈ উঠিল। আঘাতপ্ৰাপ্তা ফণিনীৰ দৰে জ্বলি উঠিল তাই। তাই ভাবিছিল—শৰতে তাইক এইবাৰ এনে বাক্যবাণ নিক্ষেপ কৰিব য'ত ফুটি উঠিব শৰতৰ ভিতৰত জ্বলি থকা জ্বলন্ত ঈৰ্ষাৰ অগ্নিস্ফুলিঙ্গ ;—অন্তৰৰ আগ্নেয়গিৰিৰ উত্তপ্ত লাভাসমূহ হব উদ্গিৰিত আৰু তাকে চাই তাই অপৰিসীম তৃপ্তি লাভ কৰিব। কিন্তু ক'তা ? তাইক নির্মমভাবে অবজ্ঞা কৰি গুচি গ'ল শৰতে। সবিতাই তৎক্ষণাত প্ৰবীনৰ চেয়াৰৰপৰা হাত এৰি দি সাউৎকৰে ভিতৰ সোমাই গ'ল। প্ৰবীণ মন্ত্ৰমুগ্ধৰ দৰে বহি ৰ'ল চেয়াৰতে।

সবিতাৰ মাকে পাকঘৰত প্ৰবীণৰ বাবে চাহ কৰি আছিল। শৰতে গোলে

পোনে তালৈকে গ'ল। সবিতাৰ মাকে হঠাতে শৰতক দেখি চমক খাই উঠিল। ইকি আচৰিত! শৰৎ আহিছে তেওঁলোকৰ ঘৰলৈ? অবাক হৈ গ'ল তেওঁ। তাৰ পাচত হাঁহি মাৰি ক'লে—

"বোপা শৰৎ, কিয় তুমি কালি ইয়ালৈ নাহিলা?"

"মোৰ বৰ জৰুৰী কাম আছিল খুৰীদেউ, গতিকে আহিব নোৱাৰিলোঁ।" হাঁহি মাৰি পুনৰ ক'লে—"তাৰ বাবে আজি ক্ষমা খুজিছোঁ খুৰীদেউ!" হাঁহি মাৰি সবিতাৰ মাকে ক'লে "বহা, ক্ষমা খুজিব নালাগে। তুমি মোৰ আগৰ শৰৎ হৈ আছানে, হাকিম শৰৎ হৈছা এতিয়া?"

"কিয়?"

"কিয় মানে, কি বুলি অভ্যৰ্থনা কৰিম" হাঁহে।

শৰৎ এতিয়া শৰৎ হৈ থকা নাই খুৰীদেউ; শৰৎ বৰ্তমান এটা কছৰৎ হৈ পৰিছে। কাছাৰীৰ দৈনন্দিন কামৰ কছৰত কৰোঁতে কৰোঁতে ময়ো এটা কছৰৎ যেন হে হৈ পৰিছোঁ।" কথাষাৰ কৈয়ে শৰতে হাঁহি দিয়ে। সবিতাৰ মাকৰো হাঁহি ওঠে। বৰ আদৰ কৰি ওচৰতে বহুৱাই লৈ কয়—

"তুমি আহিলে মোৰ ঘৰটো ভৰি উঠা যেন পাওঁ বাছা। তুমি ইমান দিন নথকাত মোৰ ঘৰৰে যেন জেউতি নাইকিয়া হৈ গৈছে। তোমালৈ মোৰ সদায় মনত পৰি থাকে বাছা।" তেওঁৰ কণ্ঠত স্নেহৰ আৰ্দ্ৰ কণ্ঠস্বৰ। শৰতৰ বুকুত যেন এটা গধুৰ শিলৰ হেঁচা লাগে। হুমুনিয়াহ এটা ওলাই আহে। মন গধুৰ গধুৰ হৈ উঠে। অতীতৰ সমস্ত ঘটনা মনলৈ আহে। শৰতে হঠাতে এনে গম্ভীৰ আৰু মলিন হোৱা দেখি সবিতাৰ মাকৰো বুজিবৰ বাকী নাথাকিল ইয়াৰ কাৰণ কি হব পাৰে। নিজক সংযত ৰাখি তেওঁ সুধিলে—

"ক'ৰ পৰা আহিলা বাছা?"

"ঘৰৰপৰা খুৰীদেউ।"

"আহিবৰ কেবাদিনো হোৱা বুলি ক'লে সবিতাই; তথাপি তুমি এবাৰো অহা নাই কিয়?"

"সময়ে পোৱা নাছিলোঁ।"

"সময় নাইনে মন নাই। তুমি ডাঙৰ মানুহ—হাকিম মানুহ…।"

"তেনেকৈ নকব খুৰীদেউ, মই বৰ দুখ পাওঁ। সৰ্বসাধাৰণে হাকিম চবুডেপুটি

ভাঙব বুলি ক'লে বুজা যায় যে নাজানি কয়; কিন্তু আপোনালোকে ক'লে বুজিব লাগে যে উপহাস কৰি কয়।"

"বাৰু হ'ল। পিচে তুমি বোলে সবিতাক আজিকালি নামাতা, কিয়? ভবিষ্যতে কিবা অমঙ্গল হব বুলি ভাবা নেকি? ভয় নকৰিবা, মোৰ অন্যায় হ'লেও তোমাৰ অন্যায় নকৰোঁ আৰু অন্যায় হবলৈ নিদিওঁ।"

তেওঁৰ মুখলৈ চাই শৰতে বৰ করুণ-কাতৰভাৱে ক'লে, "খুৰীদেউ!" তেওঁ আৰু একো কব নোৱাৰিলে—বাক্‌শক্তি যেন ৰুদ্ধ হৈ গ'ল। সবিতাৰ মাকে বুজিব পাৰিলে যে কোমল হৃদয় শৰতে মনত বৰ আঘাত পালে। তেওঁ তৎক্ষণাত ওচৰলৈ আহি শৰতৰ মূৰত হাত বুলাই আদৰ কৰি ক'লে—"খং নকৰিবা বাছা। মই এনেয়ে কৈছোঁ।" তাৰ পাচত চাহৰ চৌকাৰ ওচৰলৈ গৈ প্ৰবীণলৈ যোগাৰ কৰা চাহ আৰু মিঠাইখিনি শৰতক দি ক'লে—"খোৱা বাছা; বহুদিন তোমাক মই খুৱাব পৰা নাই। সেই যে চাকৰিত জইন কৰা দিন—আৰু নাই। তুমি খোৱা; মই বাহিৰত থকা ল'ৰাজনক চাহ দি আহোঁ। আজি চাকৰ ল'ৰাজন ঘৰলৈ গৈছে, গতিকে ময়ে নিব লাগিব।" তেওঁ কথাখিনি কৈ উঠি চাহ-মিঠাইৰ জোগাৰ কৰি বাহিৰলৈ লৈ যায়। তেওঁ যোৱাত শৰতে চাহ খাবলৈ আৰম্ভ কৰে আৰু ভাবিব ধৰে সবিতাৰ ব্যৱহাৰ নতুন ইঞ্জিনীয়াৰজনৰ লক্ষণ। তেওঁ ভাবে, তেওঁৰ প্ৰণয় আকাশত যেন অজানিতে আবিৰ্ভাৱ হ'ল এক অখ্যাত ধূমকেতুৰ। এছাটি পৰাজয়ৰ মলিন হাঁহিয়ে যেন তেওঁৰ মুখমণ্ডল আবৰি ধৰিলে। গভীৰ হৃদয় আৰু হতাশ মন লৈ তেওঁ চাহৰ কাপত ওঁঠ লগালে। চিন্তা হ'ল ইয়াৰ পৰিণাম কি হব পাৰে। সবিতাৰ কথা মনত জাগে। সবিতা, জ্বলন্ত উল্কা তাই। প্ৰণয় আকাশৰ কোনো এক চুকত হঠাতে ভুমুকি মাৰি উজ্জ্বল আলোকপাত কৰি হয়তো পুৰি পুৰি ছাই হৈ যাব, অৱশেষত হয়তো তাইৰ অস্তিত্বই নাথাকিব, নাথাকিব একো। হতভাগ্য প্ৰবীণে হয়তো তাৰ গমকে নাপাব। কি ৰহস্য কি জটিল চৰিত্ৰৰ এই সবিতা সুন্দৰী—তেওঁ কল্পনা কৰে।

এনেতে সবিতাৰ মাকে প্ৰবীণক চাহ দি ঘূৰি আহে। মাকে কব নোৱাৰাকৈ মনে মনে মাকৰ পিচে পিচে সবিতাও আহে। তাই দুৱাৰ বাহিৰত থিয় হৈ থাকে নিস্তব্ধভাৱে। সবিতাৰ মাকে বাতখিন ধৰত সোমায়ে সোধে—"চাহ খালা বোপা?"

"হয়, ভালো খবৰী। পিঠে এঁঠিয়া উঠোৱাহে; মোৰ আৰু কিবাকীৰ কাম আছে। কালি পুৱাতে তেজপুৰলৈ যাব লাগে।"

"বাবা, ব'বা, অলপ বহাচোন। সবিতাও নাহিল দেখো। বাৰু, পিতেৰাই বিয়াৰ দিন ঠিক কৰিলে নে?"

"মই সেইবোৰ কব নোৱাৰো খুৰীদেউ।"

"এটা কথা শৰৎ; পিতেৰাই কিন্তু সেইটো ভাল কাম কৰা বুলি মোৰ মনে নধৰে। টকা-পইচাই মানুহৰ সকলো নহয়।"

"পিতাৰ কথা মোক নকব খুৰীদেউ।"

এইবাৰ আৰু সবিতাই নীৰৱে নিজক লুকাই ৰাখিব নোৱাৰিলে। গা পিৰ-পিৰাই উঠিল। মাত দিলে দুৱাৰৰ ভিতৰলৈ আহি—"পিতাকৰ কথা নকবি মা, এখেত কলিৰ ৰামচন্দ্ৰ। পিতৃ আজ্ঞা শিৰোধাৰ্য্য কৰি তেজপুৰতে বনবাস বা শহুৰৰ ঘৰত বাস কৰিছে। কবি শতিকাৰ ৰামায়ণ ৰচনা কৰিবলৈ কোনো আধুনিক বাল্মীকিৰ আবিৰ্ভাৱ হয় যেন লাগে।"

এনে শ্লেষপূৰ্ণ বচনত শৰৎ ক্ষুব্ধ হৈ উঠে। মাকে শাসনৰ সুৰত ধমক্ দিয়ে—"তই মনে মনে থাক সবি! মানুহক ইতিকিং কৰিবলৈ তোৰ লাজ নালাগে?" শৰতে সবিতাৰ ফালে চায়। দুয়োৰো চকুৰে চকুৰে পৰে। শৰতৰ চকুত জ্বলে প্ৰতিবাদৰ জ্বলন্ত অনল, সবিতাৰ চকুত জ্বলে ঈৰ্ষাৰ অগনি। শৰতে চকু ফিৰাই আনে। সবিতাৰ মাকে কয়—'খং নকৰিবা বোপা। তাইৰ মুখখন আজি-কালি লাউপাত কচুপাত যেন হৈছে। বাৰু কি কাজিয়া লাগিল দুয়োৰো ভিতৰত?"

"একো কাজিয়া লগা নাই খুৰীদেউ। তেওঁ মোক বিনাদোষত অপমান কৰিছে।"

"আৰু মহাসাধু ৰামচন্দ্ৰই মোক গালি পাৰিছে। মই যেন বজাৰৰ……।" তাইৰ অতিপাত খং উঠে; আৰু কিবা কব ধৰিছিল, এনেতে মাকে ধমক্ দিলে—"তই ইয়াৰপৰা আঁতৰি যা সবি। কথা নকবি।" মাকৰ খং উঠা জানিব পাৰি তাই বাহিৰ ওলাই আহিল; কিন্তু মনৰ খং মাৰ নগ'ল। তাই আজি তেওঁক নিশ্চয় অপমান কৰিব। ইমান দম্ভ, ইমান অহঙ্কাৰ কোনোমতেও সহ্য নকৰে সবিতাই। সেইবাবে মজিয়াৰ দুৱাৰৰ পৰ্দাৰ আঁৰালত থিয় হৈ দুৱাৰমুখ বন্ধ কৰি ৰ'ল। হঠাতে এনে লজ্জাজনক পৰিস্থিতি হব বুলি সবিতাৰ মাকে ভবা নাছিল।

সেইবাবে তেওঁ অন্তৰে অন্তৰে বৰ দুখ পালে আৰু শৰতক বৰ আদৰ কৰি ক'লে—“এই পাগলীজনীৰ কথাত একো খং নকৰিবা বোপা। তাইক মই ইয়াৰ মজা দিম।”

“একো খং নকৰো খুৰীদেউ। কোনো মজা দিব নালাগে। ভুল বুজি পালে আপুনি মজা পাব। পিচে মই উঠোঁহে এতিয়া।”

“যোৱা বোপা। কেতিয়াবা আহিলে ইয়ালৈ আহিবলৈ যেন পাহৰি নোযোৱা—এয়ে অনুৰোধ।”

“সকলোকে পাহৰিলেও আপোনাক পাহৰি যোৱা বৰ টান খুৰীদেউ।”

“তাকেই ইচ্ছা কৰোঁ বোপা।”

শৰৎ উঠে। সবিতাৰ মাকক এটা সেৱা কৰে। সবিতাৰ মাকে মূৰত ধৰি আশীৰ্বাদ কৰে—“উঠা বাছা”। অজ্ঞাতে সবিতাৰ মাকৰ চকুৰপৰা দুধাৰী লোতক বাগৰি আহি শৰতৰ মূৰতে পৰে। শৰতে গম পায়। মনত বৰ দুখ লাগে। অধীৰ অন্তৰৰ লৈ লাহে লাহে শৰত আঁতৰি আহে। সবিতাৰ মাকে চাই থাকে। শৰতে ডাঙৰ ঘৰৰ মজিয়াত প্ৰৱেশ কৰে।

শৰতে আহি সবিতাৰ লগত ভেটাভেটি হয় দুৱাৰমুখত। শৰতে এবাৰ সবিতাৰ ফালে চাই শান্ত সুৰত ক'লে—“বাট এৰি নিদিবা নেকি?”

সবিতাই শৰতৰ চকুলৈ চায়। শৰতৰ চকুত কাতৰ কাকুতি। সবিতা বিস্মিতা, অভিভূতা হৈ যায়—এই মোহলগা চকু দুটিৰ কাতৰ চাৱনিত। নাৰীমনৰ স্বাভাৱিক দুৰ্বলতাই লাহেকৈ তাইৰ কাষ ল'লে। কাতিকৈ থিয় হৈ শৰতৰ ফালে চাই করুণ আবেগত কৈ উঠে—

“দিম। ভয় নাই—চিৰদিনৰ কাৰণে সবিতা আঁতৰি যাব আপোনাৰ জীৱন পথৰপৰা। অনন্তকালৰ বাবে সবিতা অস্তমিত হ'ব আপোনাৰ জীৱন আকাশত।”

“সবিতা!” কিবা কওঁ বুলি কব নোৱাৰিলে শৰতে। সবিতাই তৎক্ষণাৎ কৈ উঠিল—“টকাৰ দাস, নীচ হীনৰ লগত সবিতাই একো সম্পৰ্ক ৰাখিব ইচ্ছা নকৰে। আপোনালোকে কেৱল চিনে টকাহে—মানুহ নহয়।”

“কিন্তু শুনা সবিতা।”

“কথাৰ কোনো প্ৰয়োজন নাই। মোৰ শেষ অনুৰোধ—ইয়ালৈ আহি মোৰ ক্ষতি নকৰে যেন। নিজৰ সুবিধা কৰি আনৰ অসুবিধা কৰাটো কোনো ভদ্ৰলোকৰে উচিত নহয়।”

"মই ইয়ালৈ আহিলে তোমাৰ অপকাৰ হয় ?"

"মোৰ ন'হলেও আপোনাৰ হোৱাৰ সম্ভাৱনা। বজৰুৱা ছোৱালীৰ ওচৰলৈ আহি নিজেই বা চৰিত্ৰ নষ্ট কৰে কিয় ?"

শৰতে বুজিলে যে সিদিনা চিনেমা হলৰপৰা আহোঁতে তেওঁ বিস্মৃত কোৱা কথাষাৰৰ পুনৰাবৃত্তি কৰি শৰৎকে মাৰিলে এইটো খোচা সবিতাই। বেছ বাৰুকৈয়ে বুজিলে শৰতে। গম্ভীৰভাৱে তেওঁ ক'লে—

"ভাবি-চিন্তি কথা কোৱা দৰ্কাৰ সবিতা। মোৰ ক্ষতি হওক তাত কথা নাই। কেবল কোৱা তোমাৰ কি লোকচান হয় ?"

প্ৰবীণৰ ফালে আঙুলিয়াই দি কয়, "তেখেতে বেয়া পায়।"

সবিতাৰ এই তীক্ষ্ণশেল শৰতৰ ঠিক মৰ্মস্থলেৰে সোমাই গ'ল।

প্ৰাণটো যেন জিকাৰ খাই উঠিল। অধোমুখে ক্ষীণকণ্ঠে ক'লে "বা—বু।"

সবিতাই শৰতৰ ফালে চায়। গগণবিহাৰী উৰন্ত পক্ষীলৈ তীক্ষ্ম তীৰ নিক্ষেপ কৰি চিকাৰীয়ে ওপৰলৈ চাই থকাৰ দৰে সবিতাই এই বাক্যবাণেৰে শৰতক হানি তাৰ কি পৰিণতি হয় তাকে লক্ষ্য কৰিলে। বাণাহত পক্ষী শূন্যত ঘূৰি ঘূৰি আহি মাটিত বাগৰি পৰাৰ দৰে শৰতৰ বাক্যবিদ্ধ আত্মা যেন ভূপতিত হৈ গ'ল। চাই চাই সবিতাই শৰতৰ বুকুৰ স্পন্দন লক্ষ্য কৰে। বেদনাহত শৰতে ম্লানকণ্ঠে কয়—"মোক বাবলৈ দিয়া সবিতা।"

"নিশ্চয়। চিৰদিনৰ বাবে খুলি দিলে সবিতাই আপোনাৰ জীৱনৰ বাট। তাই শৰতৰ মুখৰ ফালে চায় উৎসুক নয়নে। শৰতে এবাৰ তাইৰ চকুলৈ চাই তৎক্ষণাৎ চকু ফিৰাই আনে। লাহে লাহে সবিতা আঁতৰি যায়। শৰৎ পাৰ হৈ আহে।

পৰ্টিকত দেখে সবিতাৰ প্ৰণয়প্ৰাৰ্থী প্ৰবীণ বৈ আছে কাৰোবাৰ আকুল প্ৰতীক্ষাত। বুজৰলৈ শৰতৰ বাকী নাথাকিল। এবাৰ কেৱাহিকৈ চাই লাহে লাহে আঁতৰি পৰিল শৰৎ। ক্ৰমে অদৃশ্য হৈ গ'ল বাজআলিৰ জনতাৰ বুকুত।

তেতিয়া ধৰণীৰ বুকুত নামিব ধৰিছে পাতল আন্ধাৰ। ম্লানমুখে দিনমণি সবিতাই বিদায় মাগিলে পৃথিৱী বক্ষৰপৰা আৰু বোৰপূৰ্ণ নয়নেৰে বিদায় মাগিলে মানৱী সবিতাই শৰতৰ হৃদয়ৰপৰা।

।। ঊনৈশ ।।

বিনিদ্ৰা-ৰজনী আজি সবিতাৰ। চিন্তা—চিন্তা—কেৱল চিন্তা। ভাৱ সমুদ্ৰত যেন মেলি দিছে হৃদয় তৰণী। পাৰ নাই, কুল নাই—পাৰাপাৰহীন বিশাল পাৰাৱাৰ। তাইৰ অন্তৰখন বাৰে বাৰে কঁপি উঠে। কি অপমানেই না নকৰিলে বেচেৰা নিৰীহ শৰৎটোক। কিয়? কি দৰ্কাৰ আছিল তাইৰ তেওঁক অপমান কৰিবলৈ? খিয়ালৰ বশৱৰ্তী হৈ এনেভাবে মানৱতাক অপমানিত কৰিব লাগিছিল। এইটো যে তাইৰ ভুল হৈছিল এই কথা তাই অনুভৱ কৰিছে আৰু তাৰ কাৰণেই আহিছে অনুতাপ, অনুশোচনা। অতীতৰ সমস্ত ভালপোৱাকে ভৰিৰে মোহাৰি এনেভাৱে নিষ্ঠুৰ ব্যৱহাৰ কৰা তাইৰ পক্ষে কোনোমতে সমীচীন নাছিল। তথাপি তাই কৰিলে। অকল অপমানেই নহয়—তেওঁক এইফালে আহিবলৈকো বাধা কৰি দিলে চিৰদিনলৈ। ইয়াৰপৰা তাইৰ কি লাভ হ'ল? হয়তো ভৱিষ্যতৰ বাবে মৃত্যু মাৰিল। কি নিৰ্বোধ তাই, কি অবিবেচক তাই। তাই ভাবে আৰু বিছনাত ইকাতি-সিকাতি কৰি বাগৰি থাকে। নিৰ্বাসিতা নিদ্ৰাদেৱী আজি সবিতাৰ নয়ন কোণৰপৰা। শৰতৰ সেই ছবিটি আহি ঘনে ঘনে মনৰ মাজত ভুমুকি মাৰে। মনত পৰে এদিন দুয়ো নৱগ্ৰহলৈ যাওঁতে কথাৰ ছলত বাটতে শৰতে কোৱা থকা ফাঁকি—"ভালপোৱাৰ বাঁচিডাল যৰবৰ দৰে বলে সবিতা, যিমানেই টানিবা সিমানে বাঢ়িব।" তাই জানো আকৌ টানিব পাৰিব? তাই চিন্তা কৰে। আৰু মনত পৰে কামাখ্যাৰ নৱনিৰ্মিত ৰাস্তা চাবলৈ যাওঁতে কামাখ্যা পাহাৰৰ ওপৰৰ শিলত বহি দুয়ো ব্ৰহ্মপুত্ৰলৈ চাই থাকি কথা পতা দৃশ্য। মনত পৰে শৰতে তাইৰ গাৰ নিচেই কাষতে শিলছটাত বহি কোৱা কথাফাঁকি—"প্ৰেমে মানৱ অন্তৰ চহকী কৰে, সমৃদ্ধ কৰে সবিতা, সেয়েহে জীৱনত অন্ততঃ এবাৰ হ'লেও প্ৰেমত পৰিব লাগে যাতে অন্তৰখন অনুভূতিৰে ভৰপূৰ হয়। ব্যৰ্থ প্ৰণয়ৰ মূল্য ইয়াতেই সবিতা। প্ৰেমে সময়ত বিৰহৰ তীব্ৰজ্বালা দিয়ে সচা; তথাপি ইয়ে হৃদয়ক কৰি যায় কৰ্ষণ, জীৱনক কৰি যায় আকৰ্ষণ। প্ৰণয়ৰ সাৰ্থকতা ইয়াতেই।" শৰতৰ এই মধুৰ বাণী যেন তাইৰ কাণত এতিয়াও ৰিণি ৰিণি বাজি আছে। স্মৃতিৰ পটৰপৰা ভাঁহি আহে অতীতৰ কোনো এক মিলন দিনৰ মধুৰ অভিসাৰ। হিয়া-মন তাইৰ আলোড়িত কৰি তোলে। ই কি আকৰ্ষণ—! কেনে পুলক স্পন্দন ।।

নীৰৱ হৈ থাকে। স্তব্ধ হয় চিন্তাস্ৰোত। ক্ৰমে যেন আৰম্ভ হয় ওভতনি গতি। অৱদমিত মনৰ কোনোবা গোপন গহ্বৰপৰা ধীৰে ধীৰে ওলাই আহে অতীতৰ কোনো এক অজ্ঞাত দিনৰ স্মৃতি—ঘৃণাৰ। পুৰুষ তেওঁ, শিক্ষিত তেওঁ, তথাপি বিনা প্ৰতিবাদে মানি ল'লে পিতাকৰ অন্যায় প্ৰস্তাব। তেওঁ নিশ্চয় প্ৰতিবাদ কৰিব পাৰিলেহেঁতেন; আনকি বিয়া বন্ধ কৰি দিবও পাৰিলেহেঁতেন। টকা লোৱাত তেওঁৰো মত আছে। ভাল পায় ধনক—মনক নহয়। ছিঃ! ইমান নীচ, ইমান হীন মনোবৃত্তি! তাই আৰু ভাবিব নোৱাৰে। তাই ক্ৰুদ্ধা হৈ উঠে—স্তব্ধ হৈ উঠে। এৰা, এই ভণ্ডজনতকৈ এই সৰল ইঞ্জিনীয়াৰজনেই শ্ৰেয়। তাকে তাই ভাল পাব। তাই ভাবে। ভবাৰ লগে লগে প্ৰবীণক কেন্দ্ৰ কৰি সবিতাৰ মনৰ মাজত গঢ়ি উঠে এক কল্পনাৰ হিমালয়। সঁচা, তাই তাকে ভাল পাব। তাকে ঢালি দিব অন্তৰৰ সমস্ত ভালপোৱা। তাই স্থিৰ হয়, দৃঢ় হয়। শৰতৰ ছবি মনৰ ফলকৰপৰা মচি পেলাব চিৰকাললৈ। এয়ে তাইৰ স্থিৰ প্ৰতিজ্ঞা। তাই শৰৎলৈ শেষ চেষ্টা কৰি চায়।

ইফালে শৰৎ। বাণবিদ্ধ বিহঙ্গ প্ৰায়। অন্তৰ দগ্ধ হৈ গ'ল। সবিতাই তেওঁক অপমান কৰিলে। কি অধিকাৰ আছে তাইৰ তেওঁক এনেভাৱে অপমান কৰিবলৈ? তেওঁ ভাবে। ভাবোঁতে ভাবোঁতে মনৰ মাজত উদয় হয় এটা বিশেষ চিন্তা। এৰা; তাইৰ অধিকাৰ আছে। তাইৰ বিগত দিনৰ মনৰ মানুহজনৰ ওপৰত জানো একো অধিকাৰ নাই? নিশ্চয় আছে। সেইবাবেই তাইৰ অভিমান ইমান প্ৰকট—ইমান প্ৰবল। তাইৰ অধিকাৰ বাহিৰত নহয়—তাইৰ অধিকাৰ অন্তৰত। তাইৰ অন্তৰদেৱতাই তাইক বল দিছে। তেওঁ নিজে চিন্তা কৰি চায়। দেখে, তেওঁৰ অন্তৰেও তাকেই কয়। তেওঁৰ অন্তৰ কুমলি আহে; মন সেমেকি পৰে। লাহে লাহে অতীতৰ ৰঙীন দিনবোৰলৈ মনত পৰে। বুকুখন হুমুহুমাই যায়। মুখ খুলি যেন চিঞৰি দিব—"সবিতা, মোৰ প্ৰাণৰ সবিতা, মই তোমাক ভাল পাওঁ। তুমি মোৰ⋯।" কিন্তু নোৱাৰে। সম্মান আৰু পদবীয়ে আগভেটি ধৰে। তুমুল দ্বন্দ্ব চলিছে মনৰ মাজত। কি নিদাৰুণ যন্ত্ৰণা! নিজৰ অজ্ঞাতে এটা হুমুনিয়াহ আহে তেওঁৰ। নিৰুপায় বেচেৰা।

দুই প্ৰেমিক-প্ৰেমিকাৰ মনৰ মাজত চলিছে তুমুল সংগ্ৰাম।

* * *

সিফালে শৰতৰ পিতা ঠিকাদাৰ। টকা লাগে। বহু, ধাৰ হেজাৰৰ অঙ্ক দেখিছে, নাম শুনিছে। এই সুযোগ এৰি দিব নোৱাৰি। ল'ৰাৰো বিয়া কৰোৱা হ'ল আৰু নিজৰো অভাৱ পূৰণ কৰা হ'ল। বেছ ঠিকাদাৰী বুদ্ধি। কিন্তু তেওঁৰ ইচ্ছা কেনেকৈনো ইঞ্জিনীয়াৰৰ ছোৱালীৰ বিয়া হোৱাৰ আগতে পুতেকক বিয়া কৰাব পাৰে তাৰ হে বেঁচ। ইঞ্জিনীয়াৰক দেখুৱাব—তেওঁ কোন। সেইবাবে বিয়াৰ প্ৰবল আয়োজন আৰু কন্যাপক্ষক ঘন ঘন নিষ্পেষণ।

আনফালে সবিতাৰ পিতা ইঞ্জিনীয়াৰৰ। চিন্তা কেৱল ছোৱালী বিয়া দিব লাগে অন্ততঃ ঠিকাদাৰৰ ল'ৰাৰ বিয়াৰ আগতে। তেওঁ ঠিকাদাৰক দেখুৱাব যে তেওঁৰ ল'ৰাতকৈ এওঁৰ ছোৱালী কোনো গুণে হীন নহয় বৰং শ্ৰেষ্ঠ। সেইবাবে বহু চেষ্টা কৰিছে ইঞ্জিনীয়াৰে তলে তলে। সবিতাৰ মতক মাত্ৰ বাট চাই আছে। সবিতাই প্ৰবীণক চিনেমা দেখুৱাবলৈ নিয়া গধূলি দুয়ো একেলগে ফুৰা, হাঁহি-খিকিন্দালি কৰি আলোচনা আদি কৰা জানিব পাৰি ইঞ্জিনীয়াৰ পৰম খুচি। তেওঁ জানে যে আদা দৰপ মাৰিছে বৌতিয়া গাজ মেলিবলৈ বেচি দেৰি নাই।

দেখা যাওক ঠিকাদাৰৰ ল'ৰাতকৈ আগেয়ে ছোৱালী বিয়া দিব পাৰে নে নাই শৰৎতকৈ ভাল নহ'লেও বেয়া নহয়, হীন নহয় প্ৰবীণ, এয়ে সান্ত্বনা দাসৰ। ঠিকা-দাৰৰ প্ৰতি বিৰূপ ভাব এটা বাৰুকৈয়ে শিপাইছে ইঞ্জিনীয়াৰৰ। প্ৰতিযোগিতাত মন যেন উন্মাদ হৈ উঠিছে দুয়োৰো।

এফালে চলিছে দুই পিতাৰ তুমুল প্ৰতিযোগিতা আৰু আনফালে চলিছে দুই সন্তানৰ দুয়োৰ প্ৰতিদ্বন্দ্বিতা। চাৰিওজনৰ মনৰ কুৰুক্ষেত্ৰ মাজত আৰম্ভ হৈছে এখন ভয়াময়া ৰণ। নাজানো কাৰ জয়, কাৰ পৰাজয় হয়।

|| বিশ ||

প্ৰণয়ৰ ক্ষেত্ৰত আৰু যুদ্ধক্ষেত্ৰত ছলচাতুৰি, বুদ্ধি-কৌশল সকলোৰে প্ৰয়োজন ; ন'হলে কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰি। সবিতায়ো নানা ছলচাতুৰি খেলিব ধৰিছে। প্ৰবীণক লৈ তাই যি খেলা আৰম্ভ কৰিছে, তালৈ চাই তাইৰ উদ্দেশ্য কি ধৰা টান। কোনে জানে কিজানি এই খেলাৰ মাজেৰে তাই প্ৰবীণক পৰীক্ষা কৰিব ধৰিছে ? সোণাৰ আঙুঠি পিন্ধাৰ আগতে পৰীক্ষা কৰি চাব লাগিব তাত খাঁটি সোণ আছে নে নাই। কোনে জানে কিজানি তায়ো তাক তেনেদৰে পৰীক্ষা কৰিব ধৰিছে ? সচাকৈ গ্ৰহণৰ উপযুক্ত হয় নে নহয় তাক পৰীক্ষা কৰিবৰ বাবেই কিজানি তাই তাৰ লগত এইবোৰ চাতুৰিৰ খেল খেলিছে ? তাইৰ মনৰ ভাব কি তাক জনা বৰ কঠিন।

বিয়লি বেলাৰ খিয়ালি মন লৈ সাজি-কাচি ওলাইছে সবিতা। ফুকন পাৰ্কলৈ ফুৰিব যাব। আকৰ্ষণীয় সাজ-সজ্জা। পুৰণি কালত নাৰীৰ হস্তালঙ্কাৰ আছিল খাৰু, আধুনিক যুগত হ'ল চুৰি ; আৰু আজি অতি আধুনিক যুগত হ'ল ঘড়ী। বাওঁ হাতত দামী ঘড়ী, বিহাত চিক্‌মিকিয়া পাৰি, কঁকালত কাশ্মিৰী পাটৰ পাতল মেখেলা, ভৰিত হাই-হিল 'চু' ; চুলিত জবাকুসুমৰ মধুৰ গোন্ধ, মুখত প্ৰসাধনৰ বিভোপন ক্ৰিয়া ; ওঁঠৰ কোণত হাঁহো হাঁহো ভাব। অন্তৰত এটা পাতল পাতল আৰামী ভাব। সান্ধ্যভ্ৰমণ বিলাসিনী যেন কোনো চিত্ৰ তাৰকা—মৰ্ত্ত্য অপেশ্বৰী। ললিত বলিত তনু, ৰূপোদ্ভাসিত শৰীৰৰ প্ৰতি অণু-পৰমাণু। লীলায়িত ভঙ্গীমাৰে ধীৰে ধীৰে চলি যায় ইঞ্জিনীয়াৰৰ দুহিতা। কাষে কাষে খোজ লৈছে প্ৰবীণ কলিতা। গাত তাৰ মূল্যবান সাজ। এই মাত্ৰ ক্ষৌৰ কৰ্ম সমাপন কৰি পাউডাৰৰ লেপ এটা গালে-মুখে দি ওলাই আহিছে। তাৰ নাকৰ তলত হিটলাৰী গোফ, ওঁঠৰ তলত তামোলৰ ৰাঙলী পিক। ৰুমালৰ কোণত এচেন্সৰ গন্ধ মাধুৰিমা, কেকোঁৰা চুলিৰ ভাজত সুগন্ধি তেলৰ তীব্ৰ সুবাস।

দুয়ো গৈ প্ৰবেশ কৰিলে ফুকন পাৰ্কত। দুবৰি দলিচাৰ ওপৰত সৌন্দৰ্য্য প্ৰতিমা নাৰী দেহখনি থৈ যেন এটা স্বস্তিৰ নিশ্বাস এৰিলে সবিতাই। কাষতে বহিল প্ৰবীণ সন্মুখা-সন্মুখীকৈ। নীৰৱ দুয়ো। সবিতাৰ মনত পৰিল হঠাতে বিগত দিনত মধুৰ স্মৃতি বিজড়িত এটা ঘটনাৰ কথা। এদিন ইয়াতে বহিছিল তাই

শৰতৰ লগত ঠিক এনে সময়তে—এনে বেশে, এনে পৰিবেশত এনে এটা ভাবকে মনত লৈ। আজি আকৌ যেন তাৰে পুনৰাবৃত্তি কৰিছে। কি যে পুৰণি পুৰণি ভাব এটা মনলৈ আহিল সবিতাৰ। অন্তৰ্মত মনৰ নিবিড় গুহাৰপৰা উঠি আহিল অতীতৰ পাহৰা স্মৃতিবোৰ। উন্মনা কৰি তুলিলে তাইক। হঠাতে যেন শৰতৰ অশৰীৰী আত্মাই আহি তাইক হেঁচি ধৰিলে। তাইৰ মুখৰ হাঁহি যেন শুকাই গ'ল। তাইৰ হাস্যোজ্জ্বল মুখখনি মলিন দেখি স্তম্ভিত হৈ গ'ল প্ৰবীণ। তাৰ অনুমান হ'ল যেন অকস্মাতে ৰাহুৱে আহি গ্ৰাস কৰি পেলালে শৰতৰ পূৰ্ণচন্দ্ৰ। বিমল কিৰণ যেন হঠাতে লুপ্ত হৈ গ'ল। প্ৰবীণে একেথৰে সবিতাৰ মুখলৈ চাই থাকি কৈ উঠিল—

"হঠাতে আপোনাক ইমান মলিন দেখা গ'ল কিয় ?"

"'চুইচ অফ্' কৰিলে 'ফেন'ৰ অৱস্থা কেনে হয় ?"

"কোনে বাৰু আপোনাৰ 'ফেন'ৰ 'চুইচ্ অফ্' কৰিলে ?"

"হেড অফিচৰ কনেক্চন অফ্ কৰিছে।"

"আপোনাৰ তেন্তে ক'ৰবাত হেড্ অফিচ আছে ?"

"মনৰ হেড্ অফিচ সকলোৰে আছে। চেতন, অচেতন আৰু অবচেতন—মনৰ এই তিনিটা অৱস্থাৰ কাৰণ সেয়ে। চিন্তা, ইচ্ছাশক্তি আৰু আবেগ—এই তিনিটা ক্ৰিয়াৰ গুৰিতে সেয়ে।"

"আপুনি আকৌ কিবা মনোবিজ্ঞানৰ কথা কবলৈ গ'ল। মই একো বুজি নাপাওঁ। আমি মেচিনৰ মানুহ।"

"তেনেহলে যন্ত্ৰৰ কথাকে কওঁক।"

"যন্ত্ৰৰ কথাত কি ৰস আছে ? বৰং মানুহৰ কথা কওক।"

"মানুহৰ কথা মানে মোৰে কথা, কাৰণময়ো মানুহ হে।"

"হয় আপোনাৰে কথা।"

"মোৰ কথা শুনিবলৈ গ'লে প্ৰথমে মই জানিব লাগিব মোৰ প্ৰতি আপোনাৰ শ্ৰদ্ধা আছে নে নাই।"

"আপোনাৰ ওপৰত মোৰ অসীম শ্ৰদ্ধা।"

"আপোনাৰ কথাবাৰ ৰূপমুগ্ধ পুৰুষৰ স্তৱৰ দৰে শুনিলো।"

"নহয়। বাস্তৱিকে কৈছো, মই আপোনাক অসীম শ্ৰদ্ধা কৰো, বৰ ভাল পাওঁ।"

"তেন্তে আপোনাৰ বিপদ আছে। সবিতাক যিয়ে ভাল পাব, তাৰে অসীম ক্ষতি।"

"হওক ক্ষতি, তথাপি মই ভাল পাওঁ আৰু আগলৈও পাম।"

"তেন্তে কালিৰপৰা আপুনি চাকৰি এৰি দিব লাগিব ; পাৰিব ?"

"কিয় ?"

"মোক যিয়ে ভাল পায় তেওঁৰ ভালপোৱাৰ অন্য বস্তু মই থাকিব নিদিওঁ।"

"কাৰণ ?"

"কাৰণ যিয়ে মোক ভাল পাব তেওঁৰ মনৰ প্ৰথম স্থানত মই বহিব চাওঁ। তাৰ মানে মই ভালপোৱাৰ অদ্বিতীয় বস্তু হৈ থাকিব খোজোঁ।"

"চাকৰিয়ে একো অন্যায় নকৰে আপোনাৰ ; বৰং সহায়হে কৰিব। চাকৰিয়ে টকা দিব।"

"তাৰ মানে বুজা গ'ল আপোনাৰ মনত চাকৰি আগ আৰু মই পিচ।"

"হয়, মই ভাবোঁ আগতে চাকৰি, পিচত হে নাৰী।"

"আৰু মই চাওঁ—হয় চাকৰি নহ'লে নাৰী।"

"কিন্তু মই চাওঁ দুয়োটা একেলগে।"

"অসম্ভৱ। মোক ভালপালে চাকৰি ৰাখিব নিদিওঁ।"

"বাৰু দেখা যাওক।"

এটা ক্ষীণ হাঁহি মাৰি সবিতাই কয়—"দেখিবলৈ দৰকাৰ নকৰে। বহু পুৰুষকে মই দেখিলোঁ, তেওঁলোকে প্ৰথমে মোৰ ৰূপমুগ্ধ হৈ ভালপোৱাৰ অভিনয় কৰে আৰু শেষত হয় বিচাৰে টকা, নহয় বিচাৰে চাকৰি। কাৰবাক লাগে টকা, কাৰবাক লাগে চাকৰি ; আচলতে মোক কোনেও ভাল নাপায়। এতিয়া উঠক, গধূলি হ'ল যাওঁগৈ।" সবিতা উঠে। প্ৰবীণো উঠে। দুয়ো ওলাই আহে ৰাস্তালৈ। বাটত যাওঁতে প্ৰবীণে সবিতাৰ নিচেই কাষলৈ আহি বৰ আবেগেৰে সবিতাৰ হাতখনত ধৰি ক'লে—"আপুনি মোক বেয়া পালে নেকি মিছ দাস ?"

"ভালপোৱা, বেয়াপোৱা মানুহৰ মনত এটা অৱস্থা মাত্ৰ। আপুনি অনুগ্ৰহ কৰি হাতখন এৰি দিয়ক।" গম্ভীৰভাৱে কথাষাৰ কৈয়ে সবিতাই তাইৰ হাতখন কোঁচাই আনিলে। প্ৰবীণে বৰ লাজ পালে। সবিতা আগবাঢ়িল। সি অতি সন্তৰ্পণে সবিতাৰ পিচে পিচে খোজ ল'লে। এটা নিৰানন্দ আৰু নিস্তব্ধতাৰ ভাবে

দুয়োকো যেন আবৰি ধৰিলে। সবিতা যেন হৈ পৰিল উদাসিনী নিৰ্লিপ্তা নাৰী আৰু প্ৰবীণ যেন হৈ গ'ল—হতবুদ্ধি—ব্যৰ্থ চিকাৰী।

ঘৰ পালে। উদাসভাৱে সবিতাই বিদায় দিলে প্ৰবীণক। মলিন বদনে আঁতৰি পৰিল প্ৰবীণ কলিতা—কক্ষচ্যুত পপীয়া তৰা। হতভাগ্য প্ৰবীণ কলিতা।

ৰুমৰ ভিতৰত সোমাই ইলেকট্ৰিক লাইটৰ চুইচত টিপা মাৰিলে সবিতাই। জ্বলি উঠিল বাল্ব; আলোকমণ্ডিত হ'ল সমস্ত কোঠা। সবিতাই আৰামী চকীখনত লৰণুতনুখনি লৈ ভাব সাগৰত মেলি দিলে মন-তৰণী।

সেই একে কথা—কাকো লাগে ধন, কাকো লাগে চাকৰি—উচ্চপদ; কিন্তু সবিতাক হ'লে কাকো নালাগে। শৰতে বিচাৰিছে টকা, প্ৰবীণে বিচাৰিছে চাকৰি, কোনোৱে বিচৰা নাই সবিতাক। বৰ দুখ লাগে তাইৰ। ইচ্ছা হ'ল যেন সকলো এৰি দি অকলে অকলে চিন্তা কৰি থাকিব কিবা এটা বিষয় লৈ। বিয়া-বাৰু কৰাই গৃহস্থী কৰিহে মানুহ থাকিব পাৰে নে কি? ৰসাল বিষয় এটাত মনোনিবেশ কৰিও মানুহে সেই গৃহস্থীৰ আনন্দ আৰু জীৱনৰ জৈৱিক আনন্দও লাভ কৰিব পাৰে। ললিতকলাৰ কোনো এটাত মন ঢালি দি মানুহে সহজে যৌন জীৱনৰ ৰসাস্বাদনৰ আনন্দ লাভ কৰিব পাৰে। তাৰবাবেই ললিতকলাৰ সৃষ্টি। চাবুলিমেচনৰ দ্বাৰা কলাৰ জৰিয়তেই মানুহে চৰম আনন্দ লাভ কৰি ঘৰ-সংসাৰ নকৰাকৈ বেছ সুন্দৰভাৱে জীৱন কটাই দিব পাৰে। আজি এই অৰ্থনৈতিক দুৰ্যোগৰ দিনত জনসাধাৰণৰ মাজত জনসংখ্যা বঢ়োৱা অকল বিপদৰ কথাই নহয় বৰং অন্যায়ো—। সেই দেখি চিৰকুমাৰী হৈ কোনো এটা ৰসাল বিষয়ত মন নিয়োজিত কৰাকে তাই শ্ৰেয় বুলি ধৰি ল'লে। এৰা, তাই বিয়া নকৰে—ললিতকলাত মন ঢালি দিব—জীৱনৰ নতুন পথ আৰম্ভ কৰিব—নতুন আনন্দ আহৰণ কৰিব। তেন্তে মিছাকৈ প্ৰবীণক পৰীক্ষা কৰি কি হব? মিছাকৈ বেচেৰাক কষ্ট দি লাভ নাই। সবিতাই সিদ্ধান্ত কৰে—প্ৰবীণক আৰু জন্মমে নকৰে তাই।

* * *

প্ৰবীণৰ লগত সবিতাই ফুৰিব যোৱা শুনি পিতাকে ভিতৰি ভিতৰি বৰ ৰং পালে। প্ৰবীণ ল'ৰাজন বেছ কামৰ ল'ৰা; চেহেৰা-পাতিও দেখনিয়াৰ, বিদ্যাও আছে—ইঞ্জিনীয়াৰিং ডিগ্ৰীধাৰী B. E.। যদি সবিতাই পছন্দ কৰে তেন্তে……।

অৱশ্যে পছন্দ নহবৰ কোনো কাৰণ নাই—। তেনেহলে তাক অতি সোনকালে প্ৰমোচন দিব লাগিব। এনেভাবে প্ৰবীণক কেন্দ্ৰ কৰি ইঞ্জিনীয়াৰ দাসে বহু কথাকে ভাবে।

ৰাতি মজিয়াৰ চেয়াৰত বহি টেবিলৰ ওপৰত ভাতৰ কাঁহী লৈ ভাত খাব ধৰিছে ইঞ্জিনীয়াৰ—লগতে দুই পুত্ৰ। ভাত খোৱাত নানা প্ৰকাৰৰ আলোচনা হয়।

আগফালে থিয় হৈ আছে সবিতাৰ মাক আৰু পিচফালে থিয় হৈ আছে সবিতা। তেওঁলোকে নানা তৰহৰ মেল কৰি থাকোঁতে এবাৰ পিতাকে হাঁহি মাৰি কৈ উঠিল—"শুনিছা বৰুণ, আজি প্ৰবীণে এটা বেছ বুদ্ধিৰ কাম কৰিলে। একাউনটেণ্টৰ বহীত এটা ভুল উলিয়াই দি ভেটী খোৱা বুলি মিছাকে চাব দি ধৰি হৈ-চৈ লগাই দিলে। সি বেচেৰাই কথাটো তল পেলাবৰ বাবে প্ৰবীণক খুব অনুৰোধ কৰিলে। প্ৰবীণেও ছেগ বুজি তাক হাত কৰি ল'লে। 'একাউনটেণ্ট' শৰ্মা বৰ্তমান তাৰ হাতৰ মুঠিত। বেছ বুদ্ধিমান ল'ৰা। তাৰ ভবিষ্যত সুন্দৰ হব বুলি মোৰ ধাৰণা।" বৰুণে বুজিলে কিয় পিতাকে প্ৰবীণৰ গুণ বখানিছে। সবিতাক আগতে উপস্থিত দেখি পিতাকে সবিতাৰ মনটোপ চাইছে। অৱশ্যে কথাটোও মিছা নহয়। সেই বুলি এই কথাষাৰ নকৈ পাচতো কব পাৰিলেহেঁতেন, নাইবা নকলেও একো ক্ষতি নহলহেঁতেন। কোৱাৰ অৰ্থ বুজিলে বৰুণে। অন্যবিলাকে বুজি যে পোৱা নাই এনে নহয়। তেওঁলোকেও বুজিলে। বুদ্ধিমতী সবিতাই তৎক্ষণাৎ বুজিলে পিতাকৰ মতলব। সেইবাবে তায়ো পিতাকৰ মন জুখিলে—

"সুন্দৰ হব বুলি ধাৰণা কৰিলেই সুন্দৰ নহব পিতা, তাৰ বাবে চেষ্টা লাগে। আজি ইমান দিনে তেওঁক কেৱল টোপ দেখুৱাহে হৈছে—আজিলৈ এচ. ডি. ও. এজনকে কৰি দিব নোৱাৰিলে।"

এনে অপ্ৰত্যাশিত প্ৰশ্ন শুনি ইটিয়ে সিটিৰ মুখলৈ চোৱা-চুই কৰিব ধৰিলে। লাজতে মাকে ভিতৰ সোমাই গ'ল। তৰুণে প্ৰগলভা ভনীয়েকৰ এনে অপ্ৰাসঙ্গিক প্ৰশ্ন শুনি লাজতে হাত ধুই বাহিৰলৈ ওলাই আহিল। বৰুণে নিৰুপায় হৈ তলমুৱাকৈ ভাত খাব ধৰিলে। পিতাক নীৰৱ হৈ গ'ল; কিন্তু মনে মনে বৰ ৰং পালে। সবিতাই যে প্ৰবীণক পছন্দ কৰিছে তাৰ প্ৰমাণ পোৱা গ'ল। নাৰীৰ মন ধৰা টান। বহু ক্ষেত্ৰত তিৰোতাই যাক ভাল পায় তাক ঘৃণা কৰা দেখুৱায়,

কৌতিয়াবা বৰনামো গায়, কৌতিয়াবা নাম শুনিলেই যেন নোৱাৰে এনে ভাব দেখুৱায়। নাৰী অনুযায়ী ইয়াৰ ধাৰা বিভিন্ন। শিক্ষিতাসকলৰতো কোনোমতে ততকে ধৰিব নোৱাৰি। তেওঁলোকে কৌতিয়াবা অতিপাত ভালপোৱা দেখুৱায়। কিন্তু পুৰুষ বেচেৰাই অলপ আগবাঢ়িলেই তাক অনাস্থাৰ প্ৰস্তাৱ দি হাঁহিয়াতৰ পাত্ৰ কৰি তোলে। কিছুমানক আকৌ বৰ নিকৰুণ ব্যৱহাৰ কৰে, পিচে বৰুণৰ মালাধাৰ হলে তেওঁৰ ডিঙিতে সুমাই দিয়ে। তিৰোতাৰ মন বুজা বৰ কঠিন। মানুহৰ মনত ঘৃণাৰ ওলোটাফালে বাস কৰে ভালপোৱা। কোনে জানে সবিতাই কিজানি প্ৰবীণক অৱজ্ঞা কৰাৰ অজুহাত দেখুৱাই ভাল পাবলৈ ধৰিছে। সেইবাবে বাপেকে হাঁহি মাৰি ক'লে—“আমাৰ একো কামত নাহিলে তাৰ সুবিধা কৰি দিয়াত আমাৰ লাভ কি সবি ?” তেওঁ মগুহৰ টুকুৰা এটাত কামোৰ মাৰে। সবিতাৰ মাকে আকৌ অলপ জোল দি যায়। বৰুণ ইতিমধ্যে উঠি যায়। সবিতাই উত্তৰ দিয়ে—“আমাৰ লাভ হয় নে নহয় তাৰ বিচাৰ পাচত হব। তেওঁক দিওঁ বোলা বস্তুটো সোনকালে দিয়া উচিত।”

“নিজৰ একো উপকাৰ নহ'লে পৰৰ কাৰণে কোনে মৰিব ?”

“নিজৰ হয় নে নহয় তাক আগতে কেনেকৈ জানিব ?”

সবিতাৰ কথাৰ তাৎপৰ্য বুজিলে বাপেকে। তাই যে ইতিমধ্যে কিবা এটা বন্দবস্ত কৰিছে এনে ভাব আহিল পিতাকৰ মনলৈ। আনন্দ মনেৰে পিতাকে ক'লে—“মই মাত্ৰ এটা কথাকে বাট চাই আছিলোঁ। বাৰু এই সপ্তাহৰ ভিতৰতে মই তাক এচ্ ডি. ও. পদত নিযুক্ত কৰিম।” পিতাকে ভাবিলে যে এচ্ ডি. ও. হলে তাৰ চাকৰি স্থায়ী হয় আৰু বুদ্ধিমতী জীয়েকে বিয়াৰ আগতে নিজৰ গিৰীয়েকক এটা ভাল অৱস্থায় দেখিবলৈ বাঞ্ছা কৰে। অৱশ্যে কথাটো বেয়া নহয় বৰং সুন্দৰ বিবেচনাৰ কাম। ধন্য সবিতা। পিতাকৰ বৰ মৰম ওপজে জীয়েকৰ ওপৰত। সচাকৈ সবিতা নাবালিকা নহয়—প্ৰকৃত চাবালিকা। আনন্দেৰে থাই-বৈ পিতাকে সবিতাৰ ওচৰলৈ আহি তাইক মৰম কৰি মূৰ পিহি কয়—“তোৰ ইচ্ছা পূৰ্ণ হব সবি। একো চিন্তা নাই।” পিতাকে সবিতাৰ মূৰটো পিহি মৰম কৰে। সবিতাই মৰমতে অকণমাণি ছোৱালীজনীৰ দৰে হৈ পিতাকৰ ওচৰত থিয় হৈ ৰয়।

॥ একৈশ ॥

'এসপ্তাহ পাচৰ কথা। পি. ডব্লিউ. ডি. অফিচত হৈ-চৈ লাগি পৰিছে। প্ৰবীণ কলিতাৰ প্ৰমোচন এচ. ডি. ও. লৈ—এয়ে ঘটনা। নানা গল্প, নানা গুজব ; মুখৰোচক নানা কাহিনী কেৰাণীসকলৰ মুখে মুখে। ব্যস্ততাৰে পৰিপূৰ্ণ সমস্ত অফিচ। উত্তেজনাৰ এটা শিহৰণ যেন প্ৰত্যেকৰে মনৰ মাজেৰে প্ৰবাহিত হৈ গৈছে। সকলোৰে মুখত হাঁহি কিন্তু অন্তৰত এটা ব্যঙ্গস্বৰ।

প্ৰবীণ কলিতা অতি ব্যস্ত। চাহ-জলপানৰ আয়োজন। গাত তত নাই। মুখত বিজয়ীৰ হাঁহি। অন্তৰত পুলকৰ বান। ব্যস্ততাৰ নাই অন্ত, বাক্যৰ নাই শেষ। অন্তহীন চাকৰিৰ দুৰ্জয় লালসা, অন্তহীন দৰমহাৰ অসীম ভৰষা। ব্যগ্ৰ মন আৰু উগ্ৰ আকাঙ্ক্ষা লৈ পলে পলে অতিবাহিত কৰিছে অফিচৰ কাল। এক বিৰাট কাণ্ড, এটা অঘটন ঘটনাহে যেন হৈ গ'ল প্ৰবীণৰ জীৱনত। এৰা, ঘটনাইতো।· একে শাৰীৰ তিনিজন টেম্পোৰেৰী ইঞ্জিনীয়াৰৰ ভিতৰত সি আছিল জুনিয়ৰ ; ইফালে তলৰ চিনিয়ৰ ওভাৰচিয়াৰ মিষ্টাৰ শইকীয়াহে প্ৰকৃততে এচ. ডি. ও. হব লাগিছিল, তেনেস্থলত এই কেজনক পাৰ হৈ বহিল প্ৰবীণে। অফিচত চাঞ্চল্যকৰ ঘটনা নহয়নো কি ? মিষ্টাৰ শইকীয়াই চিগাৰেট এটা জ্বলাই হুপিব ধৰিলে। কাষতে থকা কেৰাণীজনেও এটা মিকচাৰ পকাই লৈ দিয়াচলাইৰ কাঠিটো মাৰি লৈ ক'লে—
"আশ্চৰ্য্য ব্যাপাৰ, চাৰ। কলিতাৰ কাণ্ড দেখি আমি একেবাৰে অবাক।"

"অবাক হবলগা কি আছে বৰা ? আজি-কালি এই ৰকমেই চলিছে। খাতিৰ-বাতিৰ নহলে প্ৰমোচন হব দূৰৰ কথা চাৰ্ভিচ কনফৰ্মেই নহয়। নেদেখিছে মিষ্টাৰ গোহাইৰ অৱস্থা ; আজি ছয় বছৰ হ'ল পুলিচ এ. এচ. আই. হবৰ কিন্তু আজিলৈ চাকৰি কনফাৰ্মেই নহ'ল—প্ৰমোচনটো বহু দূৰত।"

"তেওঁৰ কথানো কি চাৰ ; আমাৰ অফিচৰ ওভাৰচিয়াৰ মিষ্টাৰ শৰ্মাৰ কথাকে নাচায় কিয় ; আজি ইমান দিনে তেওঁৰ চাৰ্ভিচো কনফৰ্ম হোৱা নাই। আচলতে চিনিয়ৰ হিচাবে তেওঁহে এচ. ডি. ও. হব লাগিছিল। তাৰ উপৰি অফিচিয়েল অৰ্ডাৰত প্ৰমোচন নিদি, দিছে বাহিৰৰপৰা। কি যে কাণ্ড হৈছে চাৰ···। দেশ স্বাধীন হ'ল নে কিছুমানৰ সুবিধা মিলিল আৰু কিছুমানে মজা মাৰিলে।"

সেইবোৰ বাদ দিয়া। দেশ স্বাধীন হোৱাৰ লগত একো কথা নাই। আমাৰ

জাতীয় চৰিত্ৰ শোধন নহয় মানে দেশৰ একো ভাল হব নোৱাৰে। আমাৰ জাতীয় চৰিত্ৰ,-হীনৰপৰা একেবাৰে হীনতাৰ পৰ্য্যায়লৈ নামিছে। জাতীয় চৰিত্ৰৰ মান উন্নত নহ'লে দেশৰ, দহৰ একো সুবিধা হব নোৱাৰে।"

এনেতে ওভাৰচিয়াৰ শৰ্মাই আহি মাত দি উঠে—"প্ৰবীণ কলিতাৰ 'বেকত' কোনোবা 'মিনিষ্টাৰ' চিনিষ্টাৰ আছিল নেকি চাৰ।"

"মিনিষ্টাৰ কিয় লাগিছে শৰ্মা। স্বয়ং মিনিষ্টাৰৰ বাপেক—অফিচৰ মালিক আছে নহয়।"

"ভাগ্য, শৰ্মা, ভাগ্য। কলিতাৰ দৰে ভাগ্যৱান আপুনি হব নোৱাৰে।"

"স্বীকাৰ কৰিছো। বেছ 'শ্ৰুড্' ফেলো। আমি আজি অত বছৰ চাকৰি কৰিলো অথচ·········।'

"আপুনিও পাৰিলেহেঁতেন শৰ্মা। পিচে আপোনাৰ জাতি বেলেগ...।

"অৱশ্যে। কিন্তু আচলতে আমাৰ শইকীয়াৰ হে—"

"শইকীয়াই যে আগে বাট বন্ধ কৰিছে—বিয়া কৰাই; খবৰ আছে নে নাই? হাঁহি মাৰি কয় বৰাই। এওঁলোকৰো হাঁহি উঠে। এনেতে চাহৰ কাপ আৰু মিঠাইৰ প্লেট লৈ আহে চকীদাৰ। এওঁলোকৰ কথা বন্ধ হয়।

আনফালে কেৰাণীসকল থকা ৰূমত কাপ-প্লেটৰ জনজননিৰ শব্দ বেচিকৈ উঠে। ঠুং-ঠাং শব্দ, হিঃ হিঃ হাঃ হাঃ হাঁহি আৰু গহীন পাতল নানা মন্তব্য—নানাজনৰ; এই সকলবোৰে যেন অফিচটো এক প্ৰকাৰ 'ডাইনিং হলত'হে পৰিণত কৰিছে। মুখত ৰসগোল্লা এটা ভৰাই চোবাই চোবাই কয় তালুকদাৰে—"কলিকা কিন্তু বৰ ভাগ্যৱান ভাই। চাকৰিও পালে মজা—এচ. ডি. ও. আৰু ছোৱালীও পালে চমৎকাৰ—সবিতা দাসক। কপাল, ভাই, কপাল।"

চাহৰ কাপত এটা হোপা মাৰি কয় চৌধুৰীয়ে—"আপুনি ভুল বুজিছে তালুকদাৰ, কলিতা ভাগ্যৱান বুলি মই কব নোখোজো, কাৰণ তেওঁ যি চাকৰি পালে সেই চাকৰি ৰখা কম টান নহব। শইকীয়া বাবু থাকোঁতে তেওঁৰ চাকৰি বজাই থাকিলেও লটিঘটি হব লাগিব। নতুন ইঞ্জিনীয়াৰ—অফিচৰ কাম একো নাজানে। তাৰ উপৰি বিজনী ছোৱালী পাব সেইজনীটো সাক্ষাৎ মা কামাখ্যা। দেখিলেই পিল্লাই চমকি উঠে। জুইত চগা পোৱা মৰা ৰূপ। বিদ্যুতৰ আকৰ্ষণৰ দৰে। এবাৰ জুৰৰ চাপিলে মৰিল। প্ৰবীণ কলিতা কামাখ্যাৰ বলিৰ পঠাহে হ'ল।"

তেওঁৰ ব্যঙ্গ কথাত গিৰ্জনি মাৰি হাঁহি উঠিল অফিচৰ কেৰাণীষ্টাফটোৱে। হাঁহিৰ শাম কটাত ওচৰৰ ৰুমত অঙ্ক কৰি থকা একাউনটেণ্ট শৰ্মাই খং কৰি কৈ উঠিল— "আপোনালোকে এনেকুৱা ব্যঙ্গ কৰিলে মই বৰ বেয়া পাওঁ। অফিচৰ এজন উচ্চ বিষয়াক এনেভাৱে তাচ্ছিল্য কৰিলে মই তেখেতক জনাবলৈ বাধ্য হ'ম। এটা প্ৰেচটিজতো আছে উচ্চ বিষয়া হিচাবে। ইট ইজ ভেৰি বেড।" শৰ্মাৰ কথাত সকলোটি নীৰৱ হ'ল। ফাচফুচ কৰি ইজনে সিজনক ক'লে—"মনে মনে থাকক। সিদিনা যে আমাৰ একাউনটেণ্ট বাবুক ভুল উলিয়াই দি কলিতাই ভয় খুৱাই হাত কৰি ৰাখিছে তাৰ খবৰ আছে নে নেই ?"

"এৰা ভায়া, ঠেলাৰ নাম বাবাজী। একো ঠিক নাই ; যিহে তেলীয়া এই শৰ্মা, কেতিয়াবা যে কিবা লগাই নিদিব তাৰ কি ঠিক ? কলিতাক ভালৰি বোলাবৰ বাবে আমাৰ বদনাম কৰা এওঁৰ পক্ষে একো টান নহয়। গতিকে মনে মনে থাকক।"

"বেয়া পায়, আমাৰনো কি—যিয়ে মৰে মৰক, যিয়ে বাচে বাচক। পৰৰ খবৰ লৈ কি হব ? নিজৰ কথা ভবাহে দৰকাৰ। অ'পিচে আমাৰ 'পে স্কেল'ৰ কথাটো কি হ'ল হে।" এইফাঁকি কথা ডাঙৰকৈ সুধিলে তেওঁ। তাকে শুনি চৌধুৰীয়ে মাত দিলে ঠাট্টা কৰি—"আমাৰ 'পে স্কেল'ৰ স্কেল-পাটৰ ইঞ্চি বোলে বাৰ'ৰ ঠাইত পোন্ধৰ কৰিব। এতিয়াৰপৰা বোলে পোন্ধৰ ইঞ্চিয়ে স্কেল হ'ব।"

অফিচত আকৌ হাঁহিৰ ৰোল উঠিল। এনেতে 'চুট-পেণ্ট' পিন্ধি সোমাই আহিল প্ৰবীণ কলিতা। সকলোৱে নমস্কাৰ দিলে। হাঁহি মাৰি প্ৰতি নমস্কাৰ দি একাউণ্টটেণ্টৰ ৰুমলৈ সোমাই গ'ল কলিতা। তেওঁ পিচ দি ৰুমত সোমাব ধৰোঁতেই তেওঁক নেদেখাকৈ তেওঁৰ ফালে চাই মুখ বিকটাই, ভেঙুচালি কৰি দিলে চৌধুৰীয়ে। বাকীবোৰে দেখা পাই মুখৰ ভিতৰতে হাঁহি দিলে।

এনেভাৱে চলিছে আজি অফিচ। চাহ মিঠাই চলিছে—কথা চলিছে—লগতে চলিছে কলিতাৰ বদনাম-সদনাম।

* * *

অফিচ ছুটীৰ পাচত প্ৰবীণ হাজিৰ "সবিতাহ"তৰ ঘৰত। সবিতাৰ মাকক গৈ মাত দিয়ে প্ৰবীণে। আদৰ কৰি মাকে প্ৰবীণক আগবঢ়াই নি বহুৱায় ড্ৰইং ৰুমত। খবৰ-বাতৰি সোধে বৰ আপোনভাৱে। কোনে জানে যে এৱেঁই তেওঁৰ ভাবী জোৱাই নহব ? বৰং নিশ্চিত বুলিহে ধৰিব পাৰে। সেই বোধি বৰ মৰম কৰি

ক'লে—"বোপা, তুমি অলপ বহা ; মই আহোঁ ভিতৰৰপৰা।" সবিতাক মাত দিলে—"সবি, এইফালে আহ্‌চোন, বোপা কলিতা আহিছে।" সবিতাই তাইৰ ৰুমৰপৰা মাত দিলে—"মই খাব ধৰিছোঁ মা। অলপ ৰবি।" "সবি আহিব ধৰিছে ; তুমি বহা বোপা" বুলি কৈ মাকে যায়।

এনেতে নৱবস্ত্ৰ পৰিধান কৰি সোমাই আহে সবিতা। মুখত মিচিকিয়া হাঁহি। প্ৰবীণক নমস্কাৰ কৰি কয়—"নমস্কাৰ এচ্‌. ডি. ও. চাহাব।"

"নমস্কাৰ সবিতা দেৱী।" তেৱোঁ হাঁহে। সবিতাই হাঁহি মাৰি ক'লে—

"আহক মোৰ ৰুমলৈ।"

"কিয় ?"

"অভ্যৰ্থনাৰ আয়োজন কৰা হৈছে আজি সবিতাৰ আপোন কক্ষত।"

"আপুনি দেখিছোঁ কবিত্ব কৰিহে কথা কয়। বলক বাৰু।"

দুয়ো গৈ সবিতাৰ ৰুমত প্ৰৱেশ কৰে। প্ৰবীণক বেতৰ চকীখনত বহিব দি সবিতাই বৰ ব্যস্ততাৰে চাহৰ যোগাৰ কৰিলে। ক্ষন্তেক পাচতে চাহ সমন্বিতে যাবতীয় মিষ্টান্ন আনি হাজিৰ কৰিলে প্ৰবীণৰ টেবিলত। হাঁহি মাৰি প্ৰবীণে ক'লে—

"আজি আৰু নোৱাৰিছোঁ। চাহ মিঠাই খাবলৈ আমনি লাগিছে।"

"চাহ মিঠাইত আমনি লাগক কিন্তু চাকৰিত যাতে আমনি নালাগে তাৰ বাবেহে সাৱধান হওক।" সবিতাই হাঁহি মাৰি কয়।

"কোনো চিন্তা নাই, অন্ততঃ আপোনাৰ পিতাকক বিপদত নেপেলাওঁ।"

"ময়ো তাকেই কামনা কৰোঁ। এই বিষয়ত পিতাৰ ওপৰত বহুত নজৰ পৰিব ; সাৱধান হব।"

"নিশ্চয় ; ময়ো প্ৰস্তুত।"

"চাহ খাওক।" হাঁহি মাৰি চাহৰ কাপ নি প্ৰবীণৰ হাতত তুলি দিয়ে সবিতাই।

"বাৰু, আপোনাৰ আদেশ শিৰোধাৰ্য।" হাঁহি হাঁহি সবিতাৰ লাৱণ্যময়ী ৰূপ চাই কয় প্ৰবীণে আৰু চাহৰ কাপ তুলি লয়। চাহ খাই উঠাৰ লগে লগে সবিতাই প্ৰবীণৰ চকুলৈ চাই প্ৰশ্ন কৰে—"পিচে অভীষ্ট সিদ্ধি হ'ল নে ?"

"অভীষ্ট সিদ্ধি হ'ল ; কিন্তু অভিলাষ পূৰণ হোৱা নাই।"

"অভিলাষ পূৰণ হোৱাৰ আগতে অভিনয়হে শেষ হ'ল কিন্তু।"

"অভিনয় শেষ ! কিহৰ অভিনয় ?"

"অতদিনে কৰি অহা সবিতাৰ অভিনয় ।"

"বুজিবলৈ টান পাইছোঁ ।"

"পিচত বুজিব ।"

"খুলি কওক ?"

"খুলি কবলৈ হ'লে—ইমান দিনৰ মোৰ যত অভিনয় আজি হ'ল সব অৱসান ।"

"হাঃ হাঃ বুজিছোঁ, ই অভিনয় নহয়—অভিমান বুলি কওক ।"

"যদি কব লাগে তেন্তে কওঁ—অভিমান নহয় বৰং অপমান ।"

"কি অপমান আপোনাৰ ?"

"নাৰীত্বৰ অপমান—মোক অৱজ্ঞা কৰাৰ অপমান ।"

"আপোনাক অৱজ্ঞা ?"

"হয়, মোক অৱজ্ঞা ।"

"আপোনাক মই অৱজ্ঞা কৰিছোঁ ?"

"নিশ্চয় । মই আগতেই কৈছোঁ যে মোক কোনেও নাচায়—চায় মাথোঁ মোৰ ৰূপ, পিতাৰ ধন । ই জানো অপমান নহয় মোৰ প্ৰতি ?"

"আপুনি ভুল বুজিছে । মই আপোনাৰ চিৰ অনুগত ।"

"অনুগত নহয়—অনুগৃহীত ; আৰু এই অনুগ্ৰহৰ বিনিময়ত মই বিচাৰোঁ মুক্তি । আজিৰপৰা মোক মুক্তি দিয়ক ।"

"অভিমান কৰিছে আপুনি ? মইতো ভবা নাছিলোঁ যে চাকৰি এৰি দিবলৈ আপুনি মোক সঁচাকৈয়ে কৈছিল ; মই ধেমালি কৰা বুলিহে ভাবিছিলোঁ ।" প্ৰবীণ গম্ভীৰ হৈ পৰে । সবিতাই তেওঁৰ মুখৰ ফালে চায় । নিঃসহায়ৰ দৰে তেওঁ কৈ উঠে—

"তাৰ বাবে সঁচাকৈ আপুনি অভিমান কৰিলে ?"

"অভিমান নহয়—অভিজ্ঞান । মই মোৰ অভিজ্ঞতাৰপৰা কৈছোঁ—যিমান সোনকালে পুৰুষৰ ইচ্ছা পূৰণ কৰা হয়, সিমান সোনকালে পুৰুষ আঁতৰি পৰে । নাৰী মাত্ৰ পুৰুষৰ অভীষ্ট সিদ্ধিৰ আহিলা । আপোনাৰো অভীষ্ট সিদ্ধি হ'ল যেতিয়া, তেনেস্থলত মোৰ উপস্থিতি আৰু নিষ্প্ৰয়োজন ।"

"ৰহস্য নকৰিব প্ৰনৰ—মই স'চাকৈ 'চাঁৰিয়াচাল' কৈছো।"

"ৰহস্য কৰা নাই। আপুনি ঠিক জানিব, মই আপোনাক কেতিয়াও বিয়া নকৰাওঁ।"

হঠাতে মটৰৰ ষ্টাৰ্ট বন্ধ হোৱাৰ দৰে প্ৰবীণৰ যেন সমস্ত কথা বন্ধ হৈ গ'ল। নিৰ্বাক নিস্পন্দ প্ৰবীণ! সবিতাই গম্ভীৰভাবে কৈ যায়—

"শিল্পী মনে বিচাৰে—আংশিক নহয়; বিচাৰে আটাইতকৈ ভাল—শ্ৰেষ্ঠ, নিকৃষ্ট নহয়। ময়ো চাওঁ পুৰুষৰ হৃদয়ৰ প্ৰথম স্থান; দ্বিতীয় স্থানত মই নবহোঁ। সবিতা ৰাশিয়ে বহিবলৈ চায় পুৰুষৰ জন্ম লগ্নতহে—দ্বিতীয়াও নহয়।"

"ই কি সত্য?"

"অবিচলিত সত্য। আপোনাৰ জীৱনত সবিতাৰ পূৰ্বৰাগহে পৰিছিল —উদয় হোৱা নাছিল। আপুনি বেজাৰ নাপাব।"

প্ৰবীণে একেথৰে সবিতাৰ মুখলৈ চাই থাকিল। ই সত্য নে ৰহস্য। সবিতা প্ৰহেলিকা নে তত্ত্বদৰ্শিনী? অবাক প্ৰবীণ। সবিতাই একে সুৰতে কৈ যায়—

"ক্ষমা কৰিব এনেকুৱা অপ্ৰিয় সত্য কোৱাৰ বাবে। মই কবলৈ বাধ্য হৈ হে কৈছো। মানুহক ফাঁকি দি লাভ নাই বুলি জানিহে মই কৈছো। আপুনি বেজাৰ নাপাব।"

"মই একো বুজা নাই। যদি স'চা হয়; তেন্তে আৰু উপায় নাই। আপোনাৰ কথা পিতাকেও নেপেলায় এই কথা মই জানো ভালদৰে।"

"কিন্তু যদি ৰগৰ…?"

"ৰগৰ নহয়; কাৰণ এতিয়া আপোনাৰ লগত ৰগৰ কৰিলে দোষ হব।"

"বাৰু"।

প্ৰবীণৰ মনত এটা গভীৰ উদ্বেগ। সবিতাৰ চকুত এটা অৰ্থব্যঞ্জক হাঁহি।

॥ বাইশ ॥

সপ্তাহ চেৰেকৰ পাচতে ইঞ্জিনীয়াৰ দাসে বিয়াৰ যোগাৰ কৰিলে। বস্তু-বাহানি ঠিক কৰিলে,মানুহ-দুনুহ সংগ্ৰহ কৰিলে। ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰিলে। ইঞ্জিনীয়াৰৰ মলিন ঘৰ-দুৱাৰত নতুন প্ৰাণৰ যেন সঞ্চাৰ হ'ল। জাকজমক হৈ উঠিল ইঞ্জিনীয়াৰৰ ভৱন। ইষ্টকুটুম্বৰ অহা-যোৱা আৰম্ভ হ'ল; লগতে নিজৰ নিজৰ সুবিধা কৰি ল'লে এক প্ৰকাৰ তেলীয়া ধৰণৰ মানুহবিলাকে। কাপোৰ-কাপোৰ, গহনা-পাতিবো যোগাৰ হৈ গ'ল। বিয়াৰ সমস্ত যোগাৰ যেন সমাপ্ত। অৱশ্যে ধনী মানুহৰ বিয়াৰ বাবে যোগাৰ কৰাত পলম নালাগে, কাৰণ টকা আছে যেতিয়া তৎক্ষণাৎ সকলোবোৰ কিনি আনিব পাৰে; কিন্তু পলম হয় নানা জনৰ নানা উপদেশৰ উৎপাতত হে।

ইফালে সবিতা। এটা বিৰাট সমস্যা সম্মুখত। এফালে পিতাকৰ আদেশ আৰু আনফালে নিজৰ মন। কি কৰিব তাই। পুৰুষৰ অধীনত্ব স্বীকাৰ কৰি নাৰীয়ে পুৰুষক দেহ দান কৰিব পাৰে; কিন্তু আত্মদান নকৰে। তাই স্থিৰ কৰে —ইয়াৰ প্ৰতিবাদ কৰিব। তাই কোনমতে এই বিয়াত নবহে। বিয়াৰ নামত অনিচ্ছা সত্বেও তাই কোনো পুৰুষকে দেহ দান কৰিব নোৱাৰে। তাই চায়— জীৱন লগৰী প্ৰাণৰ দুলালী হবলৈহে—কামনাৰ সহচৰী, শয্যা সঙ্গিনী হবলৈ নাচায়।

ভাটীবেলা চাহ মেলত তাই পিতাকৰ লগত তৰ্ক কৰে—

"মই বিয়া নকৰাওঁ পিতা।"

"তই বিয়া নকৰালে ইমান যত্ন কৰিলো কিয়?" খং ভাৱে প্ৰশ্ন কৰে পিতাকে।

"অসাৰ্থক যত্নওতো মানুহৰ হয় পিতা?"

"তেনে কথা নকবি সবি। তোৰ শিক্ষা-দীক্ষাৰ মৰ্য্যাদা ৰাখি কথা কবি।"

"শিক্ষাৰ সম্মান, মৰ্য্যাদা ৰাখি কব লগা হোৱা বাবেইতো এনেভাৱে স্পষ্টকৈ কৈছোঁ পিতা; নহ'লে পাচত ভুলত পৰিব লাগিব।"

"শিক্ষিতা ছোৱালীয়ে জানো এনেকৈ প্ৰতিবাদ কৰিবলৈ লাজ নালাগে?"

"শিক্ষা-দীক্ষা নাথাকিলে লাজ লাগিলহেঁতেন।"

"এয়েতো আধুনিক শিক্ষাৰ দোষ। গুৰুজনৰ আগতো যেই সেই প্ৰতিবাদ

তুলিবলৈ সংকোচ নকৰা হ'ল আজি-কালি আধুনিক শিক্ষা পোৱা ল'ৰা-ছোৱালীবোৰে।"

"এই দোষৰ অধিকাৰী কৰিছে আপুনিয়ে পিতা। আপুনিয়ে মোৰ নিজ মতামত প্ৰকাশ কৰিবলৈ উৎসাহিত কৰি আহিছে।"

"তেনেকৈ নিজৰ মতত চলা জানো শোভা পায়?"

"আপুনিয়ে মোক তেনে অশোভনীয় কাম কৰিবলৈ উদ্‌গাই দিছিল পিতা।"

এনেকৈ মুখে মুখে উত্তৰ দিয়াত পিতাকৰ বৰ খং উঠিল। বাক্ স্বাধীনতা থাকিল বুলি এনেকৈ মুখ চাই উত্তৰ দিয়া সহ্য নহয়। খঙতে পিতাকে ধমক দিলে —"সবিতা!"

পিতাকৰ ৰক্তচকুলৈ সজল নয়নে চাই সবিতাই কৰুণ সুৰে কৈ উঠিল—"পি—তা..." সবিতাৰ চকু সজল হৈ আহে। পিতাকৰ ফালে এবাৰ চায় পুনৰ তলমুৰা হ'ল। কন্যাৰ ক্ৰন্দন দেখি পিতৃ-হৃদয় বিগলিত হৈ গ'ল! সবিতাৰ ফালে কিছু সময় চাই ৰৈ তেওঁ চেয়াৰৰপৰা উঠি আহিল আৰু সবিতাৰ মূৰটো বুকুলৈ চপাই আনি পিহি পিহি কব ধৰিলে—"তই নাকান্দিবি সবি! তোৰ মনত দুখ দিবলৈ মই কোনো কামকে নকৰোঁ। বাৰু, কচোন তই প্ৰবীণৰ লগত বিয়াত কিয় নোসোমাৱ? সি কোনো অযোগ্য বুলি মোৰ ধাৰণা নহয়।"

"অযোগ্য বুলি কোৱা নাই, পিতা। কিন্তু...?"

"কিন্তু কি কচোন আইটি? তোৰ বাবেই মই তাক এচ. ডি. ও. কৰি দিলোঁ। তয়ে তাক প্ৰমোচন দিবলৈ কৈছিলি সিদিনা, আৰু তয়ে আজি অমত হ'লি? মোৰ নিজৰ ল'ৰা বৰুণক পিচ পেলাই তোৰ কথামতে তাকে মই নিয়োগ কৰিলোঁ! নিজৰ ল'ৰাক নিদি পৰৰ ল'ৰাক দিয়াৰ অৰ্থ জানো এয়ে। তই তেন্তে আগতে নকলি কিয়?"

"আগতে জানো মোৰ মতামত লৈছিলা?"

"তোৰ মত কি লম? তোৰ কাম-কাজৰপৰাই মই অনুমান কৰিছিলোঁ।"

"এইটো ভুল পিতা। মানুহে বহুত সময়ত নিজৰ ভাব লুকাই ৰাখি বহু কাম কৰে। ময়ো তাকেই কৰিছিলোঁ।"

"এইটো তই ভুল কৰিছ সবি। বাৰু কচোন, মই এতিয়া কি কৰোঁ?"

"বৰ্তমানে বিয়া বন্ধ কৰক পিতা।"

"বিয়া মই বন্ধ কৰিব নোৱাৰোঁ। অৱশ্যে তোৰ পছন্দমতে দৰা বাছি ল।"

"তেনেহলে কিছুদিন অপেক্ষা কৰিব লাগিব পিতা।"

তোক মই এসপ্তাহ সময় দিলোঁ। এই সপ্তাহৰ ভিতৰত বিয়া হব লাগিবই। ঠিকাদাৰৰ ল'ৰাৰ বিয়াতকৈ মোৰ ছোৱালীৰ বিয়া মই আগে চাওঁ।"

সবিতাৰ কবৰ মন আছিল—ঠিকাদাৰৰ ল'ৰাৰ আৰু আপোনাৰ ছোৱালীৰ বিয়া একেলগে নাচায় নে? কিন্তু নক'লে, কাৰণ তেতিয়া আৰু তেনে কথা কোৱা সময় আৰু অৱস্থা নাই। তাই লাহেকৈ ক'লে—"চেষ্টা কৰিম পিতা।"

॥ তেইশ ॥

সবিতাৰ আজি ৰাতি টোপনি নাই। তাই ভাবে—কোনে জানে কি জানি শৰতে তাইক পুনৰ গ্ৰহণ নকৰে? অৱশ্যে নকৰিবৰে কথা। ইমান অপমান জানো কোনো পুৰুষে সহ্য কৰিব পাৰে? বেচেৰা শৰৎ! কি যে ব্যৱহাৰ নকৰিছে তেওঁক এই সবিতাই! তাইৰ দোষ তাই স্বীকাৰ কৰে। কোনে কব পাৰে যে তাই ভুল কৰা নাই? এদিন তাই তেওঁক ভুল কৰি 'ষ্টুপিড' বুলি গালি পাৰিছিল কলেজত থাকোঁতে, কিন্তু তেতিয়াও শৰৎ দোষী নাছিল—আছিল সবিতাহে। এতিয়াও যদি তাই ভুল কৰি···। তাই আৰু ভাবিব নোৱাৰে। সিদিনা ক্ষমা খুজিছিল, আজিও তাই······। সীমাহীন চিন্তাত তাইৰ টোপনি নাই।

বিহানে উঠি সবিতাই প্ৰসাধন কৰি দেহটো সজাই ল'লে। তাৰ পাচত মটৰ গেৰেজলৈ গৈ মটৰখন চাই আহিল আৰু ড্ৰাইভাৰক নজগাই নিজেই উলিয়াই আনিলে। মটৰখনত উঠি তাই চলাই দিলে একেবাৰে পানবজাৰৰ শৰৎহ'তৰ ঘৰলৈ বুলি। শৰৎহ'তৰ দুৱাৰ মুখত মটৰ ৰাখি সোমাই গ'ল তেওঁলোকৰ ঘৰলৈ। এই ধৰ পুৱাতে সবিতা সাজি-কাচি অহা দেখি শৰতৰ মাকে আচৰিত মানিলে। কি কথা? অলপতে যে বিয়াৰ দিহা কৰিছে এই কথাৰ গম পায় শৰতৰ মাকে। সেই দেখি এনেকৈ এনেভাবে উপস্থিত হোৱাত তেওঁ আচৰিত হবৰে কথা। কিয় আহিল সবিতা—এয়ে হ'ল তেওঁৰ মনৰ প্ৰশ্ন। কিবা গুৰুতৰ

কথা আছে নিশ্চয়। তেওঁ অনুমান কৰিলে। এনেতে সবিতাই তেওঁক দেখিয়ে এটা হাঁহি মাৰি ক'লে—"মাহীদেউ—!" শৰতৰ মাকেও হাঁহি মাৰি ওলাই আহিল আৰু বৰ আদৰ কৰি মাতি নিলে—"আহা আইটি।"

সবিতাক ড্ৰইং ৰুমলৈ মাতি নি বহিব দিলে আৰু তেওঁ নিজেও বহি ল'লে আৰামেৰে। সবিতাৰ মুখলৈ চাই এটা লনি হাঁহি মাৰিলে শৰতৰ মাকে। বৰ ইচ্ছা আছিল এই সবিতাক বোৱাৰী হিচাবে পাবলৈ তেওঁৰ, কিন্তু নাপালে। বৰ দুখ, বৰ হতাশ ভাব আহিল তেওঁৰ মনলৈ। লাহেকৈ সুধিলে—"পুৱাতে আহিলা যে আইটি।"

"এটা বিশেষ খবৰৰ বাবে আহিলো মাহীদেউ ?"

"কি খবৰ ?"

"শৰৎদা গ'ল নেকি ?"

"হয়। সি যোৱা কালিয়ে গ'ল অনিতাক লৈ। তাইৰ কলেজ আছে নহয়; সেই দেখি বেচি দিন থাকিব নোৱাৰিলে।"

"অনিতা কোন্ মাহীদেউ ?"

"মোৰ সৰু ভনীজনীৰ ছোৱালী। তেজপুৰত থাকে। কলেজত পঢ়ে। সিদিনা শৰতৰ লগত আমাৰ ইয়ালৈ আহিছিল। কেইবাদিনো থাকিল, গতিকে কালি গ'ল গৈ।"

যি ভাবিছিল সেয়ে হ'ল; তাইৰ হিমালয় সদৃশ ভুল হৈছে। সবিতাৰ সৰ্বাঙ্গ যেন বিষাক্ত হৈ উঠিল গ্লানিৰে। উহ্, কি অন্যায় যে নকৰিছে তাই, তাইৰ শৰৎদাক! ভনীয়েকক জোৰাই দিছিল……। তাই আৰু ভাবিব নোৱাৰে। মূৰ আচন্দ্ৰাই কৰি আহিল। টেবিলৰ ওপৰত কিলাকুটিটো থৈ গালত হাত দি তলমূৰা হৈ ৰ'ল সবিতা। শৰতৰ মাকে সবিতাৰ হঠাৎ এনে ভাব পৰিৱৰ্তন দেখি বিস্ময় মানিলে। ঠিক এনে সময়তে চাকৰ ল'ৰাজনে আহি দুকাপ চাহ দি গ'ল দুয়োকো। শৰতৰ মাকে লাহেকৈ ক'লে—"চাহ খোৱা আইটি।"

সবিতাই মূৰতুলি চাই বিৰক্তি আৰু হতাশৰ সুৰত ক'লে—"চাহ খাবৰ ইচ্ছা নাই; এইমাত্ৰ খাই আহিছো; তথাপি আপুনি ক'লে যেতিয়া আপোনাক অৱজ্ঞা কৰিব নোৱাৰো।"

তাই চাহ তুলি লয়। দুয়ো চাহ খায়। চাহ খাই থাকোঁতে শৰতৰ মাকে সুধিলে—"কি কথা কোৱাচোন আইটি?"

"কথা শৰৎদাৰ লগতহে আছিল মাহীদেউ। তেওঁ গ'ল যেতিয়া আৰু কি কম?"

"কিবা দৰকাৰী কথা থাকিলে মই জনাব পাৰিম।"

"চিঠিৰেতো ময়ো জনাব পাৰিম, যিহেতু তেওঁক লগ নাপালোঁ। গতিকে চিঠিৰেই জনাম। বাৰু, এতিয়া উঠোঁহে মাহীদেউ; মোৰ বহুত কাম আছে। পুৱাতে দিগদাৰী দিয়া বাবে বেজাৰ নাপাব।" তাই নমস্কাৰ কৰে। ম্লান হাঁহি এটা মাৰি শৰতৰ মাকে তাইৰ ফালে চাই ৰয়। সবিতাই গৈ মটৰত উঠে আৰু মটৰ ষ্টাৰ্ট দিয়ে। লাহে লাহে মটৰ চলি যায়। শৰতৰ মাকে বিয়াৰ কথা সোধোঁ বুলিও সুধিব নোৱাৰিলে। হতবাক হৈ কেৱল তাই যোৱা ফালে চাই ৰ'ল।

ঘৰ পাই সবিতাৰ মন উদ্‌বাউল হৈ উঠিল। কি যে ভয়ানয় অপৰাধ কৰিছে তাই, তাক কল্পনাকে কৰা নাছিল। ইচ্ছা হ'ল যেন তাই এই মুহূৰ্তে গৈ শৰতৰ ওচৰত ক্ষমা খুজিব। সকলো দোষ স্বীকাৰ কৰি শাস্তি গ্ৰহণ কৰিব। দোষ কৰি মানুহে যেতিয়া ভালদৰে বুজি পায় যে সেইটো তেওঁৰ ভয়ঙ্কৰ দোষ হৈছে, তেতিয়া আহে অনুশোচনা; অনুশোচনা অহাৰ লগে লগে দোষৰ দণ্ড লবলৈ মন ব্যাকুল হৈ উঠে। সেইবাবে হত্যাকাৰীয়ে ফাঁচিকাঠত ওলোমাৰ আগতে তাৰ দোষ জানিব পাৰিলে সি নিজেই ফাঁচি কাঠলৈ স্বেচ্ছাই আগবাঢ়ে! দোষৰ শাস্তি নাপায় মানে মানৰ মনে শান্তি নাপায়। ফাঁচি কাঠৰ মহত্ব ইয়াতেই। মানৱ মনৰ ৰহস্য তাতেই। কি উপাদানেৰে যে আমাৰ মন গঠিত তাক ভাবি পোৱা নাযায়। দোষৰ দণ্ড লবলৈ মানৱ মন সদায় প্ৰস্তুত। সেই দেখি আজি সবিতাৰ শান্তি নাই। তাইৰ ইচ্ছা—তাইৰ শৰৎদাই আহি তাইক দুই গালত দুটা চৰ মাৰি কৈ দিয়কহি—তোমাৰ দোষৰ এয়ে শাস্তি। কিন্তু শৰৎ জানো আহিব? তাই নিজে নিজে প্ৰশ্ন কৰে আৰু হতাশ হৃদয়ে বহি ৰয়। তাই অস্থিৰ হৈ পৰে। কি কৰিব, কি নকৰিব একো স্থিৰ কৰিব নোৱাৰে। শেষত ভাবি ভাবি ঠিক কৰে—তাই চিঠি লিখিব। তাই গৈ নিজৰ লিখা টেবিলৰ ওচৰত বহি চিঠি লিখিবলৈ আৰম্ভ কৰে।

ওঁ

গুৱাহাটী, উজানবজাৰ
১২।১১।৫৫

পৰম পূজনীয় শৰৎদা,

মোৰ শতকোটি নমস্কাৰ গ্ৰহণ কৰিবা। আজি মই অন্তৰৰ অসহনীয় জ্বালাত চট্‌ফটাই মৰিব ধৰিছোঁ শৰৎদা; আজি মই ভুল বুজিব পাৰিছোঁ আৰু বুজিছোঁ যে, যি ভুল এবাৰ কৰিলোঁ—তাৰ ক্ষমা নাই, তাৰ শুধৰণীৰো কোনো পথ নাই। —তথাপি শৰৎদা, মই তোমাৰ ওচৰত ক্ষমা চাইছোঁ···মোক ক্ষমা কৰা। ঈৰ্ষাৰ জ্বালাত অঘটনীয় ঘটনা ঘটালোঁ, অকথনীয় কথা ক'লোঁ; তাৰ বাবে আজি অনুতাপ আহিছে শৰৎদা; এই অনুশোচনাই মোৰ অন্তৰ ডেই-পুৰি মাৰিব ধৰিলে। কি যে নকৰিছোঁ তোমাক! কি যে নকৈছোঁ তোমাক! ভুল—ভুল শৰৎদা—মোৰ বিৰাট ভুল হৈছে আৰু ক'ত ভুল হৈছে তাক আজি মই ধৰিব পাৰিছোঁ। অনিতাৰ ওচৰত মই চিৰদিন দোষী হৈয়ে ৰম। অমাৰ্জনীয় কথা ক'লোঁ অনিতাক···। মই জানো তেওঁ মোক ক্ষমা নকৰে। ক্ষমা বাৰু কিয় কৰিব? ভাই-ভনীক মই·····, উহ, মই আৰু ভাবিব নোৱাৰোঁ শৰৎদা; মোৰ ইচ্ছা হয় যেন, এই মুহূৰ্তে গৈ মই তেওঁৰ হাতত ধৰি মিনতি কৰিম আৰু তোমাৰ ভৰিত ধৰি কাকুতি কৰিম! আজি মোৰ ভুল ধৰা পৰিছে শৰৎদা—আজি মোৰ হৃদয়ত জুই জ্বলিছে।

শুনা শৰৎদা, জীৱনৰ প্ৰথম পৰিচয়ৰ দিনৰে পৰা মই তোমাৰ ওচৰত দোষ কৰি আহিছোঁ; ভুল কৰি আহিছোঁ। আজিও মোৰ মনত পৰে 'ষ্টুপিড' বুলি গালিপৰা কথা—সেই তাহানিৰ কথা। তেতিয়াওতো তুমি মোক ক্ষমা কৰিছা শৰৎদা। আজিও তোমাৰ এই পাগলী সবিতাক ক্ষমা কৰা—মোৰ শেষ অনুৰোধ; নহ'লে মই মনত শান্তি নাপাম।

মোৰ বিয়া পাতিছে শৰৎদা; সেই ইঞ্জিনীয়াৰজনৰ লগত, থাক, তুমি এদিন আমাৰ ঘৰত বহি থকা দেখিছিলা আৰু নকওঁ—মোৰ কবলৈ লজ্জা লাগে। মোৰ কাতৰ অনুৰোধ শৰৎদা, এবাৰ হ'লেও তুমি মোক দেখা দিয়াহি—ভুলৰ শাস্তি দিয়াহি। উহ, আৰু লিখিব নোৱাৰোঁ শৰৎদা, মোৰ চকুলোৰে কাকত ভিজি যায়। আহা শৰতদা, এবাৰ—মাত্ৰ এবাৰ তুমি মোৰ আগত দেখা দিয়াহি; নহ'লে তোমাৰ

এই পূৰ্বাকাশৰ উজ্জ্বল সবিতা আজিৰপৰা পশ্চিম আকাশত অস্তমিত হৈ যাব। তুমি আহিবা শৰৎদা ; মোৰ চিঠি পোৱা মাত্রে যেন আহা, মোৰে শপত। আৰু লিখিব নোৱাৰোঁ—।

'আপুনি'ৰ ঠাইত 'তুমি' সম্বোধন কৰাৰ অৰ্থ নিশ্চয় বুজিছা শৰৎদা। আজি তুমি মোৰ হিয়াৰ আপোন। ইতি—

তোমাৰ মৰমৰ

শ্ৰীমতী সবিতা দাস।

শৰতৰ নাম শিৰোনামাত লিখি কেবাবাৰো তাই আখৰ কেইটালৈ চায়—শ-ৰ-ৎ চন্দ্ৰ ভুঞা। বাঃ কি চমৎকাৰ নাম! তাইৰ মন নাচি উঠে। আজি তাইৰ মনত আবেগ, প্ৰাণত উদ্বেগ। হৃদয়ৰ প্ৰতি শিৰাই শিৰাই অনুতাপৰ দাবানল জ্বলি উঠিছে। তাই আৰু স্থিৰ হৈ থাকিব নোৱাৰা হৈছে। চিঠিখন বন্ধ কৰি বিচনাত ঢলি পৰে।

*　　　*　　　*

চিঠি পাই শৰৎ চমকিত হৈ উঠে। ই কি অনুৰাগ? ই জানো অনুৰোধ? ই জানো সত্য? ছলনাময়ী সবিতাৰ চাতুৰীময় চিঠি। ই কেতিয়াও সত্য নহয়। ইয়ো এটা খেলা, সেই খেলুৱৈ সবিতাৰ। ইয়ো এটা লীলা সেই লীলাময়ী সবিতাৰ। কেবাবাৰো পঢ়ে—ক্ৰমে দৃঢ় হয় ভাব, ঘনীভূত হৈ আহে ঘৃণা। ভুলৰ ক্ষমা? অনিচ্ছা সত্ত্বেও হোৱা ভুলৰ বাবে ক্ষমা থাকে; কিন্তু ইচ্ছাকৃত ভুলৰ জানো ক্ষমা আছে? ই তাইৰ অনুৰোধ নে অনুযোগ? ক্ষমা প্ৰাৰ্থনা নে পুনঃ কদৰ্থনা? কাতৰ কাকুতি নে বিদ্ৰূপৰ ভ্ৰূকুটি? একান্ত মিনতি নে ছলনাৰ আকুতি? কোনে জানে এই খেলুৱৈ নাৰীৰ মনত আকৌ কি খেলাই ভুমুকি মাৰিছে? তেওঁ বিশ্বাস কৰিবলৈ টান পায়; বিশ্বাস নকৰে। সৰলা সবিতা আজি যে জটিল কবিতা হৈ পৰিছে তাৰ মৰ্ম ভালকৈ উপলব্ধি কৰিছে শৰতে। তেওঁ দুবাৰ তিনিবাৰমান চিঠিখন পঢ়ি ভাবে আৰু হাঁহে—'অনুৰোধ'…? যাব লাগে। কিয়? আকৌ অপমান পাবলৈ? নিৰীহৰ ওপৰত নিষ্ঠুৰ আঘাত কৰি আনন্দ লাভ? সবিতাৰ মন একেবাৰে নষ্ট হৈ গৈছে নেকি? ইমান তললৈ নামিব পাৰে…? লাহে লাহে শৰতৰ মনত সবিতাৰ প্ৰতি ঘৃণা আৰু তাচ্ছিল্যৰ ভাবে আহি ঠাই লয়। তাইৰ চিঠিৰ শেষ বাক্যটো মাত্ৰে—'আপুনিৰ' ঠাইত

'তুমি' সম্বোধন কৰাৰ অৰ্থ…। এৰা নিশ্চয় বুজিছোঁ। তুমি মোক বান্দৰ পাইছা—কল দি ভুলাব খোজা ? শব্দৰ চাতুৰিৰে মোক মোহিব খোজা ? ইমানে বুৰ্বক পাইছা মোক ? ভাবে আৰু মনে মনে হাঁহে। এৰা, প্ৰাণৰ আপোন কৰি ল'লা, সেইবাবেই 'তুমি' সম্বোধন ? বাঃ চমৎকাৰ ছলনা সবিতা দেৱী। তুমি মোক অপৈণত নাবালক প্ৰেমিক পাইছা ? হাঃ হাঃ। তেওঁ হাঁহি উঠে তাচ্ছিল্য কৰি। তাৰ পাচত নিজে নিজে কয়—"তোমাকো 'তুমি'ৰ ঠাইত 'আপুনি' সম্বোধন কৰিব লাগিল, কাৰণ তুমি মোৰপৰা এতিয়াৰপৰা প্ৰাণৰ পৰা পৰ হৈ যাবা নহয় ? সেইবাবে 'আপুনি' সম্বোধন কৰিব লাগিল। কথাষাৰ ভাবি ভাবি তেওঁৰ এটা অস্বাভাৱিক উত্তেজনা আহিল আৰু কাগজ কলম লৈ চিঠি লিখিবলৈ আৰম্ভ কৰিবলে—

ওঁ

তেজপুৰ

১৫।১১।৫৫

শ্ৰদ্ধেয়া সবিতা দাস,

আপোনাৰ চিঠি পাই পৰম আনন্দিত হলোঁ। কিন্তু দুখ লাগিল ইয়াকে ভাবি যে আপুনি মোৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছে। আপোনাৰ ভুল হোৱা বুলি লিখিছে। মই কওঁ—আপোনাৰ ভুল নাই আৰু হবও নোৱাৰে। আবেগৰ বশৱৰ্তী হৈ আপুনি বৰ আবেগময় ভাষাৰে চিঠি লিখিছে যেন অনুমান হ'ল। আমি 'কেচ' বিচাৰ কৰা মানুহ ; আবেগৰ বশৱৰ্তী হ'লে সত্য বিচাৰ নহয়, গতিকে আবেগ বাদ দি কথা কব লাগে আৰু লিখিবও লাগে। সেইবাবে মোৰ নীৰস চিঠিৰ কৰ্কশ ভাষাৰে উত্তৰ পাই খং নকৰিব। মোৰ ওচৰত আপুনি কোনো দোষ কৰা নাই ; গতিকে ক্ষমাৰ প্ৰশ্ন ইয়াত উঠিবই নোৱাৰে। আপুনি শাস্তি দিবলৈ মাতিছে। আপোনাক শাস্তি দিবলৈ ভাৰতৰ দণ্ডবিধি আইনৰ কোনো ধাৰা দেখোন নপৰে। আপোনাক শাস্তি দিলে আৰু বহুত আধুনিকা, শিক্ষিতা ছোৱালীকো দণ্ড দিব লগাত পৰিব।

আপোনাৰ বিয়াৰ খবৰ পাই নথৈ সুখী হলোঁ। এতিয়াৰপৰা মই আপোনাৰ ছিয়াৰ পৰা পৰ হৈ গ'লো, সেইবাবে অতীতৰ 'তুমি'ৰ ঠাইত বৰ্তমান 'আপুনি' সম্বোধন কৰিলো। 'আপুনি' সম্বোধনৰ অৰ্থ নিশ্চয় বুজিছে।

পুৰণি কথাবোৰ বুৰঞ্জী হৈ হৈ পুৰণিৰ বুকুতে থাকক, বৰ্ত্তমানলৈ অনা অনুচিত। জীৱনত সুখ-দুখ, জয়-পৰাজয় আছেই। সেই লৈ মুৰ গৰম-কৰি লাভ নাই। তেখেতৰ লগত বিয়া হোৱা বাঞ্ছা কৰোঁ; কাৰণ তেতিয়া সুখী হব বুলি মোৰ ধাৰণা। আশা কৰোঁ ঈশ্বৰে অভীষ্ট সিদ্ধি কৰিব।

মই যাব নোৱাৰোঁ। ইয়াৰপৰাই শুভ-বিবাহলৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ। আপোনাৰ চিঠিত এটা বৰ অৰ্থব্যঞ্জক বাক্য আছে—"মই জানো, তোমাৰ বাহিৰে···।" এই বাক্যটো বৰ আবেগেৰে লিখিছে বোধ হয়। কিন্তু ইয়াৰ ক্ৰিয়া বৰ ভাল নহয়। ভবিষ্যৎ বিবাহিত জীৱনত ইয়ে আপোনাক বৰ আঘাত দিব বুলি মই ভাবোঁ; আৰু যদি কিবা প্ৰকাৰে তেখেতে জানিব পাৰে তেন্তে আৰু দাম্পত্য জীৱনত সুখ নাথাকিব। এনেবোৰ বাক্য নিলিখাই শ্ৰেয়। যদি কিবা উপৰুৱা ভাব আছে তেন্তে তাক দমন কৰাহে বিধেয়। আপুনি মোৰ বিষয়ে একো নাভাবিব। মই চাওঁ অনন্য-পৰায়ণা নাৰীহে, অন্যাসক্তা ৰমণীৰ বাবে মোৰ জীৱনৰ দ্বাৰ বন্ধ। আশা কৰোঁ আপুনি বেজাৰ নাপাব।

আপোনাৰ শুভ পৰিণয়লৈ মই যাব নোৱাৰিম। গতিকে মোৰ অন্তৰৰ শুভ ইচ্ছা প্ৰেৰণ কৰিলোঁ—

প্ৰণয়ৰ মধুৰৰস বওক জীৱনে;
জীৱন পবিত্ৰ হওক আত্মাৰ মিলনে। ইতি—

আপোনাৰ অনাদৃত
শ্ৰীশৰৎ চন্দ্ৰ ভুঞা।

চিঠিখন ভালদৰে জাপি লৈ লেটাৰ বক্সত দি দিলে। চিঠিখন দি আহি শৰতে এটা হুমুনিয়াহ মাৰিলে। নাজানো আনন্দৰ নে বিষাদৰ।

* * * *

চিঠিখন দুদিন পাচত গৈ সবিতাৰ হাতত পৰিল। চিঠিৰ ওপৰত শৰতৰ হস্তাক্ষৰ দেখি সবিতাৰ প্ৰাণ নাচি উঠিল। সি যি কি নহওক, তাইৰ শৰৎদাই এতিয়াও তাইক পাহৰা নাই। আথে-বেথে কৰি বৰ আবেগে তাই চিঠিখন মেলি লৈ একান্ত মনোযোগেৰে পঢ়ি গ'ল। চিঠিখন নপঢ়াৰ আগতে যি আনন্দ আৰু অধীৰতা তাইৰ মনলৈ আহিছিল চিঠিখন পঢ়ি তাৰ বিপৰীত ভাব আহিল। তাই জ্বলি উঠিল খঙতে। ই কেনে নিদাৰুণ উপহাস! তেওঁ তাইক ঠাট্টা কৰিছে?

তাইৰ মূল্য ইমানেই কম ? তাই জানো উপহাসৰহে পাত্ৰী ? তাইৰ আতিপাত খং উঠে। চিঠিখন ফালি টুকুৰা-টুকুৰ কৰিবৰ মন যায়। কিন্তু নোৱাৰিলে— তাইৰ মায়া জন্মিল ! চিঠিখন তাই চুটকেচৰ ভিতৰতে সুমাই থলে। তাইৰ চিন্তা আহিল। খং কৰিছে শৰৎদাই। এৰা খং কৰিবৰ কথাই। তাই যে তেওঁৰ অন্তৰ ভাঙি চুৰমাৰ কৰি দিছে। তাই নিজেই দোষী বিবেচনা কৰে। এৰা তাই দোষী। তায়ে এই অভিমান ভাঙিব লাগিব। তেওঁৰ এই খং অভিমান ভাঙিবলৈ তাই নিজৰ শক্তি প্ৰয়োগ কৰিব। তাই ভাবে, গুণে গাঁথে। শেষবাৰ তাই সিদ্ধান্ত কৰে—তাই পিতাকক লগ ধৰি শেষবাৰ চেষ্টা কৰিব—গুৰুতৰ আলোচনা কৰিব।

“তাই গৈ পিতাকৰ ৰুমত প্ৰবেশ কৰে। পিতাকে দলঙৰ নক্সাখন চাই আলোচনা কৰি আছিল ঠিকাদাৰ কেইজনৰ লগত। দলঙৰ ঠিকাটো কম ‘ৰেট’ দিয়া হিচাবে শৰতৰ পিতাকে পাব লাগিছিল ; কিন্তু মনোমালিন্য হোৱা বাবে ইঞ্জিনীয়াৰে নিদিলে। প্ৰবীণৰ হতুৱাই টেণ্ডাৰ খুলি প্ৰবীণৰ বন্ধুৰ নামে কম ৰেটত টেণ্ডাৰ দিয়াই ঠিকাটো তেওঁৰ নামে মঞ্জুৰ কৰিবৰ দিহা কৰিছে। ঠিকা নোপোৱাৰ সন্দেহ পাই খগুতে ঠিকাদাৰ ভূঞাই অফিচলৈকে যোৱা নাই। ইমান খামখিয়ালি এই পি. ডব্লিউ. ডি. ডিপাৰ্টমেণ্টটোত ! খগুতে ঠিকাদাৰ ভূঞাৰ স্থিৰতা নোহোৱা হৈছে।

বহুত মানুহ দেখা পাই সবিতাই ভিতৰৰপৰাই মাত দিলে—“পিতা” !

“কিয় মাতিছা আইটি” বুলি পিতাকে সোধে।

“কথা আছে। এইফালে আহক !”

“কি কথা।” নক্সাত চকু ৰাখিয়ে প্ৰশ্ন সোধে।

“তাত কব নোৱাৰি। মোৰ ৰুমলৈ আহক।”

“পাচত গ'লে নহয় নে ? মই বৰ ব্যস্ত হৈ আছোঁ আই।”

“তৎক্ষণাত যাব আহক। জৰুৰী সকাম।”

“বাৰু।” তেওঁ নক্সাখন টেবিলৰ ওপৰত থয় আৰু ঠিকাদাৰসকলক কয়— “আপোনালোকে অলপ বহক। মই ভিতৰৰপৰা আহোঁ।”

“ভাল চাৰ।” বুলি মূৰ কাতি কৰে তেওঁলোকে। ইঞ্জিনীয়াৰ দাস উঠি আহে আৰু মজিয়াতে সবিতাক লগ ধৰে। সবিতাই পিতাকক নিজৰ ৰুমলৈ লৈ

যায়। বাপেকে চেয়াৰত বহে ; সবিতা বিছনাত। পিতাকে ব্যস্ততাৰে সোধে—"কচোন তোৰ কি কথা।"

"আপুনি শৰৎদাহ'তৰ ঘৰলৈ যাব লাগে।"

"কিয় ?"

"শেষ বাৰলৈ এটা নিষ্পত্তি কৰিবলৈ।"

"নিষ্পত্তিটো কোনোবা দিনাই হৈ গৈছে সবি, আজি আৰু নতুনকৈ কিয় ?"

"কাৰণ আছে, পিতা।"

"মই আৰু সিহ'তৰ তালৈ নাযাওঁ, সবি।"

"নহয় পিতা, মোৰ শেষ অনুৰোধ—এবাৰ যাওক।"

"মই মোৰ সম্মান হানি কৰিব নোৱাৰোঁ। মোৰ এটা 'প্ৰেষ্টিজ' আছে।"

"নহয় পিতা, মোৰ কাতৰ প্ৰাৰ্থনা।"

বাৰে বাৰে এনে অসঙ্গত অনুৰোধ শুনি পিতাকৰ খং উঠিল। নিজৰ সম্মান হানি কৰিব নোৱাৰে তেওঁ। কিন্তু কন্যাগত-প্ৰাণ পিতা। প্ৰাণসমা কন্যাৰ কাতৰ অনুৰোধ উপেক্ষা কৰিবও নোৱাৰে আৰু আনফালে নিজৰ মৰ্য্যাদা হানি কৰিবও নোখোজে। দুই নাওত দুই ভৰি হৈ তেওঁ নিৰুত্তৰ হৈ ৰ'ল। সবিতাই পুনৰ কান্দনমুৱা হৈ ক'লে—

"কওক, যাবনে ?"

"বাৰু মই ভাবি চাওঁ।"

পিতাকে চিন্তামগ্ন ভাবে বাহিৰ হৈ আহে। সবিতাই একে ধ্যানে পিতাকৰ ফালে চাই ৰয়। তেওঁ গৈ ঠিকাদাৰসকলৰ লগত পুনৰ আলোচনাত বহে আৰু দলঙৰ বিষয়ে মেল কৰে। কিছু সময় পাচত ঠিকাদাৰ সকলক বিদায় দি তেওঁ পুনৰ চিন্তা কৰিব ধৰিলে। কি বুলিনো ঠিকাদাৰৰ ফালে যায় তাকে চিন্তা কৰে। বহুপৰ ভাবি ভাবি এটা উপায় উলিয়ালে। ব্ৰিজৰ টেণ্ডাৰত 'লোৱেষ্ট ৰেট' দিয়া বাবে ঠিকাটো তেওঁকে দিব বুলি কব ; তাকে স্থিৰ কৰিলে। এই বুদ্ধিত তেওঁৰ সম্মানো ৰব আৰু জীয়েকৰ অনুৰোধ ৰক্ষা কৰিবলৈও একো অসুবিধা নহব।

পিচদিনা পুৱাতে মটৰখন লৈ উপস্থিত হ'ল ইঞ্জিনীয়াৰ চাহাব ঠিকাদাৰ বাবুৰ নঙলামুখত। এই পুৱাতে ইঞ্জিনীয়াৰৰ অপ্ৰত্যাশিত আগমনত ঠিকাদাৰ আচৰিত হৈ গ'ল। অইন নহলেও ভদ্ৰতাৰ খাতিৰত হ'লেও নমস্কাৰ কৰিব লাগে।

ঠিকাদাৰেও পেটত থং ৰাখি মুখত হাঁহিমাৰি নমস্কাৰ কৰি ক'লে—"আহক দাস।" ইঞ্জিনীয়াৰেও প্ৰতি নমস্কাৰ কৰি ক'লে—"বহক। দুয়ো গৈ ড্ৰইং ৰুমত বহিল। খৰধৰ কৰি উঠি গৈ ঠিকাদাৰে চাহ আনিবলৈ চাকৰ ল'ৰাটোক হুকুম দি পুনৰ ফিৰি আহিল। সমুখৰ চেয়াৰখনত বহি হাঁহিমাৰি প্ৰশ্ন কৰিলে—"হঠাতে যে পুৱাতে আহিল ?"

"এটা দৰকাৰী কামৰ বাবে আহিলোঁ।"

"কি দৰকাৰী কাম ?"

"সেই যে ব্ৰিজৰ 'কনট্ৰেক্ট'টোৰ 'টেণ্ডাৰ' 'কল' কৰা হৈছিল, তাত আপোনাৰ ৰেট কম হৈছে। কিন্তু আপুনি আজিলৈ অফিচলৈ এবাৰো যোৱা নাই, মই কথা কবও সুবিধা পোৱা নাই। ইফালে কামটোও হব লাগে দুমাহৰ ভিতৰতে; গতিকে মই নিজে আহিবলৈ বাধ্য হৈছোঁ। বাৰু, আপুনি যোৱা নাই কিয় ?"

"ৰেট বোলে মোতকৈও কম আছে কাৰবাৰ ? গতিকে মই যোৱাৰ কি দৰকাৰ ?"

"এটা কথা ভুঞা, কাম কৰিব নোৱাৰা মানুহৰ ৰেট কম হ'লে কি হব ? নতুন মানুহে ৰেট কমকৈ দিয়েই—যাতে ঠিকা পায়; সেইবুলি আমিতো যাকে তাকে দি কাম নষ্ট কৰিব নোৱাৰোঁ।"

"কৰিব নোৱাৰাব বৰ কথা,. ৰাশ্চিৰ নজনাৰ বৰ হে'ঠা বুলি আমাৰ এটা যোজনাই আছে। কাম কৰিব নোৱাৰি কম ৰেট দি'লে কি হব ?"

"তাকেইতো কৈছোঁ। পাছে আপোনাক দিলে অতি সোনকালে পাৰিবতো ?"

"নোৱাৰা কামত ভুঞাই কোনোদিনে টেণ্ডাৰ নিদিয়ে। আপুনি কিবা মোক নাজানেনে ?"

"অৱশ্যে। পিচে এইবাৰ সাৱধানে কৰিব কাৰণ ইলেকচনৰ আগ বছৰ। আমাৰ পাচত এম. এল. এ. মন্ত্ৰী ঘূৰিব লাগিছে তেওঁলোকৰ হাতৰ মানুহক সুবিধা দিয়াৰ তালত। আপুনি কামটো সাৱধানে কৰিব লাগিব।"

"কাম পালেহে কৰিম।"

"মই অহা মানে কি।"

"অৱশ্যে আপোনাৰ অনুগ্ৰহ হ'লে……।"

এনেতে চাহ লৈ আহে চাকৰজনে। দুয়ো চাহ খায়। চাহ খাই উঠি মিক্চাৰৰ টিনটো ঠিকাদাৰে ইঞ্জিনীয়াৰৰ ফালে আগবঢ়াই দিয়ে। দাসে মিক্চাৰ পকাই লয়। ভুঞাৱে৷ বনায়। দুয়ো চিগাৰেট হুপে। দাসে কয়—

"ইলেক্চন পাপচিত দিয়া ৰিজতো, গতিকে অতি সোনকালে কৰিব লাগিব।"

"আপোনাৰ অনুগ্ৰহ হলে মই এমাহৰ ভিতৰতে কৰি দিম।" হাঁহি হাঁহি কয় ভুঞাই। তেওঁ পৰম আপ্যায়িত। কিন্তু ইঞ্জিনীয়াৰ পৰম উদ্বিগ্ন। কেতিয়া কেনেকৈনো আচল কথাটো উলিয়াব পাৰে তাকে চিন্তা কৰিছে। চেলু বিচাৰিছে। কিন্তু দুৰ্ভাগ্য যে ধুৰন্ধৰ ঠিকাদাৰে সেই কথাৰ কাষেৰেও নাযায়। তেৰো কোনো সূত্ৰে এনে এটা অপ্ৰাসঙ্গিক প্ৰশ্ন উত্থাপন কৰিব নোৱাৰে। নিৰুপায় হৈ তেওঁ ক'লে—

"বাৰু, মই এতিয়া উঠোঁহে ভুঞা।"

"ভাল বাবু। ইয়াৰ বাবে মই আপোনাৰ ওচৰত কৃতজ্ঞ হম।"

হাঁহি মাৰি দাসে কয়—"কিনো কৃতজ্ঞ হব? শৰতৰ বিয়াত এসাজ ভালকৈ খুৱালেই ৰক্ষা।"

এঃকেৰেই হাঁহি মাৰি কয় ভুঞাই—"তাৰবাবে ভাগ্য লাগে দাস।"

"বাৰু, শৰতৰ বিয়ালৈ কিমান দেৰি?"

হাঁহি মাৰি ভুঞাই কয়—"বহক বাবু দাস, মই কওঁ।"

ভুঞাই দাসক বহিব অনুৰোধ কৰে। দাসে তাকেই চেলু চাই আছিল; সুবিধা পাই তৎক্ষণাৎ বহি পৰিল পুনৰায় আৰামী চকীখনত। দুয়ো বহি নতুনকৈ মেল আৰম্ভ কৰিলে।

"বাবু দাস, আপোনালোকৰ সবিতা আইটিৰ বিয়া হ'ল কোন দিনা?"

"বিয়া লৈ জুলুমতে পৰিছো ভুঞা।" চিন্তামগ্ন যেন দেখা যায় দাসক।

"কিয়?"

"সবিতাই দেখো বিয়াত সোমাবলৈ মনে নকৰে। শিক্ষিতা ছোৱালী একো কবও নোৱাৰি ……। মহা মস্কিল হৈছে।"

"কিয়? প্ৰবীণ ল'ৰাজনটো একো বেয়া নহয়। তাৰ উপৰি বৰ্তমান তেওঁ এচ. ডি. ও.। বেছ ভাল হব।"

"ভাল হলেই, তথাপি তাই পছন্দ নকৰিবও পাৰে। পিচে আপোনালোকৰ?"

"আমাৰো তেনেই হৈছে। সি বিয়া নকৰাওঁ বুলি লিখিছে। তাৰ বোলে পৰীক্ষা দিবলৈহে মন।"

এটা মধুৰ হাঁহি মাৰি দাসে কয়—"ভুঞা, মই এটা কথা ভাবিছোঁ।"

শিক্ষিত ল'ৰা-ছোৱালীৰ যে এইবিলাক ফাঁকি-ফুকা দেখিছে এইবোৰ একো নহয়, কেৱল সিহঁতৰ মনোমত হোৱা নাই। মই বুজিছোঁ; বোধহয় আপুনিও নুবুজাকৈ থকা নাই। আমাৰ সবিতাৰ মাকে সিদিনা শৰৎ যোৱাৰ পাচত মোক একৰকম কৈছেই। ময়ো টকাৰ কথা ভাবি ছোৱালীৰ অমতত বিয়া নিদিওঁ। মোৰ টকা খৰচ হবই, মই জানো। গতিকে...।"

"গতিকে মানে শৰতৰ লগত······।"

এটা পাতল হাঁহি মাৰি ক'লে দাসে "আৰুনো কাৰ কথা কম? গোপন কথাতকৈ প্ৰকাশ কৰাই ভাল। আমাৰ বৰুণে কয় যে, সবিতাৰ বিয়াত টকা দিয়া মানে সিহঁতৰ বিয়াত লোৱা। গতিকে দহ বাৰ হেজাৰ যি লাগে তাকে দিবলৈ সি ৰাজি। শৰৎ বোলে তাৰ বন্ধু, আৰু সি কয় যে, সবিতা আৰু শৰতৰ ভিতৰত বেছ মিল আছে। মাকেও তাকেই কয়। মোৰো সেয়ে মত। যদি আপুনি মন কৰে···।"

দাসে কেৱাহিকৈ ভুঞাৰ ফালে চায়। ভুঞাই গহীনভাৱে মুৰ জোকাৰি কয়—"মাফ কৰিব দাস। মই আৰু কথা লবাব নোৱাৰোঁ। এবাৰ যেতিয়া বিয়া নকৰাওঁ বুলি মোৰ মুখেৰে বাক্য ওলাইছে তেনেস্থলত মই আৰু আপোনাৰ ছোৱালীক মোৰ ল'ৰাৰ বাবে আনিব নোৱাৰোঁ।"

"কথাটো আকৌ এবাৰ ভাবি চাওক। ই একো কথা হোৱা নাই। বিয়াৰ ব্যাপাৰত এনে বহু কথাৰে হেৰ-ফেৰ হয়। ই একো ডাঙৰ কথা নহয়।"

"সৰু কথাও নহয়। এবাৰ যেতিয়া ব্ৰহ্মবাক্য ওলাইছে, মই আৰু ঘূচাব নোৱাৰোঁ। আপুনি ক্ষমা কৰিব।"

"বাৰু, মই এতিয়া উঠোঁহে।"

"ভাল বাৰু।"

দাসে উঠি যায়। ভুঞাই নমস্কাৰ কৰি বিদায় দিয়ে। মটৰত উঠি যেতিয়া দাসে মটৰ চলাই দিলে তেতিয়া তেওঁৰ মনটো কেনেবা কেনেবা লাগিল। এনে

নিলজ্জ বিমুখতা তেওঁ জীৱনত কমেই পাই আহিছে। নিজকে সৰু সৰু বিবেচনা হ'ল। লাজ আৰু ক্ষোভত তেওঁৰ অন্তৰ ক'লা পৰি গ'ল।

দাস যোৱাৰ পাচত মটৰৰ ফালে চাই ঠিকাদাৰ ভুঞাই এটা বিদ্রূপৰ হাঁহি মাৰিলে—ঠিকা দি ভুলাব আহিছে। জগত ভুঞাৰ ওচৰত চালাকি কৰা সহজ কাম নহয়। এতিয়া আহিছে ছোৱালী যাচিবলৈ টকা সমন্বিতে। কি যে আস্পৰ্ধা মানুহৰ।

ভুঞাই মনতে কয় আৰু মনতে হাঁহে।

॥ চৌবিশ ॥

ঘৰত আহি দাসে জীয়েকক লগ ধৰি খং ভাবে ক'লে—

"জান সবি, সকলো সহ্য কৰিব পাৰোঁ কিন্তু অৱমাননা সহ্য কৰিব নোৱাৰোঁ। কোনো কামকে উপযাচি কৰিবলৈ যাব নালাগে কাৰণ যাচি দিলে সোণৰো মূল্য নাই। মোক আৰু কোনো দিনে তেনে অনুৰোধ নকৰিবি, সবি। মই আৰু নোৱাৰোঁ—বিয়া হ'ল বা নহ'ল তাত মোৰ কথা নাই।"

সবিতাই পিতাকৰ ওচৰলৈ আহি আগ্ৰহেৰে সোধে—"কি হ'ল, পিতা ?"

"হব কি ? তোৰ বিয়া প্ৰবীণৰ লগত হবই লাগিব। অশিক্ষিত, গৰ্বিত, অভদ্ৰ ঠিকাদাৰ এজনৰ ওচৰত মই হাঁহিয়াতৰ পাত্ৰ হব নোৱাৰোঁ। মোৰ শেষ কথা এই।"

খং কৰি পিতাক ওলাই যায়। সবিতাৰ বুজিবলৈ বাকী নাথাকিল ঠিকাদাৰৰ লগত পিতাকৰ কি ঘটিছে। বিষণ্ণ বদনে তাই তলমূৰা হৈ চিন্তা কৰে, হুমুনিয়াহ কাঢ়ে। তাইৰ একে একে সকলো কথা যেন স্মৃতি-পটৰপৰা উঠি আহিব ধৰিছে। তাই কিমান ভাল পাই সম্বোধন কৰিলে 'মৰমৰ শৰৎ দা' বুলি, আপুনিৰ সলনি 'তুমি' ব্যৱহাৰ কৰিলে প্ৰাণৰ আপোন ভাবি; কিন্তু তাৰ বিনিময়ত তেওঁ দিলে কি ? 'তুমি'ৰ সলনি 'আপুনি' বুলি ঠাট্টা জানো উপহাস নহয় ? তাইক তেওঁ তাচ্ছিল্য কৰিলে। খং, অভিমান, বিৰক্তিয়ে আহি হেঁচি ধৰিলে তাইক। নিজৰ বিছনাত পৰি শৰতৰ চিঠিখন পুনৰ চাব ধৰিলে। পঢ়ি পঢ়ি তাইৰ বেয়া লাগিল।

সচাকৈ তাইক তেওঁ ত্যাগ কৰিছে। অতি আধুনিকা সবিতাৰ নয়ন-কোণত হঠাতে দেখা দিলে দুটোপাল নয়নাশ্ৰু। এয়ে তাইৰ প্ৰথম চকুলো—জীৱনত প্ৰথম আঘাত। প্ৰেমৰ খৰস্ৰোতা জাহ্নবী গঙ্গাৰ পৰিবৰ্তে হৃদয়ত অবিৰলধাৰে বৈ গ'ল বিৰহৰ মন্দাক্ৰান্তা মন্দাকিনী ধাৰা। প্ৰণয় তটিনীৰ মাজত পৰিল চিৰ-বিৰহৰ বালিচৰ। নিৰ্বাপিত হ'ল আজি সবিতাৰ উত্তপ্ত কিৰণ। জীৱনৰ আশা আকাংক্ষা হ'ল মায়া মৰীচিকা।

তাই জানে যে তাই হেলেন নহয়, যাৰ বাবে ৰচনা হব ট্ৰয়ৰ যুদ্ধ; ক্লিওপেট্ৰা নহয়, যাৰ বাবে সৰ্বোচ্চ জলাঞ্জলি দিব বীৰ এণ্টোনিয়োই; সীতা নহয়, যাৰ বাবে শ্ৰীৰামে কৰিব লঙ্কা অভিযান—ৰাৱণ সংহাৰ; শকুন্তলা নহয়, যাৰ বাবে সৃষ্টি হব কালিদাসৰ অমৰ নাটক; তাই মাথোঁ সামান্যা ৰমণী—তাৰেই বাবে জগতত অমৰ কাব্য ৰচনাৰ নাই কোনো ৰসাল কাহিনী, নাই কোন কবিৰ চিত্ত-বিগলিত দৰদ। তাই ভাবে—তাই মাথোঁ জগতৰ কোটি কোটি নৰনাৰীৰ মাজৰ এজনী অনাদৃতা ছোৱালী।

অতি পুৰণি কালত যেতিয়া আছিল মাতৃসত্তাযুগ, তেতিয়া আছিল মাতৃয়ে গৃহকৰ্ত্ৰী সৰ্বেসৰ্বা। নাৰীৰ ইচ্ছাই আছিল বলবৎ; সম্পত্তিৰ অধিকাৰিণী আছিল নাৰী। তেতিয়া নাৰী আছিল সম্মানিতা। আৰু তাৰ পাচত পিতৃসত্তা যুগত হ'ল পুৰুষ প্ৰাধান্য—সম্পত্তিৰ অধিকাৰী হ'ল পিতা। পুৰুষৰ হ'ল একাধিপত্য ৰাজত্ব। পুৰুষৰ ইচ্ছাই হ'ল সমাজৰ ইচ্ছা; নাৰীৰো ইচ্ছা। তেতিয়াৰপৰাই হ'ল নাৰী পুৰুষৰ আজ্ঞাৰ দাসী। তেতিয়াই হ'ল নাৰী পদদলিতা। আৰু আজি? আজি পুৰুষৰ প্ৰণোদিত নাৰী-প্ৰগতীৰ যুগত নাৰীয়ে পালে মুক্তি কথাত—কাৰ্য্যত কিন্তু হ'ল চিৰ উপেক্ষিতা। অৰ্থনীতিৰ অনিবাৰ্য্য কাৰণত নাৰী হৈ পৰিল পুৰুষৰ খেলাৰ সামগ্ৰী। বাক্-স্বাধীনতা পালে—সম্পত্তিৰ স্বাধীনতা হেৰুৱালে। ইয়াতেই হ'ল নাৰী অপমানিতা। প্ৰগতিৰ নামত নাৰী আজি চহৰৰ ৰাস্তাই-ঘাটে ফুৰিছে মুকলি মূৰেৰে আৰু ঘৰৰ কোণত নীৰৱে বহি চকুলো টুকিছে বিষণ্ণ বদনে। মেলে-মিটিঙে পাৰ্কে-পিক্নিকে ঘূৰিছে চহৰৰ ধনিক-দুহিতা মুকলি আৰু নিবিড় নিশাত নীৰৱে বিয়াৰ বাবে চিন্তা কৰি মৰিছে আকুলি-বিকুলি। কিয়? অৰ্থনৈতিক পৰাধীনতাৰ নিৰ্লজ্জ নিষ্পেষণৰ বাবে নহয় জানো? অৰ্থনীতিৰ অনিবাৰ্য্য কাৰণত নাৰী হ'ল আজি পুৰুষৰ অৱহেলাৰ বস্তু; আৰু তাৰ বাবেই লগা হ'ল তিৰোতাক পুৰুষৰ

সান্নিধ্য। যদি কোনো নাৰীয়ে স্বোপাৰ্জ্জিত ধনেৰে নিজক ৰক্ষণাবেক্ষণ কৰিব পাৰে, তেতিয়া পুৰুষ হৈ পৰিব দুৰ্বল। তেতিয়া হয়তো পুৰুষে বিচাৰিব নাৰীৰ সান্নিধ্য—অৰ্থ সাহায্যৰ বাবে নহ'লেও হৃদ প্ৰাণৰ সাহায্যৰ বাবে ; আৰু তেতিয়াহে হব প্ৰাণৰ লগত প্ৰাণৰ সাৰ্থক মিলন—নাৰীৰ লগত পুৰুষৰ প্ৰকৃত মিলন।

তাই ঠিক কৰে তাই বিয়া নকৰায় ; আৱশ্যক হ'লে নিজৰ ভৰণপোষণৰ বাবে চাকৰিকে কৰিব।

দিনৰ পাচত দিন অতিক্ৰমি যায়। তাই সুস্পষ্ট মত প্ৰকাশ কৰে—তাই বিয়াত নবহে। পিতাকৰ লগত লাগে তৰ্ক, মাকৰ লগত লাগে কাজিয়া, ভায়েকৰ লগত লাগে বাক যুদ্ধ। সবিতাৰ সবল মন আৰু অকাট্য যুক্তিৰ ধাৰত পৰি সকলোৰে বাকবিতণ্ডা ছিন্ন-ভিন্ন হৈ যায়। কিন্তু আচল কাৰণ বুজিবলৈ কাৰো বাকী নাথাকে। বৰ্দ্ধমান পিতাকে আৰু জোৰ নকৰে; কাৰণ তেওঁ জানে যে শৰতৰ বিয়া শেষ নহয় মানে অন্ততঃ সবিতাই নবহে। 'চাইকো-এনালিচিচ' জনা ডাঙৰ দদায়েকেও একো নকয় কাৰণ তেওঁ বুজে যে উগ্ৰ আকাঙ্ক্ষাৰ অপূৰণত মানুহ মনলৈ আহে বিষম বিতৃষ্ণা—বিৰাট বিৰাগ। স্নেহশীলা মাকে সন্তানৰ বিশেষকৈ গাভৰু ছোৱালীৰ অতৃপ্ত আকাঙ্ক্ষাৰ বাবে হৈ পৰে অধিক বিহ্বলা ; সেয়েই সবিতাক আৰু এই বিষয়ত কোনো পীড়া-পীড়ি নকৰে। লাহে লাহে ঘৰখনত এটা মৌন আবেশ আৰু নিৰানন্দ পৰিবেশে বিৰাজ কৰে। সবিতাৰ মন হৈ পৰে উদাস—নিৰুদ্বেগ।

ইফালে বেচেৰা প্ৰবীণ। বহু আশা বুকুত বান্ধি লৈ সাঁতুৰিলে সবিতাৰ ছলনাৰ সাগৰত। কিন্তু বিধি বিড়ম্বনা। খেলুৱৈ ৰমণীৰ ছলনাৰ খেলাত পৰি লটি-ঘটিহে হ'ল—কাৰ্য্য সিদ্ধ নহ'ল। বিয়া নহব বুলি যেতিয়া নিশ্চিত জানিলে, তেতিয়া বেচেৰাই সচাকৈ বৰ আঘাত পালে। নিজক অযোগ্য বুলি যেতিয়া নিজে জানিব পাৰে নাইবা আনৰ দোষতে নিজৰ অযোগ্যতাৰ প্ৰমাণ হয়, মানুহৰ মনলৈ আহে বৰ বিক্ষোভ। নিজৰ মূল্য কমা বুলি অনুমান কৰিলে প্ৰবীণে। তাতে আহিল তাৰ 'ইনফিয়ৰিটি কমপ্লেক্স।' তাৰপৰাই হ'ল তাৰ মনত অশান্তিৰ বীজ ৰোপণ। অৱশ্যে নাৰী নাপালেও যে চাকৰি পালে তাতেই হ'ল তাৰ সান্ত্বনা ; তথাপি সি মনে মনে প্ৰতীজ্ঞা কৰিলে—সবিতাৰ বিয়া নহয় মানে সি বিয়া নকৰায়। দেখা যাওক বাৰু জীৱনৰ এই বিৰাট পৰীক্ষাত কাৰ জয় হয়, কাৰ হয় পৰাজয়।

সবিতাৰ লগত বিয়া নহব বুলি নিশ্চিত জানিও সি সবিতাহঁতৰ ঘৰলৈ যাবলৈ এৰা নাই। কিন্তু আগৰ দৰে তাৰ আৰু ঘনাই তেওঁলোকৰ তালৈ যাবলৈ বা সবিতা-হঁতৰ লগত মেল মাৰি থাকিবলৈ সময় আৰু সুবিধা নহয়। কামৰ দায়িত্ব। দায়িত্ব-পূৰ্ণ এচ. ডি. ও-ৰ কামত সি মনপুতি লাগিব লাগে; নহলে হঠাৎ পদস্খলন হোৱাও একো বিচিত্ৰ নহয়। সেই দেখি অতি সাৱধানেৰে কাম কৰি যায় প্ৰবীণে। সবিতাৰপৰা সিদিনা তেনে স্পষ্ট জবাব পায়ো বুদ্ধিমান প্ৰবীণে তাইৰ লগত সম্পৰ্ক ছেদ কৰা নাই, কাৰণ কোনে জানে কিজানি ইয়াৰ অন্তৰালত সবিতাৰ কিবা মতলবে আছে ? কিছুমান ছোৱালী আছে যিসকলে প্ৰথমে তাইৰ মনৰ মানুহজনক ঘৃণা কৰা দেখুৱায় আৰু শেষত দেখা যায় তাই তাকেহে আটাইতকৈ ভাল পায়। বৰণৰ মাল্যধাৰ তাৰ গলতে পৰে। যদি সবিতাৰো তেনে কিবা ঘটিছে ? প্ৰবীণ আশাবাদী হৈয়ে ৰয়। তথাপি মাজে মাজে তাৰ মনলৈ হতাশাৰ মেঘ ঘনীভূত হৈ আহে। এনে আশা, এনে আকাংক্ষা, এনে পৰাজয়কে লৈ অকল সিয়ে নহয়—আৰু শত শত প্ৰবীণ কলিতা ঘূৰি ফুৰে চহৰৰ পথে-ঘাটে অফিচে-বজাৰে।

হায় ! কুৰি শতিকাৰ হতভাগ্য প্ৰবীণ কলিতাৰ দল।

।। পঁচিশ ।।

হঠাতে আজি ঘৰলৈ আহিছে শৰৎ। তেজপুৰত বিয়া ঠিক কৰিছে পিতাকে। গতিকে এটা গুৰুত্বপূৰ্ণ আলোচনাৰ বাবে আহিছে তেওঁ। পিতাকৰ আজ্ঞা তেওঁ লঙ্ঘন নকৰে সঁচা; সেই বুলি তেওঁৰ জীৱন লৈ পিতাকক যথেচ্ছাচাৰ কৰিবলৈও তেওঁ দিব নোৱাৰে। সেইবাবে তেওঁ পিতাকৰ লগত এই বিষয়ে এটা সজ মীমাংসা কৰিবৰ বাবে আহিছে।

শৰতৰ কোঠালৈ পিতাকক মাতি নি শৰতে ক'লে—"পিতা, মোৰ বিয়া কৰোৱাত কোনো আপত্তি নাই; কিন্তু টকা লোৱাত মোৰ আপত্তি। মই আপোনাৰ আদেশ আজিকোপতি বিনা প্ৰতিবাদে পালন কৰি আহিছো, কিন্তু আজি এষাৰ কথা কবলৈ মই বাধ্য হ'লো যে বিয়াত কন্যা পক্ষৰপৰা টকা লৈ মোৰ মৰ্য্যাদা হানি কৰিব নোৱাৰো। আপুনি টকাৰ কথা বাদ দিয়ক।"

"কিয় ? আজি কালি সকলো ল'ৰাই টকা লয় ; নেদেখিছ সিদিনা বৰাৰ ছোৱালী বিয়া দিওঁতে ফুকনে কিমান টকা ল'লে ? চৌধুৰীৰ জীয়েকৰ ব্যুৰে ভাবী জোঁৱাইয়েকক আমেৰিকালৈ পঠালে। তাৰ উপৰি মন্ত্ৰী, গভৰ্ণৰ, জজ সকলোৱে দেখোঁ তেওঁলোকৰ ছোৱালীৰ বাবে কিমান দিয়ে আৰু কিমান ল'বাক ষ্টেট্-স্কলাৰ্চিপ' দি আমেৰিকা, বিলাত আদিলৈ ডিগ্ৰী লবলৈ পঠায়, তই জানো দেখা নাই ? তই মাত্ৰ হাকিমহে, তোতকৈ ডাঙৰ ডাঙৰ জনেই দেখো এই কাম কৰি গৈছে আৰু কৰিও আছে ; তই আপত্তি কৰ কিয় ?"

"ছোৱালীৰ পিতাকৰপৰা টকা লৈ বিলাত আমেৰিকালৈ গৈ যিসকলে সেইবোৰৰ পৰা একোটা ডাঙৰ ডিগ্ৰী লৈ আহি ডাঙৰ চাকৰি কৰিছে সেইসকলৰ লগত মোৰ মিল নাই পিতা। মই পৰৰ চ'ৰাঘৰত বহি ডাঙৰ হোৱা শ্ৰেণীৰ মানুহ নহওঁ, আৰু বিদেশৰ এটা ডাঙৰ ডিগ্ৰী আৰু ধনীৰ এটা বিৰাট অট্টালিকা দেখি ভয় খোৱা বিধৰ ল'ৰাও নহওঁ। এইবোৰ ফতুৱা কথা আৰু ধাপ্পাবাজিত ভোল যোৱা বা ভয় খোৱা ল'ৰা নহয় শৰৎ। মোক লাগে প্ৰকৃত বস্তু আৰু অবিচলিত সত্য। মই বিচাৰোঁ জ্ঞান,—ডিগ্ৰী নহয়; মানুহ—ধন নহয়; এই বিষয়ত মোৰ কোনো দুৰ্বলতা নাই। আপুনি এইবোৰ এৰি দিয়ক।"

তহঁতৰ দিনত যি ব্যৱস্থা চলিছে তাত আপত্তি কৰিবলগীয়া তোৰ কি আছে ? মই যুগ-ধৰ্মকে অনুসৰণ কৰিছোঁ।"

"যুগ-ধৰ্ম বুলি কোনো কথা নাই পিতা। আজিও সকলো শিক্ষিত ল'ৰাই টকা নলয়—বিশেষকৈ আত্মসন্মান বোধ যাৰ আছে।"

মই টকা ল'লে তোৰ কি আত্মসন্মান লাঘৱ হয় ? তইতো আৰু টকা নলয় ?"

"তেন্তে মই পুতলা নেকি যে মোক বিক্ৰী কৰিব আৰু তাৰ বাবে দৰদাম চলিছে ? মোক লৈয়ে টকাৰ আদান-প্ৰদান আৰু ময়ে থাকিম নীৰৱ হৈ ? তেনে কথা নহব পিতা। মই আপোনাক স্পষ্টকৈ কৈছোঁ টকাৰ প্ৰশ্ন বাদ দি কাম আৰম্ভ কৰক।

"যদি টকাকে লব নালাগে, তেন্তে ইঞ্জিনীয়াৰৰ ছোৱালীজনীকে বিয়া কৰোৱা ভাল আছিল ? তেতিয়া হলে ভৱিষ্যতলৈ মোৰে ঠিকা লোৱাৰ সুবিধা হ'লহেঁতেন। এতিয়া সেই সুবিধাকো হেৰুৱালোঁ আৰু এইটোকো হেৰুৱাম নে ? সিদিনা তেওঁ আহিছিল, মইহে বিমুখ কৰি পঠাইছোঁ। এতিয়া মই এইটো কেনেকৈ এৰোঁ ?

"মই সেইবোৰ নাজানো—কেৱল জানো যে টকা ল'লে মই বিয়া নকৰাম।"

"তাৰ মানে প্ৰকাৰান্তৰে ইঞ্জিনীয়াৰৰ ছোৱালী নহ'লে তই বিয়া নকৰ। খুলি নকৱ কিয় ? মই বুজিছোঁ তোৰ মতলব। ই তোৰ কি বিকাৰ ?"

"আপুনি ভুল ভাবিছে পিতা। মই টকা নোলোৱা চুতা কৰি সবিতাক বিয়া কৰোৱা ফন্দি পতা নাই ; বৰং মই আপোনাক জনাই থলোঁ যে, মই সবিতাকো বিয়া নকৰাওঁ ; আপুনি নিশ্চিন্ত হওক। ই মোৰ বিকাৰ নহয়—সৰল উক্তি।"

"বাৰু গুৱাহাটীৰপৰা তেজপুৰলৈ বাট খৰচ দুই হেজাৰতো লব লাগিব ?"

"কেতিয়াও নোৱাৰে। নিজৰ ল'ৰাৰ বিয়াত অইনে বাট খৰচ দিব লাগেনে ? তেতিয়া আপোনাৰ সন্মান ক'ত ৰব ? আপুনি ভাবিচিন্তি কাম কৰক। আগেয়ে একো নক'লেও আজি-কালি আপোনাক মানুহে কিবাকিবি শুনাই দিবও পাৰে। গতিকে নিজৰ সন্মানৰ প্ৰতি নজৰ ৰাখিব বুলি আশা কৰিলোঁ।"- পিতাকৰ খং উঠিল—"হঠাতে আহি গোলমালখন পাতি দিলি। মহা মস্কিল হ'ল। পিতাকৰ এনে উচ্চবাক্য শুনি ভিতৰৰপৰা মাক আহিল—"কিনো হ'ল, ইমানকৈ যে বকিছে ল'ৰাজনক ?"

"কিনো হব ? তোমাৰ ল'ৰাই আহি মোৰ ওপৰতো হাকিমগিৰি কৰিছে।"

"আপোনাৰো আৰু কথা—। নিজৰ ল'ৰাক যেনেতেনে কথা কয় নে ? এতিয়া তাৰ আগৰ দৰে কথা কবৰ বা ফুৰিবৰ সময় নাই। হেজাৰ হলেও এতিয়া তাৰ চালচলন বেলেগ হবই লাগিব। য'তে ত'তে তেনে ভাৱে জানো চলিব পাৰি ?"

"সেই বুলি বিয়াৰ কথাত সি মাত মাতিব লাগেনে ?"

"নিশ্চয় লাগে। আগৰ দৰে সি আৰু ল'ৰা নহয়—সমাজৰ এজন হৈ পৰিছে। আজি যেই সেই ৰকমে কাম কৰিলে মানুহে বেয়া বুলিব নহয়। আগেয়ে একো বিচাৰ নাছিল, আজি-কালি দহজনে তাৰ বিচাৰ কৰে। গতিকে সি য'তে ত'তে যেনেকৈ তেনেকৈ কৰিব কেনেকৈ ?"

"তাৰ মানে তোমাৰো মন ক'ত জানো। ইঞ্জিনীয়াৰৰ ঘৈণীয়েকক বিয়নী বুলিব নাপালে তোমাৰো যে গা জুৰ নপৰে তাক মই বুজিছোঁ।"

"সেইটো কিবা লুকাই ৰাখিব লগা কথা নে ? মই তেওঁলোকক ভাল পাওঁৱে। ইমানখিনি হবলৈ পালে আপোনাৰ বাবেই।" খং ভাৱে কয় ঘৈণীয়েকে। "তাৰ

পাচত পুতেকক মাতে—"আহ বোপা, ভাত দিছোঁ। মিছাকৈ এনে অবুজ মানুহৰ লগত তৰ্ক কৰি লাভ নাই। তই গুচি আহ, যি কৰে কৰি থাকক।"

"এৰা, মই যি কৰো কৰি থাকো আৰু তোমালোকে মা-পুতেৰে ধহি বহি থাকা? মোৰহে কিবা গৰজ পৰিছেনে? ময়ো একো নকৰোঁ।" তেওঁ খং কৰি ওলাই যায়। তেওঁ যোৱাত মাকে পুতেকৰ মূৰত হাত বুলাই কয়—"এই অবুজ-টোৰ লগত বকি থাকিলে কি হব বোপা। তই আহ, ভাত দুটা খাই যা।" মাকে পুতেকক লৈ যায়।

* * * *

শৰৎ তেজপুৰলৈ গ'লগৈ। ইফালে মাক-পিতাকৰ ভিতৰত চলিল মনো-মালিন্য। খুট্‌খাটকৈ দুয়োৰো ভিতৰত কাজিয়া লাগি থাকে। ঠিকাদাৰে চিন্তা কৰিলে—শিক্ষিত ল'ৰা, তাতে হাকিম হৈছে—সমাজত তাৰ এটা স্থান আছে; গতিকে তাৰ সম্মানৰ ফালৰপৰা চাই কথাষাৰ উলাই কৰিব পৰা বিধৰ নহয়। যদি বিপৰীতে যোৱা যায় তেন্তে যিমান শান্ত নহলেও খং উঠিব পাৰে শৰতৰ। সময়ত মেনি সাপৰো খং উঠে। ভাবি-চিন্তি ঠিকাদাৰে শেষত ঠিক কৰিলে যে মনে মনে শৰতক নজনাকৈ ইঞ্জিনীয়াৰৰপৰা টকা কেইহেজাৰমান লৈ তেওঁৰ ছোৱালীজনীক ঠিক কৰিব। অন্ততঃ শৰতৰ পঢ়া খৰচখিনি উঠিলেও ৰক্ষা। ছোৱালীজনীকো পছন্দ লাগে। তাকে ভাবি ইঞ্জিনীয়াৰৰ তালৈকে যোৱাকে ঠিক কৰিলে—উদ্দেশ্য—ল'ৰাক বিয়া কৰাব লাগে; কন্যাৰ পিতাকৰপৰা টকা লব লাগে। সুস্পষ্ট অভিমত ঠিকাদাৰৰ।

ধন্য। শিক্ষিত সন্তানৰ পিতা! তোমালোকে বেছকৈ জানা সৌত চাই নাও মেলিবলৈ।

পিচদিনা প্ৰাতসতে উপস্থিত ঠিকাদাৰ বাবু ইঞ্জিনীয়াৰ চাহাবৰ ড্ৰইং ৰুমত। এই ঘোকমোকালিতে ঠিকাদাৰৰ আগমন দেখি ইঞ্জিনীয়াৰ স্তম্ভিত হ'ল। বুজিলে যে, বুদ্ধিমান ঠিকাদাৰে সেই 'ব্ৰিজৰ কনট্ৰেক্‌টোৰ বিষয়ে কিবা কবলৈ আহিছে। ইঞ্জিনীয়াৰে গাম্ভীৰ্য্য বজাই ৰাখি গহীনভাৱে সুধিলে—"কি ভুঞা, খবৰ কি?"

"এটা বৰ ডাঙৰ কথা আছে দাস।"

"আপুনি চিন্তা কৰাৰ লাভ নাই। যোৱা কালিয়ে ড্ৰাফ কৰা হৈছে। আজি আপোনাৰ ওলাব।"

"ওলালে ভালে হ'ল। পিচে মই তাৰ বাবে অহা নাই; আহিছোঁ অন্য এটা কথাৰ বাবেহে।"

"কি কথা ?"

"বাৰু, আপুনি বহকচোন। মই ধীৰে সুস্থিৰে কওঁ।"

"তেনেহলে ৰব, মই চাহ ইয়ালৈকেই আনিবলৈ কওঁ।" দাস ভিতৰলৈ গ'ল আৰু ফিৰি আহি ভালকৈ বহি লৈ সুধিলে—"অ' পিচে ?"

এবাৰ চাৰিওফালে চাই লৈ ভুঞাই ক'লে—'মই আহিছোঁ বিয়াৰ সম্পৰ্কত হে।"

"কাৰ বিয়াৰ ?"

"মানে আমাৰ শৰতৰ।"

"শৰতৰ বিয়া কোন দিনা ?"

"আপুনি ক'লেহে হব।"

"মই ক'লেহে হব ? তাৰ অৰ্থ কি ?"

"তাৰ অৰ্থ কৰিবলৈ গ'লে—আমাৰ বিয়া তেজপুৰত নহ'ল, কাৰণ তাৰ বোলে ছোৱালীজনী পছন্দ নহয়। গতিকে আপোনালোকৰ·· ··· ।"

"তাৰ মানে সবিতাৰ লগত ?"

"হয়। সেইবাবে আজি মই নিজেই আহিলোঁ। মাকেও ক'লে বোলে তেখেতে-সকল আমাৰ আজি ইমান দিনৰ পৰিচিত; গতিকে নিজৰ মানুহ যেন লাগে। তালৈকে যোৱাত কি লাজ আছে, আপুনি বন্দোবস্ত কৰি আহক গৈ। ময়ো ভাবি চালোঁ যে আপোনাৰ লগত মোৰ সম্পৰ্ক কিমান দিনৰ; তেনেস্থলত সেই সম্পৰ্ক চিৰদিনলৈ ৰাখিব পাৰিলে একো বেয়া নহয় বৰং দুয়ো পক্ষৰে মঙ্গলহে।"

এনেতে দুকাপ চাহ আৰু লুচি দুই প্লেট লৈ হাজিৰ হ'ল সবিতা। তাইৰ গাত সাধাৰণ সাজ। প্ৰসাধনৰ কোনো চিহ্নই নাই। বগা মেখেলা চাদৰ যোৰা পিন্ধি চুলিবোৰ নবন্ধাকৈ পিঠিত মেলি দি, চেণ্ডেল জোৰ পিন্ধি আহিছে। পিতাকৰ আগত আৰু ভুঞাৰ আগত চাহ দি তাই গহীনভাৱে খোজকাঢ়ি গুচি গ'ল। ভুঞাই আগ্ৰহেৰে এবাৰ চাই ল'লে সবিতাক। এইজনীয়ে হব তেওঁৰ বোৱাৰী। কি শান্ত সৌম্যমূৰ্তি। কোনো চপলতা নাই, কোনো জাকজমকতা নাই! ইমান দিনে দেখি অহা তীব্ৰ ৰূপ যেন বদলি গৈছে সবিতাৰ। অনিমেষ

নয়নে চাই থাকিল ভুঞাই। তাকে দেখি দাসে ক'লে লাহেকৈ—"চাহ খাওক ভুঞা।"

তৎক্ষণাৎ চকু ফিৰাই আনি তেওঁ কৈ উঠিল—"আচ্ছা।"

দুয়ো চাহ খায়। ভুঞাই লাহে লাহে কয়—"মোৰ কথাষাৰ আপুনি কাণ কৰিছে নে ?"

"হয়। পাচে মই কিবা কব লাগে নেকি ?"

"নিশ্চয়। আপোনাৰ কথা নাপালে আমি আগবাঢ়িম কি ৰকমে ?" হাঁহি মাৰি দাসে আনন্দেৰে কয়—

"মোৰ কথা কব লাগিলে শুনক—আপুনি আগবাঢ়িব নাগালে। আপুনি বেজাৰ নাপাব ভুঞা, মোৰ ছোৱালী আপোনাব ঘ'ৰালৈ দিয়া নহব। মই এবাৰ যি কথা ভাবিছিলোঁ তাক পৰিবৰ্ত্তন কৰিছোঁ। আপুনি অন্য ঠাইত চাওক। শৰৎলৈ মই শুভ আশীষ আগ বঢ়ালোঁ।"

দাসৰ কথা শুনি ভুঞা শিলপৰা কপৌৰ দৰে হ'ল। তেওঁ ভাবিবই পৰা নাছিল যে আজিৰ যুগতো ছোৱালীৰ পিতাই এনেভাৱে নাকচ কৰিব পাৰে। তেওঁ নম্ৰস্বৰে ক'লে—"আপুনি খং নকৰিব দাস। মোৰ ভুল মই স্বীকাৰ কৰিছোঁ। আপুনি এবাৰ ভাবি চাওক।"

"মই বহুবাৰ ভাবিছোঁ ভুঞা আৰু ভাবিবৰ দৰকাৰ নাই। মোৰ কথা এটা।"

"হ'লেও এবাৰ···"

"আৰু নকব ভুঞা। যদি কিবা অন্য সকাম আছে তেন্তে কওক।"

এনেতে বাহিৰত মানুহ অহা গম পাই দাসে ক'লে—"মই যাব লাগে ভুঞা। আপুনি আজি অফিচলৈ গৈ ব্ৰিজৰ বিষয়ে আলোচনা কৰিব পাৰিব।"

"সেইটো হব। পিচ উঠিলোঁহে।"

ভুঞাই সেমেনা সেমেনি কৰি হাত মোহাৰি মোহাৰি ওলাই আহে। কিছুমান মানুহ সোমাই আহে ইঞ্জিনীয়াৰৰ তালৈকে। দাসে ভুঞাক নমস্কাৰ কৰি কয়—"নমস্কাৰ ভুঞা, বেজাৰ নাপাব।"

"নমস্কাৰ।" বুলি কৈ ভুঞা লাহে লাহে ঘৰলৈ খোজ লয় বিফল মনোৰথ হৈ। চমৎকাৰ নিয়তিৰ নিষ্ঠুৰ পৰিহাস!

।। ছাব্বিশ ।।

সবিতাৰ অন্তৰত জ্বলিছে ৰাৱণৰ চিতা-জুই। তাইৰ চিত্ত উদ্বেলিত ; মন ভাৰাক্ৰান্ত। হিয়াখনি কোলাহল উঠে। বেদনাৰ তীব্ৰ দংশনত তনু-মন জৰ্জৰিত। বিৰহ-বধূৰা ৰমণীৰ হৃদয়ৰ বিষাদ-গৰল আজি উদ্ভাষিত হৈ উঠিছে। হৃদয়ত অবিৰাম জ্বলে ব্যথাৰ জ্বালা, মনত অহৰ্নিশে জাগে ব্যৰ্থতাৰ গ্লানি। তাইৰ ক্ষুদ্ৰ হিয়াখনি অথিৰ-অবিৰ হ'ল। বিষাদ-বিমৰ্ষতাৰ ঘন কুঁৱলীয়ে মন আবৰি ধৰিলে। বিৰহৰ তীব্ৰ যাতনাত প্ৰাণ চট্‌ফট্‌ কৰিছে। আজিহে তাইৰ উপলব্ধি হ'ল কবি চৌধুৰীৰ—

"ব্যথাৰ সহস্ৰ জ্বালা ব্যৰ্থতাৰ গ্লানি
বুকু পোৰা তপত উচ্ছ্বাস ;
কোনেবা গুচাব মোৰ, কোনেবা শুনিব
আবৰাৰ স্বপ্ন উপন্যাস।"

এৰা, আজিহে অনুমান কৰিব পাৰিলে সবিতাই বিৰহৰ জ্বালা কি অসহনীয়, কি হৃদয় বিদাৰক ! মনৰ আনন্দ আহৰণৰ গ্ৰন্থীবোৰ যেন ছিন্ন বিচ্ছিন্ন হৈ গ'ল। শুকান নীৰস ভাব এটিয়ে আহি মন আগুৰি পেলালে। নোপোৱাৰ বেদনা তীব্ৰ কিন্তু পাই হেৰুওৱাৰ বেদনা তীব্ৰতৰ। তাই পাইছিল, কিন্তু ৰাখিব নোৱাৰিলে —হেৰুৱালে। ৰূপেৰে ভুলোৱা যায় ; কিন্তু প্ৰেমেৰেহে বান্ধি ৰাখিব পাৰি। তেন্তে কি তাইৰ প্ৰেম নাই ? কেৱল ৰূপৰ ফুলজাৰি মাৰিয়ে পুৰুষৰ মন আচ্ছন্ন কৰি ৰাখিছিল ? যেতিয়া এই ৰূপৰ মোহ কাটি গ'ল তেতিয়াই পৰিত্যাগ কৰিলে তাইক ? প্ৰশ্ন জাগে তাইৰ মনত। নহয়—তাইৰ প্ৰেম আছিল, তাই ভালো পাইছিল ; কিন্তু বুজাৰ ভুলত আজি সেই প্ৰেম হ'ল বিতাৰিত, প্ৰণয় হ'ল প্ৰতাৰিত। নিয়তিৰ ই যেন এক নিষ্ঠুৰ প্ৰতাৰণা—বিধিৰ এক নিকৰুণ প্ৰবঞ্চনা।

সুশিক্ষিত সবিতাৰ অন্তৰত আজি জ্বলিছে অনুতাপ অগ্নিৰ উত্তাপ দাহন। আধুনিকা সবিতাৰ মন আজি যুক্তিৰ বাহিৰত—সিদ্ধান্তৰ সিপাৰত। ভাবি ভাবি তাইৰ অন্তৰ জ্বলা-কলা হৈ পৰে। আদৰণীয়া সবিতা আজি হ'ল অনাদৃতা—অৱহেলিতা। নিৰুপায় সবিতা। তাইৰ আৰু কৰিবৰ একো শক্তি নাই। তাই উমা নহয় যে, হিমালয়ত গৈ শিৱক উদ্দেশে কৰিব কঠোৰ সাধনা, সীতা নহয় যে,

লঙ্কাত হনুমানৰ সৈতে কৰিব উদ্ধাৰৰ মন্ত্ৰণা, শকুন্তলা নহয় যে ঋষিৰ আশ্ৰমত গৈৰিক বসন পৰিধান কৰি কৰিব মন্ত্ৰ আৰাধনা, নাইবা ৰুক্মিণী নহয় যে শ্ৰীকৃষ্ণলৈ কৰিব প্ৰেমপত্ৰ ৰচনা। তাই হ'ল মাথোঁ কুৰি শতিকাৰ স্ত্ৰী-স্বাধীনতাৰ নামত ন্যায্য সন্মান বঞ্চিতা সামান্যা ৰমণী—যাৰ প্ৰেমৰ মূল্য নাই, বিৰহৰ আদৰ নাই; যাৰ চকুলোত নগ'লে কাৰো অন্তৰ, দুমুনিয়াহত নল'ৰে কাৰো আভ্যন্তৰ। তাইৰ মাত্ৰ আশ্ৰয় বিছনা; চিন্তাৰ পৰিশেষে আপোন সান্ত্বনা। তাইৰ মন ভাগি পৰিছে, চিন্তা বিকৃত হৈ গৈছে।

সাধাৰণ অশিক্ষিতা ছোৱালী হোৱা হ'লে আজি তাই স্পষ্টকৈ কৈ দিলেহেঁতেন —“শৰতক নাপালে মই মৰিম”, অৰ্ধ শিক্ষিতা হোৱা হলে কৈ দিলেহেঁতেন—“মই আজীৱন অবিবাহিতা হৈ ৰম।” কিন্তু তাই নহয় অশিক্ষিতা, নহয় অৰ্ধ শিক্ষিতা বৰং সুশিক্ষিতা। আধুনিক শিক্ষাৰ সমস্ত চিন্তা-ধাৰা আৰু ধৰণ-কৰণৰ লগত তাইৰ বেছ পৰিচয় আছে। তেনেস্থলত তাই অশিক্ষিতাসকলৰ দৰে আউলি-বাউলি-চুলি হৈ উন্মাদিনীৰ দৰে বিৰহৰ তীব্ৰ দংশন উপশম কৰিব নোৱাৰে, অৰ্ধশিক্ষিতাসকলৰ দৰে প্ৰেমপত্ৰ ৰচনা কৰি হৃদয় উজাৰ কৰি দেখুৱাব নোৱাৰে। তাই মাথোঁ পাৰে নীৰৱে হৃদয়ৰ সমস্ত ভাবাবেগ গোপন কৰি তিলে তিলে ধ্বংস হবলৈ,—নিজৰ অন্তৰৰ অগ্নি অন্তৰতে মাৰ নিয়াবলৈ। তাই নোৱাৰে—নিজক তাই কাৰো হাঁহিয়াতৰ পাত্ৰী হবলৈ এৰি দিব নোৱাৰে; আৰু নোৱাৰে মনৰ সকলো বেদনা প্ৰকাশ কৰি নিজৰ ব্যক্তিত্বক হেয় প্ৰতিপন্ন কৰিবলৈ। সেয়েহে তাই হৃদয়ৰ এই অসহনীয় জ্বালা অন্তৰতে থুপাই থৈ বাহিৰত বেছ ৰং-ৰূপৰ গাভৰুজনী সাজিলে। নৱ-আয়োজনে চলিল ৰূপৰ সাধনা। হৃদয়ৰ বেদনা আচ্ছাদন কৰি ৰাখিবৰ বাবে সবিতাই নিজেকে সজাই তুলিলে চহৰৰ আধুনিকা গাভৰু সাজেৰে।

ক্ষুধাৰ জ্বালা প্ৰশমিত কৰা যায় অন্নৰে, পিপাসাৰ জ্বালা উপশমিত কৰা যায় সুশীতল জলেৰে; কিন্তু বিৰহৰ জ্বালাৰ নাই একোতে উপশম, নাই একোতে ব্যতিক্ৰম। তাতে হয় মন বিক্ষিপ্ত, হৃদয় উৎক্ষিপ্ত। তাৰ জ্বালা নিবাৰণাৰ্থে যোগীয়ে আশ্ৰয় লয় সাধনাৰ, সাধুৱে লয় ধৰ্মৰ, শিল্পীয়ে শিল্পৰ, ভাবপ্ৰৱণে সাহিত্যৰ, আবেগ প্ৰৱণে সঙ্গীতৰ, কৰ্মবীৰে লয় জন-সেৱাৰ আৰু নিতান্ত মূঢ়জনে আশ্ৰয় লয়—জুৱৈৰ, পানীৰ, জৰীৰ। কিন্তু সবিতা নহয় মূঢ়, নহয় যোগৰূঢ়। সবিতা কিন্নৰী, শিল্পী, আবেগ-প্ৰৱণা—সঙ্গীতজ্ঞা।' তাইৰ আশ্ৰয় সাহিত্য,

সঙ্গীত। সেয়েহে মনস্থ কৰিলে—স্নাবত যোগ দিব, সঙ্গীত কলেজত নাম লিখিব; সুৰৰ সাধনা কৰিব, সঙ্গীতৰ বন্দনা কৰিব। সুৰ, তাল, মান, লয়ৰ নৱ নৱ ছন্দ লৈ সৰস কৰি তুলিব নীৰস অন্তৰ। তাৰ কাৰণেই কিনি ললে এচ্‌ৰাজ, বেহেলা, তানপুৰা, তবলা নৃত্যনাট ইত্যাদি। সঙ্গীতৰ সুধা-ৰসেৰে জীৱন কৰিব সুধাময়, পৰাণ কৰিব মধুময়। সংসাৰ-মৰুত গানসৰোবৰ আৰু তাতেই অবগাহন কৰিব ভগ্ন-হৃদয়া সবিতাই।

নিতৌ পুৱাতে হাতত বীণখনি লৈ ওলাই যায় সঙ্গীত কলেজলৈ বীণাপাণি সাজি। ঘূৰি আহে ন বজাৰ আগে আগে। সন্ধ্যাৰ আগে আগে গাত বেগুনীয়া চাদৰখন মেৰিয়াই সন্ধ্যাদেৱী সাজি ওলায় পুনৰ—হাতত থাকে এচ্‌ৰাজ; মুখত থাকে মলিন মধুৰ হাঁহি। গতি মন্থৰ, চাহনি গম্ভীৰ। নীলা ব্লাউজৰ নীলাভ ৰশ্মি বেগুনীয়া চাদৰৰ মাজেৰে বিকশিত হয়। মৰাল গামিনী যেন সবিতা সুন্দৰী। জীৱন বিচিত্ৰৰসে পৰিপূৰ্ণ কৰি সংসাৰৰ সমস্ত ৰস যেন আকণ্ঠ পান কৰিব। সুখ-দুখ, হাঁহি-অশ্ৰু সকলোকে হৃদয়ত মিলাই লৈ যেন নিৰ্মাণ কৰিব মহা-মিলনৰ মহান সেতু।

আজি সবিতাৰ দুখ নাই—আছে তৃপ্তি; সুখ নাই—আছে শান্তি। হৃদয় নহয় ব্যাকুল, মন নহয় আবেগ প্ৰৱণ—মাথোঁ ৰসে নিমগন। ধৈৰ্য আৰু প্ৰশস্তিৰ শান্ত আলিঙ্গনত চিত্ত সমাহিত; ধৈৰ্য আৰু ক্ষমাৰ আলোক প্ৰভাৱত প্ৰাণ সুমধুৰশান্ত।

॥ সাতাইশ ॥

একে একে সমস্ত কাহিনী যেন পৰিস্ফুট হৈ উঠিল নবীনৰ চকুৰ সন্মুখত। শৰতৰ মৰ্মস্পৰ্শী পত্ৰ পাঠ কৰি উঠি নবীনৰ হাস্যমধুৰ পৰিহাসপ্ৰৱণ মন আকুল, চঞ্চল হৈ উঠিল। ই জানো বিয়োগান্ত নাটকৰ শেষ গৰ্ভাঙ্ক? এয়ে জানো পৰিণতি? নিৰ্মল চৰিত্ৰ, নিৰ্ভেজাল হৃদয়, শান্ত সমাহিত চিত্ত শৰৎ। তেনেজন মানুহৰ হ'ল প্ৰণয় ক্ষেত্ৰত ব্যৰ্থ পৰিণতি। বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ পৰীক্ষা বিজয়ী শৰৎ হ'ল আজি প্ৰণয়-পৰাজয়ী! কি অদ্ভুত !! কি অঘটন !!!

সংসাৰত মানুহ দুই প্ৰকাৰ। এক প্ৰকাৰ আবেগ-প্ৰৱণ—তাৰ পৰিচালক হৃদয়; আৰু অন্য প্ৰকাৰ হ'ল বুদ্ধি বা যুক্তি-প্ৰৱণ—তাৰ পৰিচালক হ'ল বিবেক

আৰু যুক্তি। আবেগ-প্ৰৱণৰ সুবিধা আছে—দিগ্‌বিদিক জ্ঞান-শূন্য হৈ আবেগৰ সোঁতত নিজক উটাই দি হৃদয়বানে লাভ কৰে অপৰিসীম তৃপ্তি। লাভ-লোকচান, মান-অপমানলৈ বাট চাবলৈ তাৰ সময় নাই। আবেগত মজি অন্তৰ ডুবাই দি সি লাভ কৰে অনিৰ্বচনীয় শান্তি—আনন্দ। সিয়ে হৈ পৰে প্ৰকৃত প্ৰেমিক, কবি। এণ্টোনিও তাৰ সাক্ষী, অষ্টম এডোৱাৰ্ড তাৰ সাক্ষী আৰু সাক্ষী কালিদাস, ওমৰ খৈয়াম, বাইৰণ।

যুক্তি-প্ৰৱণৰ সুবিধা আছে—যুক্তিৰ তুলাচনীৰে জুখি-মাখি বিবেকৰ চালনিৰে চালি-জাৰি চাই যুক্তি-প্ৰৱণে উপলব্ধি কৰে ভাল-বেয়াৰ প্ৰকৃত-সত্তা, সত্যৰ অবিকৃত প্ৰতিকৃতি।—তাতে তাৰ হয় সংশয় ছেদন, প্ৰত্যয় দৰ্শন। তাতে তাৰ শান্তি। সিয়ে হয় প্ৰকৃত দাৰ্শনিক। কাৰ্লমাৰ্ক্স, চোপেনহাৱাৰ, কপিল, গান্ধী তাৰ পটন্তৰ। কিন্তু যিজনৰ আবেগ নহয় প্ৰবল আৰু যুক্তিও হয় দুৰ্বল তাৰ গতি কি? তাৰ গতি ত্ৰিশঙ্কুৰ স্বৰ্গ। আবেগৰ কোবাল সোঁতত নিজক উটাই দি সি লাভ কৰিব নোৱাৰে বিমল আনন্দ, আৰু যুক্তিৰ মাপ-কাঠিৰে জুখি গ্ৰহণ কৰিবৰ ক্ষমতা নাই সত্যক। সিয়ে সংসাৰত ব্যৰ্থ-মনোৰথ দুৰ্বল-চিত্ত হতভাগ্য মহম্মদ টোগলক। তাতে হয় তাৰ অসীম বুদ্ধি-বৃত্তিৰ অপচয়; তাতে হয় তাৰ চিন্তাধাৰাৰ অসঙ্গতি। তেনে সঙ্কটময় অৱস্থাত শৰৎ। প্ৰেমৰ সোঁতত সকলো জলাঞ্জলি দি সবিতাক গ্ৰহণ কৰিবও নোৱাৰে,—বিচাৰ বুদ্ধিয়ে দিয়ে বাধা, ইফালে যুক্তিৰ বিষ-দংশন সত্বেও পৰিত্যাগ কৰিবও নোৱাৰে সবিতাক—হৃদয়াবেগে দিয়ে হেঙাৰ। এনে সঙ্কটময় অৱস্থাতে হয় মানুহৰ বিষাদময় পৰিস্থিতিৰ উদ্ভৱ। তাতে হয় মন দুৰ্বল, বুদ্ধি হয় ক্ষীণ; প্ৰাণ হয় চঞ্চল, দেহ হয় বিকল। অসাৰ আবৰ্জনাৰে পৰিপূৰ্ণ হৈ উঠে চিন্তাৰ ভঁৰাল। তেতিয়াই হয় মানুহৰ বুদ্ধি-বৃত্তিৰ নাটনি, ব্যক্তিত্বৰ অৱমাননা।

শৰতৰ এনে শোচনীয় পৰাজয় আৰু বিষাদময় অৱস্থা কল্পনা কৰি নবীন চিন্তা মগ্ন হৈ পৰিল। কি কৰা হয়,—এই সমস্যা কেনেকৈ সমাধান কৰা যায়—এয়ে হ'ল চিন্তা নবীনৰ। বন্ধুৰ মানসিক সংঘাত উপলব্ধি কৰি নবীন হৈ পৰিল বিষাদিত। তেওঁৰ মনত জাগিল অতীতৰ স্মৃতি। গৰীব দৰিদ্ৰ নবীনৰ জীৱনত উচ্চ-শিক্ষা লাভৰ সুযোগ ঘটিছিল তেওঁৰ নিজৰ তীক্ষ্ণ বুদ্ধি জোৰত সঁচা; কিন্তু তাৰ শেষ পৰিণতি লাভ কৰিবৰ সাধ্য তেওঁৰ নাছিল—ধনৰ অভাৱত। আজি এই গণতান্ত্ৰিক

যুগতো আওপাকে ধনতন্ত্ৰৰে জয়গান। ধন অভাৱে গণতান্ত্ৰিক ৰাজ্যতো উচ্চ-শিক্ষা লাভ কৰিবৰ একো সুবিধা নাই, কাৰণ বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যয়সঙ্কুল। বিশ্ববিদ্যালয়ৰ দ্বাৰ খোলা আছে ধনীৰ বাবেহে—গৰীবৰ বাবে নহয়। সেয়েহে কোনো প্ৰকাৰে এবছৰ কলেজত পঢ়িয়ে উচ্চ-শিক্ষাৰ আকাঙ্ক্ষা মনৰপৰা জলাঞ্জলি দি নবীন সোমাই পৰিল বিশ্ববিদ্যালয়ৰে পৰীক্ষা বিভাগৰ কেৰাণীৰ ফাইলৰ মাজত। হেৰাই গ'ল শৈশৱৰ মধুৰ কল্পনা, মাৰ গ'ল উচ্চ-শিক্ষাৰ আশা। দিন অতিবাহিত হব ধৰিলে অন্য ল'ৰাৰ 'ৰিজাল্ট' দিয়াত 'মাৰ্কচিট' দিয়াত; নিজৰ ৰিজাল্ট হ'ল ভাগ্যৰ খাতাতে 'উইথহেল্ড'; নিজৰ মাৰ্কচিট থাকি গ'ল অজ্ঞেয় ভবিষ্যতৰ গৰ্ভত চিৰকাললৈ বন্ধ হৈ! কিন্তু ভাগ্যৰ কি মেৰপাক! হঠাতে একদিন বন্ধু শৰতে শুনিলে নবীনৰ কলেজ ত্যাগৰ বাতৰি আৰু বিশ্ববিদ্যালয়ৰ অফিচ এচিচ্‌টেণ্ট ওৰফে কেৰাণী গিৰি কৰাৰ সম্ভেদ। সিদিনাই উপস্থিত হ'ল বিশ্ববিদ্যালয়ৰ অফিচত। নবীনৰ কাষত থিয় হৈ দেখিলে কাণ্ড-কাৰখানা। পুৰাদমে কেৰাণী হৈ গৈছে নবীন। নবীনক এনেভাৱে দেখি তাৰ মনত এটা ধেৎতেৰি ধেৎতেৰি ভাব খেলি গ'ল। জোৰ কৰি টান মাৰি উলিয়াই লৈ গ'ল বাহিৰলৈ। হাঁহি মাৰি নবীনে বন্ধুক সম্বৰ্ধনা জনালে। দুয়ো কং হ'ল। হঠাৎ এনে পৰিবৰ্তনৰ কাৰণ ব্যাখ্যা কৰিলে নবীনে। বন্ধুৰ এনে বিসঙ্গত অৱস্থা দেখি বেয়া লাগিল শৰতৰ। চাকৰি এৰি দিবলৈ হুকুম কৰিলে।

"তই চাকৰি এৰি দে। কলেজ কৰগৈ।"

"কিন্তু টকা? বিনা টকাই কি পঢ়া হয়?"

"তই জানো ফিজখিনিও দিব নোৱাৰ?"

"ফিজ বাৰু দিলোঁ কিবা কৰি, কিন্তু থকা-খোৱা? গুৱাহাটীততো মোৰ মামাৰ ঘৰ নাই যে বিনা পইচাই থকা-খোৱা পোৱা যাব?"

"নিজেকে মোমাই বনাই লবি—আমাৰ মাকে বাইদেউ বুলিবি হবনে?"

"তাৰ মানে তোৰ ঘৰত?"

"কিয়? তোৰ কিবা আপত্তি আছে নেকি?"

"ই জানো সম্ভৱ হব?"

"বাৰু দেখা যাওক। তই চাকৰি কৰিব নোৱাৰ। পঢ়িব লাগিব।"

তাৰ পাচত আৰু একো কথা নাই। নবীনে শৰতৰ ফালে চাই ৰয়। শৰতে হাতত ধৰি টান মাৰি লৈ যায় সিহঁতৰ ঘৰলৈ।

সেয়ে হ'ল। দুই বন্ধুৰ একত্ৰবাস। কলেজত পঢ়া হ'ল আৰম্ভ। এনেকৈয়ে উচ্চ শিক্ষাৰ সুবিধা ঘটিল নবীনৰ শৰতৰ সৌজন্যত। তেতিয়াৰেপৰা দুই বন্ধু হ'ল অভিন্ন হৃদয়। সেইবোৰ কথা মনত পৰিলে আজিও নবীনৰ চকু সজল হৈ আহে, হৃদয়ত কৃতজ্ঞতাৰ স্নিগ্ধ ভাব জাগি উঠে। সেই শৰৎ হ'ল আজি জীৱনৰ প্ৰথম অৰতে পৰাজিত। নবীনৰ অন্তৰত গভীৰ বেথা বোধ হ'ল। কিন্তু নিৰুপায় তেওঁ। 'অনামী' আবিষ্কাৰক সম্পাদক ধুৰন্ধৰ—যাৰ মগজলৈ প্ৰতি মুহূৰ্ততে আহে একোটা নতুন চিন্তা, নতুন ভাব, নতুন বুদ্ধি সেই নবীন আজি হৈ পৰিল দুৰ্বল, শক্তিহীন—বুদ্ধিহীন, অলস। চিগাৰেট পুৰি শেষ হোৱাৰ পাচত তাৰ ধোঁৱাৰ একা-বেঁকা গতি দেখা যায়, কিন্তু চিগাৰেটৰ অস্তিত্ব তাত ধৰিব নোৱাৰি। গন্ধৰ আবেশ হয়তো তাত থাকে; কিন্তু ওঁঠত লগাই হুপাৰ আমেজৰপৰা সি থাকে আঁতৰত, স্পৰ্শ কৰাৰ সি তেতিয়া পৰপাৰত। সেইদৰে হয়তো সবিতাও পুৰি পুৰি শেষ হৈ যাব ধৰিছে, হয়তো শৰতে তাইক স্পৰ্শ কৰাৰপৰা তাই এতিয়া বহু আঁতৰত। এনে অলঙ্ঘনীয় প্ৰাচীৰ ভেদ কৰি ৰূপকথাৰ মন্ত্ৰী-পুত্ৰৰ দৰে কেনেকৈ তেওঁ সংঘটিত কৰিব ৰাজকুমাৰীৰ দৰ্শন ৰাজপুত্ৰৰ লগত। এয়ে হ'ল চিন্তা নবীনৰ।

।। আঠাইশ ।।

নবীনে সঙ্গীত কলেজত নাম লিখিলে। তেওঁ তবলা শিকিব—গধূলি এক ঘণ্টাকৈ। সবিতাই পঢ়া সঙ্গীত কলেজতে পঢ়ে নবীনে।

হাতত এচ্ৰাজ লৈ সবিতাই নিতৌ গধূলি গৈ উপস্থিত হয় সঙ্গীত কলেজত। শৈশৱৰেপৰা নৃত্য পটীয়সী সবিতাই হাইস্কুল কলেজত বহু পুৰস্কাৰ, প্ৰশংসা লাভ কৰি আহিছে। কণ্ঠৰ সুমধুৰ স্বৰ আৰু শৰীৰৰ বিচিত্ৰ মুদ্ৰা সঞ্চালনৰ বাবে তাইৰ স্থান আছিল সকলোৰে আগত। শৈশৱৰ সেই কণ্ঠস্বৰ আৰু মুদ্ৰা তাই আজিও হেৰুওৱা নাই। একে একে স্মৃতিৰ পটত উদয় হ'ল ললিত ভঙ্গিমা আৰু সুৰৰ লহৰ। সবিতাই বিকাশৰ পথত যেন আগবাঢ়িব ধৰিলে এখোজ দুখোজকৈ। অতি কম দিনৰ ভিতৰতে সঙ্গীত কলেজত সবিতাৰ বাবে যেন এডুখৰি বিশিষ্ট ঠাই ৰচনা হ'ল। প্ৰতিভাৰ ক্ৰমবিকাশ—ব্যক্তিত্বৰ আত্মপ্ৰকাশ যেন ধীৰে ধীৰে হব

ধৰিলে। অসামান্য ৰূপ আৰু জন্মগত প্ৰতিভাৰ বলত তাই আকৰ্ষণ কৰিলে সকলো শিল্পীৰ মন। তাই নহ'লে যেন গানৰ নজমে ৰস, নাচৰ নবহে মৌজ। সবিতা যেন হৈ পৰিল সুৰ-শিল্পীসকলৰ সুৰৰ পৰী, সঙ্গীতৰ লহৰী, নৃত্যৰ লয়লাস গতি। তাইৰ উপস্থিতিয়ে শিল্পীসকলৰ প্ৰাণত আনে নতুন প্ৰেৰণা, কলেজৰ আনে নতুন প্ৰাণ। তাইৰ উপস্থিতি যেন সঙ্গীত কলেজৰ বাবে দৈৱসম্ভূত আশীৰ্বাদ। সেয়েহে তাই এদিন নাথাকিলেই সঙ্গীত হয় ম্লান, সুৰ হয় বেসুৰ, নাচ নয় নীৰস আৰু কলেজ হয় মৃতপ্ৰায়। কি অসাধাৰণ আকৰ্ষণ সবিতাৰ। ৰূপ-গুণ সাধনাৰে যেন বিমুগ্ধ কৰি ৰাখিছে—সঙ্গীত সেৱীসকলৰ মন।

নবীনে যিদিনা কলেজত ভৰ্তি হ'ল; সেইদিনা সবিতা আছিল অনুপস্থিত। পিচদিনা, সঙ্গীত কলেজত সম্পাদক ধুৰন্ধৰক দেখি সবিতা স্তম্ভিত হৈ গ'ল। কি অদ্ভুত কাণ্ড? 'অনামী'ৰ সম্পাদক ধুৰন্ধৰে যোগ দিছে সঙ্গীত কলেজত? অবাক হৈ যায় সবিতা। তাই নাজানে কিহৰ বাবে নবীনৰ আজি এই নৱ-অভিযান, সঙ্গীতত আত্ম-নিবেদন! কাৰ বাবে চলে এনে বিপুল আয়োজন—ললিত কলাত এনে নৱ-অভিযান। অনামীৰ সম্পাদক মহাধুৰন্ধৰৰ উদ্দেশ্য কি তাক নাজানে সবিতাই। নাজানে কাৰ সুক্ষ্ম-সাধনাত ৰত আজি নবীনৰ মন।

নবীনক দেখি সবিতাই হাঁহি মাৰি নমস্কাৰ কৰি ক'লে—"নমস্কাৰ মিষ্টাৰ ধুৰন্ধৰ।" হাঁহি মাৰি প্ৰতি নমস্কাৰ কৰি কয় নবীনে—"নমস্কাৰ সবিতা দেৱী।"

"হঠাৎ এনে পট পৰিৱৰ্তন কিয়?" তাই প্ৰশ্ন কৰে।

"জীৱন সিন্ধুত অমৃত সন্ধানৰ বাবে।"

"যদি গৰল উদ্ভৱ হয় সিন্ধু মন্থনত?"

"নীলকণ্ঠ হোৱাৰ সৌভাগ্য ঘটিব।"

"চমৎকাৰ। মহাদেৱক নমস্কাৰ!"

"পাৰ্বতী অবিহনে মহাদেৱ নিষ্ক্ৰিয়। সংসাৰ—ফলহীন।"

দুয়ো খিলখিলকৈ হাঁহি দিয়ে। তেওঁলোকৰ হাঁহিত যোগ দিয়ে আহি আৰু কেইজনমান গায়ক শিল্পীয়ে। গানৰ মজলিছতকৈ কথাৰ মজলিছ বেচি হয়। নবীনক দেখি সকলোৱে আচৰিত হৈ যায়। নাজানো এই ধুৰন্ধৰৰ আকৌ কি মতলব। এনে এজন বুদ্ধিমান ব্যক্তি আৰু কলাকাৰ্যে কিয় হঠাতে আকৃষ্ট হ'ল সঙ্গীতৰ প্ৰতি তাকে ভাবি অবাক সকলো। সকলোৱে নমস্কাৰ কৰি কাৰণ জানিবৰ

প্ৰয়াস কৰিলে। তেওঁলোকৰ অন্তৰৰ প্ৰকৃত ভাব ধৰিব পাৰি চতুৰা সবিতাই তৎক্ষণাৎ সুধি পেলালে—"সদাশিৱৰ তেন্তে সৃষ্টি নৃত্য হব ?"

হাঁহি মাৰি কয় নবীনে—"নহয়, মহাকালৰ তাণ্ডৱ নৃত্যহে চলিব প্ৰলয়ৰ হেতু।

হাঁহে সকলোৱে। সম্মানিত অতিথিৰ দৰে আগবঢ়াই নিয়ে নবীনক শিল্পী-সকলে ; কাৰণ তেতিয়া 'অনামী'ৰ নাম চতুৰ্দিশে প্ৰচাৰিত। সম্পাদক ধূৰন্ধৰৰ নাম সকলোৱে মুখে মুখে। সাতদিনীয়া অসমীয়াখন চলে "মেমেৰা মেধিৰ চিঠি'ৰ খোঁচাত, নতুন অসমীয়া চলে 'ফটা মুখৰ বাইক'ৰ হেঁচাত, অসম বাণী চলে 'কথা চহকী ভলভলীয়া'ৰ কথাৰ জ্বালাত, আসাম ট্ৰিবিউন চলে 'বাপট'ৰ কাৰ্টুনৰ খুন্দাত, ৰামধেনু চলে 'আধুনিক কবিতাৰ খণ্ডত,' কিন্তু গোত্ৰহীন 'অনামী' চলে সম্পাদক ধূৰন্ধৰৰ ব্যঙ্গ তীক্ষ্ম সমালোচনাৰ জোৰত। তেওঁৰ তিক্ত, তীক্ষ্ম অথচ নিৰপেক্ষ সমালোচনাই দগ্ধ কৰে ভণ্ড দেশ সেৱকক, মুগ্ধ কৰে নিমাখিত জনগণক। চৰকাৰ, সমাজ, বিশ্ববিদ্যালয় একোৱে বাদ নপৰে তেওঁৰ তীক্ষ্ম নজৰৰপৰা। কোনো ধনী পৃষ্ঠপোষক নাই অনামীৰ ; কোনো গোপন সাহায্য নাই শাসক দলৰ। সেয়েহে তেওঁ প্ৰকৃত সত্য দাঙি ধৰিব পাৰে জনসাধাৰণৰ আগত ; আৰু তাৰ বাবেই ইমান জনপ্ৰিয় অনামী। অনামীৰ গ্ৰাহকৰ সংখ্যা বাঢ়ে দিনে দিনে। পূৰ্ণোদ্যমে চলিছে অনামী। দেশত সম্পাদকৰ বৈ বৈ যোৱা খ্যাতি। সভাই-সমিতিয়ে নবীন আজি-কালি নিমন্ত্ৰিত হয় সভাপতি হিচাবে—প্ৰধান বক্তা হিচাবে। সমাজৰ আগ শাৰীত স্থান আজি তেওঁৰ। প্ৰতিভাৰ পৰিচয় এয়েতো। অতি কম দিনৰ ভিতৰতে আপোন প্ৰতিভাৰ বলতে নবীনে কৰি ললে এডুখৰি ঠাই ভদ্ৰ-সমাজত—গঢ়ি ললে নিজ ভাগ্য নিজ অধ্যৱসায়েৰে, আৰু প্ৰতিষ্ঠা কৰিলে আপোন ব্যক্তিত্ব লোক সমাজত। সেই নবীন আজি সঙ্গীত কলেজৰ ছাত্ৰ। আশ্চৰ্য্যান্বিত কলেজৰ ছাত্ৰ, শিক্ষক। অৱশ্যে তেওঁলোকে বুজে যে সঙ্গীত, সাহিত্য আদি ললিত কলাত যাৰ ৰাপ থাকে, তেওঁলোকৰ বাবে বয়স, সম্মান আৰু শিক্ষাৰ সীমা ৰেখা নাই।

সেই নবীনৰ উপস্থিতিয়ে সঙ্গীত কলেজক দান কৰিলে মৰ্য্যাদা, শিল্পীসকলক কৰিলে উৎসাহিত।

নবীনৰ উপস্থিতিত সবিতাই ভালো পালে আৰু ভয়ো খালে। তাই জানে যে, নবীন শৰতৰ বন্ধু, আৰু জানে যে, এক অজ্ঞাত কাৰণত শৰৎ-সবিতাৰ মিলনত ঘটিছে ব্যাঘাত।

তাই ভাল পালে ইয়াকে ভাবি যে, সি যি কি নহওক নবীন শৰতৰ বন্ধু আৰু তাইৰ মনৰ মানুহজনৰ লগতে কটাব পাৰিব। ভয় খালে ইয়াকে চিন্তা কৰি যে নবীন শৰতৰ অন্তৰঙ্গ বন্ধু আৰু কৌশলী। কৌশল কৰি সবিতাৰ সমস্ত ঘটনা উদ্‌ঘাটন কৰি তাইক জব্দ কৰিব পাৰে। যদি কিবা মেৰপাকত পৰি তাই শৰতৰ ওচৰত হেয় হব লগা হয়, এই ধুৰন্ধৰটোৰ বাবে? এই চিন্তা তাইৰ মনত বাৰে বাৰে জাগে।

* * * *

পিচদিনা গধূলি সবিতা ওলাইছে এচ্‌ৰাজটো হাতত লৈ। নঙলামুখ পাৰ হোৱাৰ লগে লগে পিচফালৰপৰা হাঁহি মাৰি মাত দিলে নবীনে—"গুড ইভিনিং মিচ সবিতা দেৱী।"

সবিতাই ঘূৰি দেখে যে সম্পাদক ধুৰন্ধৰ। হাঁহি মাৰি ক'লে—

গুড্ ইভিনিং মিষ্টাৰ ধুৰন্ধৰ এডিটৰ।"

"ৰব। একে ঘাটৰে নাৱৰীয়া, একেলগে যাওঁ।"

"আহক তেন্তে।"

তাই থিয় দিয়ে। নবীন আগবাঢ়ে। দুয়ো লগ হয়। দুৰো খোজ লয় একেলগে। সবিতাই হাঁহি মাৰি কয়—"বাৰু, সঙ্গীতত হঠাতে ইমান অনুৰাগ জন্মিল কিয় আমাৰ সম্পাদক ধুৰন্ধৰৰ?"

"বিৰাগৰ পাচত অনুৰাগ; বিকৰ্ষণৰ পাচত আকৰ্ষণ।"

"কিহত বিৰাগ?"

"সাহিত্যত বিৰাগ, গতিকে সঙ্গীতত অনুৰাগ।"

"সাহিত্যত বিৰাগ জন্মিল কিয়?"

"সাহিত্য শব্দ সহিত শব্দৰপৰা ওলাইছে যেতিয়া, কাৰবাৰ সহিতে বা লগত থকাৰ বা আলোচনা কৰাৰ দৰ্কাৰ। পিচে মোৰ দুৰ্ভাগ্য যে মোৰ সৈতে কোনেও চৰ্চা নকৰে—লগ হোৱাটো বহু দূৰৰ। গতিকে সাহিত্য কৰিম কাৰ লগত। সেই বাবে সঙ্গীতত আত্মসমৰ্পণ।" তেওঁ হাঁহে।

"সহিত শব্দৰ অৰ্থ—জানো তেনে? লিখকৰ সৈতে পাঠকৰ হৃদয়, ব্যক্তিৰ সহিতে সমাজৰ মন, একৰ সৈতে বহুৰ লগ, আত্মাৰ সৈতে আত্মাৰ মিলন হলেহে সাহিত্য।"

"নহয়। আজি-কালি আধুনিক যুগত এইবোৰ উঠি গৈছে। আজি-কালি সহিত শব্দৰ অৰ্থ হৈছে—কাগজত সৈতে চিয়াহিৰ মিলন, চিয়াহিৰ সৈতে ফাউন্‌টেনপেনৰ মিলন আৰু পেনৰ সৈতে হাতৰ মিলন হৈ যি হয় সেয়ে সাহিত্য। গতিকে হাতত যি আহে তাকে লিখিলেই আজি-কালি সাহিত্যৰ সৃষ্টি হয়। আজি-কালি সাহিত্যৰ ডাক্তৰ, কোম্পাউণ্ডাৰ আনকি নাৰ্চ পৰ্য্যন্ত হব ধৰিছে, এনেকৈ সাহিত্য সাধনা কৰাৰ ফলতহে। পাচে দুৰ্কপাল যে সেপা মাৰিলে মোৰ হাতত পেন নাহে—আহে চিগাৰেট। গতিকে পেপাৰ আৰু মিকচাৰৰ সহিতে হাতৰ যি মিলন হয় তাত যি বিধ সাহিত্যৰ সৃষ্টি হয় সি ধোঁৱা হৈ ওপৰলৈ উৰি যায়; তাক আৰু ধৰি ৰাখিব নোৱাৰি। গতিকে মোৰ সাহিত্য হাতেৰে চুকি লগ নোপোৱা বিধৰ হোৱাত জনসাধাৰণে পছন্দ নকৰা হৈছে। অৱশ্যে পণ্ডিতসকলৰ গবেষণাৰ বাবে হলে বেছ হৈছে। আজি-কালি মোৰ অতি উচ্চ পৰ্য্যায়ৰ সাহিত্য হোৱা বাবে ই ভূমাৰ লগত মিলি থাকেগৈ। জনসাধাৰণে ইয়াক কি বুজি পাব? ভূমাস্পৃহাতো। গতিকে বুজি নাপাই নপঢ়ে। যদি জনসাধাৰণে নপঢ়ে তেন্তে পণ্ডিতসকলৰ গবেষণাৰ বস্তু কৰি সাহিত্যৰ চিৰিয়াখানাত থোৱাৰ কি লাভ? গতিকে বিৰাগ জন্মিছে আৰু তাৰ বাবেই আহি সঙ্গীত-তটিনীৰ গৰ্ভত ডুব মাৰিছোঁ।"

হাঁহি মাৰি কয় সবিতাই—"আপোনাৰ ব্যঙ্গ ৰচনাৰ বাবেই 'অনামী'য়ে ইমান প্ৰচাৰ লাভ কৰিছে; 'অনামী' জনপ্ৰিয় হব পাৰিছে।"

"লাভ নাই, কাৰণ স্বয়ং সবিতা দেৱীৰ অপ্ৰিয় যেতিয়া, 'অনামী'য়ে ভৱিষ্যতে বেনামীলৈহে ৰূপান্তৰিত হব যেন হে পাইছোঁ।"

"মানে?"

"মানে, আজি-কালি আপোনাৰ পদাৰ্পণ 'অনামী'ৰ ভাগ্যত নঘটে, প্ৰবন্ধটো দূৰৰে কথা। গতিকে অনামীক কাঠ-সংস্কাৰ কৰিব লগা হৈছে।"

"ক্ষমা কৰিব বৰ্মণ, আজি-কালি মই লিখিব নোৱাৰা হৈছোঁ। বৰ জঞ্জালত পৰিছোঁ। কি দিম?"

"প্ৰবন্ধ বাৰু নিদিয়ে কিন্তু পদাৰ্পণ দিবতো পাৰে?"

"খং নকৰিব। কাইলৈ মই যাম। অৱশ্যে দৰ্কাৰ আছে।"

"দৰ্কাৰ মানে ভাৰা সাধিবলৈ নাযাব কিন্তু—মাহৰ শেষ, পইচা নাই।"

কথাষাৰ কৈ হাঁহে নবীনে। সবিতাই এবাৰ চকুলৈ চাই প্ৰশ্ন কৰে—

"মই গলে ঘৰ ভাৰা আদায় কৰিব যাওঁ নেকি কৌতিয়াবা ?"

"আগে নগৈছিল কিন্তু বহু জঞ্জালত পৰা বুলি কোৱাত মোৰ ধাৰণা হৈছিল কিজানি আজি-কালি আপুনি গৃহস্থৰ দায়িত্বক লৈছে।"

"গৃহস্থীৰ দায়িত্ব লোৱা দুৰ্ভাগ্যৰপৰা যেন নিষ্কৃতি পাওঁ তাৰবাবে আশীৰ্বাদ দিয়ক।"

"জাতিত মই ব্ৰাহ্মণ নহয়। গতিকে মোৰ আশীৰ্বাদ নিষ্ফল। আশীৰ্বাদৰ সলনি তৰ্ক বাদ দিছোঁ। আহক ; এতিয়া কলেজ পাইছোঁ।"

দুয়ো গৈ ইতিমধ্যে সঙ্গীত কলেজৰ সম্মুখ পাইছে। ভিতৰত চলিছে সুৰৰ কম্পন—সঙ্গীতৰ মধুৰ মূৰ্ছনা। কাৰবাৰ কোকিল কণ্ঠৰপৰা নিসৃত হৈছে যেন এক অপূৰ্ব সুৰৰ লহৰী।

ধীৰে ধীৰে নিস্তব্ধভাৱে দুয়ো প্ৰৱেশ কৰে প্ৰাঙ্গনত। সুৰৰ হিল্লোলত দোলায়িত হৈ যায় দুয়োৰো হৃদয়।

॥ ঊনত্ৰিশ ॥

ৰাতিপুৱা। নবীনে নিজৰ লেখা টেবিলৰ ওপৰত বহি কিবাকিবি লিখি আছে। —বোধহয় 'অনামী'ৰ সম্পাদকীৰ স্তম্ভ। প্ৰভাতৰ স্নিগ্ধ কিৰণ ; মৃদুমন্দ-মলয়াৰ শীতল পৰশ। মনত জাগে আনন্দৰ শিহৰণ, প্ৰাণত লাগে কল্পনাৰ হেঙুলীয়া বোল।

এনে স্নিগ্ধ শান্ত পৰিবেশত নবীনৰ বুদ্ধিজীৱী প্ৰাণে লভে ক্ষন্তেক আৰাম। জ্বলা চিগাৰেটটো মুখত লৈ ধীৰে ধীৰে হুপি হুপি অলপ অলপকৈ ধোঁৱাবোৰ এৰি দি আছে। ধূপ-ধূনাৰ গন্ধৰ লগত চিগাৰেটৰ গন্ধ লগ লাগি এটা নতুন গন্ধৰ সৃষ্টি কৰিছে। আবেশত মতলীয়া হৈ যেন তেওঁ কলম চলাই আছে অবিৰাম। হঠাৎ বাহিৰত কিবা শব্দ শুনিলে। মূৰ তুলি চাই দেখে এক অভাৱনীয় কাণ্ড। কি অঘটন—সবিতাৰ আগমন। সমুখত সবিতা দণ্ডায়মানা। পুৱতি গগনৰ সবিতাৰ মধুৰ কিৰণৰ সৈতে যেন মানৱী সবিতাৰ ৰূপৰ কিৰণ মিলি এক ইন্দ্ৰজাল ৰচনাৰ আয়োজন। গালত অৰুণ ৰক্তিম ৰাগ, কপালত সুৰুষ সেন্দুৰীয়া ফোঁট,

মুখত মলয়াৰ স্নিগ্ধ হাঁহি, চুলিত কেতেকীৰ সুমধুৰ গন্ধ, ওঁঠত বাংলী বোল— এনে অপৰূপ ৰূপ লৈ ভাৰাঘৰত আজি সবিতা-উদয়। স্তম্ভিত হৈ গ'ল নবীন। হাঁহি মাৰি নমস্কাৰ কৰি সম্বোধন কৰিলে—"প্ৰাতঃ প্ৰণাম সবিতা দেৱী। আহক ভিতৰলৈ।" হাঁহি মাৰি প্ৰতি নমস্কাৰ কৰিলে সবিতাই—"নমস্কাৰ সম্পাদক ধুৰন্ধৰ"। নবীনে উঠি গৈ আগবঢ়াই আনিলে সবিতাক। ভিতৰ সোমাই আহিল সবিতা। নবীনৰ নিৰ্দেশিত চেয়াৰখনত বহি পৰিল সবিতা; আন খনত বহিল নবীন। দুয়োৰো মুখত হাঁহি।

"কথাৰ দেখিছোঁ বেছ ঠিক আছে আপোনাৰ।" হাঁহি মাৰি কয় নবীনে।

"মইটো এম্, এল্, এ; এম. পি নাইবা মন্ত্ৰী নহয় যে মিটিঙত ৰাইজক ইবিধ দিম, সিবিধ দিম বুলি কৈ চিলং বা দিল্লী পালে সকলোবোৰ পাহৰি যাম।"

সবিতাই হাঁহি মাৰি উত্তৰ দিয়ে।

"ধন্যবাদ। পিচে অকলেনে, লগত আৰু কোনোবা আছে।"

"আকাশত সবিতা অকলে নহয়—সহস্ৰ নক্ষত্ৰ গ্ৰহ-নক্ষত্ৰ লগত লৈ উদিত হয়, কিন্তু সবিতাৰ উজ্জ্বল কিৰণত সকলোবোৰ হৈ পৰে ম্লান; নিষ্প্ৰভ। মাথোঁ দেখা যায় সবিতাকহে স্বয়ং। নহয় জানো?"

"নিশ্চয়। সবিতাৰ প্ৰখৰ ৰশ্মিত নিষ্প্ৰভ, নিস্তেজ গগনৰ সমস্ত তাৰকামণ্ডলী। সেইবাবেই দশোদিশ আলোকি উজলি উঠে সবিতাৰ উজ্জ্বল আলোক। আজি এই প্ৰভাততে সবিতাৰ উদয় হ'ল ধুৰন্ধৰৰ ভাৰাঘৰত। কি যে আনন্দৰ কথা! পিচে খবৰ ভালতো?

"নিশ্চয় ভাল। সূৰ্য্যগ্ৰহণৰ দিনৰ বাহিৰে বাৰু বছৰৰ ভিতৰৰ আকাশৰ সবিতাৰ কোন দিনা দুঃসংবাদ হব পাৰে? আজি গ্ৰহণ নহয় গতিকে কোনো ভয়ৰ কাৰণ নাই।"

"কিন্তু মৰ্ত্যৰ সবিতাৰ হবও পাৰে—"

"নাই, সম্ভৱ নাই কাৰণ কেতুগ্ৰহ এতিয়া বহু আঁতৰি গৈছে।"

"তথাপি ভৱিষ্যতে কেতিয়াবা সম্ভৱ।"

"নাই—ভৱিষ্যতেও কেতুৰ আগমনৰ কোনো লক্ষণ নাই। আকাশৰ সবিতাৰ প্ৰতি বছৰে ভয়; কিন্তু এই মৰ্ত্যৰ সবিতাই তাৰপৰা চিৰ-মুক্ত হৈছে। গ্ৰহণ হোৱাৰ আৰু কোনো আশা নাই। মাজৈ।"

"তেন্তে সবিতাৰ কেন্দ্ৰ লৰিছেনে কেতুৰ কক্ষপথ বদলিছে ?"

"সবিতা সদায় ঘূৰে নিজ মেৰুদণ্ডক কেন্দ্ৰ কৰি ; কক্ষ পথহীন কেতু হয়তো কোনো নক্ষত্ৰৰ আকৰ্ষণত পৰি সেই নক্ষত্ৰৰ বুকুত নিজ অস্তিত্ব বিলোপ কৰিবৰ উপক্ৰম কৰিছে।"

"তেন্তে কেতুৰ অপমৃত্যু ?"

"নাজানো মেৰুদণ্ডহীন গ্ৰহৰ গতি কি।"

"বাৰু গণনা কৰিম।"

"পিচে আকাশত সবিতা অকলে নহয়—লগত অযুত তাৰকা।"

"কতা, মইতো দেখা নাই ?"

"হেৰ জয়ন্তী, সোমাই নাহ কিয় তহঁতে ?"

বাহিৰলৈ গল মেলি চাই মাতে সবিতাই জয়ন্তীহঁতক বাহিৰত বেৰৰ আৰালত কেবাজনীয়েও অপেক্ষা কৰি আছিল। সবিতাৰ আহ্বান পাই এজনী এজনীকৈ গোটেই কেইজনীয়ে নবীনক নমস্কাৰ কৰি হাঁহি হাঁহি ভিতৰ সোমাই আহিল। নবীনেও প্ৰত্যেককে প্ৰতি-নমস্কাৰ কৰি বহিবলৈ আসন নিৰ্দেশ কৰি দিলে। গোটেই কেইজনীয়ে বহিল।

"দেখিলে এতিয়া ? আকাশত অজস্ৰ তাৰকামণ্ডলী। সবিতা নোহে অকল-শৰীয়া।" সকলোৱে হাঁহি দিয়ে সবিতাৰ কথা শুনি।

"স্বীকাৰ কৰিছোঁ সবিতাৰ প্ৰচণ্ড উত্তাপ। পাচে দোহাই আপোনাক, সম্পাতিৰ দৰে মোৰ পাখা দুখন পৰি যেন লটি-ঘটি নকৰে।"

"ভয় নাই : কেৱল সম্পাতিৰ দৰে সূৰ্যক আক্ৰমণ নকৰিব ; তেতিয়া প্ৰচণ্ড তাপত দগ্ধ নহয় ; বৰং মৃদু তাপেৰে পাখাত আৰাম লগাবহে পাৰিব।"

"বাৰু। পাচে মই হলে ইয়াৰ অৰ্থ বুজিবপৰা নাই। এনেকৈ দলে-বলে তাৰকামণ্ডলীৰ হঠাৎ উদয় হ'ল কিয় মোৰ এই অবহেলিত ভাৰাঘৰত ?"

"অৰ্থ নিশ্চয় আছে। বিনা কাৰণত গুৱাহাটি গগনৰ বিখ্যাত নক্ষত্ৰ সমূহৰ আলোকপাত নহয়।"

"সেয়েতো, ভয় হৈছে জানোচা মহাপ্ৰলয় সূচনা হয়!"

"মাভৈ। মহা প্ৰলয়ৰ নহয়—মহা সম্মিলনহে হব।"

"তাৰ মানে ?"

"তাৰ মানে গুৱাহাটীৰ এই তাৰকামণ্ডলীয়ে 'ভেৰাইটি শ্বো' অৰ্থাৎ বিচিত্ৰানুষ্ঠান পাতিব খোজে। তাৰ বাবে আপোনাৰ সহায় বিচাৰিছো।"

"মই কিহেৰে সহায় কৰিম ? বোধহয় টকাৰ কথা কৈ মোক লাজত নেপেলো-ৱাহে উচিত আছিল।"

"শিল্পী, সাহিত্যিক, কবি, গায়ক আদিৰ যে টকা নাথাকে আৰু তেওঁলোকে যে পৰৰ ধনেৰে হে জীৱন নিৰ্বাহ কৰে এই ফেৰা জ্ঞান আমাৰ আছে ; কাৰণ আমি জানো যে যিয়ে সংসাৰত অইনক মনৰ খোৰাক যোগায় তাক লোকে পেটৰ খোৰাক দিব লাগে—ই যেন বিধিৰ নিৰ্বন্ধ। এই কথা আমাৰ জনা আছে। সেইবাবে আমি আপোনাৰপৰা ধনৰ সহায় পাম বুলি আশা নাই—আহিছো আপোনাৰ শৰীৰ, মন আৰু আত্মাৰ সহায় আশা কৰি অৰ্থাৎ আপোনাৰ প্ৰতিভাৰ সহায় বিচাৰি। শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক ধনৰ সহায় হে আমাক লাগে। এতিয়া দিবনে নিদিয়ে কওক।"

"আপোনাৰ কথা শুনি হাঁহি উঠিল। মোৰ দেহটিৰ প্ৰয়োজন ? নিয়ক তেন্তে।"

"দেহদান কৰি দধীচিৰ শাৰীত বহিব খুজিছে নেকি ? আমি সেই সুযোগ নিদিওঁ।"

"কিন্তু অলপ আগতে যে ক'লে শাৰীৰিক, মানসিক, আধ্যাত্মিক মানুহজনক লাগে বুলি ? শাৰীৰিক বুলিলেতো দেহকে বুজায়।"

"এনে অনাৰম্বৰ দেহৰ আমাৰ প্ৰয়োজন নাই।" জয়ন্তীয়ে টিপনি মাৰে।

"তেন্তে কেনে দেহ ?"

"আমাক লাগে আৰম্বৰ-পূৰ্ণ সালঙ্কৃত দেহ।"

"মইতো তন্বী-সুন্দৰী সাজিব নালাগিব বোধ হয় ? গতিকে···।"

"তন্বীদেহৰ অভাৱ নাই—অভাৱ দৃঢ় আৰু কৰ্মঠ দেহৰ।" মঞ্জুৱে হাঁহি মাৰি বেণীডাল পিঠিৰফালে চপাংকৈ মাৰি দি, কাণৰ দুলবোৰা লৰাই লৰাই নবীনৰ ফালে চতুৰ চাৱনি হানি কয় কোমল কণ্ঠেৰে। হাঁহি মাৰি নবীনে ব্যঙ্গ কৰে—"তাৰ মানে দাৰোৱান ?"

"ছিঃ ! যি পায় তাকে কয়।" বাসন্তীয়ে আফছোচৰ সুৰত কয়।

"তেনেহলে কিহৰ অভাৱ ?"

"দাৰোৱানৰ বাবে সুস্থ সবল হিন্দুস্থানী নাইবা হৃষ্ট-পুষ্ট নেপালীৰ অভাৱ হোৱা নাই ; অভাৱ কৰ্মকৰ্তাৰহে।" সবিতাই কয় গহীনভাৱে।

"সহ-অভিনয়ত কৰ্ম-কৰ্তাৰ অভাৱ? আশ্চৰ্য। সহ-অভিনয়ত কৰ্ম-কৰ্তাৰ অভাৱ নাই, উৎসাহৰ অন্ত নাই, দৰ্শকৰো গণনা নাই, বৰং নিমন্ত্ৰিততকৈ অনিমন্ত্ৰিতৰ সংখ্যাহে হয় অধিক। দৰমহা লোৱা চেৰেলা 'কামলা'তকৈ হৃষ্ট-পুষ্ট দেখনিয়াৰ ডেকা ল'ৰাৰ 'ভলণ্টিয়াৰী' মানে উপযাচি কাম কৰা কৰ্মকৰ্তাৰ সংখ্যা হয় ততোধিক। গতিকে ইয়াত মোৰ প্ৰয়োজনীয়তাৰ কাৰণতো একো নেদেখিলো মই।"

"তাৰ মানে সহ-অভিনয়ৰ ওপৰত আপোনাৰ ভাল ধাৰণা নাই?"

আৰতিয়ে গহীনভাৱে প্ৰশ্ন কৰে। একে গহীন সুৰতে কয় নবীনে—

"সেই বুলি বেয়া ধাৰণাও নাই। মই কেৱল চাক্ষুস দৃষ্টিৰে দেখা কথাহে কৈছো ; বেয়া নাপাও। স্ত্ৰী-পুৰুষ মিলি কৰা 'ভেৰাইটি শো'ত কেইটামান বস্তুৰ প্ৰয়োজন নাই যেনে—১নং 'এড্ভাৰটাইজমেণ্ট' বা জাননী, ২নং—কৰ্মী, ৩নং—বহা ঠাইৰ সুবিধা, ৪নং—অভিনয়ত অংশ গ্ৰহণ কৰাৰ বাবে অভিনেতা, অভিনেত্ৰী ; ৫নং—টকা-পইচা। এইবোৰ বস্তুৰ বাবে চিন্তা কৰিব নালাগে। এইবোৰ আপোনা-আপুনি আহে।"

"সবিতাৰ মুখে আপুনি বৰ দুষ্ট মানুহ বুলি শুনিছিলো ; কিন্তু বিশ্বাস কৰা নাছিলো। পিচে·· ···।" উৎপলাই কয় হাঁহি হাঁহি।

"পিচে আজি বিশ্বাস দৃঢ় হ'ল নিশ্চয়।"

"ভাবি আচৰিত হৈছো যে আপুনি এনেভাৱে কথাবোৰ খোলাকৈ কব পাৰে···।" জয়ন্তীয়ে নবীনৰ মুখলৈ চাই কয়। হাঁহি মাৰি নবীনে উত্তৰ দিয়ে—

"মোৰ সকলোবোৰ খোলা। কথা খোলা, ভাব খোলা, উদ্দেশ্য খোলা, বাকচ খোলা, আলমাৰি খোলা, হাঁহি খোলা আনকি এই পাঞ্জাবী চোলাৰ বুটামো খোলা। তাৰ উপৰি ভাৰাঘৰৰ দৰ্জাখনো খোলা।"

"সেইবাবেই আমি নিৰ্বিঘ্নে সোমাই আহিব পাৰিছো?" জয়ন্তীয়ে উত্তৰ দিয়ে।

"আৰু দৰ্জাৰ আঁৰালত লুকাই থকাৰ সুবিধাও পাইছিল বোধহয়?"

নবীনে হাঁহি মাৰি কেৰাহিকৈ জয়ন্তীৰ চকুলৈ চায়। জয়ন্তীয়ে উজ্জ্বল চকু

দৃষ্টিৰে চায় উৎসুক দৃষ্টিৰে নবীনলৈ। এনেতে গম্ভীৰ, গহীনভাৱে প্ৰশ্ন কৰে আৰতিয়ে—

"আপোনাৰ সহায়ৰূপৰা জানো আমি বঞ্চিত হম ?"

"কেতিয়াও নহয়। পিচে মই জানো পাৰিম।"

"সেই আশাৰ আৰু নকৰ।"

"বাৰু।"

এবাৰ চাৰিওফালে চাই সবিতা উঠি গ'ল ভিতৰলৈ। ভিতৰত ৰুমত গৈ চালে বেৰবোৰৰ ফালে। ক'তো ভাল ফটো নাই এখনো। নবীন শোৱা ৰুমৰ দুৱাৰ-মুখলৈ গৈ ৰুমটো চালে ভালকৈ। তাইৰ পিচে পিচে মঞ্জু, কৃষ্ণা, বিভা আৰু উৎপলাও গ'ল সোমাই। আটাই কেইজনীয়ে নিৰীক্ষণ কৰিব ধৰিলে নবীনৰনো ৰুচিবোধ কেনেকুৱা। তেওঁ কি ভাল পায়, কি পছন্দ কৰে, আদি জানিবৰ বাবে সবিতা আৰু তাইৰ দলে চেষ্টা কৰিলে। এই সাহিত্যিক ধৰণৰ মানুহজনে নো কিহৰপৰা অনুপ্ৰেৰণা লাভ কৰে তাক জানিবলৈ গোটেই কেইজনী উদ্‌গ্ৰীৱ। প্ৰত্ন-তত্ত্ববিদ সকলে পুৰণা শিল এটা পালে তাক ঘঁহি, পিহি লিৰিকিবিদাৰি নানা পৰীক্ষা কৰি আনুমানিক সত্য এটা আৱিষ্কাৰ কৰাত ব্যস্ত হোৱাৰ দৰে এই সাহিত্যিকজনকনো কিহে ইমান চতুৰালি আৰু অনুপ্ৰেৰণা যোগায় তাক জানিবলৈ বেৰত আঁৰি থোৱা ফটো কেইখনলৈ চাই সেই কেইখন নমাই আনি হাতেৰে লিৰিকি বিদাৰি চাবলৈ ধৰিলে। নবীনৰ মুৰ শিতানৰপৰা 'বাৰ্ণাৰ্ড'শ্বৰ ফটোখন নমাই আনিলে সবিতাই। অতি মনোযোগেৰে চাব ধৰিলে। তাৰ পিচত মঞ্জুক ক'লে —"এই ধুৰন্ধৰ জনৰ গুৰু নাইবা বন্ধু একে ধুৰন্ধৰ এইজনক ৰাখিছে। ধুৰন্ধৰ বাৰ্ণাৰ্ড'শ্বৰহে শিষ্য এই সম্পাদক মহাশয়। গুৰু-শিষ্য বেছ মিলিছে।" তাৰ পিচত নবীনৰ বিচনাৰ সন্মুখ ফালৰ বেৰত আঁৰি থোৱা নৃত্যৰত মহাদেৱৰ ফটো-খন নমাই আনি ক'লে—"নিগম্বৰৰ নৃত্য ! বোধহয় নাঙঠ হৈ নাচি'ৰ মন আছে।" তাইৰ কথা শুনি গোটেই কেইজনীয়ে হাঁহে। এনেতে দৰ্জাৰ ওপৰত আঁৰি থোৱা ৰাধা-কৃষ্ণৰ যুগল মূৰ্তিখন আনি মঞ্জুৱে হাঁহি মাৰি ক'লে—দ্বাপৰৰ ৰাধা-কৃষ্ণৰ কেলিহে পছন্দ কৰিলে······।"

হাঁহি দিলে আটাই কেইজনীয়ে।

ফটোবোৰ থৈ অইন কিবা বিলাসৰ বস্তু আছেনে চাব ধৰিলে। দেখিলে এখন সাধাৰণ চালপীৰাত সাধাৰণ বিচনাত ব্যৱহাৰ কৰা এখন বিচনাৰ চাদৰ ; ওচৰৰ টেবিলৰ ওপৰত এখন কাপোৰৰ টেবিল-ক্লথ। তাৰ ওপৰত কিতাপ কাগজ ইত্যাদি সিঁচৰিত হৈ পৰি আছে। এখন তালপাতৰ বিচনী, এখন বেতৰ চকী, এটা মূঢ়া, এটা ট্ৰাঙ্ক, এটা চামৰাৰ বেগ, এখন আলনা আৰু দুই যোৰা জোতা—এয়ে সম্পত্তি। এনে দীন পৰিবেশ আৰু জীৱন ধাৰণৰ আহিলা-পাতি দেখি সবিতাহঁত আচৰিত হৈ গ'ল। আধুনিক যুগত—বিশেষকৈ এই বিজ্ঞান-যুগত তেওঁৰ দৰে মানুহ এজনৰ ৰুমত কোনো বিলাসৰ বস্তু নাই। কি আচৰিত কথা! এনে পৰিবেশৰ মাজত বাৰু অনুপ্ৰেৰণা পায় কৰপৰা ? তাইহঁতৰ মনত প্ৰশ্ন জাগে।

হাঁহি হাঁহি গোটেই কেইজনীয়ে ওলাই আহে। তাইহঁত অহাত জয়ন্তীয়ে হাঁহি মাৰি কয়—"কি আৱিষ্কাৰ কৰিলি সবি ?"

হাঁহি মাৰি সবিতাই ক'লে—"ভূত আৱিষ্কাৰ কৰিলোঁ।"

"ভূত ?"

"এৰা। ভূতনাথৰ পূজাৰীক বাৰু ভূত নুবুলি কি বুলিব পাৰি ?" তাই নবীনক ইঙ্গিত দিয়ে! নবীনে বুজে। হাঁহি মাৰি উত্তৰ দিয়ে—"ভূতনাথ মহাদেৱ হ'ল ভাৰতীয় নৃত্যৰ প্ৰতীক—আৰ্য্য-অনাৰ্য্য সংস্কৃতিৰ মিলন-তীৰ্থ। গতিকে নৃত্যৰত মহাদেৱৰ শিষ্য যদি ভূত ; তেন্তে আধুনিক নৃত্যৰতা আপোনা-লোক আৰু অদ্ভুত।"

"বাৰু, বুজিলোঁ। নৃত্যৰত মহাদেৱ যে আৰ্য্য-অনাৰ্য্য সংস্কৃতিৰ মিলন প্ৰতীক ; পিচে সেই ধুৰন্ধৰ বাৰ্ণাৰ্ড'শ্বৰ ফটোখন কিয় ? ধুৰন্ধৰী শিকিবৰ মনেৰে নেকি ?"

"এৰা, পৃথিৱীৰ এই অদ্ভুত জীৱটিৰ বুদ্ধি-কৌশলৰ কিছু আভাষ জীয়াই ৰাখিবলৈ সেইজনাক ৰখা হৈছে।"

"পিচে ৰাধা-কৃষ্ণৰ যুগল মূৰ্তিক ?" মঞ্জুৱে প্ৰশ্ন কৰে।

"আত্মা-পৰমাত্মাৰ মিলন আকাঙ্ক্ষাক সজীৱ ৰাখিবলৈ।"

"অ' ভিতৰে ভিতৰে পৰমহংস হবৰ মতলব!" জয়ন্তীয়ে ঠাট্টা কৰে।

"পৰমহংস নহয়—পৰম বক হবৰহে চেষ্টা যেন পাওঁ।" সবিতাই খোঁচা মাৰে।

"অৱশ্যে। আপোনাৰ লগত মই লগ হ'লে "হংস মধ্যে বক যথা", আপোনা-লোকৰ মাজত ময়ো তথা যেনহে হওঁ।" হাঁহি মাৰি উত্তৰ দিয়ে নবীনে।

"হলেও আপোনাৰ কোনো বিলাসৰ বস্তু নাই। এনেদৰে আপুনি কেনেকৈ থাকে?" মঞ্জুৱে প্ৰশ্ন কৰে। নবীনে মঞ্জুৰ ফালে চাই ওলোটা প্ৰশ্ন কৰে—"মোৰ বিলাসৰ বস্তু নাই?"

"হয়, ময়ো কওঁ তাকে। আপোনাৰ কোনো লাকচাৰীৰ বস্তু নাই।" সবিতাই কয় নবীনৰ ফালে চায় দৃঢ়ভাৱে।

নবীনে গম্ভীৰভাৱে হাঁহি মাৰি উত্তৰ কৰে—"আপুনি ভুল কৰিলে সবিতা দেৱী। মোৰ যদি বিলাসৰ বস্তু নাই, তেন্তে কাৰ আছে? শিল্প, সাহিত্যৰ দৰে বিলাসৰ বস্তু যাৰ থাকে তাৰ বাবে অইন বিলাসৰ কি প্ৰয়োজন? অলসতাত সাহিত্য অৰ্জন, বিলাসিতাত তাৰ বৰ্ধন। গতিকে মোৰ যদি বিলাসিতা নাই তেন্তে কাৰ আছে?"

"আপোনাৰ খোৱা-পিন্ধা থকা-মিলালৈ চাই অনুমান হয় আপুনি যেন শাৰীৰিক সুখ-স্বচ্ছন্দতাৰ ফালে একেবাৰে অমনোযোগী।" জয়ন্তীয়ে কয়।

"মানসিক সুখ-স্বাচ্ছন্দ্য যাৰ থাকে, শাৰীৰিক সুখ-স্বাচ্ছন্দ্য তাৰ আপুনি আহে। সেই দেখি মানসিক বিলাস যাৰ থাকে, শাৰীৰিক বিলাস তাৰ বাবে নিষ্প্ৰয়োজন।"

এনেতে বাসন্তীয়ে গম্ভীৰভাৱে কয়—"এইবোৰ ব্যক্তিগত ৰুচি-অভিৰুচিৰ কথাৰ দৰ্কাৰ নাই; বাদ দিয়ক, কেৱল কওক আপোনাৰ সক্ৰিয় সহযোগ আমি পাম নে নেপাম?"

"চেষ্টাৰ ত্ৰুটী নকৰোঁ।"

"আমাকো তাকেই লাগে। বাৰু, আমি এতিয়া উঠিলোঁ। অতি অলপ দিনৰ ভিতৰতে আমি আৰম্ভ কৰিম; গতিকে এসপ্তাহৰ ভিতৰতে যেন আমি সাজু হব পাৰোঁ তাৰ ব্যৱস্থা কৰিব লাগিব। আপুনি প্ৰস্তুত থাকিব কিন্তু।" বাসন্তীয়ে কয়। এনেতে গোটেই কেইজনীয়ে "হয়, হয়" বুলি সমৰ্থন কৰি থিয় হয় আৰু যাবলৈ সাজু হয়।

"নমস্কাৰ মিষ্টাৰ ধ্ৰুৱেশ্বৰ এডিটৰ" বুলি কৈ সবিতাই এটা নমস্কাৰ কৰে। নবীনে "নমস্কাৰ মিচ্ সবিতা দেৱী" বুলি প্ৰীতি নমস্কাৰ জনায় হাঁহি হাঁহি।

ইতিমধ্যে আনকেইজনীয়ে একেলগে নমস্কাৰ কৰি কয়—“নমস্কাৰ মিণ্টাৰ বৰ্মণ। বৰ বিৰক্তি আৰু ক্ষতি কৰিলোঁ আপোনাৰ, মাফ কৰিব।”

“এনে বিৰক্তি দিবলৈ মাজে মাজে আহিবচোন। চিৰদিন দালি, তৰকাৰী খাই ভাল নালাগে, মাজে মাজে খাবো খাব লাগে।” নবীনে হাঁহি কয়।

“নিশ্চয়। অসমীয়া মানুহতো! খাব খাব লাগে।” ঠাট্টা কৰে মঞ্জুৱে।

‘এবা। আমি খাৰ খোৱা অসমীয়া।” হাঁহে নবীনে।

“নমস্কাৰ পৰ্ব শেষ কৰি ধীৰে ধীৰে নিষ্ক্ৰান্ত হ'ল সবিতাৰ দল পৰম আহ্লাদেৰে। লাহে লাহে পুনৰ নিমগ্ন হ'ল নবীন সম্পাদকীয় স্তম্ভ লিখিবলৈ পৰম তৃপ্তিৰে—উৎসাহেৰে।

॥ ত্ৰিশ ॥

ৰঙালি বিহু সন্মিলন উপলক্ষ্যে ‘ভেৰাইটী শ্বো’ বা বিচিত্ৰানুষ্ঠানৰ বিপুল আড়ম্বৰ। সহ-অভিনয়, সহ-নৃত্য। ডেকা-ডেকেৰীৰ মনত জাগে নতুন আনন্দ, প্ৰৌঢ়সকলৰ মনত জাগে অতীতৰ বিগত দিনৰ অতৃপ্ত বেদনা। বিহু আহে, বিহু যায়; ডেকা-গাভৰুৰ মনত তুলি দি যায় অপূৰ্ব আবেগ হিল্লোল।

আৰু মাত্ৰ দিনচেৰেক বাকী। ধুমধাম আয়োজন চলে, ধুমধাম চলে জাননী। নৃত্যত মতলীয়া হয় সবিতা দাস, বাদ্যত মত্ত হয় নবীন বৰ্মণ। সবিতাহঁতৰ ঘৰতো চলে অবিৰাম সঙ্গীত সাধনা—নৃত্যগীত, নাট্যব্যঞ্জনা, যন্ত্ৰ-সঙ্গীত। পুৱা-গধূলিৰ নাই ছেদ-ভেদ। সবিতাই নাচে, নবীনে বজায় তবলা। জাকে জাকে আহে চহৰৰ শিক্ষিতা ছোৱালীৰ দল, পালে পালে আহে নগৰৰ শিক্ষিত ল'ৰাৰ দল। উপচি পৰে ‘বিহাচল বুম।” অবিচ্ছিন্নভাৱে চলে আথৰা—ইটিৰ পিচত সিটিৰ, এই দলৰ পিচত সিদলৰ। ৰেণু, ভানু, চিনু আহে, আৰতি, জয়ন্তী, বাসন্তী আহে—আৰু আহে বিমলা, কমলা, উৎপলা আধুনিকাৰ বেশেৰে; বীৰেন, ধীৰেন, ৰমেশ আহে—আৰু আহে দীনেশ, মহেশ, পৰেশ নিত্য নতুন সাজেৰে। কাৰবাৰ প্ৰাণত লাগে সুৰৰ পৰশ, কাৰবাৰ হিয়াত বাজে সঙ্গীত সৰস।

ক্লান্তি নাই, শ্ৰান্তি নাই—অবিশ্ৰান্ত চলে যেন নৃত্যৰ সাধনা, সুৰৰ আৰাধনা। প্ৰাণ-মন হৈ যায় অনুৰাগে ৰঞ্জিত আবেগ আকুল।

সবিতাৰ সাধনা চলে তাল, মান লয়ৰ—গন্ধৰ্ব বিদ্যাৰ। মৃদু-মলয়াৰ চোৰিৰত সদ্যপ্ৰস্ফুটিত পদ্মৰ কলিৰ দৰে দোলায়িত লাহি তনুখনি। সৰ্পিল কঁকালৰ বেঁকা-ভাজ, নয়নকোণত ফুটে কটাক্ষ চাহনি, ওঁঠৰ কোণত জ্বলে ভ্ৰূকুটি কুটিল হাঁহি। হাতৰ মুদ্ৰাত যেন মুক্তা সৰি পৰে। দীৰ্ঘকেশী লাৱণী দেহত বিৰাজে সৌন্দৰ্য্যৰ অপৰূপ ভঙ্গিমা। নৃত্যৰতা স্বৰ্গৰ মেনকা। নীলা ওৰণিৰ মাজেৰে ৰঙা ব্লাউজৰ আত্ম-প্ৰকাশৰ উৎকট চেষ্টা। অৰ্ধাবৃত্ত ব্লাউজৰ শেষ প্ৰান্তৰ ফাঁকেৰে তন্বীদেহৰ নাভিদেশে নাচৰ চেৱে দৰ্শকৰ চকুত দৃষ্টিগোচৰ হবৰ কাৰণে কৰিছে বাৰে বাৰে অপচেষ্টা। অনিৰ্বাৰ চলিছে সাধনা, দুৰ্নিবাৰ চলিছে বন্দনা। প্ৰাণৰ আনন্দেৰে নাচে সবিতাই—কথা-কলি নৃত্য। মন-প্ৰাণ ভুলি বজাই সম্পাদক ধুৰন্ধৰে তবলা। নাচৰ বুকুত হেৰাই যায় সবিতা দাস, বাদ্যৰ মাজত লোপ পায় যেন নবীন বৰ্মণ। এনেভাৱে চলে নৃত্য-গীত দিন দিন, এনেদৰে চলে তবলা প্ৰতিদিন। নবীন হৈ পৰে মত্ত, সবিতা হৈ যায় উন্মত্তা। অপূৰ্ব বোল নবীনৰ তবলাৰ, অনিন্দ সুন্দৰ নাচ সবিতাৰ। মুগ্ধ হয় দৰ্শক, মুগ্ধ হয় দলৰ উদ্যোক্তাসকল। দিনে দিনে বাঢ়ি যায় আকৰ্ষণ কৰ্মীবৃন্দৰ, নিতে নিতে বাঢ়ি যায় আকৰ্ষণ নবীন সবিতাৰ।

কোনো দিন কোনোজনৰ ক্ষন্তেক বিলম্ব হলে আৰম্ভ হয় অভিমান। অভিমানে পৰিণত হয় শেষত অনুৰাগত। নবীন নহলে সবিতা হয় মৌনা, বিক্ষুব্ধা; সবিতা নহলে নবীনে বাদ্যত দেখুৱায় অশ্ৰদ্ধা।

।। একত্ৰিশ ।।

আজি বিহু সন্মিলন। আজি গধূলিবেপৰা আৰম্ভ হব 'ভেৰাইটী শো।' কৰ্ম-কৰ্তাসকলৰ গাত তৎ নাই, অভিনেতা অভিনেত্ৰীসকলৰ গাত গোঁসাই নাই।

ব্যস্ততা—অসীম ব্যস্ততা। কিমান অভিমান, কিমান অভিযোগ চলে অনুৰাগী-জনৰ ওচৰত। অনুৰোধ, উপৰোধ চলে কৰ্ম-কৰ্তাসকলৰ, অনুযোগ অভিযোগ চলে দৰ্শকবৃন্দৰ মাজত, আৰু চলে অনুৰাগ, পূৰ্বৰাগ অভিনেতা অভিনেত্ৰীৰ ভিতৰত। কৰ্ম-ব্যস্ততাৰ ফাঁকত অনুৰাগৰ ধৃষ্টতা, প্ৰশংসাৰ নামত পূৰ্বৰাগৰ অপচেষ্টা চলে চতুৰ্দিশে। 'গ্ৰেচৰুম'ত চলে এনেভাবে অব্যক্ত কোলাহল।

ইফালে আলোক-মণ্ডিত হয় ৰভাস্থল। বিজুলী বাতিৰ জ্যোতিত উদ্ভাসিত হয় দশোদিশ। "তড়িৎ খেলাৰ চিকমিকনিত" দৃষ্টি যেন হ'ল ক্ষীণ। ইঞ্জিনীয়াৰিঙৰ অপূৰ্ব কলা-কৌশল চলে মঞ্চ সজ্জাত। প্ৰাণ ঢালি কাম কৰে ইঞ্জিনীয়াৰ প্ৰবীণ কলিতাই। দুৰ্ঘোৰ সাধনা। এক অজ্ঞাত আকৰ্ষণে যেন তাক মতলীয়া কৰি তুলিছে। বিদ্যাৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি যেন কোনো ৰাজকুমাৰীক লাভ কৰিবৰ বাবে চলিছে এনে প্ৰাণপণ চেষ্টা—নিৰবচ্ছিন্ন অধ্যৱসায়। ৰঙা, নীলা, বেগুনীয়া বিজুলী বাতিৰ অপৰূপ পোহৰৰ খেলা। ধৱল মঞ্চত উজ্জ্বল পৰ্দাৰ চলিছে চঞ্চল উত্থান-পতন। মাইক্ৰোফোনৰ চলিছে সুদূৰ ব্যাপক ধ্বনি। বাদ্য-যন্ত্ৰৰ ঝনঝননি। সুৰৰ লহৰী কঁপে, বাদ্যৰ সুমধুৰ ধ্বনি যায় বিয়পি, নৃত্যৰ ভঙ্গিমা বাগৰি-নিগৰি যায় সঙ্গীতৰ চেঁৱে চেঁৱে।

অনতিদূৰত অৱস্থিত পৰিচালনা শিবিৰ। মঞ্চৰ গতি-বিধি, জনতাৰ গতি-বিধি লক্ষ্য কৰা হয় ইয়াৰপৰাই; আৰু ইয়াৰপৰাই অভিনেতা-অভিনেত্ৰীসকলৰ অভাৱ-অভিযোগৰ যোগান ধৰে কৰ্মকৰ্তাসকলে। 'মাইক'ৰ সন্মুখত থিয় হৈ চফল ডেকা দুই এজনে মাজে মাজে ৰাইজক অনুৰোধ কৰে—"চাইলেণ্ট প্লিজ।" ৰাইজৰ মাজত চলে ভলণ্টিয়াৰসকলৰ অনুৰোধ—গণ্ডগোল নকৰিবলৈ। 'হাই নকৰিব' 'হাই নকৰিব' সাৱধান বাণী ইমান অধিক হয় যে তেওঁলোকৰ নিষেধাজ্ঞাৰ ধ্বনিয়ে গণ্ডগোল লগায় বেচি। হাই-উৰুমি থমোৱাৰ মাৰফটত কাৰো কাৰো নিজক জাহিৰ কৰা মতলব। দুই এজনে হয়তো এনেয়ে অসীম কৰ্ম ব্যস্ততাৰ অজুহাত

দেখুৱাই ইফাল সিফাল কৰি 'ব্লেচ ৰুম'ত সোমাই। এনেয়ে কিবা এটা কম্ এজনী অভিনেত্ৰীক; হঠাতে চোলাত মৰা পিনটো মাটিতপৰা দেখি হয়তো কিচাৰি উলিয়াই হাতত তুলি দিয়ে। কোনোজনে হয়তো দ্ৰুতপদে মঞ্চত প্ৰবেশ কৰি 'মাইক'টোকে লাবিচাৰি চাই ইফালে-সিফালে ঘূৰাই দুটামান ফুক্ মাৰি ভাল যেন্না পৰীক্ষা কৰে। তাৰপাচত বায়ু বেগে যায় মহাব্যস্ত হৈ অফিচলৈ। তেওঁক হয়তো যোৱাহে দেখা যায়; পুনৰ দেখাৰ আৰু সৌভাগ্য নঘটে। হয়তো সেই মহাব্যস্ত ব্যক্তিজনে তেতিয়া মেনেজাৰ বা চেক্ৰেটাৰীৰ পিচ ফালে থিয় হৈ চেয়াৰত ধৰি কৰলৈ একো কথা নাপাই লাহেকৈ চেক্ৰেটাৰীৰ কাণৰ কাষত সেমেনা-সেমেনি কৰি সুধিছে—

"তামোল খাব নেকি?"

এইবোৰ কাম কৰা ভলন্টিয়াৰৰ অৰ্থাৎ স্বেচ্ছাসেৱকৰ সংখ্যা অধিক, কিন্তু কাম নোহোৱা স্বেচ্ছাসেৱকৰ সংখ্যা ততোধিক।

ৰভাস্থলত জনতাৰ ঠেলা-হেঁচা। আগৰ বেঞ্চত বহিবৰ বাবে পিচৰ মানুহে হেঁচি গৈছে। এটা হুলস্থুল লাগি গৈছে; ছেগ বুজি তপ্‌কৈ বহি পৰিছে বুদ্ধিমানজনে।

কিছুমান স্বেচ্ছাসেৱকৰ হয়তো মহিলাৰ ফালে বেচি নজৰ। অনতিদূৰত থিয় হৈ ছোৱালী স্বেচ্ছা-সেৱিকাজনীকে হয়তো বৰ ব্যস্তভাৱে কৈছে—"বুজিছে মিচ চৌধাৰী, সেইফালে ভালকৈ চকু ৰাখিব।" গাভৰু স্বেচ্ছা-সেৱিকাই এবাৰ তেওঁৰ চকুলৈ চাই হাঁহি মাৰি উত্তৰ দিয়ে—"আপুনি নহলে মই অকলে নোৱাৰো মিষ্টাৰ হাজৰিকা।" তেওঁ হয়তো হাঁহি মাৰি সম্মতি জনাইছে—

"মই আপোনাক সহায় কৰিবলৈ পাৰ্যমানে চেষ্টা কৰিম।"

কৃতজ্ঞতাৰ দৃষ্টিৰে চাই হয়তো তাই কৈছে—"ময়ো আপোনাক আশা কৰোঁ।" তাৰ পাচত মানুহ বহুৱাই দিয়াত দুয়োকো ব্যস্ত দেখা যায়। হঠাৎ দুয়ো ফালৰ-পৰা মানুহ বহুৱাই আহি ওচৰা-ওচৰি হয়। হাঁহি মাৰি দুয়ো দুয়োৰো মুখলৈ চায়। দুয়ো অলপ হাঁহে। এনেতে দূৰৈৰপৰা হঠাৎ কেইটামান কাহৰ শব্দ আহে। দুয়ো হয়তো বহু আঁতৰত।

তিৰোতাৰ ফালে হয় জনতাৰ ভিৰ। গাঁৱত যাত্ৰাপাৰ্টি হ'লে হয় হেঙাৰৰ ব্যৱস্থা। তিৰোতাৰ ফালে আছুতীয়াকৈ বান্ধে হেঙাৰ। হেঙাৰৰ ভিতৰত থাকে নাৰীসকল। কিন্তু হেঙাৰৰ বাহিৰত পুৰুষৰ সংখ্যা হয় তিৰোতাতকৈয়ো অধিক।

হেঙাৰ ভাগি যাতে একো অনিষ্ট নহয় তাৰ বাবেই বোধহয় বাহিৰত থিয় হৈ থাকে ডেকা ল'ৰাৰ দল। বাহিৰ বেৰক বিশ্বাস নাইতো—গতিকে মানুহৰে বেৰ।

চহৰৰ অভিনয় নাইবা বিচিত্ৰানুষ্ঠানত বাহিৰ গড় নাই—আছে চেয়াৰ বেঞ্চৰ পৰিপাটি শাৰী। স্ত্ৰী-পুৰুষৰ ব্যৱধানৰ বাবে দুয়ো দলৰ মাজেৰে থাকে একোটা বহল বাট। ইয়ে কৰে হেঙাৰৰ কাম। স্ত্ৰী-স্বাধীনতা তথা ব্যক্তি স্বাধীনতা স্বীকাৰ কৰা চহৰীয়া মুনিহ-তিৰোতাই কোনো ৰকমৰ আৰ-বেৰ ৰাখি নিজক ভদ্ৰৰ শাৰীৰপৰা নমাই আনিবলৈ ইচ্ছা নকৰে। সেয়েহে ইয়াত বেৰৰ বা হেঙাৰৰ প্ৰশ্ন উঠিব নোৱাৰে। অৱশ্যে ইয়াতো নাৰীৰ ফালটোত জনতাৰ সংখ্যা অধিক যেন অনুমান হয়। বোধহয় মুকলি ঠাইত মুকলি বতাহৰ আক্ৰমণৰপৰা তিৰোতাসকলক ৰক্ষা কৰিবৰ মানসেই ডেকা ল'ৰাসকলে দুৰৈত থিয় হৈ তেওঁলোকৰ কৰ্তব্য সমাধা কৰে। মাৰ্জিত আৰু ভদ্ৰ ৰুচি সম্পন্নতো,—স্বাভাৱিকতে তেওঁলোকৰ অনুকম্পা আছে মাতৃ জাতিৰ প্ৰতি।

শো আৰম্ভ হ'ল। জনতা নিস্তব্ধ! মঞ্চত আলোক সম্পাত। ধীৰে ধীৰে চলিল যন্ত্ৰ-সঙ্গীত। সুৰৰ ঝঙ্কাৰ বিয়পি পৰিল চৌদিশে। মোহাবিষ্ট দৰ্শক মণ্ডলী। কোন সুৰ-সাগৰৰপৰা যেন ধীৰে ধীৰে ওলাই আহে সুৰৰ মূৰ্ছনা। স্তব্ধ জনতা, নিস্তব্ধ ঐক্যতান। পৰ্দা আঁতৰি যায় ধীৰে ধীৰে। মঞ্চত বিয়পি পৰিল নীলা পোহৰৰ ৰেখা। ক্ৰমে ক্ৰমে নামি আহিল যেন আলোক লহৰী এজনী স্বৰ্গৰ কিন্নৰী—নৃত্যৰতা সুন্দৰী সবিতা। সচকিত দুনয়ন, দোলায়িত তনুমন। নৃত্যৰ তালে তালে ফুটি উঠে যেন অপৰূপ ৰূপ মাধুৰিমা। কথক নৃত্যৰতা সবিতা বাস্তৱিক অসামান্য ৰূপহী। তবলাৰ বোলে বোলে দেহ ভঙ্গিমাৰে চলে অবিৰত নৃত্য। একীভূত নৃত্য-বাদ্য—তাল, মান, লয়। তবলাৰ চেৰ চেৰ ঝঙ্কাৰ উঠে যেন দেহৰ প্ৰতি অঙ্গ-প্ৰত্যঙ্গত। প্ৰাণ ঢালি নাচে সবিতা, মন খুলি বজায় নবীনে। তবলাৰ বোল পৰে,—মুদ্ৰাৰ ভঙ্গিমা চলে। নবীনৰ তবলাৰ জলদ ঝঙ্কাৰত নাচি উঠে মন। চকুই চকুই পৰে নবীন সবিতাৰ। ইঙ্গিতেৰে তুলি দিয়ে নবীনে সবিতাৰ অন্তৰত কবিতাৰ বান; আকুল আবেগময়ী হয় যুৱতী সবিতা। অন্তৰত হঠাতে জাগে অনুৰাগ; চাৱনিয়ে দিয়ে তাৰ পূৰ্বাভাস। আনন্দমুখৰ হয় সবিতা—নবীন। ঘন ঘন দৃষ্টি বিনিময়। বোল উঠে জনতাৰ—"বাঃ! বাঃ! বাঃ!!!"

কৰতালি পৰে বাৰে বাৰে—চপ্ ! চপ্ !! চপ্ !!!

বহু আঁতৰৰ পৰা আহে সুহুৰিৰ শব্দ—হু-ই-চ।

বিমুগ্ধ জনতা, বিমুগ্ধ কৰ্ম-কৰ্তা ; নৃত্য আৰু বাদ্যৰ অপূৰ্ব মিলন। নৃত্য চলে অবিৰাম।

জনতাৰ মাজত শৰৎ ভুঞা উপবিষ্ট এখনি মূল্যবান আসনত। নবীনৰ দ্বাৰা নিমন্ত্ৰিত, দলৰ দ্বাৰা অভ্যৰ্থিত। বিহু সন্মিলনৰ প্ৰত্যক্ষ নহলেও পৰোক্ষ কৰ্ম-কৰ্তা। সেয়েহে উপস্থিত সভামণ্ডপত ; উদ্বিগ্ন শৰৎ। সবিতাৰ নৃত্য কটাক্ষত ক্ষত-বিক্ষত মন। সবিতাই তাইৰ দেহৰ অঙ্গৰ প্ৰত্যেক ভঙ্গিতে যেন মুচৰি আনিব ধৰিছে কলা-প্ৰাণ শৰতৰ কুসুম-কোমল হৃদয়খনি। উস্ কি জ্বালা, কি উত্তাপ ! ইটো নৃত্য নোহে—মাথোঁ পুৰুষৰ প্ৰাণ হত্যাৰ নব-আয়োজন। নবীনৰ অনুৰোধ এৰাবপৰা হ'লে নিশ্চয় আজি নাহিলহেঁতেন শৰৎ এই স্থানলৈ। বন্ধুৰ একান্ত অনুৰোধ লঙ্ঘন কৰিব নোৱাৰি বিপাঙত পৰিল। কিন্তু ই বন্ধুত্ব নে শত্ৰুতা ? অনুৰোধ নে প্ৰতিশোধ ? উহু আৰু নোৱাৰে। অতীতৰ সমস্ত ঘটনা যেন প্ৰকট হৈ উঠে শৰতৰ সন্মুখত। "সবিতা—সবিতা ! মোৰ সৌন্দৰ্য্য প্ৰতিমা" বুলি যেন আকোৱালি লব সবিতাক এনে ভাব আহে শৰতৰ ! দুৰ্নিবাৰ ৰূপৰ আকৰ্ষণ, অদমনীয় প্ৰবৃত্তিৰ দুৰ্জয় লালসা। মানুহৰ বিচাৰ বুদ্ধিক কৰে পঙ্গু, জ্ঞানক কৰে অন্ধ। ভুল কৰে মহাদেৱে, ভুল কৰে ঋষি বিশ্বামিত্ৰই। শৰৎ হ'ল সামান্য মানুহ। ভুলি যায় শিক্ষা-দীক্ষা, ভুলি যায় পদগৌৰৱ। ৰূপৰ মোহে কৰি তোলে মোহাবিষ্ট। অজেয় ৰূপ-তৃষ্ণা মানৱৰ। অন্তৰত জ্বলে কামনাৰ জুই, বাহিৰত শান্ত-শিষ্ট অৱদমনকাৰী আধুনিক ভদ্ৰলোক। মৌনভাৱে চাই ৰ'ল এই ৰূপৰ প্ৰতিমাখনিলৈ অনিমেষ নয়নে। দৃষ্টিত ফুটি উঠিল আকুলতা ; মনত পৰিলক্ষিত হ'ল ব্যাকুলতা।

আনন্দ অধীৰা সবিতা। পুৰুষৰ চঞ্চলতা ধৰিবৰ বাবে নাৰীক সময় নালাগে। ক্ষন্তেকতে শৰতৰ দুৰ্বলতা ধৰি পেলালে সবিতাই। মুহুৰ্মুহু মাৰিলে তীক্ষ্ন বাণ। বিকল কৰিলে বেচেৰাৰ প্ৰাণ। কি নিষ্ঠুৰা সবিতা। বঞ্চিতৰ বেদনা জানো বুজে অলপো ?

বঞ্চিত বেচাৰা শৰৎ। জৰ্জৰিত হ'ল সবিতাৰ নৃত্য কৌশলত।

ক্ষন্তেক পাচতে দৃষ্টি গ'ল ফিৰি ঘূৰি গ'ল প্ৰবীণৰ ফালে। কৰ্মকৰ্তা উৎসাহী ইঞ্জিনীয়াৰ প্ৰবীণ কলিতা। মণ্ডসজ্জা তাৰ অতি চমৎকাৰ। উপবিষ্ট অনতিদূৰত অৱস্থিত এক চৌখিন চেয়াৰত। ধ্যানমগ্নযোগী—দৃষ্টি মাথোঁ সবিতাৰ ফালে। প্ৰতি পলে পলে যেন পান কৰিছে এই অনবদ্য ৰূপ। চকিতা সবিতা। দৃষ্টি পৰে হঠাতে এই নিৰ্ভেজাল ৰূপৰ পূজাৰীৰ প্ৰতি। চমকিত হৈ উঠে সবিতা। ইকি অকুণ্ঠ ৰূপৰ পূজা? বঙ্কিম ভ্ৰূযুগল কুঞ্চিত কৰি চঞ্চল চকুৰে মাৰিলে নয়নবাণ। কণ্ঠাগত হ'ক বেচেৰাৰ প্ৰাণ। এটি মাত্ৰ হস্তমুদ্ৰা নিক্ষেপত প্ৰবীণৰ প্ৰাণ যেন হৈ পৰিল বিকল। নিনিৰ্মেষ নয়নে চাই ৰ'ল এই মৰ্ত অপেস্বৰী উৰ্বশীৰ প্ৰতি। জ্বলিল প্ৰবীণৰ হিয়াৰ তন্ত্ৰীত যেন বিদ্যুৎ প্ৰবাহ। কি নিৰ্দয়া সবিতা! পুৰুষক জ্বলাই পুৰি মাৰি কি সুখ পায় নাৰীয়ে? প্ৰবঞ্চিতৰ দাহ কেনে জ্বালাময় নুবুজে অকণো?

প্ৰবঞ্চিত ইতিমধ্যে হতভাগ্য প্ৰবীণ কলিতা। নৃত্য-ভঙ্গীমাৰে পুনু কিয় দিয়ে ব্যথা বাৰে বাৰে?

এটি নাৰী তিনিটা পুৰুষ। বঞ্চিত হ'ল বেচাৰা শৰৎ, প্ৰবঞ্চিত হ'ল হতভাগা প্ৰবীণ কলিতা; কিন্তু চতুৰ নবীন বঞ্চিত নে প্ৰবঞ্চিত? নবীন নহয় বঞ্চিত, নহয় প্ৰবঞ্চিত। ধুৰন্ধৰ নবীন হ'ল অজিত। অজেয় নবীন। নাৰীৰ দুনিৰ্বাৰ আকৰ্ষণত অবিচলিত চিত্ত লৈ খেলি আছে এক ছলনাৰ খেলা। নাজানো কাৰ হয় জয়, কাৰ পৰাজয়। সবিতাৰ নে নবীনৰ? আমি মাত্ৰ নিৰ্লিপ্ত দৰ্শক।

লাহে লাহে বাদ্য হ'ল ক্ষীণ, নৃত্য হ'ল মন্থৰ, আলোক সম্পাত হ'ল ছায়াবৃত। ক্ৰমে ক্ৰমে নৃত্যৰতা অপেস্বৰী সবিতা, আন্ধাৰৰ বুকুত হ'ল লীন। কথক নৃত্যৰ হ'ল অৱসান। দৰ্শকবৃন্দৰপৰা কৰতালিৰ জাউৰি লঠিল। কৃতকাৰ্যতাৰ আনন্দত নবীন-সবিতা হৈ পৰিল আনন্দ আতুৰ।

"গ্ৰেচৰুম'তে প্ৰৱেশ কৰি নমস্কাৰ প্ৰতিনমস্কাৰ কৰিলে দুয়ো দুয়োকো। তাৰে প্ৰশংসা স্তুতিৰ দেওনা পাৰ হৈ একেবাৰে কৰস্পৰ্শ, কৰমৰ্দনৰ পৰ্য্যায়লৈ উধালে। আজিহে যেন দুয়ো দুয়োকো চিনি পালে—দুয়োকো দুয়ো আৱিষ্কাৰ কৰিলে। আকৰ্ষিতা সবিতা কিন্তু স্থিৰ-নিশ্চল ৰ'ল নবীন বৰ্মণ।

এনেভাৱে দৃশ্যৰ পিচত হ'ল দৃশ্য অভিনীত বিপুল কৃতকাৰ্যতাৰে। দৰ্শক-বৃন্দৰ প্ৰশংসাৰ বাণীয়ে ধ্বনিত কৰিলে চৌদিশে। অপূৰ্ব নৃত্য; অবিস্মৰণীয়

দৃশ্য। চায়মানে যেন চকুৰ তৃপ্তি নপলায়। সাৰ্থক হ'ল বিচিত্ৰানুষ্ঠান ; ধন্য হ'ল ৰভাঘৰ ; ধন্য হ'ল লতাশীল ফিল্ড—শত ধন্য প্ৰাগজ্যোতিষৰ বিহু সন্মিলন। নানা দৃশ্য, নানা গান চলিল ; নানা জনৰ চলিল বিচিত্ৰ অভিনয় কৌশল। মুগ্ধ হ'ল দৰ্শক, তৃপ্ত হ'ল কৰ্মীবৃন্দ। তিনি ঘণ্টা জুৰি চলিল এই দৃশ্যাভিনয়। জয়ন্তী, বাসন্তী, পৰেশ, উমেশ, ৰেণু, ভানু দীনেশ, ভবেশ, মঞ্জু, বুঞ্জ, ধীৰেন বীৰেনৰ চলিল বিহু নাচ, নগানাচ, বড়োনাচ, ওজাপালি, বৰগীত, আধুনিক গীত, দৃশ্যাভিনয়, সমূহীয়া গীত ইত্যাদি আৰু চলিল খেমতা, ঠুংৰি, কাৱালী, আচোৱাৰী আদি নানা বাদ্য, নানা গান। নাচে, বাদ্যে, গানে মুখৰিত মঞ্চ, চমকিত সভা-মণ্ডপ। এই বিহু, এই নাচ, এই গান, এই প্ৰাণ—সঁচ ৰ'ল চিৰদিনলৈ।

ৰঙালি বিহু আহিল—গ'ল। কাৰবাৰ হিয়াত লাগিল ৰাঙলী ধেমালি ; কিন্তু কাৰবাৰ প্ৰাণ হ'ল তেজেৰে ৰাঙলী।

॥ বত্ৰিশ ॥

পিচদিনা বাতৰি কাকতত ডাঙৰ ডাঙৰ আখৰেৰে ওলাইছে ভেৰাইটি শ্বো'ৰ কথা।

"অপূৰ্ব বিচিত্ৰানুষ্ঠান। অগণন জনতা। লতাশীল ফিল্ডত লোকে লোকাৰণ্য। গুৱাহাটীৰ শ্ৰেষ্ঠ শিল্পীবৃন্দৰ দ্বাৰা বিচিত্ৰানুষ্ঠান অনুষ্ঠিত" ইত্যাদি প্ৰশংসা-মুখৰ বাণীৰে বাতৰি কাকতৰ প্ৰথম পৃষ্ঠা পৰিপূৰ্ণ! নবীন-সবিতাৰ প্ৰশংসা উভৈনদী।

"মিচ সবিতা দাসৰ নৃত্য ভাৰতীয় সঙ্গীত জগতৰ অবিস্মৰণীয় ঘটনা। নৃত্য-কলাৰ সাৰ্থক সাধনা। মিচ দাসৰপৰা অসমে বহু আশা কৰে। তাৰ উপৰি মিষ্টাৰ ধুৰন্ধৰৰ তবলাৰ বাজনা অতি প্ৰশংসনীয়। অনামীৰ সম্পাদকক হঠাতে এনেভাৱে দেখা পাব বুলি বাইজে ভবা নাছিল। প্ৰতিভাৰ শ্ৰেষ্ঠ পৰিচয় দিয়ে একক ক্ষেত্ৰত সম্পাদক ধুৰন্ধৰে। ধুৰন্ধৰ নাম সাৰ্থক হৈছে। বাস্তবিক কলা বিশাৰদ—ললিত কলাৰ সকলো ক্ষেত্ৰতে প্ৰতিভাসম্পন্ন বুদ্ধি কৌশলী ধুৰন্ধৰ। সাহিত্যৰ দৰে সঙ্গীত আৰু বাদ্যতো তেখেতৰ নিপুণ হাত। আমি তেখেতৰ বহুমুখী প্ৰতিভাৰ শলাগ নলৈ নোৱাৰো।

এইখিনি কথা পঢ়িয়ে আনন্দত সবিতাৰ মন নাচি উঠিল। কাকতখন জাপি-জুপি হাতত লৈ খোজ ললে নবীনৰ ভাৰাঘৰ বুলি।

তেতিয়া প্ৰায় আঠ বাজিছে। সবিতা উপস্থিত নবীনৰ বাহাত—হাতত বাতৰি কাকতখন। নবীন তেতিয়া আৰু ব্যস্ত অনামীৰ 'প্ৰুফ' চোৱাত। বিহু-সংখ্যা অনামী অতি শীঘ্ৰ ওলিয়াব লাগে। সম্পাদকীয়খিনি ভাবি চিন্তি লিখিব লাগিব। ছবিবোৰ ধুনীয়া আৰু কাৰ্টুনবোৰ অৰ্থব্যঞ্জক নহ'লে অনামীৰ আকৰ্ষণ ক'ত থাকিব? ৰাইজৰপৰাই বাৰু সমাদৰ পাব কিয়? আজি-কালি 'অনামী' বেনামী নহয়—স্বনামী। তেওঁ বৰ ব্যস্ত। ইতিমধ্যে যে সবিতাই ৰুমত প্ৰৱেশ কৰি তেওঁৰ ফালে একান্ত দৃষ্টিৰে চাই আছে, তাৰ গম পোৱা নাই তেওঁ। তেওঁৰ এনে মন সংযোগ দেখি ধ্যান ভাগিবলৈ মন নকৰি সবিতাই অতি সন্তৰ্পণে ভিতৰলৈ সোমাই গ'ল আৰু পাক ঘৰত প্ৰৱেশ কৰিলে। ৰন্ধন শাল্লত গৈ দেখে যে বিগত ৰাত্ৰিৰ অৰ্ধ বিনিদ্ৰ ৰজনী উদ্‌যাপন কৰি বে চৰা ৰান্ধনি ল'ৰা ৰাজেনে চাহৰ চৌকাৰ কাষত বহি মূৰ টোপনিয়াই আছে। লুচি বেলা বেলনাডাল আৰু কাঁহীখনত আটাবোৰ অৰ্ধ মিশ্ৰিত অৱস্থাত যেন দাঁত নিকটাই পৰি আছে। দেখা পাই সবিতাৰ হাঁহি উঠিল। তাৰ চুলিত টান মাৰি দি হাঁহি ক'লে—"তোৰ চাহ লুচি আপুনা-আপুনি হয় নেকি ৰাজেন?' ৰাজেনে সাৰ পাই থকমককৈ মূৰ তুলি ওপৰলৈ নোচোৱাকৈ উত্তৰ দিলে—"নহয়, বাবু মই এতিয়াই তৈয়াৰ কৰিম। আপুনি বহক বাবু—।"

বাবু বুলি কোৱাত সবিতাৰ আৰু হাঁহি উঠিল। তৎক্ষণাৎ কৈ উঠিল—"হেৰ বুৰ্বক, কি বকিছ তই?"

সি ওপৰলৈ মূৰ তুলি চাই দেখে যে, সেইজন তাৰ বাবু নহয়—মালিকৰ ছোৱালীহে। সি লাজত পৰি হাঁহি মাৰি ক'লে—"মই আমাৰ বাবু বুলি ভাবি-ছিলোঁ, চাৰ।"

"চাৰ" বুলি কোৱাত সবিতাৰ হাঁহি বেঁচিহে হ'ল। তাৰ গালত এটা লাহেকৈ চৰ মাৰি দি ক'লে—"চাৰ নহয় চৰহে। হেৰ বুৰ্বক, তোক কোনে শিকাইছে ছোৱালীক চাৰ বুলিবলৈ?"

তাৰ কাণত ধৰি মৰমৰ সুৰত ক'লে—"বল, বাইদেউ বল।"

সি হাঁহি মাৰি তাৰ মুখলৈ চাই ক'লে—"বাইদেউ।"

"কিন্তু তই টোপনিয়াই আছ ?"

"কালি আপোনালোকৰ থিয়েটাৰ চাবলৈ যোৱাত বহুত ৰাতিলৈ টোপনি নাই···।"

"সেইটো বুজা গৈছে। পিচে বাবুক চাহ দিবি কেতিয়া ?"

"এতিয়া দেখোঁ আঠ বাজি কুৰি মিনিট হ'ল।" তাই বাওঁ হাতত থকা ঘড়ী-টোলৈ চাই কয়।

"এতিয়াই হব।" বুলি কৈ সি খৰধৰ কৰি চাহত জাল দিয়ে। লুচি বেলা বেলনাখন আনি বেলিব ধৰে।

তাৰপৰা ঘূৰি গৈ সবিতাই নবীনৰ শয়ন কক্ষত প্ৰৱেশ কৰে। দেখিলে— গাৰুৰ খাৰটো লেতেৰা হৈছে, বিচনাৰ চাদৰখন গোন্ধাইছে, আঠুৱাখনো মলিন হৈ গৈছে। তাই এবাৰ চকু ফুৰাই চাই এটা মিচিকিয়া হাঁহি মাৰিলে। মানুহজনৰ মুঠেই নজৰ নাই এইবোৰলৈ। তাই যেন মনতে ক'লে। তাৰ পাচত আঠুৱাখন খহাই পেলালে, বিচনাৰ চাদৰখন তুলি পেলালে, গাৰুৰ খ ৰটো এৰুৱাই আনিলে। গোটেই সোপাকে আনি মজিয়াত পেলাই দিলে। তাৰ পাচত টেবিলৰ ওচৰলৈ গৈ দেখিলে—সকলো বিশৃংখল। কিতাপ পত্ৰবোৰ যেনে তেনে ভাবে পৰি আছে। তাই পৰিপাটি কৰি সজাই থলে; ধূলি-মাকতিবোৰ জোকাৰি পেলালে। তাৰ পাচত ৰাজেনক মাতিলে—"ৰাজেন, এই ফালে আহচোন।" সবিতাৰ মাত শুনি ৰাজেন আহি তৎক্ষণাৎ উপস্থিত হ'ল—

"কি বাইদেও ?"

"এইবোৰ ধুবীৰ তালৈকে লৈ যা।"

সি কানি-কাপোৰবোৰ সামৰি লয়। সবিতাই প্ৰশ্ন কৰে—"অ' তই বাবুক চাহ দিলি নে ?"

"হয় বাইদেউ, এই মাত্ৰ দি আহিলোঁ।"

"তেন্তে মোৰ কাপ ক'ত ?" হাঁহি মাৰি সোধে তাই। একে ধৰণে উত্তৰ দিয়ে সি—"আপোনাৰ কাপ ইয়াতে দিওঁ।"

"চাব্বাচ। পিচে বাপু, তই এইবোৰ লৈ এতিয়াই যা গৈ।"

"বাবু যাওঁ বাইদেউ।" সি কানি-কাপোৰবোৰ লৈ ধুবীৰ তালৈকে লৰ দিয়ে। তাৰ বৰ ভাল লাগি যায়। এনে ধুনীয়া ছোৱালী, তাতে ইমান ভালকৈ মাতিব

জানে ; এনে এজনীক সি বাইদেউ বুলিব পাৰিলে। ই কম গৌৰৱৰ কথা নহয় তাৰ পক্ষে। সি আনন্দমনে তাইৰ আদেশ পালন কৰে।

সি যোৱাত সবিতা ওলাই আহে। নবীনৰ ৰুমত সোমাই গৈ। নবীনে তৌতিয়া সোঁহাতেৰে ধৰি লুচিখনত কামোৰ মাৰিছে আৰু বাওঁ হাতেৰে চাহৰ কাপটো তুলি লৈ চাহ এঢোক পিবলৈ উদ্যোগ কৰিছে মাত্ৰ, এনেতে সবিতা গৈ উপস্থিত। কোনো ৰকমে তৎক্ষণাৎ চাহ এঢোক খাই হাঁহি মাৰি ক'লে—"ৰাতিৰ নৃত্যৰ জেৰ এই ৰাতিপুৱালৈকেও আছে নেকি ?"

"জেৰ জমা নাই, অৱশ্যে তহবিলৰ ঘৰত অঙ্ক আছে।"

"বাৰু, তহবিলৰ ব্যৱস্থা কৰা হব। বহক এতিয়া।"

চেয়াৰ এখন আঙুলিয়াই দিয়ে। সবিতা বহে। নবীনে ৰাজেনক মাতে—

"ৰাজেন।"

"ৰাজেনক ধুবীৰ তালৈকে পঠাইছোঁ।"

"বাঃ ! মোৰ চাকৰৰ ওপৰত আদেশ জাৰি আৰম্ভ হলেই দেখিছোঁ।" হাঁহি মাৰি ঠাট্টা কৰি ক'লে নবীনে। একে সুৰতে হাঁহি মাৰি সবিতাই উত্তৰ দিলে—

"চাকৰৰ ওপৰত আদেশ জাৰিতো তুচ্ছ কথা, স্বয়ং মালিকেই গা বচোৱা টান।"

"মালিকৰ ওপৰত তেনে শুভদৃষ্টি পৰাৰ আশা কম দেখিছোঁ। তিমান ভাগ্য এই ভাৰাঘৰ নিবাসী মালিকৰ নাই ; পিচে এই প্ৰাতসতে ভাৰাঘৰত পদধূলি পৰিল কিয়······?"

"সুসংবাদ এটি দিবৰ বাবে। এই চাওক।" তাই বাতৰি কাকতখন আগবঢ়াই দি আঙুলিয়াই দিয়ে। নবীনে চাহ এঢোক খাই লুচিত এটা কামোৰ মাৰি পঢ়ি যায়। মিচিকি মিচিকি হাঁহে নিজে নিজে। তাৰ পাচত চাহৰ পিয়লাটো আৰু প্লেটখন একাষৰীয়া কৰি থৈ তাইৰ ফালে চাই হাঁহি মাৰি কয়—

"ব্যৱসায়।"

"কি ব্যৱসায় ?"

"বাতৰি কাকতৰ ব্যৱসায়ী বুদ্ধি।"

"কথাষিনিতো মিছা নহয়।"

"সঁচা বুলিও কোৱা টান।"

"তাই ম্লান পৰি যায়। এটা উচ্ছ্বসিত প্ৰশংসা আৰু উৎসাহ পূৰ্ণ মন্তব্য পাব বুলি এই ৰাতিপুৱাতেই তাই ওলাইছিল। বৰ আশা কৰি আহিছিল; ভাবিছিল এই খবৰ পালে নবীনে বৰ আনন্দ পাব। কিন্তু ক'তা? বৰং পালে এটা তাচ্ছিল্যৰ ইঙ্গিত। শেন যেন হৈ আহি ফেঁচা যেন হৈ বিমুখ হব লগা হোৱাত তাইৰ মনটো দমি গ'ল। মলিন মুখেৰে তাই উত্তৰ দিলে—

"আপুনি সদায় লোকৰ দোষহে দেখে।"

"আৰু আপুনি সদায় লোকৰ গুণহে দেখে।"

"কি মিছা বাতৰি দিলে বাৰু?"

"বাতৰি অৱশ্যে মিছা নহয়, কিন্তু অতিৰঞ্জিত।"

"কি অতিৰঞ্জিত হ'ল?"

"কালি ৰাতি তাত নৃত্য হোৱা নাছিল—হৈছিল নৃতত্ত্ব হে।"

"নিজে কৰি আপুনি নিজে পেংলাই কৰে?"

"নিজক ঠাট্টা কৰিবৰ যাৰ সাহস নাই, পৰক ঠাট্টা কৰাৰো তাৰ কোনো অধিকাৰ নাই। দোষ স্বীকাৰ কৰিবলৈ যাব সৎসাহস নাই, দোষ ধৰিবলৈ তাৰ দুঃসাহস থকাও অনুচিত।"

"ই জানো সমালোচনা নহয়?"

"সমালোচনা নহয়, বৰং কব পাৰে বিলোচনা বুলিহে।"

"বাৰু, ই জানো সঙ্গীত বিষয়ত আলাপ নহয়?"

"সঙ্গীতৰ আলাপ নহয়—সত্যৰ অপলাপহে।

"আপোনাৰ লগত কথা কোৱা অনুচিত।"

খন্তেকত তাই নীৰৱ হয়। নবীনে বুজে তাইৰ অভিযান আৰু তাই কি বিচাৰি আহিছিল। এষাৰি প্ৰশংসাসূচক বাণী—এয়েতো? ই একো খৰচৰ কথা নহয়, কোনো ব্যয়বহুল দ্ৰব্যও নহয়। তাকে দিয়াত ইমান কাৰ্পণ্য কিয় নবীনৰ? তেন্তে তাইক নিৰুৎসাহ কৰি কিবা আনন্দ উপভোগ কৰিব বিচাৰে নেকি তেওঁ? হয়তো হবও পাৰে। বোধ হয় সেয়ে। সেই দেখি কথাৰ পাক ঘূৰাই ক'লে—

"বাৰু, 'অনামী'লৈ যে আপোনাৰ আধুনিক কবিতা এটা দিয়া কথা আছিল, পিছে ক'তা?"

"মই আৰু 'অনামী'ত নিলিখোঁ।"

"তেন্তে কোনো নামী অৰ্থাৎ প্ৰখ্যাত আলোচনীয়ে আকৰ্ষণ কৰিছে হবলা ?"

"কতো নিলিখোঁ—বিখ্যাত, অখ্যাত একোতে আকৰ্ষণ নাই।"

"তেন্তে আকৰ্ষণৰ পাচত বিকৰ্ষণ ? নহ'লে নৃত্যৰ বুকুতে লয় হ'ল নেকি সাহিত্য ?" নবীনে হাঁহি পাতল কৰি দিয়ে। সবিতায়ো হাঁহিবলৈ বাধ্য হয়। অলপকৈ হাঁহি কয়—"আধুনিক কবিতা আৰু মই নিলিখোঁ।"

'কি দোষ কৰিলে আধুনিক কবিতাই ?"

"দোষ একো নাই, বহুতে ইয়াক আদৰ নকৰে।"

"কিন্তু সেই বুলি বহুতে ইয়াক কদৰো নকৰে।"

"আধুনিক কবিতাক পুৰণিৰ ভক্তসকলে কাব্যৰস হত্যাকাৰী তৰোৱাল যেন বিবেচনা কৰে।"

"অৱশ্যে অনুমানটো অমূলক নহয়। আধুনিক কবিতাৰ ৰূপ পুৰণিৰ ভক্তসকলৰ মনত তীক্ষ্ন-তৰোৱালৰ দৰে ভয়াবহ। আধুনিকা সকলৰ তীব্ৰ ৰূপ যেনেকৈ চফল ডেকাসকলৰ বাবে জোঙাল ডেগাৰৰ দৰে—এবাৰ বুকুত সোমালে ধৰফৰ কৰি মৰে, তেনেকৈ আধুনিক কবিতাৰ স্বৰূপটো পুৰণিৰ ভক্তসকলৰ চকুতপৰা মাত্ৰেই তেৰাসবৰ প্ৰাণ বিদীৰ্ণ হৈ যায়। ডেকা ল'ৰাৰ মূৰ নষ্ট কৰাৰ বাবে আধুনিকা ৰূপহীৰ ৰূপ যেনে কাৰ্য্যকৰী, আধুনিক কবিতাৰ ৰূপো পুৰণিৰ ভক্তসকলৰ কাব্য-ৰস নষ্ট কৰাৰ বাবে তেনে ফলদায়ক।"

কথাৰ ছলতে নবীনে সমালোচনা কৰিলে আধুনিক কবিতাক, অতীত-পূজাৰী-বৃন্দক, ৰসজ্ঞ সমাজক আৰু লগতে পৰোক্ষভাৱে খোঁচা মাৰিলে সবিতাৰ বৰ্তমান চলতি বজাৰত কিনা আধুনিক ৰূপসজ্জাক। বুদ্ধিমতী সবিতাৰ বুজিবলৈ একো বাকী নাথাকিল। পেটে পেটে তাইৰ খং উঠিল ; কিন্তু এই অভদ্ৰটোৰ লগত একো তৰ্ক নকৰি মনে মনে ৰ'ল। নবীনে এবাৰ তাইৰ ফালে কেৰাহিকৈ চাই মিচিকিয়া হাঁহি মাৰি সুধিলে—"কথাষাৰ আপোনাৰ মনঃপূত নহ'ল কিজানি ? অৱশ্যে কথাষাৰ অপ্ৰিয় সত্য।"

"প্ৰেয় হ'লে প্ৰেয় নহলেও ক্ষতি নাই। পিচে 'অনামী' কিমান আগ বাঢ়িছে ?"

"প্ৰায় শেষ। কবিতা ভাগত, বিশেষকৈ আধুনিক কবিতাৰ শিতানত দুই এটা কবিতা দিলেই খতম। বাৰু, আপুনি তেন্তে কবিতাটি নিদিয়ে নেকি ?" বৰ

অনুনয়ৰ সুৰত কৈ নবীনে সবিতাৰ চকুলৈ চায়। এনে আকুতিপূৰ্ণ দৃষ্টিতে সবিতাৰ খং মাৰ গ'ল। শান্তসুৰে লাহেকৈ ক'লে—

"লিখা আছে; অলপ অচৰপ হাত ফুৰাব লাগিব আকৌ। আজি ৰাতি বাৰু চেষ্টা কৰিম। এতিয়া যাওঁহে।"

"ৰব। যাব, ৰব। কিয় আহিছিল নকলে যে?"

"অ' বুজিছোঁ; তাৰ মানে এনেয়ে ফুৰিব আহিলে আপুনি বেয়া পায় দেখিছোঁ; বাৰু আৰু নাহোঁ।"

হাতযোৰ কৰি হাঁহি মাৰি নবীনে কয়—"মোক ভুল নুবুজিব সবিতা দেৱী। মিনতি কৰিছোঁ, খং নকৰিব। আপোনাক মোৰ বৰ ভাল লাগে দেখিহে ঠাট্টা কৰোঁ···।"

সবিতাই ভিতৰি ভিতৰি খুচি হৈ যায়। মিচিককৈ হাঁহি মাৰি কয়—"হলেও আপোনাক ভয় লাগে; আপুনি মানৱ বিদ্বেষী।"

"গোটেই মিছা। মই মানৱ বিদ্বেষী নহয়—বৰং মানৱ প্ৰেমীহে। মই মানুহক ভাল পাওঁ।"

"আপোনাৰ কথা গোটেই মিছা। আপুনি মানুহক ভাল নাপায়, বিশেষকৈ এই সবিতাক।"

এবাৰ সবিতাৰ চকুলৈ মৰমসনা দৃষ্টিৰে চাই বৰ আবেগভৰে কৈ উঠিল—"আপুনি তেন্তে মোক খং কৰিলে? মই স্ফূৰ্তিহে কৰিছিলোঁ···।" মিচিকিয়া হাঁহি মাৰি নবীনৰ চকুলৈ চাই সবিতাই হঠাতে কৈ পেলালে—"আপোনাক খং কৰিবৰ ক্ষমতা বোধহয় সবিতাৰ কোনো দিনে নহব।" অকস্মাতে কথাষাৰ কৈ তাই চিন্তা কৰিলে কি কথানো ক'লে। অলপ চিন্তা কৰি বৰ ল'ৰামতীয়া ভাবৰ হোৱা যেন অনুভব কৰি তাই অলপ লাজ লাজ বোধ কৰিলে আৰু তললৈ মুখ কৰিলে। কথাৰ উষ্মা বুজি নবীনে আবেগমিশ্ৰিত কণ্ঠে ক'লে—"আপোনাৰ এই স্নেহ যেন আকাশৰ সবিতাৰ দৰে চিৰ-উজ্জ্বল আৰু চিৰ-বৰ্তমান হৈ ৰয় তাকেহে কামনা কৰোঁ সবিতাদেৱী।"

নবীনে সবিতাৰ চকুলৈ চাই থাকে নীৰৱভাৱে। সবিতা আবেগময়ী হৈ উঠে। অলপ আগতে তৰ্ক মন্থনত উদ্ভৱ হোৱা তিক্ততাৰ গৰল যেন নীলকণ্ঠৰ দৰে

নিমিষতে গিলি থৈ নবীনে সবিতাৰ মনত আত্মভোলা ভোলানাথ হৈ পৰিল। আদৰেৰে তাহেঁকে ক'লে—"আচ্ছা বৰ্মণ, আপুনি মোৰ তালে কিয় নাবায় ?"

"সময়ে নাই মিচ দাস, নেদেখিছেনে মোৰ কিমান কাম।"

"আজি গধূলি সঙ্গীত কলেজলৈ যোৱাৰ আগতে এবাৰ মোৰ তালে চাপিব। দুয়ো একেলগে যাম। যাব নে ?" সজল, আকুল দৃষ্টিৰে চায় নবীনলৈ। আনন্দেৰে উত্তৰ দিয়ে নবীনে—"নিশ্চয়। আপোনাৰ কথা পেলাবলৈ মোৰ সাহস নাই।"

"তেন্তে নমস্কাৰ মিষ্টাৰ বৰ্মণ! মই এতিয়া যাওঁ।" তাই থিয় হৈ নমস্কাৰ কৰে। নবীনে তাইলৈ চাই প্ৰতিনমস্কাৰ দিয়ে—"নমস্কাৰ মিচ দাস। এইখন আপোনাৰ কাকত।"

সবিতাই বাতৰি কাকতখন লৈ ওলাই আহে। নবীনো ওলাই আহে। নবীনে একান্ত দৃষ্টিৰে চাই থাকে এই আধুনিকা ৰূপহীৰ লয়লাস গতি। খোজত ফুটিছে যেন নৃত্যৰ ব্যঞ্জনা—হাঁহিত ফুলিছে হেন গোলাপৰ কলি, অতুলনীয় ৰূপ সবিতাৰ।

॥ তেত্ৰিশ ॥

নিতৌ গধূলি বেহেলা বা এচ্ৰাজ এখনকে হাতত লৈ গেটৰ কাষত থিয় হৈ থাকে সবিতা নবীনৰ প্ৰতীক্ষাত। মুখত মধুৰ হাঁহিটি লৈ উপস্থিত হয় বৰ্মণ। দুয়োৰো চকুৰ হয় মিলন; সম্বৰ্ধনা জনায় ইজনে সিজনক মিচিকিয়া হাঁহিৰে। দুয়ো একেলগে যায় সঙ্গীত কলেজলৈ। দুয়ো একেলগেই ৰাতি আঠ বজাত ঘূৰি আহে ঘৰলৈ। সবিতা ৰয় ঘৰত, নবীন যায় ভাবাঘৰলৈ। কলেজত নাচে গায় সবিতাই; বাদ্য বজায় নবীনে। অন্তৰত প্ৰতিধ্বনি হয় বাৰে বাৰে তাৰ। দুয়ো যায়, দুয়ো আহে। ক্ৰমে বাঢ়ে আকৰ্ষণ।

আজি-কালি সময়ে অসময়ে আহে সবিতা নবীনৰ বাহালৈ। যেতিয়াই তেতিয়াই উপস্থিত হয় নবীনেও সবিতাৰ ৰুমত। অবাধ মিলন—অবাধ চলন ফুৰণ সবিতা নবীনৰ। কোনো বাধা নাই, কোনো দ্বিধা নাই। প্ৰীতিৰ বান্ধন ক্ৰমে ঘনীভূত হয়।

লক্ষ্য কৰে ইঞ্জিনীয়াৰে, লক্ষ্য কৰে তৰুণ, বৰুণে। মাকৰ মনতো জাগে সন্দেহৰ ভাব। অতি আধুনিকা সবিতাৰ গতি ৰুদ্ধ কৰিবৰ সাহস কিন্তু নাই কাৰো।

পিতাকে নজৰ কৰে নবীনক। এৰা ভাল ল'ৰা। বুদ্ধি আছে, উপাৰ্জন সক্ষম, সমাজতত প্ৰতিষ্ঠিত আপোন প্ৰতিভাৰে। উপযুক্ত—অতি উপযুক্ত পাত্ৰ সবিতাৰ। যদি সবিতাৰ মত হয় তেন্তে…। কিন্তু তাইৰ মত নাথাকিবৰতো কোনো কথা নাই; নিজেই বন্ধু আবিষ্কাৰ কৰি আনিছে। প্ৰমাণ বহুত। এৰা গান মাত্ৰ উপলক্ষ্য—প্ৰাণ-আতুৰ দুয়ো পক্ষ। সুনিশ্চিত সিদ্ধান্ত পিতাকৰ। বাৰু, চেষ্টা কৰি চোৱা যাওক। বুদ্ধি পাণ্ডে গিৰীশ দাসে।

চিন্তাক্লিষ্ট আজি আধুনিকা কন্যাৰ ধনীক পিতা।

গধূলিৰ পাতল আন্ধাৰ। নব-বস্ত্ৰ পৰিধানা সবিতা সুন্দৰী। হাতত বেহেলা মুখত প্ৰতীক্ষাৰ উৎকণ্ঠা। এতিয়াও নাহিল নবীন। আশ্চৰ্য্য। ঘূৰি চায় ৰাস্তাৰ ফালে উৎসুক নয়নে। কিন্তু কি অদ্ভুত বিধিৰ বিধি! হঠাতে প্ৰবীণৰ আগমন। নবীনক চাওঁতে প্ৰবীণ ওলাল। কেঁচু খান্দোতে সাপ ওলাল। কোট পেণ্ট পিন্ধি সাজি-কাচি ওলাই আহিছে প্ৰবীণ। তেন্তে সবিতাকে উদ্দেশ্য কৰি আহিছে নেকি প্ৰবীণ কলিতা? সন্ধিয়াৰ এই মৌন আবেশ, প্ৰকৃতিৰ স্নিগ্ধ পৰিবেশ আৰু তাৰ বুকুত সবিতাৰ অপৰূপ বেশ। তেন্তে কি এই ৰূপ উপভোগ্য প্ৰবীণ কলিতাৰ? মন উৎক্ষিপ্ত হৈ উঠে সবিতাৰ। গোবৰুৱাই লব পদুমৰ গন্ধ? দৃষ্টি ফিৰাই আনে তাই। পিচ মুখ দি ওলোটাফালে চায়। কি আচৰিত! হঠাৎ চকুত পৰে নবীনক। ভৰিত চেণ্ডেল, গাত গৰম কোট, মুখত চিগাৰেট। চকুত এটা দুষ্ট হাঁহি। হঠাতে সবিতাক এনে অভিসাৰিকা ৰূপত দেখি বিমুগ্ধ হৈ গ'ল নবীন। বাস্তৱিক বিধাতাৰ সাৰ্থক সৃষ্টি—নাৰীৰ সৌন্দৰ্য্য। লাহে লাহে ওচৰ চাপে নবীন, আগুৱাই যায় সবিতা। স্তব্ধ নবীন। নিমাত-নিটাল। একেথৰে চাই ৰয় এই অপৰূপা ৰমণীৰ অতুলনীয় ৰূপৰাশি। নয়ন কোণত ভ্ৰূকুটি-কুটিল দৃষ্টি লৈ নবীনকে উদ্দেশ্য কৰি কয় সবিতাই—"নিশ্চল হ'ল যে? 'লাইক এ পেইনটেড্ চিপ অন এ পেইনটেড্ ওচেন' হ'ল কিয় তৎক্ষণাৎ?"

"এই কল্পনাতীত ৰূপ দেখি। 'ফেয়াৰ এজ এ ষ্টাৰ হোৱেন অ'নলী ওৱান ইজ চাইনিং ইন দি স্কাই'ৰ দৰে মন বিভ্ৰান্তকাৰী সৌন্দৰ্য্য দেখি। বাস্তৱিক আপোনাৰ ৰূপৰ তুলনা নাই। দেৱী নে মানৱী আপুনি?"

"স্তুতিবাদী কবিৰ স্তৱস্তুতি এৰি বিশ্বনিন্দক সমালোচকৰ দৃষ্টিৰে চাওক—দেখিব, মই দেৱী নহয়—মানৱী, সৃষ্টিৰ নগণ্যা শ্ৰীমতী সবিতা দাস। বলক, আপোনাক চাওঁতে চাওঁতে আমনি লাগিল।

"তাৰ বাবে মই নিজকে শত ধন্যবাদ দিওঁ; কাৰণ মই মহা ভাগ্যৱান। বলক।"

গেটৰ দুৱাৰ বন্ধ কৰি আগবাঢ়ে সবিতা। নবীনে পিচ লয়। কিন্তু সম্মুখত সমুপস্থিত প্ৰবীণ কলিতা। ওচৰ পায়ে নমস্কাৰ কৰিলে প্ৰবীণে; প্ৰতিনমস্কাৰ কৰিলে সবিতাই; হাত যোৰ কৰিলে নবীনে।

"কলৈ যায়।" সবিতাই প্ৰশ্ন কৰে।

"আপোনাৰ তালৈকেই।" উত্তৰ দিয়ে প্ৰবীণে।

"আমি যাম সঙ্গীত কলেজলৈ।" ঘপহকৈ উত্তৰ দিয়ে নবীনে। তপ্‌কৈ যেন সোমাই গ'ল এপাট জোঙাল শেল প্ৰবীণৰ বুকুৰে। সঙ্গীত কলেজ? সবিতা যাব সম্পাদক ধুৰন্ধৰৰ সৈতে সঙ্গীত কলেজলৈ? সহ্য কৰিব নোৱাৰে প্ৰবীণে। বস্তু চক্ষু বিস্ফাৰিত কৰি চায় প্ৰবীণে নবীনৰ ফালে। তৎক্ষণাৎ বুজি উঠে তীক্ষ্মধী নবীনে। ঈৰ্ষাৰ জ্বালা প্ৰবীণৰ। হাঁহি উঠে নবীনৰ। দ্বিতীয় বাণ নিক্ষেপ কৰিলে ততালিকে।

"মোৰ ৰব গৰম লাগিছে; কোটটো বাৰু তোমাৰ ৰুমত থৈ আহাগৈ।" কোটটো সোলোকাই সবিতাৰ হাতত দিয়ে। আচৰিত হৈ যায় সবিতা। অকস্মাতে 'তুমি' সম্বোধন? উত্তেজিত হৈ উঠে প্ৰবীণ—ইকি আশ্চৰ্য মিলন! মন তাৰ সেমেকি যায়। তৎক্ষণাৎ কাষৰ কাটি আঁতৰি যায়। প্ৰবীণে কৈ উঠে—"মই যাওঁ তেন্তে?"

"যাওক তেনেহলে।" উত্তৰ দিয়ে সবিতাই কোনো জড়তা নোহোৱাকৈ। তাচ্ছিল্যৰ হাঁহি এটা মাৰি নবীনে প্ৰবীণৰ ফালে চাই কয়—"তোমাৰ ৰুমত থৈ আহিবা, আহোঁতে মই লৈ যাম।"

আন্ধাৰৰ বুকুতে এটা মিচিকিয়া হাঁহি মাৰি সবিতাই এবাৰ নবীনৰ মুখলৈ চালে আৰু কোটটো লৈ ঘৰলৈ সোমাই গ'ল। ইতিমধ্যে প্ৰবীণে নীৰৱে গেট খুলি সোমাই পৰিছে; সবিতাই সেই খোলা গেটেৰেই গ'ল প্ৰবীণৰ পিচে পিচে। নীৰৱে ঘৰত প্ৰৱেশ কৰে প্ৰবীণ কলিতা; নীৰৱে অনুসৰণ কৰে বুপহী সবিতা আৰু নীৰবে তোৰণ দ্বাৰত থিয় হৈ ৰয় নবীন বৰ্মণ—অন্তৰত দুৰ্বোধ্য কবিতা। ভিতৰত

সোমাই পিচফালৰ পৰাই সবিতাই প্ৰবীণক কয়—আপুনি বহক, আমি কলেজলৈ যাব লাগে। আজি বহুত পলম হ'ল" কথাষাৰ কৈয়েই তাই ভিতৰলৈ সোমাই যায়। ৰুমৰ দুৱাৰ খুলি কোটটো থৈ দিয়ে তাইৰ কাপোৰ থোৱা আলনাত। তাৰ পাচত দৰ্জাখন বন্ধ কৰি ওলাই আহে। পৰ্টিকত আহি দেখে চিন্তাক্লিষ্ট বেদনাহত প্ৰবীণ বহি আছে বেতৰ চকী এখনত। আন্ধাৰ ক্ৰমে ঘনীভূত হৈ আহিব ধৰিছে। সবিতাই তৎক্ষণাৎ 'চুইচ'টো টিপি দিয়ে। লাইট জ্বলি উঠে। পোহৰৰ প্ৰথম প্ৰয়াসতে জিলিকি উঠে প্ৰবীণৰ বেদনাহত মুখখানি। হাঁহি মাৰি সবিতাই নমস্কাৰ কৰে—"নমস্কাৰ কলিতা! কথা হবৰ মোৰ সময় নাই; তেখেতে ৰাস্তাত মোক অপেক্ষা কৰি আছে—বেজাৰ পাব।" তাই দ্ৰুতপদে বাহিৰ হৈ আহে। নিশ্চল হৈ সি চাই থাকে।

এৰা, বেজাৰ পাব! সি যেন মনতে কৈ উঠে। মই জানো বেজাৰ নাপাওঁ? ৰাস্তাত অপেক্ষা কৰি আছে! মই যে ঘৰত বহি অপেক্ষা কৰিছোঁ? তাৰ প্ৰশ্ন জাগে। তাব মনত পৰে সিদিনাৰ ভেৰাইটি শ্বো'ৰ কথা। নবীনে বায়, সবিতাই নাচে। কি আনন্দ! কি স্ফূৰ্তি!! দুয়ো যেন মহগুল প্ৰাণৰ তৃপ্তিত। কাৰোবাৰ হৃদয়ত অমৃত পৰশ লাগে, কাৰোবাৰ অন্তৰত হুলে বিন্ধে। সেই কথাতো নুবুজে পাষাণী সবিতাই। সিদিনা মাৰিছে শেল, আজি আকৌ বহুৱালে সুতীক্ষ্ম ছুৰিকা। বেচাৰা প্ৰবীণ!"

সবিতা, নবীন। দুয়ো যায় সঙ্গীত কলেজলৈ। মৌন দুয়ো। দুয়ো চিন্তা কৰে নিজৰ নিজৰ কথা। নবীন ভাবে—ঔষধে ক্ৰিয়া কৰিলেনে নাই? সবিতাই ভাবে—ইমান ক্ৰিয়াশীল এই ঔষধ?

এৰা, ক্ৰিয়াশীল। অদ্ভুত ক্ৰিয়াশীল এই ঔষধ আৰু অদ্ভুত বৈদ্য নবীন। নবীনৰ কাষ চাপে সবিতা। লাহেকৈ কাণৰ কাষলৈ মুখখন নি সৰুকৈ কয়—

"বেচাৰা কলিতাই মনত বৰ আঘাত পালে।"

"পৰৰ আঘাতৰ খবৰ লবৰ আমাৰ সময় নাই। প্ৰয়োজনো নাই।"

"নিষ্ঠুৰ!" নবীনৰ মুখৰ ফালে চাই কয় সবিতাই। নবীনে সবিতালৈ চাই উত্তৰ দিয়ে—

"দয়াৱতী হৈ পুৰি মৰা তাতকৈ বেচি নিষ্ঠুৰতাৰ কাম।"

"চগা আহি নিজে পুৰি মৰিলে জুইৰ দোষ নাই।"

"আৰু চগা পুৰি মৰিলে জুইৰো একো ক্ষতিৰ নাই।"

"কিন্তু জুইত ঘিউ ঢালি আকৌ জ্বলন্ত কৰাত চগা বেচিকৈ হে মৰে।"

"ইফালে কিন্তু লাভ হয় জুইৰ হে। ঘিউও পোৰে, চগাও মৰে।"

কিছুপৰ দুয়ো নীৰৱ ভাবে খোজ কাঢ়ে। দেখে—কলেজৰ দুৱাৰমুখ পাৰ হয় এতিয়া; তাকে দেখি নবীনে কৈ উঠে—"এয়া কলেজ এৰিম এতিয়া। সবিতাই নীৰৱে সোমাই যায় পিচে পিচে। নবীনে খোজ লয়।

।। চৌত্ৰিশ ।।

আদৰ আৰু অভিমান তিৰোতা জাতিৰ প্ৰকৃতিতে নিহিত আছে। ভায়েক-ভনীয়েকক কৰে আদৰ; ককায়েক, বায়েকক কৰে অভিমান ছোৱালী কালত; বিবাহিত জীৱনত আদৰ কৰে দেৱৰেকক, ননদক, অভিমান কৰে গিৰীয়েকক, জায়েকক। পৰিণত বয়সত আদৰ কৰে সন্তানক, অভিমান কৰে শহুৰেকক। বৃদ্ধা বয়সত আদৰ কৰে নাতিনীয়েকক, অভিমান কৰে পুতেক, বোৱাৰীয়েকক। আদৰ আৰু অভিমান—তিৰোতাৰ স্বভাৱগত সম্পত্তি।

সবিতায়ো অভিমান কৰে বৰুণক, অভিমান কৰে তৰুণক। আজি ইবিধ, কালি সিবিধ। বিধে বিধে দৰকাৰ, দিনে দিনে অভিমান আৰু প্ৰতিদিনে দৰ্কাৰ পূৰণ। ভাগ্যৱতী সহোদৰা উপাৰ্জনক্ষম সহোদৰদ্বয় লাগ বুলিলেই বস্তু হাজিৰ ততালিকে।

কন্যাগত-প্ৰাণ পিতা। জীয়েকৰ ইচ্ছাই যেন নিজৰ ইচ্ছা। কোনো কামতে বাধা নিদিয়ে, কোনো বস্তু কিনিবলৈ হাক নিদিয়ে। সবিতাই যেন ঘৰৰ মালিক। স্নেহময়ী মাতৃ। দুটি ল'ৰা, এটি ছোৱালী; তাতে নুমলীয়া। শেহতীয়া সন্তানলৈ স্বাভাৱিক আদৰ অধিক। তাতে হ'ল সবিতা গুণৱতী, বিদুষী কন্যা। মাকৰ মৰম বাঢ়নী পানীৰ দৰে দিনে দিনে বাঢ়ে।

ঘৰখন যেন সবিতাৰ ইঙ্গিততে পৰিচালিত হয়। সবিতা যেন গৃহলক্ষ্মী। সকলোৱে আদৰ কৰে, ভয় কৰে, সম্মানো কৰে। নিজ ব্যক্তিত্ব গঢ়ি উঠে সবিতাৰ।

স্বাধীন মনা সবিতা। ক্ৰমে ক্ৰমে গৃহকৰ্ত্ৰীৰ পৰ্য্যায়ত পৰে। চাকৰ-বাকৰে ভয় কৰে, মিতিৰ-কুটুমে খাতিৰ কৰে, অপৰিচিত আগন্তুকে সম্মান কৰে।

সবিতাৰ চিন্তা হয় পক্ক, মন হয় বিবেচনাযুক্ত, স্বভাৱ হৈ আহে ধীৰ। লাহে লাহে সবিতাৰ শৰীৰ আৰু মনত ফুটি উঠে গাম্ভীৰ্য্য।

ঈৰ্ষা জাগে প্ৰবীণৰ নবীনৰ ওপৰত। ঈৰ্ষাই গৈ শেষত হিংসাত পৰিণত হয়। সি ভাবে—নবীনেই তাৰ এনে নিৰ্ম্মম বিচ্ছেদৰ মূল। সি মূলোৎপাটন কৰিব। সবিতাৰ প্ৰণয়ৰপৰা নবীনে বঞ্চিত কৰিছে তাক। তেওঁৰ প্ৰৰোচনাতে সবিতাই পৰিত্যাগ কৰিলে প্ৰবীণক, নহলে একেলগে চিনেমা চোৱা, একেলগে পাৰ্কলৈ ফুৰিব যোৱা প্ৰবীণক বাৰু কিয় ত্যাগ কৰিব সবিতাই? তাৰ প্ৰশ্ন জাগে। নিশ্চিত সিদ্ধান্তত উপনীত হয় প্ৰবীণ। ওবে ৰাতি তাৰ টোপনি নাই। সিদিনা—'ভেৰাইটী শো' দেখুৱাৰ দিনাও নাছিল তাৰ টোপনি এই কথাকে ভাবি। সেই দিনা সি সান্ত্বনা লভিছিল থিয়েটাৰ বুলি—অভিনয় বুলি। কিন্তু আজি? আজি হুবহু বাস্তৱ। প্ৰকৃত সত্য। তাৰ আগতে 'তুমি' বুলি সম্বোধন কৰি যৈণীয়েকক দিয়াৰ দৰে হুকুম দিছে কোট চোলাটো থবলৈ। সি নিজ চকুৰে দেখিছে—নিজ কাণেৰে শুনিছে। এনেস্থলত সি সহ্য কৰে কেনেকৈ? তাৰ প্ৰেমৰ পথত কণ্টক একমাত্ৰ নবীন বৰ্ম্মণ—'অনামী'ৰ সম্পাদক ধুৰন্ধৰ। আজিহে সি তাৰ আচল শত্ৰু আবিষ্কাৰ কৰিলে। সি প্ৰতিশোধ লব—নিৰ্ম্মম ভাবে সি প্ৰতিশোধ লব তাৰ প্ৰেমৰ প্ৰতিদ্বন্দ্বীৰ। সি নবীনক ঘাইল কৰিব—টকা খৰচ কৰি গুণ্ডা লগাই দিব। আলোচনীৰ সম্পাদক, সাহিত্যিক দেশৰ মুখপাত্ৰ, সমাজৰ আগ আসনৰ ব্যক্তি নবীন। হওক, তথাপি তেওঁ আজি হীন, নীচ। সামান্যা ছোৱালী এজনীৰ প্ৰেমত পৰে—অইনৰ আশা ছেদ কৰে। সি তেওঁক ক্ষমা নকৰে—ক্ষমা কৰিব নোৱাৰে। আজিৰপৰা প্ৰবীন হল নবীনৰ মাৰাত্মক শত্ৰু। তাৰ টোপনি নাই—টোপনি নধৰে। ধৰফৰ চট্‌ফট কৰি আছে বিচনাত—যেন জুয়ে পোৱা মানুহহে।

ইফালে বহু ৰাতিলৈ টোপনি নাই নবীনৰ। চিন্তা—সবিতাৰ চিন্তা। কেনে ভাবে বা ললে কথাটো সবিতাই তাকে ভাবিয়ে অস্থিৰ নবীন। ই যে অভিনয়; কিন্তু যদি সত্য বুলি ধৰি লয় সবিতাই? তেঁতিয়া মিলিব অনৰ্থ, আৰু যদি সত্য বুলি নধৰি অভিনয়ৰ দৰে অলীক বুলি ভাবে, তেন্তে সমস্ত আয়োজন হব ব্যৰ্থ। নবীনৰ ইমান চেষ্টা হব নিষ্ফল। দুয়ো ফালে বিপদ। সত্য

বুলি ধৰিলেও বিপদ আৰু অসত্য বুলি ভাবিলেও বিপদ। মহা সঙ্কটত পৰিল নবীন। ভাবি ভাবি একো স্থিৰ সিদ্ধান্তত উপনীত হব নোৱাৰে নবীনে। শেষত স্থিৰ কৰিলে—তথাপি এটা বিপজ্জনক খেলাকে খেলি চাব তেওঁ। ডাবাখেল—হয়তো জিকিব নতু ধ্বংস হৈ যাব। কিন্তু তথাপি কাপুৰুষৰ দৰে পৃষ্ঠভঙ্গ নিদিয়ে। ভাবি ভাবি এটা বুদ্ধি উলিয়ালে। সবিতাৰ মনৰ ক্রিয়া চোৱাৰ উদ্দেশ্যে ৰাতিপুৱাতে যাব তাইৰ তালৈকে কোট চোলাটো অনা ছেলু উলিয়াই।

অন্যফালে সবিতা। নিদ্ৰাহীন দুনয়ন। প্রতিবাৰে ৰোমাঞ্চিত হৈ উঠে দেহ। ই কি অঘটন, কি অদ্ভুত কাণ্ড! তেন্তে তেওঁ আকৃষ্ট? ই কি অনুৰাগ? তেনে হলে মোৰ কিবা দুৰ্বলতাৰ চেলু ললে নেকি? মোৰ মনলৈ জানো দুৰ্বলতা আহিছে? মোৰ অনুৰাগ জন্মিছে নেকি? ক'তা মোৰ মনত দেখো একো চিন ধৰিব নোৱাৰোঁ? বাৰে বাৰে শৰতৰ মুখখনিহে দেখোঁ আগত ভাহি উঠে। তেন্তে কি হৈছে মোৰ? প্রশ্ন জাগে সবিতাৰ, বেচেৰীয়ে ধৰিব নোৱাৰে নিজৰ মনক। নিজৰ মুখখন নিজে নেদেখাৰ দৰে তাইয়ো তাইৰ মনৰ ক্রিয়া ধৰিব নোৱাৰে। অজ্ঞাতে অৱচেতন মনৰ মাজত কেতিয়া আহি অনুৰাগ ঠাই দখল কৰি বহিল তাৰ গমকে নাপালে বেচেৰীয়ে। এয়েতো মানৱ মন। নিজৰ অজ্ঞাতে হয়তো কাৰো-বাক ভাল পাই পেলোৱা যায়। সচেতন মনৰ বিবেক প্রহৰীৰ নিৰ্মম চেকনিৰ ভয়ত হয়তো সেই ভাব দমি যায়—কিন্তু নমৰে। দুবৰি বনৰ শুকান ঠাৰিৰ গাঁঠিৰ মাজতো তাৰ জীউ লুকাই থকাৰ দৰে অৱচেতন মনৰ তলদেশত হয়তো সি লুকাই থাকে; সময় আৰু সুবিধা পালে ভুমুকি মাৰে আমাৰ অজ্ঞাতেই। সবিতাৰো হল একে দশা। নিজৰ অজানিতে হয়তো বহু কথা বহু ঘটনা হৈ গৈছে। সেয়েহে 'তুমি' বোলাৰ লগে লগে শৰীৰ ৰোমাঞ্চিত হৈ পৰিছিল; কিন্তু বিবেকৰ তাড়নাত পৰি শেষত ধীৰ ভাৱে কাম কৰিবলৈ বাধ্য হৈছিল। সবিতাই নবীনক ভাল নাপায় সচা, কিন্তু সেই বুলি বেয়াও নাপায়; বৰং নিজৰ মনৰ মানুহজনৰ বন্ধু হিচাপে পছন্দহে কৰে। তেন্তে তাৰ বাবেই কিবা হ'ল নেকি? তাই নিজে নিজে প্রশ্ন কৰে। প্রশ্ন আছে—উত্তৰ নাহে; সমস্যা আছে—সমাধানৰ উপায় নাই। নানা ফালৰপৰা নবীনৰ কথাকে ভাবে তাই। নবীনক কেন্দ্ৰ কৰিয়ে তাই চিন্তাৰ ঐককেন্দ্ৰিক বৃত্ত তৈয়াৰ কৰে। একো সিদ্ধান্ত কৰিব নোৱাৰে তাই।

দুৰ্জ্ঞেয় মনৰাজ্যত ৰহস্য অপাৰ। অনন্ত বিশ্বৰ বুকুত ৰহস্য অদ্ভুত।

॥ পঁয়ত্ৰিশ ॥

ৰাতিপুৱাতে আহি হাজিৰ হল নবীন সবিতাহঁতৰ ঘৰত। চিগাৰেট এটা হুপি হুপি গৈছে নবীন! মুখত সন্দেহৰ ছাঁয়া, চকুত ভয়ৰ দৃষ্টি, যেন সচকিত শৰপহু। সবিতাৰ ৰুমৰ দুৱাৰ কাষত থিয় হ'লগৈ।

এইমাত্ৰ উঠিছে সবিতা। ঢৌ খেলোৱা কৃষ্ণবৰ্ণ চুলিতাৰি আউল-বাউল অসংযত অলকা দুডালমান আহি কপালত পৰিছে। ললাটৰ কুঙ্কুম তিলক ম্লান—অৰ্ধ-জ্যোতিবিশিষ্ট। বঙ্কিম ভ্ৰুযুগলৰ অঙ্কিত ৰেখাই মৃগ-নয়ন যুগল কৰি তুলিছে অপৰূপ। সদ্যোত্থিতা গাভৰুৰ প্ৰাতঃ শয্যাত্যাগ স্বপ্নবিলাস প্ৰায়। নিদ্ৰাৰ আমেজত ঢুলঢুল আখি দুটি। দুই গণ্ড বিয়পি যেন বৈ পৰে যৌৱনৰ উদাত্ত সঙ্গীত। অধৰত জিলিকি উঠে মেঘাবৃত সন্ধিয়াৰ ক্ষীণ ৰবিৰ হেঙুলিয়া বোল, অবিন্যস্ত কেশ, অসংযত পৰিবেশ। মনত নিদ্ৰাৰ আবেশ, দেহত অলসতাৰ প্ৰলেপ! লাহেকৈ আঠুৱাখন দাঙি থৈ 'স্লিপাৰ'যোৰ ভৰিত সুমাই লৈ ধলংপলংকৈ দুৱাৰ ওচৰলৈ আহি খিলিটো খুলি দি দুৱাখন মেলি দিয়ে। হঠাত চকুত পৰে সন্মুখত দণ্ডায়মান স্বয়ং সম্পাদক ধুৰন্ধৰ। চকুত চকু পৰি মিচিকিয়া হাঁহি মাৰি নমস্কাৰ জনায় নবীনে। লাজ আৰু আনন্দত চমকিত হৈ উঠে সবিতা। ই কি অদ্ভুত! সম্পাদক ধুৰন্ধৰ প্ৰাতসতে উপস্থিত! খোজ ফিৰাই আনে সবিতাই। হাঁহি মাৰি প্ৰতি-নমস্কাৰ কৰি আহ্বান কৰে ভিতৰলৈ।

"এই প্ৰাতসতে?"

হাতৰ ঘড়ীটোলৈ এবাৰ চাই কয় নবীনে—"এতিয়া আমাৰ ইয়াত সাত বাজিছে। আজিকালি ছয় বজাতে ৰাতি পুৱায়। গতিকে এতিয়া প্ৰাতসতে নাই। বোধহয় আমাৰ পশ্চিমে কেইটামান দ্ৰাঘিমা এৰাই গলেহে ৰাতিপুৱাক লগ পোৱা যাব। তাৰ মানে ক্ৰাণ্ঠমানত এতিয়া ৰাতিপুৱাক লগ ধৰিব পৰা যাব।" হাঁহি মাৰে নবীনে! নবীনৰ মুখলৈ চাই হাঁহি কয় সবিতাই—"আৰু কেইটামান ডিগ্ৰী পুবে অৰ্থাৎ জাপান মানত এতিয়ামানে দুপৰীয়াকে লগপোৱা যাব নিশ্চয়। তাত বোধহয় এতিয়া আঠটামান বাজিয়ে গ'ল। গতিকে জাপানৰ লোকেল টাইম-মতে কব গলে মই একেবাৰে এলেহুৱাৰ লিষ্টতহে পৰিম।"

"এলেহুৱা নহয়—ভদ্ৰলোকৰ শাৰীত অৰ্থাৎ অফিচৰ বৰ বাবুৰ শাৰীতহে পৰিব।" হাঁহি মাৰি সবিতাই কয়—"বহক আপুনি। মই বাহিৰৰপৰা আহোঁ। পাচতো তৰ্ক যুদ্ধ কৰিম।"

"বাৰু অপেক্ষা কৰিলোঁ প্ৰতিদ্বন্দ্বীক।"

সবিতা ওলাই যায়; নবীনে চকীখনত বহি পৰে। কিছুসময়ৰ পাচত 'বাথৰুম'ৰপৰা ফিৰি আহিল সবিতা। তাই আহি এখন চেয়াৰৰ হাত দুখনত হাত দি হেলনীয়া হৈ নবীনৰ ফালে চাই হাঁহি হাঁহি সুধিলে—

"কোটৰ মায়া? ইমানেই মোহ?"

"নিশ্চয়। মইতো মায়া-মোহ ত্যাগি যোগী হোৱা নাই যে কোটৰ প্ৰতি মায়া নাথাকিব।"

"মাজে মাজে আপোনাৰ কথাবোৰৰপৰা অনুমান হয়, আপনি যেন পৰমহংসৰ দৰে নিৰ্বিকাৰ।"

"মই পৰমহংস তৰমহংস নহয়—বৰং কব পাৰোঁ, মই পৰম বক। তাৰ মানে হংস মধ্যে বক যথা, আপোনালোকৰ মধ্যে ময়ো তথা, আৰু গোটেই ফাঁকি মোৰ কথা।"

নবীনে কৈ কৈ হাঁহে। সবিতাই হাঁহি হাঁহি শুনে। তাৰ পাচত প্ৰশ্ন কৰে—

"মোৰ ইয়াত থাকিলে হেৰাবলৈ সন্দেহ নেকি?"

"নহয়। ইয়াত কোট নেহেৰায়, কিন্তু…।"

"কিন্তু কি?"

"মানুহ হেৰাবৰ ভয়।"

"হেৰাব পাৰে, একো আচৰিত নহয়। বিশেষকৈ ডেকা মানুহ… ।"

কথাষাৰ কৈয়ে নবীনে সবিতাৰ মুখলৈ চায়। সবিতায়ো তেওঁৰ ফালে চায়। সবিতাৰ চকুত ফুটি উঠে নাৰীৰ অনন্ত কালৰ চিকাৰীৰ আকুতি, নবীনৰ চকুত ফুটে পুৰুষৰ আবহমান কালৰ মৃগ-পহুৰ নিঃসহায় মিনতি। নাৰীৰ ইঙ্গিতে পুৰুষৰ চিন্তা শক্তি কৰে বিকল, নাৰীৰ চিকাৰী দৃষ্টিত পুৰুষ হয় চঞ্চল। ই যে চিৰন্তন ৰীতি বিধাতাৰ এই বাণ—দৃষ্টিহীন সৃষ্টিবান প্ৰাণী জগতৰ।

সবিতাই যেন গ্ৰাস কৰিব নবীনক। নিৰুপায় জালবদ্ধ হৰিণ সদৃশ নবীন। কিন্তু নবীন নহয় মৃগ-পশু—নবীন হ'ল সিংহ শিশু। নিজ বাহুবলে মায়াজাল

ছিন্ন-ভিন্ন কৰি নিজক হেলাৰঙে মুক্ত কৰিব পাৰে। সবিতাৰ অব্যক্ত তীক্ষ্ণবাণ ব্যৰ্থ কৰিবৰ প্ৰয়াসেৰে হাঁহি মাৰি ক'লে—"আপুনি বেজাৰ পালে নেকি? মই মানুহজন ভদ্ৰ যদিও জিভাখনক ভদ্ৰ কৰিব পৰা নাই। ভাৰতৰ তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত এইটোকো এটা 'প্ৰজেক্ট' হিচাবে লবলৈ ভাৰত গৱৰ্ণমেন্টক অনুৰোধ কৰি চাব লাগিব। সম্প্ৰতি এইবাৰলৈ আপুনি ক্ষমা কৰক।"

কথা শুনি সবিতাই ওঁঠত কামোৰ মাৰিও হাঁহি ৰাখিব নোৱাৰি খিলখিলকৈ হাঁহি কৈ উঠিল—"তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত ভাৰত চৰকাৰে জিহ্বা উন্নয়ন প্ৰজেক্ট লওক; তাত আমাৰে লাভ, পিচে কালি পুৰা 'আপুনি' গধূলি 'তুমি' আৰু আজি পুৱাই যেতিয়া 'আপুনি' সম্বোধন পাইছোঁ, গধূলিলৈ বোধহয় 'তুমি' পাবৰ আশা আছে নিশ্চয়?"

"অৱশ্যে।"

"কাৰণ?"

"কাৰণ?—প্ৰভাতত গগন আলোকি উদিত হয় দিনমণি সবিতা চকুত লৈ উত্তপ্ত কিৰণ। তেতিয়া ভয় হয়; সেইবাবে কৰে নমস্কাৰ; আৰু সন্ধিয়াৰ আকাশত ম্লান ৰশ্মি লৈ অস্ত যায় আলোক আকৰ সবিতা মুখত লৈ সন্ধ্যাৰ আন্ধাৰ—তেতিয়া পুতৌ হয়; সেই বাবে কৰে চেনেহ—আদৰ।"

"আপোনাৰ কবিত্ব, সাহিত্য বাদ দিয়ক। মই নহওঁ আকাশৰ সবিতা—মই পৃথিৱীৰ মানৱী সবিতা। তাইৰ নাই উদয়, নাই অস্ত।"

"তেন্তে কেৱল জীৱনৰ গতি পথত ভ্ৰমি ভ্ৰমি খাই মৰে বাবে বাৰে অনাহক কষ্ট?"

এনেতে বাহিৰৰ পৰা চাকৰ ল'ৰাজনে মাত দিয়ে—"চাহ আনিছোঁ বাইদেউ।"

"লৈ আহ।" সবিতাই তাক মাতে। সি সোমাই আহি চাহলুচি দি যায়। সবিতাই চাহৰ কাপ আৰু লুচিৰ প্লেটখন নবীনৰ আগত দি চাকৰ ল'ৰাজনক কয়—"যা, আৰু একাপ মোলৈ আনগৈ।" সি যায়। সবিতাই নবীনক কয়—"চাহ খাওক।"

"সেই কাপো আহক। অকলে চাহ খোৱাত আনন্দ নাই।"

"কিন্তু অকলে চিগাৰেট খোৱাত?"

"আৰাম আছে।" নবীন হাঁহে। সবিতাবো হাঁহি উঠে। এনেতে চাকৰজনে চাহ দি যায়। দুয়ো একেলগে চাহ খাবলৈ আৰম্ভ কৰে। চাহ খাই নবীনে কয়—"মই যাব লাগে। অনামীৰ প্ৰৱন্ধবোৰ চাব আছে।"

"যাওক গৈ। মইতো ৰাখিব নোখোজোঁ। ৰব তেন্তে।" তাই উঠি গৈ আলনাৰপৰা কোটটো আনি নবীনৰ গাত পেলাই দিয়ে।

"নিয়ক আপোনাৰ সম্পত্তি। ইয়াক ৰাখি সবিতাই তাইৰ ৰুম ধন্য নকৰে।" হাঁহি মাৰি ঠাট্টা কৰে।

"হ'লেও মোৰ কোটৰ স্পৰ্শত কৃতাৰ্থ হ'ল এই ৰুমৰ আলনা।"

"বাঃ ইমানেই কোটৰ মূল্য ?"

"মূল্য নহয়—মহিমা।"

কোটটো হাতত পেলাই লৈ হাঁহি মাৰি নবীন উঠে। সবিতায়ো সন্টম হয়। নবীনে সমুখত থকা ডাঙৰ আয়নাখনত নিজৰ চেহেৰাটো এবাৰ চাই লয়। কোটটো গাত সুমাই লৈ বুটাম মাৰিব ধৰে আইনাত চাই চাই। পিচফালে থিয় দি চাই থাকে সবিতাই। আয়নাত দুয়োৰো প্ৰতিবিম্ব পৰে। প্ৰতিবিম্ব দেখি দুয়ো হাঁহি উঠে। নবীনে দেখে কোটটো পিন্ধাত বেচ মজা দেখা হৈছে তেওঁক। চেহেৰাখনো মজবুত। নিজৰ চেহাৰা ভাল দেখিলে সকলোৰে মনত আনন্দ লাগে। নবীনৰ সুখ লাগিল। সবিতাই দেখিলে তাইৰ ঘনকৃষ্ণ চুলি কোছা অবিন্যস্ত হৈ কান্ধৰ দুইকাষে বাগৰি গৈছে। মুখত ম্লান মধুৰ চেহেৰা। কানি-কাপোৰ শৃংখলাহীন। ব্লাউজৰ মাজৰ বুটামটো মুক্ত অৱস্থাত। চাদৰখন বাওঁ কান্ধত অনাদৃত ভাৱে পৰি আছে। তাই তৎক্ষণাৎ চাদৰখন ভালকৈ ললে। চুলিখিনি ওপৰলৈ তুলি লৈ পিঠিৰ ফালে পেলাই দিলে। কাণৰ কাষৰ অবাধ্য চুলি কেইডালি কাণৰ ওপৰেৰে মেৰিয়াই ললে। তাইৰ এনে কেশবিন্যাস দেখি নবীনে হাঁহি দিলে—"ই কেশবিন্যাস নে কেশ-ক্লেশ ?"

লাজত ৰঙা পৰি হাঁহি মাৰি আঁতৰি গ'ল সবিতা। নবীনে পিচ মুখ দি ফিৰি আহি ক'লে—"তেন্তে এতিয়া মোৰ প্ৰস্থান হওক ?"

"আৰু কোন অঙ্কত প্ৰৱেশ হব।"

"আবেলিৰ চতুৰ্থ অঙ্কৰ গধূলি দৃশ্যত।"

"ভাল বাৰু। কিন্তু হিৰণ্যকশিপুৰ বধৰ সময়ত যাতে প্ৰৱেশ নকৰে।"

"ভয় নাই, কলিত বিশেষকৈ কুৰি শতিকাৰ এটমিক যুগত নৰসিংহৰ আবিৰ্ভাৱ নহয়—হাইড্ৰোজেন বোমৰহে সম্ভৱ।"

"বাৰু হাইড্ৰোজেন বোম বন্ধ কৰিবৰ বাবে ইউ. এন. ও. ত প্ৰস্তাৱ লোৱা হব।"

"পুৰাতে বেজাৰ দিয়া যাবে বেজাৰ নাপায় যেন।"

"বেজাৰ পালেও কাৰো আগত নকওঁ বাৰু।" তাই হাঁহি দিয়ে। নবীনেও হাঁহে। নবীন ওলাই আহিল এটা নমস্কাৰ কৰি ; প্ৰতি নমস্কাৰ কৰি আগবঢ়াই থলে সবিতাই। ধীৰে ধীৰে নিষ্ক্ৰান্ত হ'ল সম্পাদক ধুৰন্ধৰ।

॥ ছয়ত্ৰিশ ॥

চিঠি লৈ সোমাই আহে পিয়নজন। চিঠি দি সি গুচি যায়। চিঠিখন খুলি লয় সবিতাই। শৰতৰ চিঠি। সবিতাৰ গা শিয়ঁৰি উঠিল। থৰথৰ কৰি পঢ়িবলৈ আৰম্ভ কৰিলে।

শৰতে লিখিছে—

মৰমৰ সবিতা,

মোৰ হিয়াভৰা শ্ৰদ্ধা আৰু স্নেহ গ্ৰহণ কৰিবা। জীৱনত এটা বৰ ডাঙৰ ভুল কৰিবৰ বাবে আগবাঢ়িছিলোঁ ; কিন্তু সৌভাগ্যবশতঃ তুমি মোক ৰক্ষা কৰিলা। আজি মই চিন্তা কৰি চাই দেখিছোঁ যে, মানুহ বহুত ক্ষেত্ৰতে প্ৰকৃতিৰ দাস। যুক্তিৰ ধাৰেৰে প্ৰকৃত সিদ্ধান্তত উপনীত হোৱা দুৰূহ বেপাৰ। মোৰ ভুল ধৰা পৰিছে। মই তোমাৰ ওচৰত ক্ষমা চাইছোঁ সবিতা।

তোমাক তাচ্ছিল্য বা উপলুঙা কৰাৰ মূলতে আছিল মোৰ বুজাৰ ভুল। মই তোমাক ভুল বুজিছিলোঁ। এতিয়া জানিলোঁ তোমাৰ ভুল নহয়—ভুল মোৰে। মোক ক্ষমা কৰা সবিতা।

তেজপুৰত হব লগা বিয়া মই বন্ধ কৰিছোঁ। পিতাই বৰ্তমান সম্মত হৈছে। এই সুযোগতে আমাৰ কাম আমি সমাধা কৰি লোৱা যুগুত হব বুলি মই ভাবোঁ।

অতি সোনকালে তোমাৰ সুপৰামৰ্শ দি মোলৈ লিখিবা বুলি আশা কৰিলোঁ। আৰু নিলিখোঁ।

মোৰ মৰমৰ সবিতা, মোৰ আজি পুৰণি দিনৰ কথা মনত পৰিছে। সেই পাৰ্ক সেই কাছাৰীঘাট, সেই চিনেমা হল, সেই ফুলনিৰ মধুৰ স্মৃতি বিজড়িত দিনবোৰলৈ আজি মোৰ মনত পৰিছে ; আজি আকৌ তোমাৰ পগলা শৰৎদাক সামৰি লোৱা সবিতা। আজি মোৰ ভিতৰৰ পগলা কবিজন জাগি উঠিছে। তাক তুমি শীতল পৰশ দি শান্ত-সজীৱ কৰি তোলা। সবি, মোৰ মৰমৰ সবি। মোৰ অন্তৰ তুমি বুজা, মোক আৰু ভুলত নেপেলাবা। মোৰ হৃদয়ে আজি বলিয়াৰ দৰে তোমাক বিচাৰি ফুৰিছে সবি আৰু নিলিখোঁ। লিখিব নোৱাৰোঁ।

ইতি—

তোমাৰ চেনেহৰ

—শৰৎদা

চিঠি পঢ়ি সবিতা হৈ গ'ল অভিভূতা। শৰৎদা ?

মৰমৰ শৰৎদা ? এৰা অতি মৰমৰ শৰৎদা। শৰতৰ হৃদয় আকাশ জুৰি সবিতাৰ উজ্জ্বল কিৰণ পৰিব্যাপ্ত। শৰতৰ কি কাতৰ অনুৰোধ ; হৃদয়ৰ সৈতে হৃদয়ৰ কি মধুৰ বিনিময়। পত্ৰেৰে বুজাইছে অন্তৰৰ সকলো কথা—সমস্ত মৰ্মব্যথা। অন্তৰ উজাৰ কৰি যেন বিলাই দিছে তেওঁৰ নিখুঁত ভালপোৱা। তাই বাৰে বাৰে পঢ়ে আকুল হৈ। তাৰ পাচত গৈ বহে বিচনাত। আনন্দ আৰু বিষাদে যেন একেলগে আহি হেঁচি ধৰে। মনত জাগে পুলকৰ বান, দেহত উঠে আনন্দৰ শিহৰণ। বাৰে বাৰে চায়, বাৰে বাৰে ভাবে। চিন্তা কৰে—বহুপৰ চিন্তা কৰে। ক্ৰমে ক্ৰমে শৰতৰ ছবি হৃদয় আকাশত জিলিকি উঠে। তাৰ পিচ মুহূৰ্তেতে হঠাতে তাইৰ মনত পৰে সেই আগৰ চিঠিখনৰ এটি নিৰ্মম বাক্য—"মই অনন্য পৰায়ণা নাৰীকে চাওঁ, অন্যাসক্তা ৰমণীৰ বাবে মোৰ জীৱনৰ দ্বাৰ বন্ধ।" ধীৰে ধীৰে খঙৰ উদ্ৰেক হয়। লাহে লাহে মাৰ যায় শৰতৰ ছবি হৃদয় ফলিত। তাইৰ খং উঠে। ইমান অহঙ্কাৰ ? তেন্তে কিয় আজি আকৌ ক্ষমা প্ৰাৰ্থনা ? ছলনা আকৌ ছলনা ? ছলনাময় পুৰুষ ! পুৰুষৰ বিশ্বাস নাই। অন্ততঃ সবিতাই আকৌ কোনো পুৰুষকে বিশ্বাস নকৰে। আজি আৰু তাই ক্ষমা কৰিব পৰা অৱস্থাত নাই। তাইৰ ঘৃণা আহেছ। বাঃ ৰামচন্দ্ৰ ! সীতা শাস্তি বিচাৰিছে জীৱনৰ

সঙ্গিনী কৰিবলৈ। কুৰি শতিকাত বিচাৰিছে সত্য যুগৰ নাৰী। কাণ্ডজ্ঞান হীন। জগতৰ ক্ৰমবিকাশ আৰু জীৱনৰ ক্ৰমোন্নতিৰ লগে লগে যে, আচাৰ পদ্ধতিবো পৰিবৰ্তন হয় তাৰ জ্ঞান কিয় নাই বাপু? বিবৰ্তন আৰু পৰিবৰ্তন যে অঙ্গাঙ্গী-ভূত ভাৱে জড়িত তাৰ জ্ঞান ফেৰা নাই কিয়? আজিকালি কুৰি শতিকাৰ লক্ষ্মণ দেৱৰেকে বৌৱেক সীতাৰ মুখ দেখাৰ ভয়ত ওলোটা ফালে চাই কথা নকয়, বৰং বৌৱেকৰ মুখলৈ ঘনে ঘনে চাই হাঁহি উঠা কথাহে কয়। পঞ্চবটী আশ্ৰমত ধনুৰ গুণেৰে আঁক দি অকলে এৰি নাযায়, কলমেৰে আঁক মাৰি চিঠি লিখি থৈ যায়। আধুনিক ৰামচন্দ্ৰয়ো ঘৈণীয়েক সীতাক লৈ অকল লক্ষ্মণৰ সৈতে বনবাসলৈ নাযায় —বৰং বান্ধৱীসকলক লৈ বন্ধুবৰ্গৰ সৈতে বনভোজলৈহে যায়। সেই ৰামো নাই, সেই অযোধ্যাও নাই, সেই সত্য যুগো নাই, সেই বনবাসো নাই। আধুনিকা সীতাৰ কোনো ৰাৱণৰ দ্বাৰা লাঞ্ছিতা হোৱাৰ আশঙ্কাও নাই; বৰং সম্মানিতা হোৱাৰহে সুযোগ আছে। আজিকালি তেনে বৰ্বৰ ৰাৱণো নাই, আৰু তেনে কম বুদ্ধিৰ সীতাও নাই। মানুহৰ বুদ্ধিবৃত্তিৰ উৎকৰ্ষতাৰ লগে লগে যে চাল-চলনবো পৰিবৰ্তন ঘটিছে তাৰ জ্ঞান নাই কিয় এই পাশ্চাত্য শিক্ষা প্ৰাপ্ত ভদ্ৰলোকৰ? দেশ, কাল, পাত্ৰৰ জ্ঞান নাই কিয়? বাস্তৱিক বৰ্বৰ 'গুঁটিপদে'ই ঠিক। ধুৰন্ধৰে এনেয়ে 'গাধা' নাম দিয়া নাই। বেচেৰাৰ ল'ৰালি দেখি পুতৌ হয়। তাইৰ চিন্তা ক্ৰমে অন্য ফালে গতি কৰে। লাহে লাহে তাইৰ সম্মুখত ভাহি উঠে সম্পাদক ধুৰন্ধৰৰ ছবিটো। ক্ৰমে ঘনীভূত হৈ আহে। শৰতৰ চিন্তা ধীৰে ধীৰে নাইকিয়া হৈ যায়। বিস্মৃতিৰ কোনোৱা অন্ধকাৰ গুহাত হয়তো লোপ পাব শৰতৰ ছবি। তাই খৰধৰ কৰি কাগজ কলম লৈ লিখিবলৈ আৰম্ভ কৰে—

মাননীয় ভুঞাদেৱ,

আপোনাৰ চিঠি পাই কৃতজ্ঞ হলোঁ। ইমান দিনৰ মূৰত আদালতৰ কেচ আৰু ফাইলৰ মাজত সোমাই থাকি হঠাতে মোলৈ মনত পৰাত নথৈ সুখী হলোঁ। আপোনাৰ শুভ কামনা কৰিলোঁ।

আপুনি কি ভুল কৰিবলৈ ওলাইছিল আৰু মই কেনেকৈ ৰক্ষা কৰিলোঁ তাক বুজা নগ'ল। মই কিহৰ ক্ষমা কৰিব লাগে? মোৰ কি অগৰ লগাইছে? মোৰ সুপৰামৰ্শ কিহত লাগে? যদি কিহবাত লাগে, তেন্তে দিব পাৰোঁ—

আপুনি সোনকালে তেজপুৰত বিয়া কৰাওক। আপোনাৰ বয়সৰ দাবীক অস্বীকাৰ কৰা নাযায়। পূৰ্বৰ দিনৰ কথা বাদ দিয়ক। "অতীত মৰিহি গ'ল, মনৰপৰাই তাক কৰা বিসৰ্জন" এই ফাঁকি বোধহয় এই কাৰণেই লিখিছিল। অতীতৰ কথা এৰি দিয়ক। নিজক পগলা বুলি লিখিছে। যদি পগলা হৈছে ; তেন্তে কাছাৰীঘৰ এৰি পগলা ফাটেকলৈকেই যাওক গৈ। আপুনি তেজপুৰতে আছে, গতিকে একো কষ্ট নহব, দুয়োবিধ তেজপুৰতে। তেতিয়া নিজৰ, দেশৰ আৰু দহৰ উপকাৰ হব।

মোৰ শীতল পৰশেৰে জ্বীপ লোৱা কথা শুনিলে ভৱিষ্যতে হাকিমনীয়ে খুচি নহব যেন অনুমান হয়। বৰ আবেগপ্ৰৱণ নহব ; লোকৰ মোকৰ্দমা বিচাৰ কৰা মানুহ। মই যে আপোনাৰ অন্তৰ বুজোঁ তাক আপুনি স্বীকাৰ কৰিছে ; সেই-বাবে মই খোলাকৈ কৈ দিলোঁ—সবিতাই বিচাৰে একমাত্ৰ তাইৰ ভাল পোৱা জনকহে। সম্পত্তি নাইবা সুবিধা ভাল পোৱাজনক সবিতাই কেতিয়াও ভাল নাপায়। তাই চায় পুৰুষৰ মন—ধন নহয়, মানো নহয়। তাই চায় জীৱন সঙ্গিনী হবলৈহে—খেলাৰ ৰঙ্গিণী হবলৈ নহয়। আৰু নাই। নমস্কাৰ।

ইতি—

আপোনাৰ

শ্ৰীমতী সবিতা দাস।

চিঠিখন লিখি উঠি লেফাফাত ভৰাই লৈ শিৰোনামা লিখি লেটাৰ বক্সত পেলাই দি আহে। নিজে গৰ্ব অনুভৱ কৰে তাই। আজি বুজিলে—বিজয়িনী সবিতা। পুৰুষৰ গৰ্ব চুৰমাৰ কৰি দিলে তাই। আনন্দত মতলীয়া হৈ নিজে নিজে গুণ-গুণকৈ এটা গানৰ দুই শাৰীমান গাই যায়।

কাছাৰীৰপৰা আহি শ্ৰান্তদেহে শৰতে চকীখনত ঢলি পৰে মানসিক পৰিশ্ৰমৰ ক্লান্তি বহু সময়লৈ আঁতৰ নহয়। ওৰে দিন মানসিক পৰিশ্ৰম কৰি শৰৎ ভাগৰি পৰিছে। টেবুলৰ ওপৰত থকা চিঠিবোৰ দুই এখন লাৰি-চাৰি চায়। এখনৰ ওপৰত সবিতাৰ আখৰ দেখি চমকি উঠিল। মন পুলকিত, শৰীৰ ৰোমাঞ্চিত হৈ পৰে। আবেগত থোকি-বাধো লাগে অন্তৰ। শৰীৰৰ ভাগৰ ক্ষন্তেকতে কৰবালৈ গ'ল। চিঠিখন অতি সন্তৰ্পণে খুলি ললে শৰতে। মনে মনে পঢ়ি গ'ল। এবাৰ দুবাৰ—তিনিবাৰ পঢ়ে। তেওঁ বৰ আবেগেৰে চিঠি খুলিছিল। সেই আবেগ

অন্তেকতে নাইকিয়া হৈ গ'ল। চিঠিৰ ভাষাই তেওঁৰ মন ভাঙি পেলালে। অন্তৰ সেমেকি যায়—দেহ হৈ যায় শীতল। ই প্ৰতিশোধ নে খেলা? সবিতাই অভিমান কৰিছে নে ইতিকিং কৰিছে? সচাকৈ সবিতাই তেওঁক ত্যাগ কৰিলে নেকি? কিয়? কিয় ত্যাগ কৰিলে তেওঁক তেওঁৰ প্ৰাণৰ সবিয়ে? তেওঁৰ ভুল? এৰা, শৰতৰে ভুল। ভুল। ভুল বুজি যি কথাৰে তেওঁ সবিতাৰ হৃদয় চূৰমাৰ কৰি দিছিল, আজি তাৰে প্ৰতিশোধ। সবিতাই ক্ষমা কৰা নাই, নতুবা বিশ্বাস কৰা নাই।

সিদিনা ভেৰাইটিশ্বোৰ দিনা সবিতাই তেওঁৰ ফালে চাই নৃত্যৰ যি অভিনৱ মুদ্ৰা সঞ্চালন কৰিছিল ই মাত্ৰ তাইৰ নৃত্য—সত্য নহয়। নৃত্যকে সত্য ভাবি শৰতে ভুল কৰিলে নেকি? তেওঁৰ কাৰণে সবিতাৰ নৃত্য আৰাধনা—ই যে তাইৰ প্ৰকৃতি, স্বভাৱৰ বিকল্প সাধনা। ভাব আহে, ভাব যায়—হিয়াত গুঞ্জৰি গুমৰি মৰে চিন্তা। দুৰ্ব্বলতা। এক দুৰ্ব্বল মুহূৰ্ত্তত দুৰ্ব্বল চিন্তাই আগুৰি পেলালে মন। আবেগ দমাব নোৱাৰি লিখিলে চিঠি। ছিঃ ভুল কৰিলে। নিজক ইমান সৰু কৰিলে সামান্যা ছোৱালী এজনীৰ ওচৰত! লাজ লাগিল তেওঁৰ। ধিক্কাৰ লাগিল মনত, বিকাৰ লাগিল প্ৰাণত। নিজক কৰিলে হেয়—আত্মমৰ্য্যাদা কৰিলে ক্ষুন্ন। বেয়া লাগিল শৰতৰ। চিঠিখন সামৰি থলে। মেঘাচ্ছন্ন হ'ল যেন আজি শৰতৰ নিৰ্ম্মল হৃদয়-আকাশ; শোকাচ্ছন্ন হ'ল মন।

যেতিয়া সবিতাই তেওঁক বিচাৰিছিল, তেতিয়া তাইক দিলে ঠেলি; যেতিয়া তেওঁ বিচাৰিলে সবিতাক, তেতিয়া সবিতাই কলে নালাগে বুলি। এয়ে হ'ল শৰতৰ বেদনা মৰ্ম্মভেদী, এয়ে হ'ল সবিতাৰ নিৰ্ম্মম ট্ৰেজেডী।

শৰতৰ অন্তৰত অঙ্কুৰিত হ'ল এক মৰ্ম্মভেদী যাতনা; ৰচিত হ'ল এখনি হৃদয় বিদাৰক ইতিহাস।

॥ সাতত্ৰিশ ॥

অসম বিখ্যাত—চাহৰ নিমিত্তে, কিন্তু কুখ্যাত বানপানীৰ নিমিত্তে, গৰা খহনীয়াৰ নিমিত্তে ; ভূমিকম্পৰ নিমিত্তে। প্ৰতি বছৰে চাহ হয় ৰপ্তানি, দেশ-বিদেশে আৰু প্ৰতি বছৰে বানপানী হয় আমদানী চহৰে-নগৰে, গাঁৱে-ভূঁয়ে। চৰকাৰৰ বাজেটত প্ৰতি বছৰে ডাঙৰ অঙ্ক বহে আয়ৰ ঘৰত চাহৰ বাবে, আৰু বৃজন অঙ্ক বহে খৰচৰ ঘৰত বানপানীৰ বাবে। নিত্য নৈমিত্তিক ঘটনা, নিত্য নৈসৰ্গিক বিপদৰ অৱতাৰণা।

বান আহে, বান যায়—অসমক কৰি যায় জলা-কলা ; এই বিপদৰ সৈতে অসমীয়া মানুহ চিৰাভ্যস্ত। বিধিৰ এই যে এক নিকৰুণ বিধান।

মনচুন বলে। পাহাৰত ঠেকা খায়। বৰষুণ নামে। ব্ৰহ্মপুত্ৰত বান আহে। কঁপলী ওফন্দি উঠে, বেকীৰ দলং ভাগে, পাগলাদিয়াই গাঁৱৰ মাজেৰে গতি কৰে। অসম জুৰি আৰ্তনাদ উঠে, হাহাকাৰ লাগে। ঘৰৰ ভেটি ডুবে, গৰু ছাগলী মৰে, মানুহ লঘোন পৰে। চৰকাৰৰ চেষ্টা চলে। আলি বান্ধে, মথাউৰি মাৰে। অপচেষ্টা। চৰকাৰৰ সমস্ত চেষ্টা, উদ্যোগ ব্যৰ্থ কৰি বান-বাৰিষাই কৰে তীব্ৰ অভিযোগ। তথাপি মানুহ কৰে দুৰ্বাৰ চেষ্টা। চৰকাৰে চাউল বিলায়, খাদ্য-দ্ৰব্যৰ যোগান ধৰে। ৰাইজে নখ জোকাৰে নদী বয়। এমুঠি দুমুঠি চাউল, এক অনা, দু অনা পইচা। চাউল উঠে মোনে মোনে ; টকা উঠে হেজাৰে হেজাৰে। ডেকা ল'ৰা ওলায়, গাভৰু ছোৱালী ওলায় নিপীড়িতৰ সহায়ৰ বাবে স্ব-ইচ্ছাৰে। ডেকা যায়, ডেকেৰী যায়, বুঢ়ায়ো টঙালি বান্ধি ওলায়। যুজ চলে মানুহৰ প্ৰকৃতিৰ সৈতে। চৰকাৰ আৰু ৰাইজৰ সমূহীয়া চেষ্টাত বানবিধ্বস্ত অঞ্চলত সাহায্যৰ কাম চলে। বহু মৰে—বহু বাচে। চেষ্টাৰ অন্ত নাই—কষ্টৰ সীমা নাই। প্ৰপীড়িতৰ দুৰ্গতি, স্বেচ্ছাসেৱকৰ অসীম কষ্ট। শদিয়াত বানপানী! পৰ্বতত কাছ কণী। পৰ্বতো ডুবে, সাগৰো শুকায়। আচৰিত কালৰ গতি।

প্ৰকৃতিৰ নিষ্ঠুৰ নিষ্পেষণত নিঃসহায় সকলৰ উদ্ধাৰৰ বাবে মনো-বেদনাত প্ৰপীড়িত শৰৎ ওলাল শদিয়া অঞ্চলে—প্ৰতিকাৰৰ বাবে খাদ্য-দ্ৰব্য, টকা-পইচা, কানি-কাপোৰ, ঔষধ-পাতি সমন্বিতে। লগত বহুত কৰ্মচাৰী, অনেক স্বেচ্ছাসেৱক।

শুচি হয় শৰৎ। ব্যৰ্থতাৰ বুকুত বহি মন মাৰি নিজক ধ্বংস কৰাতকৈ পৰৰ বাবে জীৱন উচৰ্গা কৰাত তৃপ্তি আছে, জীৱনৰ নতুন সোৱাদ আছে। এৰা ; ই শ্ৰেষ্ঠৰ আত্মতৃপ্তিৰ অভিনৱ উপায়। বিধিয়ে যেন স্ব-ইচ্ছাই পঠাই দিলে এই নতুন ব্যৱস্থা। বিধাতাৰ মতলব বুজা টান।

দিন নাই, ৰাতি নাই—কাম, মাথোঁ কাম। শৰতৰ নাই বিৰাম, নাই আৰাম। অবিশ্ৰান্ত কৰ্ম-সাগৰত নিমজ্জিত হ'ল আজি শৰতৰ মন। তলে পানী ওপৰে পানী। পানীৰে প্লাবিত অঞ্চল। চাৰিওফালে নিপীড়িতৰ আৰ্তনাদ, নাৰীৰ কৰুণ বিননি। ডাক্তৰ কম্পাউণ্ডাৰৰ দল আহে ঔষধ পত্ৰ লৈ, স্বেচ্ছাসেৱকৰ দল আহে খাদ্য-দ্ৰব্য লৈ। নাৱে নাৱে চাউল আহে, নানাৰকম কানি-কাপোৰ আহে, খাদ্যদ্ৰব্য বিতৰণ কৰে, বেমাৰীক শুশ্ৰূষা কৰে, আৰ্ত-পীড়িতক ৰক্ষা কৰে। শৰতে নিজক পাহৰি যায় অবিৰাম কৰ্ম স্ৰোতত। এই সকলোবোৰ অভিনৱ যেন লাগে। কৰ্মৰ মাজতে যেন অভিনৱ দেখে। কৰ্মতেই মানৱৰ পৰিতৃপ্তি, কৰ্মতেই পুৰুষৰ পৰম শান্তি।

বাতৰি কাকতত ডাঙৰ ডাঙৰ আখৰেৰে ওলাই—'বান প্ৰপীড়িত শদিয়া'। 'ওভাৰ ফ্লাডেৰ বিভাৰ পাগলাদিয়া'; 'কপিলীৰ গৰাহত নগাঁও,' 'বেঁকী নদীৰ দলং ভাগিছে' ইত্যাদি। খবৰৰ পিচত খবৰ কাকতৰ পিচত কাকত ওলাইছে; ভয়াবহ বাতৰিয়ে আতঙ্কৰ সৃষ্টি কৰিছে মানুহৰ মনত, লগতে বিক্ৰি বাঢ়িছে বাতৰি কাকতৰ।

নানা ঠাইত সভা-সমিতি বহে। চহৰে-নগৰে, গাঁৱে-ভূঁয়ে ডাঙৰ ডাঙৰ ৰাজনৈতিক নেতাসকলে বক্তৃতাৰ ফুলজাৰি মাৰিছে। বান-পীড়িতৰ দুঃখ-দৈন্য বিমোচনৰ বাবে ৰাইজৰপৰা অৰ্থ সাহায্য বিচাৰিছে। চমৎকাৰ মনোমোহিনী বাণী। বান-পীড়িতৰ সাহায্যৰ অজুহাত দেখুৱাই অৰ্জন কৰিছে জনপ্ৰিয়তা ৰাজনৈতিক নেতাসকলে! সস্তা জনপ্ৰিয়তা। বানপানী আহে। ই যেন নাটকীয় ঘটনা—কাকো কৰে সৰ্বস্বান্ত, কাকো কৰে জনপ্ৰিয়। কাৰো হয় দুৰ্যোগ,—কাৰো মিলে সুযোগ। এনেভাৱে বানে আহি প্ৰতি বছৰে কাকো কৰি যায় অষ্টম দৰিদ্ৰ আৰু কাকো পাতি যায় জননায়ক—দেশহিতৈষী পুৰুষ।

গাঁওবাসীয়ে দান কৰে ধান, চহুৰবাসীয়ে দান কৰে গান। থিয়েটাৰ হয়, 'চেৰেটী শো' হয়। বান-পীড়িতৰ সহায়ৰ বাবে চহৰত চলে 'চেৰেটী শো'। সাহায্য সমিতি গঠিত হয়। টকা উঠে। নতুন নতুন নামেৰে গঠিত হয় নতুন নতুন

দল। ডেকা ল'ৰা-ছোৱালীৰ দল নামে। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ খদম-দম উলাহ-মালহ চলে। নানা অনুষ্ঠানৰ জৰিয়তে নানা নামেৰে হয় থিয়েটাৰৰ দল গঠন।

গুৱাহাটী চহৰ। মহানগৰীৰ মহা উত্তেজনা। ঘৰে ঘৰে বাতৰি কাকত পঢ়ে, ঘৰে ঘৰে আলোচনা চলে—ফাঁচী বজাৰৰ মহাজনসকলৰ আলোচনা চলে—মালৰ নাটনি হব, গতিকে দাম বাঢ়িব। মাল মজুত ৰাখিব লাগে। বান-বিধ্বস্ত অঞ্চললৈ চৰকাৰে মাল পঠাব। দুই পইচা এই ছেগতে ধৰি লব লাগিব। বানপানী হে একৰকম ৰক্ষা। কোনোৱে মৰে পেটৰ জ্বালাত, কোনোৱে কৰে দুই পইচা লাভৰ আশাত। পানবজাৰৰ কাপোৰৰ দোকানীয়ে কাপোৰৰ দাম বঢ়ায়।

জামাতুল্লাৰ আগৰ চ'কটোত ৰেডিও শুনিবৰ বাবে গধূলি কলেজৰ ল'ৰা জমে। আলোচনা চলে—স্বেচ্ছাসেৱক হৈ শদিয়ালৈ যাব। যায় যাব প্ৰাণ তথাপি বিপদ-গ্ৰস্তসকলক উদ্ধাৰ কৰা কৰ্তব্য। ডেকা তেজৰ পিৰপিৰণি উঠে। নিস্বাৰ্থ ছাত্ৰ-মনৰ স্বাভাৱিক উক্তি; সবল আৰু নিষ্পাপ অন্তৰৰ স্বতস্ফূৰ্ত বাণী। কলেজত ল'ৰা-ছোৱালীৰ আলোচনা হয়। দলে দলে যোগ দিয়ে স্বেচ্ছাসেৱকৰ দলত। উজান বজাৰৰ নাট্য মন্দিৰত আলোচনা চলে—নাট্য-সমিতিৰ দ্বাৰা চেৰিটি শ্বোৰ ব্যৱস্থা কৰিব লাগে পীড়িতসকলৰ সাহায্যৰ বাবে। নাট্যকাৰ, অভিনেতা, অভিনেত্ৰীৰ জনাজট লাগে। নাটক বাছে, অভিনেতা-অভিনেত্ৰী নিৰ্বাচন কৰে। নাটকৰ আখৰা চলে।

সবিতাহঁতেও তৈয়াৰ কৰিলে এটি দল। দেশৰ এনে দুৰ্যোগত এনেয়ে বহি থাকিব নোৱাৰে তেওঁলোকে। শক্তি অনুযায় দেশবাসীক সহায় কৰা কৰ্তব্য বুলি বিবেচনা কৰে। সেয়েহে সবিতাহঁতে 'নৱনাট্য সমিতি' নাম দি গঠিত কৰিলে এটা দল। সম্পাদিকা হ'ল স্বয়ং সবিতা দেৱী। দলে দলে আহি যোগ দিলে, ডেকা-গাভৰুৱে, উচ্চশিক্ষিত লোকৰ হ'ল সমাৱেশ। সমিতিৰ গাম্ভীৰ্য্য বাঢ়িল।

জয়ন্তী, বাসন্তী, আৰতি, উৎপলা, নীৰলা, সবলা, ৰেণু, ভানু, মঞ্জু, কুঞ্জ আদিয়ে যোগ দিয়ে; নীৰেন, ধীৰেন, বীৰেন, সুৰেন, দীনেশ, উমেশ, পৰেশ, সুৰেশ আদিয়েযোগ দিয়ে; আৰু যোগ দিয়ে এই গ্ৰহবোৰৰ উপগ্ৰহবোৰে; যোগ দিয়ে তাৰকা-সকলৰ আকৰ্ষণত গ্ৰহবোৰে। সবিতাৰ সৌৰ জগতত অলেখ গ্ৰহ, উপগ্ৰহ। বুধৰ দৰে অতি ক্ষুদ্ৰ প্ৰবীণ অতি ওচৰত। তাৰ পৰিভ্ৰমণ কাল অতি অলপ দিন। নেপ-চুনৰ দৰে শৰতৰ কক্ষপথ বহু আঁতৰত। পৰিভ্ৰমণ কাল বহু দিনৰ মূৰত। এতিয়া

দৃষ্টিৰ বহু আঁতৰত, উদয়ৰ সম্ভাৱনা নাই। কিন্তু নবীনৰ ? নবীন গ্ৰহ নহয়— ধূমকেতু। অতি ওচৰত হ'লেও তাক সূৰ্য্যই আকৰ্ষণ কৰিব নোৱাৰে। ধূমকেতু-বোৰ সৌৰ জগতৰ বাহিৰৰ। কক্ষপথ অতি দূৰ। আপোন ইচ্ছাত মাজে মাজে আহি দৃষ্টিগোচৰ হয়। উজ্জ্বলভাৱে দেখা যায় আৰু নিৰ্মমভাৱে সূৰ্য্যৰ আকৰ্ষণ প্ৰত্যাখ্যান কৰি গুচি যায় কোনোবা অজান দেশলৈ। ই মাত্ৰ সৌৰজগতত বিশৃঙ্খলতাৰ সৃষ্টি কৰে আৰু মাজে মাজে একোটা আলোড়ন তুলিবলৈ চায় সৌৰ জগতত। সূৰ্য্যৰ আকৰ্ষণৰ বাহিৰ ; সেইবোৰে অতি ওচৰত থকা সত্বেও সবিতাই আকৰ্ষণ কৰিব পৰা নাই নবীনক। তাৰ কাৰণে মনে মনে ক্ষুণ্ন হয় সবিতা।

নাটক লাগে। নৱনাট্য সমিতিক আধুনিক নাটক লাগে—অভিনয় কৰিবলৈ। সম্পাদিকা সবিতাই নাটক বিচাৰে। মিটিঙত তাই প্ৰস্তাৱ দিয়ে—"হাতে লিখা অৱস্থাত থকা নাটক কৰিব পাৰিলে সুবিধা হয়—।" তাই আৰু কয়—"নাটকখন সৰু হব লাগিব যাতে ডেৰঘণ্টা দুঘণ্টাৰ ভিতৰতে শেষ হয়।" কিন্তু নাটক দিব কোনে ? সকলো নিমাত। জয়ন্তীয়ে উঠি কয়—সম্পাদক ধুৰন্ধৰে ইচ্ছা কৰিলে উপযুক্ত নাটক লিখি দিব পাৰে। তেখেতক অনুৰোধ কৰা বেয়া নহয়।" জয়ন্তী আকৰ্ষিতা নবীনৰ প্ৰতি। আঠাইশৰ ডেওনা পাৰ হৈয়ো নাৰীৰ যৌৱন অটুট ৰাখিবলৈ কৰা তাইৰ দুৰ্বাৰ সাধনাক নেওচি গালৰ হনু উঠি আৰু চকুৰ কোটৰ দুটি বহি যদিও তাইক তৰুণীৰ শাৰীৰপৰা নমাই দিবলৈ সময় আৰু স্বাস্থ্যই যৎপৰোনাস্তি চেষ্টা কৰিছে ; তথাপি মূল্যবান প্ৰসাধনে তাক পৰাস্ত কৰিবলৈ প্ৰাণপণে যত্ন কৰি আছে। তাৰ বলতে তাই আজিও অধিক সংখ্যক ডেকা ল'ৰাৰ কবিতাৰ বিভাৱ-উদ্দীপনা আৰু আলম্বন জগাবলৈ সক্ষম হৈ আছে। নবীনৰ প্ৰতি আকৰ্ষণ বোধ হয় তাইৰ সম বয়সৰে দাবী বুলি অনুমান হয়। অৱশ্যে সাহিত্যৰ প্ৰতি তাইৰ অনুৰাগো নিচেই উলাই কৰিব পৰা বিধৰ নহয়। মানসিক স্বাচ্ছন্দ্যৰ বাবে সাহিত্য-কে তাই অৱলম্বন হিচাবে লৈছে। ইফালে সদ্য-যৌৱনা মঞ্জুৰে মনে মনে চিন্তা কৰে এই চতুৰ ধুৰন্ধৰক হাত কৰিবলৈ। ৰোমাঞ্চপ্ৰিয় নবীনৰ দুষ্ট চকুৰ আঘাতত বেচেৰী মঞ্জু ইতিমধ্যে কিছু পৰিমাণে ঘাইল হৈ গৈছে। এই মানসিক সংঘাতখন আজি কিছুদিনৰপৰা বেছ বাৰুকৈয়ে চলি আছে। একালে জয়ন্তী, আনফালে মঞ্জু, মাজতে নবীন। জয়ন্তী আৰু মঞ্জুৰ 'টাগ অব্ ৱাৰখনত নবীন হৈছে জৰী। সাধাৰণ জৰী হ'লে এই দুই বীৰাঙ্গনাৰ হাতত কাহানিবাই ছিগিভাগি ডোখৰ

হ'লহেঁতেন। কিন্তু নবীন হ'ল ওডালৰ জৰী—অতিপাত টান; সহজে নিছিগে। নাজানো জৰীয়ে ছিগে নে তাইহঁতৰ হাতে কাটে।

জয়ন্তীক মঞ্জুৱে ঈৰ্ষা কৰে। সেয়েহে নবীনৰ নাম প্ৰস্তাৱ কৰাত তাই মাৰিলে খোঁচা—"ভিতৰি ভিতৰি যদি এনে সু-খবৰ কৰৌতা আছে, তেন্তে আমাৰে ভাগ্য ভাল। জয়ন্তী দেৱীয়ে আমাক নাটকখন দিব বুলি আমি ধৰি লব পাৰো।" কথাষাৰ কৈয়ে মঞ্জুৱে অঙ্কিত ভ্ৰূযুগল কুঞ্চিত কৰি কেৰাহিকৈ দৃষ্টি কৰে জয়ন্তীলৈ। কথাৰ খোঁচা বুজিব পাৰি মঞ্জুৰ উপগ্ৰহ পৰেশে হাততালি বজাই সমৰ্থন কৰিলে—"নিশ্চয়, নিশ্চয়!" স্ত্ৰী-পুৰুষ সকলো কেইজনেই জয়ন্তীৰ ফালে নজৰ কৰিলে। জয়ন্তী ৰঙা পৰি উঠিল। জয়ন্তীৰ এনে সঙ্কটাপন্ন অৱস্থা দেখি সবিতাই বিপদৰপৰা উদ্ধাৰ কৰিবৰ হেতুকে কৈ উঠিল—"তেখেতৰ বাহিৰে ইমান কম দিনৰ ভিতৰত অইনে নাটক দিব নোৱাৰিব বুলি মোৰো বিশ্বাস। গতিকে অকল জয়ন্তীয়ে নহয়—আমি সকলোকেইজনীয়ে তেখেতৰ তালৈ গৈ অনুৰোধ কৰা উচিত। তেখেত বৰ অহঙ্কাৰী মানুহ, দুই এজনৰ কথা গ্ৰাহ্যকে নকৰিব।"

সবিতাৰ কথাত সকলোকেইজনী নীৰৱ হ'ল। সবিতাৰ কথাৰ ওপৰত প্ৰতিবাদ নচলে কাৰো। সেই দেখি 'মৌনং সম্মতি লক্ষণং' কৰি সকলোটিয়ে মত দিলে। তাৰ পাচত দলৰ নিয়ম-কানুনৰ বিষয়ে আলোচনা চলিল।

॥ আঠত্ৰিশ ॥

সদলবলে উপস্থিত সবিতাহঁত নবীনৰ বাহাত। দেখা পাই নবীনে হাঁহি মাৰি নমস্কাৰ কৰি ক'লে—"নমস্কাৰ! আজি দেখোঁ সমস্ত সৌৰ জগতখনেই লৰি আহিছে? মহাপ্ৰলয় বোধহয় অতি সন্নিকট?"

"অৱশ্যে প্ৰলয়ৰে সম্ভাৱনা; কাৰণ উচ্ছৃঙ্খল ধূমকেতুৰ আকৰ্ষণত বিচ্ছৃঙ্খল সৌৰজগতৰ গ্ৰহমণ্ডলী।" হাঁহি মাৰি উত্তৰ দিয়ে সবিতাই। ইতিমধ্যে সকলো-কেইজনীয়ে প্ৰতিনমস্কাৰ জনায় নবীনক পৰম উলাহেৰে। নবীনে হাঁহি আগবাঢ়ি আহি কয়—"আহক ভিতৰলৈ।" সকলোৱে ৰুমৰ ভিতৰত সোমায়। চকী, বেঞ্চ, বিচনা, মূঢ়া আদিত বহিবলৈ নিৰ্দেশ দিয়ে নবীনে। জনে জনে যথাস্থানত

উপবেশন কৰে। নবীনে অনামীৰ প্ৰবন্ধবোৰ সামৰি থৈ হাঁহি মাৰি নাটকীয় ভঙ্গীৰে সোধে—"পিচে আজ্ঞা হওক।"

কথা শুনি গোটেই কেইজনীয়ে খিলখিল কৰি হাঁহি দিয়ে। সবিতাই হাঁহি হাঁহি কয়—"নাটকীয় ভঙ্গীৰে কথা ক'লে নহব—নাটক দিব লাগিব।"

"নাটক ?"

"হয়।"

"কি নাটক ?"

"আধুনিক নাটক। খুব চুটি।"

"কাৰ বাবে ?"

"নৱনাট্য সমিতিৰ বাবে। সেই বাবে দলে বলে আহিছোঁ।"

"কিহৰ কাৰণে ?"

"বান-পীড়িতসকলৰ সাহায্যৰ কাৰণে।"

"কিমান আধুনিক নাটক আছে, তাৰে এখন কৰক। মই কি কম ?"

"আপোনাৰ লিখাহে আমাক লাগে।" মধুৰে মিচিকিয়া হাঁহি মাৰি অঞ্জনা শোভিত ধুনীয়া চকু দুটিৰে এটা টিপ মাৰি কয় নবীনলৈ চায়। তাই যেন তেওঁক গ্ৰাসহে কৰিব—এনে দেখা গ'ল। নবীনে তাইৰ চকুলৈ চাই এটা দুষ্ট হাঁহি মাৰি কয়—"মই নাটক, গল্প, উপন্যাস, একো নিলিখো ? কবিতাহে লিখোঁ।"

"কিয় নিখিলে ?" প্ৰশ্ন কৰে জয়ন্তীয়ে।

"এইবোৰ লিখিলে তিৰোতাৰ কথা লিখিব লাগে।"

"লিখিলে কি হয় ?"

"লিখিলে কবিতাৰ সাধনা নহয়—নাৰীৰ সাধনাহে হয়।"

"কাৰণ ?"

"কাৰণ তেওঁলোকৰ ভিতৰত এফাঁকিও কবিতা বিচাৰি পোৱা নাযায়।"

"কিয় ?" সবিতাই প্ৰশ্ন কৰে।

"ছোৱালীবোৰতা পদ্যময় নহব বৰং একদম গদ্যময়।"

"আপুনি ভুল বুজিছে। নাৰীয়েতো কবিতা।"—সবিতাই কয়।

"নাৰীক লৈ কবিতা লিখা যায় সচা ; কিন্তু নাৰী কবিতা নহয়। নাৰীৰূপৰা ৰূপ আহৰণ কৰা যায় হয় ; কিন্তু নাৰী স্বয়ং ৰূপ নহয়।"

"শিল্পী, কবি, সাহিত্যিক, গায়ক যিয়ে নহওক সকলোৱে নাৰীৰ দাস। সেই-বোৰ সাধনা কৰা মানে নাৰীৰ ৰূপৰ ধ্যান কৰা আৰু নাৰীৰ দাস হোৱা। গতিকে কবিতা লিখিলেও তাৰপৰা নিষ্কৃতি পোৱা টান।"

"অৱশ্যে কিছুমান কবি সাহিত্যিক আছে যিয়ে কেৱল নাৰীৰ ৰূপৰ উলঙ্গ বৰ্ণনাহে কৰে। তেওঁলোকে ভাবি নাচায় যে, তেওঁলোকৰ ৰচনা যেতিয়া তেওঁলোকৰ জীয়েক-পুতেকহঁতে পঢ়িব, তেতিয়া সিহঁতে পিতাকৰ ওপৰত কি ধাৰণা পোষণ কৰিব। তেওঁলোক নিৰ্লজ্জ। তেওঁলোকৰ মানসিক বেমাৰ উপজিছে। 'ফিমেল কমপ্লেক্স' বোলা মানসিক বেমাৰটোৱে তেওঁলোক আক্ৰান্ত। বেছিভাগ প্ৰেমৰ কবি আৰু গল্প লিখকৰে এই বেমাৰ আছে।"

"আৰু আপুনিও তেনেহলে তাৰপৰা হাত সাৰিব পৰা নাই। মোৰ মতে ভাব-প্ৰৱণ মানুহবোৰ সকলোৱে কম-বেছি পৰিমাণে মানসিক বেমাৰী। ইয়াৰপৰা আপোনাৰো ৰক্ষা নাই, মোৰো ৰক্ষা নাই। তাৰ বাবেই আপুনি কবিতা লিখে, প্ৰবন্ধ লিখে। এতিয়া ফাঁকি দিলে কিয় চলিব ?"

"এই বাজে কথাবোৰ বন্ধ কৰক। বৰ্ম্মণ, আমাক এখন নাটক লিখি দিব নে নিদিয়ে কওক।" অভিমানৰ সুৰত কৈ উঠে বাসন্তীয়ে।

"ভেজিটেবুলচ খাই খাই মূৰত ভেজিটেবুলচ ঘিউহে আছে—আচল ঘিউ নাই। গতিকে এই ভেজিটেবুলৰ মগজেৰে কি নাটক লিখিম ? ডালডাৰ ব্ৰেইনডাল। গতিকে নতুন উদ্ভাৱনী শক্তিৰ পৰিচয় দিম কিহেৰে ? কি লিখিম ?" কথা শুনি সকলোটিয়ে খিলখিলকৈ হাঁহি উঠিল। সবিতাই গম্ভীৰভাৱে ক'লে "আপুনি এখন নাটক চাৰিদিনমানৰ ভিতৰতে যেনেতেনে লিখি দিব লাগিবই। 'চেৰিটি শ্বো' কৰিবই লাগিব। দেশৰ এনে দুৰ্দিনত বিপদগ্ৰস্ত ভাই-ভনীসকলক সহায় কৰিব নোৱাৰিলে দেশৰ প্ৰতি, দেশবাসীৰ প্ৰতি অন্যায় কৰা হব। কিমান ধনী মানুহে যে সহায় কৰিব ধৰিছে...! কিমান টকা যে দান দিয়ে !! তেনেস্থলত আমি যৎ-সামান্য দিব পাৰিলেও দেশৰ অলপ ঋণ পৰিশোধ কৰা বুলি সান্ত্বনা লভিব পাৰো।'

"এফালে গৰীবক শোষণ কৰি আৰ্জিছে সম্পদ, আনফালে তাকে দান কৰিছে দৰিদ্ৰ বিপদগ্ৰস্তসকলক। শোষণ আৰু বিতৰণ। মাজতে নাম অৰ্জন। দাতা বুলি দেশত নাম জাহিৰ কৰিছে। উদাৰত্যাগী বুলি খ্যাতি অৰ্জন কৰিছে।

যাৰ পৰা ঠগাই আনিছে, তাকেই আকৌ ঘূৰাই দিছে ; মাজত যশস্যা লাভ কৰিছে, সম্মান আদায় কৰিছে । ধন্য তেওঁলোকৰ চালাকি !"

"তাৰ মানে দানকৰ্তাসকল ঠগ, প্ৰবঞ্চক ?"

"কাৰো কাৰো মতে দাতাকৰ্ণ আৰু কাৰো কাৰো মতে শোষণকাৰী ধনী ।"

"তেনহলে ধনীয়ে দান কৰা ভুল ; কাৰণ দান কৰা মানে নিজক শোষণকাৰী বুলি প্ৰমাণ কৰাহে হব । গতিকে কোনে দান কৰিব ?"

"দান কৰা ভুল নহয়—কৰ্তব্য । সিহঁতে দান কৰিবলৈ বাধ্য । দান কৰিলে সিহঁতৰ পুণ্য নহয় ; বৰং পাপ নকৰাৰ পৰা ৰক্ষাহে পায় ।"

"পাপৰপৰা ৰক্ষা পোৱাটোকেতো পুণ্য বোলে ।"

"কেতিয়াও নহয় । পাপৰপৰা ত্ৰাণ পোৱা আৰু পুণ্য অৰ্জ্জন কৰা একে নহয় । ধাৰ নলগা হলেই জমা থকা নহয় ; ধাৰো নাথাকিব পাৰে আৰু জমাও নৰব পাৰে । তেওঁলোক ঠিক সেই অৱস্থাতহে থাকিব তেতিয়া । কিন্তু যদি দান নকৰে তেন্তে পাপ হব ।"

"ধনীয়ে দান নকৰিলে কিয় পাপ হয় ?"

"মহাত্মা গান্ধীয়ে উত্তৰ দিব । প্ৰয়োজনতকৈ অধিক ৰখাবিলাকেই চোৰ । ধনীয়ে প্ৰয়োজনতকৈ অধিক ৰাখে ; গতিকে ধনীবিলাক চোৰ । সেইবাবে চোৰে বস্তুবোৰ ঘূৰাই নিদিলে চিত্ৰগুপ্তৰ খাতাত পাপ লিখা হব । পুণ্য অৰ্জা দূৰৰ কথা, পাপৰপৰা ৰেহাই পাবৰ বাবেই ধনীয়ে দান কৰা দৰ্কাৰ ।"

"এনে কথা শুনিলে খণ্ডতে কোনো ধনীয়ে দান নকৰিব ।"

"আৰু তেতিয়া ৰাগতে চিত্ৰগুপ্তয়ো দুগুণ পাপ লিখিব । মোৰ কি লোকচান ?"

"এই কুৰি শতিকাত হাইড্ৰোজেন বোমাৰ যুগত, কৃত্ৰিম উপগ্ৰহ আৱিষ্কাৰৰ যুগত আপোনাৰ এই তাহানিকালৰ চিত্ৰগুপ্ত বিশ্বাস নকৰে কোনোৱে । এই গাজা-খোৰ ধৰ্মৰ ভয় আৰু অন্ধবিশ্বাস আজি আৰু কোনো মানুহে বিশ্বাস নকৰে । এই বিজ্ঞানৰ যুগত সেইবোৰ অচল ।"

"এই বিজ্ঞানৰ যুগত সেইবোৰ অচল নে আচল ? বিজ্ঞান মানেতো বিশদৰূপে জ্ঞান । মানুহৰ বিশদ ৰূপ জ্ঞান হোৱাৰ কাৰণেই এই বৈজ্ঞানিক যুগত অন্ধবিশ্বাস আঁতৰাই প্ৰকৃত সত্যৰ ওচৰ চাপিবৰ বাবে এখোপ আগ বাঢ়িবলৈ সক্ষম হৈছে । সেই

দেখি ৰূপকবোৰক সত্য বুলি নধৰি তাৰ তাৎপৰ্য্য উলিয়াই প্ৰকৃত সত্য আৱিষ্কাৰ কৰিবৰ বাবে প্ৰয়াস পাইছে।"

"বুজা গ'ল আমাৰ ভাগ্যত নাটক নিমিলিব।" বৰ বিৰক্ত হৈ কয় জয়ন্তীয়ে।

"বোধহয় বেজাৰ পালে এইবোৰ বলকাৰ বাবে, নহয় নে?"

"বেজাৰ অৱশ্যে পাইছোঁ, কিন্তু নাটকখন পালে বেজাৰ নাপাই আনন্দ পাম।"

"বাৰু কি বিষয়ৰ নাটক লাগে?"

"বান-পীড়িতসকলৰ দুখ-দুৰ্গতিৰ হুবহু চিত্ৰ।" আৰতিয়ে কয়।

"মইতো বান-পীড়িত অঞ্চললৈ যোৱা নাই—গুৱাহাটীতে আছোঁ গতিকে প্ৰকৃত অভিজ্ঞতা নললে কি লিখিম?"

"তেন্তে অলপ আগতে যে কৈছিল চিত্ৰগুপ্তৰ কথা, তালৈকে জানো গৈছিল?" সবিতাই পুনৰ জব্দ কৰে নবীনক। হাঁহি মাৰি মাৰি কয় নবীনে—"বাস্তৱিক আপোনাৰ ওচৰত মই হাৰ মানিছোঁ সবিতা দেৱী। সচাকৈ আপুনি তৰ্ক বিশাৰদা।"

"কল্পনাৰে কবিয়ে ৰচে স্বৰ্গৰ নন্দন কানন।"

"অৱশ্যে। বাৰু চেষ্টা কৰি চাম।"

'নিশ্চয়! নিশ্চয়!! আমাকো তাকেই লাগে।" সকলোটিয়ে কৈ উঠে। লিপ্-ষ্টিক ৰঞ্জিত ৰঙলী ওঁঠৰ কোণত বক্ৰ হাঁহি লৈ মঞ্জুৱে সঁহাৰি দিয়ে—

"নায়কৰ অভিনয় স্বয়ং নাট্যকাৰে কৰিব লাগিব কিন্তু; মনত ৰাখিব।" কথা শুনি সকলোটিয়ে হাঁহি দিয়ে। সবিতাই এবাৰ কেৰাহিকৈ মঞ্জুৰ ফালে চাই লাহেকৈ ঠাট্টা কৰে—"আৰু নায়িকাৰ এক্‌টিং কৰিব আমাৰ স্বয়ং মঞ্জু চৌধুৰীয়ে।"

"নিশ্চয়! নিশ্চয়!!" হাত চাপৰি বজাই সমৰ্থন কৰে জয়ন্তীয়ে। জয়ন্তীৰ অৰ্থপূৰ্ণ ইঙ্গিতত হাঁহি উঠে সকলোটিৱে। মঞ্জু হঠাতে বৰ অপ্ৰস্তুত হৈ পৰে। গাল-মুখ ৰঙা পৰি উঠে। লাজ আৰু অপমানত তাইৰ উপস্থিত বুদ্ধি লোপ পায়। কবলৈ একো কথা বিচাৰি নাপাই বৰ বিপাঙত পৰে। অৱস্থাৰ এনে বিপৰ্য্যয় আৰু মঞ্জুৰ এনে সঙ্কটাপন্ন অৱস্থা দেখি নবীনে হাঁহি মাৰি পেংলাই কৰি কৈ অৱস্থাটো পাতল কৰি তোলে—"মই এক্‌টিং কৰিব লাগিলে, মোৰ পছন্দ মতেহে মই 'এক্‌ট্ৰেচ' বাছি লম; কাৰণ যাৰে তাৰে লগত মোৰ 'ফিলিং' অহা টান।"

তেওঁৰ খুহুতীয়া কথা আৰু ব্যঙ্গ-ভঙ্গী দেখি সকলোৱে হাঁহি উঠিল। মঞ্জুয়ো

হাঁহিবৰ বাধ্য হল। এনেতে আৰতিয়ে ক'লে—"তেন্তে আমি এতিয়া উঠিব পাৰোঁ। আমাৰ সৌভাগ্য যে, নাটক আৰু নায়ক দুয়োবিধ আজি আমাৰ মিলিল।"

"নিশ্চয়! নিশ্চয়!!" সকলোটিয়ে হাত তালি দি হাঁহি মাৰি থিয় হ'ল আৰু যাবৰ বাবে সাজু হ'ল। "এতিয়া আমি যাওঁ। নমস্কাৰ মিণ্টাৰ বৰ্মণ।" বাসন্তীয়ে সকলোৰে হৈ কৈ উঠে আৰু সকলোকেইজনীয়ে হাতযোৰ কৰি নমস্কাৰ কৰে।

"নমস্কাৰ।" নবীনে হাতযোৰ কৰি প্ৰতি নমস্কাৰ কৰে।

"তহঁত যা। মই অলপ পলমে গৈছোঁ।" সবিতাই মঞ্জুহঁতক কয়। সবিতাৰ বাহিৰে বাকীবিলাক ওলাই গ'ল। সবিতা বহি ৰ'ল।

ৰুমৰ ভিতৰত সবিতা আৰু নবীন। আৰতিহঁত যোৱাত সবিতাই নবীনক প্ৰশ্ন কৰিলে—"আশ্চৰ্য্য আকৰ্ষণ আপোনাৰ। জয়ন্তী আৰু মঞ্জু দুয়ো বৰ বেয়া ভাৱে আকৰ্ষিত হৈছে। আপুনি গম পাইছে নে নাই?"

"বেৰোমিটাৰত পাৰা বেচিকৈ উঠিলে বতৰৰ লক্ষণ কব পৰা যায়।"

"তেন্তে আপোনাৰ প্ৰণয়-মিটাৰটোৰ ডিগ্ৰী ওপৰলৈ উঠিছে বোধহয়।"

"গম পোৱা গৈছে। বতৰ বেয়া হব।"

"কেনে?"

"ধুমুহা আহিব—শিলাবৃষ্টিৰো সম্ভৱ।"

"চাব কিন্তু বৰদৈচিলাই উৰাই নিনিলেই ৰক্ষা।"

"নিলেও আপত্তি নাই—বিহুমাৰি থাকিম।"

নবীনে হাঁহে। সবিতায়ো হাঁহে। হাঁহি হাঁহি দুয়ো আৰাম কৰি বহি লয়। তাৰ পাচত সবিতাই কৌশল কৰি নবীনৰ মন টিপি চায়—"পিচে কেনে দেখিলে মঞ্জু চৌধুৰীক?"

"ধুনিয়া চেহেৰা—সচাকৈ সুন্দৰী।"

"চেহেৰাখিনি সচাকৈ তাইক স্ব-ইচ্ছাৰেই যেন ভগৱানে দি পঠাইছে।"

"এৰা। বেছ কামত আহিব।"

"কি কামত?"

"ডেকা ল'ৰাৰ মগজ নষ্ট কৰা কামত। এই ধুনীয়া দেহ ডেগাৰখনেৰে বহুতো ল'ৰাক জবাই কৰিব পাৰিব। এবাৰ এই ৰূপৰ ডেগাৰখন মনেৰে সোমালে ৰেচেৰা-

হ'ত ধৰফৰাই মৰিব। দেশৰ কিমান সম্পদশালী মনুৰ নষ্ট কৰিব তাৰ অন্ত নহব। মগজুৰ জন্ম হোৱা নাই—আবিৰ্ভাৱ। দেশৰ ভাল ভাল মগজ নষ্ট কৰিবলৈ স্বয়ং ভগৱানে তাইক তিলোত্তমা সাজি পঠাইছে।"

"ইতিমধ্যে তেনে এটা মগজ নষ্ট হলেই হব পায় ?"

সবিতাই যে নবীনক ইঙ্গিত কৰিছে তাক বুজিলে নবীনে। সেইদেখি পাতল হাঁহি এটা মাৰি ক'লে—"ঘোলা ডিমা উমনি দিলে ফল নহয়। ইতিমধ্যে ডিম ঘোলা হৈছে। তাৰ উপৰি ডালডা খোৱা ব্ৰেইন নষ্ট নহয়।"

"হয় নেকি ? বাবু!" নবীনৰ খোচা বুজিলে সবিতাই। হাঁহি মাৰি তেওঁৰ ফালে চাই ক'লে—"বুজা গ'ল, ভিজিটৰ্টেবিলচৰ মগজত সুবুদ্ধি নাই—কুবুদ্ধিহে আছে। এতিয়া উঠিলোঁ। কিন্তু মোক হ'লে এই কামটোত সকলো প্ৰকাৰে সহায় কৰিব লাগিব।"

"তাৰ মানে ভাৱাঘৰৰ মালিকাৰ আদেশ ?" হাঁহি হাঁহি প্ৰশ্ন কৰে নবীনে।

হাঁহি মাৰি উত্তৰ দিয়ে সবিতাই—"অকল আদেশ নহয়—দাবী।"

"আচ্ছা চেষ্টাত থাকিম।"

"তেন্তে নমস্কাৰ। এতিয়া উঠিলোঁ মিষ্টাৰ ধুৰন্ধৰ।"

"নমস্কাৰ মিচ. ভাৱাঘৰৰ মালিকা।"

হাঁহি মাৰি দুয়ো নমস্কাৰ কৰে।

সবিতাই হাঁহি মাৰি প্ৰস্থান কৰে।

॥ উনচল্লিশ ॥

ৰাতিপুৱাতে বহিছে নবীন লিখাটেবিলৰ কাষৰ চেয়াৰত। নাটক লিখিব। কিন্তু ক'তা ? ভাব দেখোঁ একো নাহে। বহুপৰ বহি থাকে কলমডালৰ আগটো ওঁঠত লগাই। বানপানী প্ৰপীড়িতৰ বেদনাকে লৈ ৰচিব নাটক। নাটক মানে নাটিকাহে। আধুনিক যুগত নাটক সৃষ্টি নহয়—হয় নাটিকা। উপন্যাসৰ ঠাইত উপন্যাসিকা; কাব্যৰ ঠাইত কবিতা। গতিকে নাটিকা লিখিব লাগিব। পিচে ভাব নাহে। বাৰে বাৰে মন সংযোগ—ধ্যান; বাৰে বাৰে মন অসংযত—ধ্যানভঙ্গ। আঠোটা বাজিল, তথাপি এটা আঁক মাৰিব নোৱাৰিলে। বিৰক্ত

হৈ কলমডাল টেবিলৰ ওপৰত থৈ ওলাই আহিল নবীন। ওলাই আহিয়ে দেখিলে সন্মুখত উপস্থিত পিয়নজন।

"বাবু চিঠি এখন আছে।"

"দিয়া।"

পিয়নে চিঠিখন দিয়ে আৰু গুচি যায়। নবীনে চিঠিখন হাতত লৈ পুনৰ ভিতৰলৈ সোমাই যায়। চেয়াৰত বহি নবীনে চিঠিখন খুলি লৈ পঢ়িব ধৰে।

প্ৰিয় ধুৰন্ধৰ,

তোৰ খবৰ নাপাই বৰ দুখিত। কিয় তই মোলৈ একো নিলিখ? মই দেখিছোঁ সকলোৰেপৰা পৰিত্যক্ত হৈ পৰিলোঁ। এই চিঠিৰ পিচতো যদি উত্তৰ নাপাওঁ, তেন্তে মই খং কৰিম।

অ' এটা কথা। মই বৰ্তমান শদিয়াত। বানবিধ্বস্ত অঞ্চলত আহি প্ৰৱেশ কৰিছোঁ। আমি বহুত চৰকাৰী চাকৰিয়াল আৰু স্বেচ্ছাসেৱকে ইয়াত চাউল, ঔষধ, কানি-কাপোৰ আদি বিলাব ধৰিছোঁ।

স'চাকৈ ভাই, প্ৰকৃতিৰ কি নিষ্ঠুৰ ব্যৱহাৰ! চাৰিওফালে বিশাল পানী। ঘৰ-দুৱাৰ সকলোবোৰ গৈছে। মানুহে ঘৰৰ মূধত নাইবা গছৰ ওপৰত আশ্ৰয় লৈছে। আমি নাৱেৰে গৈ চাউল-পাতি দিছোঁ। কিন্তু খোৱাৰ একো ব্যৱস্থা নাই। চাউলবোৰ পানীত তিয়াই চোবাই চোবাই খাই কোনো ৰকমে জীয়াই আছে কিছু-মানে। কিমান মৰিছে তাৰ অন্ত নাই। গৰু, ছাগলী, বয়-বস্তু সকলোবোৰ উটি গৈছে। আনকি নিজৰ ল'ৰা-ছোৱালী ভাই-ভনী কলৈ গৈ ক'ত মৰিছে তাৰ গম পোৱা নাই। কি নিদাৰুণ দৃশ্য! দেখিলে চকুলো আহে। আজিহে মই বুজিলোঁ ভাই, আমাৰ জীৱন স'চাকৈ তুচ্ছ। প্ৰকৃতিৰ হাতত আমাৰ প্ৰাণ যে কিমান নিঃসহায়—কিমান ক্ষুদ্ৰ!

ইয়াত কাম কৰাত অতিপাত কষ্ট; তথাপি মই বৰ আনন্দ পাইছোঁ। নিঃসহায়সকলক সহায় কৰি আনন্দ পোৱা যায়। নিজৰ সকলো দুখ কষ্ট ভুলি যাব লাগে।

বৰ্মণ, তই জান যে মোৰ জীৱনত 'ট্ৰেজেডী' আৰম্ভ হৈছে। বহু কথা আছিল···। পাচত কম বাৰু। মুঠতে এইটো জানিবি যে মোৰ শেষ চেষ্টা ব্যৰ্থ হৈছে—সকলো আশা মৰিমুৰ হৈছে। স'চা কথা কবলৈ গলে সাবিত্ৰীই

মোক পৰিত্যাগ কৰিছে। তেওঁ চিঠিৰে মোক উপহাস কৰিছে। মই অলপতে গুৱাহাটীলৈ যাম, তেতিয়া সকলো কথা খুলি কম। তই জান যে মই বৰ উত্তেজনা প্ৰৱণ। জীৱনৰ এনে নিদাৰুণ জ্বালা নিবাৰণৰ বাবে আজি মই আশ্ৰয় লৈছোঁ এই জনসেৱাৰ কামত। সবিতাক মই নাপালোঁ সচা, কিন্তু শত শত সবিতাক যাতে ৰক্ষা কৰিব পাৰোঁ তাৰে চেষ্টাতে মই আত্মনিয়োগ কৰিছোঁ। হেজাৰ হেজাৰ ব্যৰ্থহৃদয় শৰতৰ মিলন পথ যাতে সুগম কৰি দিব পাৰোঁ, তাৰ সাধনাতে মই মন নিয়োজিত কৰিছোঁ।

হিয়াত বাজিছে মোৰ বিননিৰ সুৰ
বিষাদে আবৰি ধৰে মন ;
বিৰহৰ চিতাজুই জ্বলি জীৱনত
হতাশত কৰিছে মগন।

মৰম লবি। চিঠি দিবি। মই মোক ভুলিবৰ বাবে চেষ্টা কৰিছোঁ। জীৱনৰ ঘাত-প্ৰতিঘাতে মোৰ মন উদাস কৰি তুলিছে। নিঃসঙ্গ—বৰ নিঃসঙ্গ যেন অনুভৱ হৈছে নিজক। তোৰ সান্নিধ্য মোৰ বাবে বৰ আৱশ্যকীয় হৈ উঠিছে। ইতি

তোৰ

—গাধ—

চিঠিখন পঢ়ি বৰ দুখ লাগিল নবীনৰ। কবি শৰৎ—হাকিম শৰৎ আজি হ'ল বিৰহী শৰৎ—পগলা শৰৎ। বিধিৰ বিপাক। জীৱন বাস্তৱিক বিচিত্ৰময়। জয়-পৰাজয়, লাভ-লোকচান, উত্থান-পতন কাৰ কেতিয়া কেনেকৈ হয়, কোনেও কব নোৱাৰে। হয়তো শৰতে নোৱাৰে—হয়তো সবিতাই নোৱাৰে—আনকি ভাগ্য গণনাকাৰী কোনো দৈৱজ্ঞয়ো কব নোৱাৰে। বহুপৰ চিন্তা কৰি থাকি এবাৰ হাঁহি মাৰি উঠিল নবীনে যেন আৰ্কিমিডিচেহে জলজোখ আবিষ্কাৰ কৰিলে। মিচিকৈ হাঁহি এটা মাৰি নবীনে চিঠিখন জাপি থৈ দিলে। তেওঁ পালে। নাটকৰ আচল সামগ্ৰী যেন আবিষ্কাৰ কৰিলে। তেওঁ লিখিব। নাটক লিখিব। এৰা, নাটক লিখিব। নাটক লিখিবলৈ সুন্দৰ কাহিনীয়ে যেন আহি তেওঁৰ কল্পনাত খেলা কৰিব ধৰিছে। তেওঁ ৰচনা কৰিব নৱ-নাট্য সমিতিৰ বাবে এক অভিনৱ নাটক যাৰ কাহিনীয়ে মুগ্ধ কৰিব জনতাক, বিমুগ্ধ কৰিব অভিনেতা, অভিনেত্ৰীক আৰু প্ৰলুব্ধ কৰি তুলিব সম্পাদিকা স্বয়ং সবিতা দেৱীক। আনন্দ মনেৰে বহি তেওঁ পুনৰ

কলম তুলি ল'লে। লাহেকৈ এটা চিগাৰেট জ্বলাই লৈ আস্তে আস্তে দুপি লিখিবলৈ আৰম্ভ কৰিলে নাটকৰ কাহিনী—

গভীৰ ভালপোৱা মাধৱ আৰু মাধৱীৰ মাজত। কিন্তু দুয়োৰো দুই পিতা হ'ল প্ৰতিবন্ধক দুয়োৰো মিলন পথত। দুই পিতাকৰ চলিল অন্তৰ্দ্বন্দ্ব—প্ৰতিযোগিতা। মাধৱৰ পিতাকে পুতেকৰ বাবে বন্দোবস্ত কৰিলে এম. এল. এ এজনৰ ছোৱালী। তাকে দেখি মাধৱীৰ পিতাকেও সংগ্ৰহ কৰি আনিলে যাদৱক উচ্চপদৰ লোভ দেখুৱাই। ইতিমধ্যে মাধৱৰ ওপৰত ভুল বুজি মাধৱীয়ে কৰিলে মাধৱক অপমান। ইয়াতে হ'ল মাধৱ মাধৱীৰ ভিতৰত মনোমালিন্য। যাদৱ আহিল মাধৱীৰ ওচৰ চাপি। মাধৱীয়ে সম্বৰ্ধনা জনালে; কিন্তু প্ৰাণৰপৰা নহয়, বাহ্যিক ব্যৱহাৰত। ক্ৰমে ক্ৰমে চলিল নকল প্ৰণয়। মাধৱৰ ওপৰত ঈৰ্ষা জন্মিল মাধৱীৰ। প্ৰতিশোধৰ মানসেৰে যাদৱক ব্যৱহাৰ কৰিলে তাই নিজৰ উদ্দেশ্য সাধনৰ হাতিয়াৰ হিচাবে। মাধৱৰ ওপৰত প্ৰতিশোধ লবৰ বাবেই মাধৱৰ সাক্ষাতেতে অভিনন্দন জনালে মাধৱীয়ে যাদৱক। মাধৱ হৈ উঠিল ক্ষিপ্ত। ক্ৰমে বাঢ়ি গ'ল ব্যৱধান দুই প্ৰেমিক-প্ৰেমিকাৰ মাজত। মাধৱ হৈ পৰিল বিকল—মাধৱী হৈ গ'ল নকল। সেইদেখি নকল মাধৱীয়ে আৰম্ভ কৰিলে নকল প্ৰণয় যাদৱৰ সৈতে। প্ৰবঞ্চিত হ'ল হতভাগ্য যাদৱ। ইফালে ক্ৰমে ক্ৰমে মাধৱৰ মন হৈ উঠিল তিক্ত, অৱসাদগ্ৰস্ত। ব্যৰ্থ প্ৰেমৰ বিষম জ্বালাত মাধৱ হৈ পৰিল নিস্পৃহ। জীৱনৰ ওপৰত হেৰুৱাই পেলালে আস্থা। বিৰহ-বেদনাত আতুৰ হৈ শেষত জীৱনৰ পথ হেৰুৱাই পেলালে। ইফালে মাধৱী আৰু যাদৱৰ খেলা চলি থাকিল অবিৰামভাৱে। তাকে দেখি মাধৱৰ বন্ধু উদ্ধৱে মাধৱীৰ গতিবিধি কৰিলে লক্ষ্য। কুটবুদ্ধি-বিশাৰদ উদ্ধৱৰ কৌশলত পৰি নিজৰ অজানিতেই মাধৱী অনুৰাগী হৈ পৰিল উদ্ধৱৰ প্ৰতি। যাদৱ ওফৰি পৰিল—। উদ্ধৱৰ মনস্তাত্ত্বিক খেলা চলিল মাধৱীৰ মনৰ ওপৰত। চতুৰ উদ্ধৱৰ কৌশলত পৰি মাধৱী হৈ পৰিল কিংকৰ্তব্যবিমূঢ়া। উদ্ধৱৰ মনস্তাত্ত্বিক কৌশলত পৰি অজানিতে মাধৱক ভুলিবলৈ চেষ্টা কৰিলে, যাদৱক প্ৰতাৰণা কৰিলে; কিন্তু উদ্ধৱৰ মেৰপাকত সোমাই পৰিল। এনেতে হঠাতে আহিল বিপুল বাৰিষা। ফেনে-ফোটোকাৰে নাচি আহিল নদ-নদী। বিৰাট বানপানীত সকলোবোৰ তল গ'ল, চাৰিওফালে হাহাকাৰ। উটি গ'ল ঘৰ-বাৰী, উটি গ'ল বস্তু-বাহানি, উটি গ'ল গৰু-ছাগলী,

আদি ঘৰচীয়া জন্তুবোৰ ; আনকি বানৰ কোবাল সোঁতত উটি গ'ল ল'ৰা-ছোৱালী, মানুহ-তিৰোতা । এনে সঙ্কটময় অৱস্থাত এটি গুৰুতৰ ভুল কৰিলে বিৰহী মাধৱে । মাধৱীৰ চিন্তাত আকুল মাধৱে নাৱৰ ওপৰত বহি মাধৱীৰ চিন্তাতে তন্ময় হৈ আছিল । সন্মুখতে দেখা পালে একোছা চুলি পানীৰ মাজত । তাৰ ভ্ৰম হ'ল । মাধৱীৰ চুলি বুলি তাৰ ধাৰণা হ'ল । চিন্তা কৰাৰ লগে লগে তাৰ গা শিয়ঁৰি উঠিল । নিজক পাহৰি গ'ল সি । তাৰ প্ৰাণৰ মাধৱীৰ এনে অৱস্থা দেখি তাৰ গাত তৎ নাইকিয়া হ'ল । 'মাধৱী' 'মোৰ প্ৰাণৰ মাধৱী' বুলি চিঞৰ মাৰি সি পানীত জাপ দি পৰিল আৰু চুলিকোছাত থাপমাৰি ধৰিলে । কিন্তু বিধিৰ কি নিদাৰুণ বিধান । খন্তেকতে বাৰিষাৰ উদ্‌ভ্ৰান্ত ধলে তাক উটুৱাই লৈ গ'ল ক'ৰবাৰ অজান দেশলৈ । ওচৰৰ নাৱৰীয়াই বহু চেষ্টা কৰিও তাৰ একো শুংসূত্ৰ উলিয়াব নোৱাৰিলে । এনেকৈয়ে ৰাক্ষসী বানপানীয়ে গ্ৰাস কৰিল জীৱ জন্তু; মানুহ-দনুহ ; নষ্ট কৰিলে বয়-বস্তু, সা-সম্পত্তি আৰু নিপাত কৰিলে এক সবল প্ৰেমিকৰ দৰদী জীৱন । এই ৰাক্ষসী বানৰ বুকুত জাহ গ'ল শত শত নৰ-নাৰী, শত শত প্ৰেমিক-প্ৰেমিকা অকালতে—অবাবতে । নিষ্ঠুৰ বাৰিষা—নিৰ্মম বাৰিষা ।

এই কাহিনীকে লৈ নবীনে ৰচনা কৰিব এখনি ক্ষুদ্ৰ নাটিকা ।

॥ চল্লিশ ॥

কিছুদিন পাচৰ কথা । নবীনে নাটিকা ৰচনা কৰিলে । নাটিকাৰ নাম দিলে 'ব্যৰ্থ পৰিণতি' । নাটিকাখন লিখি উঠি ভালদৰে পঢ়ি চালে নবীনে ; তাৰ পাচত এদিন গধূলি সবিতাহঁতৰ ঘৰত প্ৰবেশ কৰিলে । ফুটগধূলিতে নবীনৰ উপস্থিতি দেখি সবিতাৰ মাকে মৰমসনা মাতেৰে সম্বোধন কৰিলে—"বোপা নবীন, আজি-কালি দেখোন তুমি আমাৰপিনে আহিবই এৰিলা ? কিবা বেয়া পাইছা নেকি ?"

হাঁহি মাৰি নবীন উত্তৰ দিলে—"নহয় খুৰীদেউ, আজি-কালি মোৰ সময়ে নিমিলে । লিখা-পঢ়াত ব্যস্ত আছোঁ, গতিকে··· ।"

"লেখা পঢ়াতো সদায়ে থাকে তোমাৰ । বাৰু বহা ।"

পৰ্টিকৰ বেশ্বখনত বাহিৰ দিয়ে। নবীন বহে। সবিতাৰ মাকেও বহে ওচৰতে সেই বেশ্বখনতে। ইতিমধ্যে ইলেকট্ৰিক্ লাইটটো জ্বলাই দিয়ে সবিতাৰ মাকে। পোহৰৰ বন্কুত দুয়োৰে মুখ উজ্জ্বল হৈ উঠে। সবিতাৰ মাকে হাঁহি মাৰি কয়—"তুমি আহিবলৈ এৰা দেখি মই ভাবিছিলোঁ যে সবিতাৰ লগত বোধহয় কিবা লাগিছেই। যি হে পাগলী তাই, কেতিয়া কি কৰে একো পাত্তা নাই।"

হাঁহি মাৰি কয় নবীনে—"সবিতা যদি পাগলী, তেন্তে মই পগলা খুৰীদেউ। গতিকে পাগলীৰ কথাত খং কৰিলে পগলাৰ কথাতো খং কৰিব। সেইবাবে দুয়োৰো কটাকটি গৈ থাকিব খং নকৰা নকৰি।"

"তোমাৰো কথাবোৰ শুনিলেই হাঁহি উঠে।' '

এনেতে বাহিৰৰ কৰবাৰপৰা আহি সোমাই আহে সবিতা; তাইৰ হাতত এসোপা কিতাপ। পৰ্টিক'তে মাক আৰু নবীনক দেখি হাঁহি মাৰি কৈ উঠে—"আজি এই ফুট গধূলিতে ধুৰন্ধৰৰ প্ৰৱেশ যে? আমাৰ পৰম সৌভাগ্য দেখিছোঁ। কিয়বা আহিলে আজি?"

সবিতাই থিয় হৈ এবাৰ মাকৰ ফালে চাই ললে আৰু তাৰ পাচত নবীনৰ ফালে চাই ৰ'ল। নবীনে হাঁহি মাৰি সবিতালৈ চাই উত্তৰ দিলে—"সৌভাগ্য দান কৰিবলৈকেই অহা হ'ল।"

সবিতাৰ মাকে হাঁহি মাৰি থিয় হৈ ক'লে—"বেছ মিলিছা তোমালোক দুয়ো। মুখ দুখন সমান—পৰশু কুঠাৰ।"

পৰশু-কুঠাৰ নহয় খুৰীদেউ। মোৰখন "চেঁভেন ও ক্লোক ব্লেড্'হে।"

"আৰু মোৰখন?" প্ৰশ্ন কৰে সবিতাই।

"আপোনাৰখন ৰেজৰ। মোৰ 'ব্লেড'খন নহলে আপুনি নিষ্ক্ৰিয়।" উত্তৰ দিলে নবীনে। হাঁহি উঠে সবিতা; হাঁহি উঠে মাকে।

"তোমালোক বহা। মই যাওঁ, ধুপ-ধুনা জ্বলাবৰ সময় হৈছে।" কথাষাৰ কৈয়ে মাকে ভিতৰ সোমাই যায়। সবিতাই নবীনৰ গাৰ কাষতে বহি সোধে—

"চাওঁ, নাটকখন?"

"নাটক ক'ত দেখিলে?"

"মই কিবা গম নোপোৱাকৈ থাকোঁ নেকি? কেতিয়া কোন ভলকত গৈ মই নাটকখন চাই আহিছোঁ তাৰ গমকে নাপালে সাহিত্যিক ধুৰন্ধৰে? চাওঁ দিয়ক।"

তাই বাওঁহাতেৰে নিজৰ কিতাপবোৰ লৈ সোঁহাতখন আগবঢ়াই দিলে। নবীনে হাঁহি মাৰি কয়—"নিয়ক আপোনাৰ নাটিকা।"

নবীনে 'ব্যৰ্থ পৰিণতি'খন হাতত দিয়ে। সবিতাই পৰম আহ্লাদেৰে হাতত লৈ হাঁহি মাৰে—"ধন্যবাদ?"

"ধন্য বৰ্তমান বাদ দিয়ক, পঢ়ি উঠাৰ পাচত যোগ দিলে নথৈ খুচি হম। মই নবহোঁ, মোৰ কাম আছে। উঠিলোঁ।" নবীন উঠিল। সবিতাই কৈ উঠিল—

"এনেকৈ যাব নোৱাৰে। চাহ-তাহ নোখোৱাকৈ কিয় যাবলৈ দিম? আহক ভিতৰলৈ। মাৰ ওচৰত বহি আজি দুয়ো গল্প কৰি চাহ খাম।"

তাই উঠি গৈ নবীনক হাতত ধৰি ভিতৰলৈ লৈ যায়। বাধ্য হৈ সোমাই যায় নবীন সবিতাৰ পিচে পিচে।

ৰাতি তেতিয়া দহোটা বাজিছে। খাই বৈ উঠি সবিতাই বিছনাত দীঘল দি পৰি হাতত লৈছে 'ব্যৰ্থ পৰিণতি'খন। নাটিকাখন পাই তাই বৰ আনন্দিতা। অহা কালিৰ পৰাই 'ৰিহাৰচেল' দিব লাগিব বুলি তাই চিন্তা কৰে আৰু সেই বাবেই নাটিকাখন এবাৰ ভালদৰে পঢ়ি চাব। তাই বৰ মন দি পঢ়ি যায়—তাই প্ৰথম দৃশ্যটো উলিয়াই লয়।

ব্যৰ্থ-পৰিণতি

১ম দৃশ্য

(ফুলনিৰ মাজ। নানা বৰণৰ ফুল ফুলি আছে। ওচৰতে পুখুৰীটো। পুখুৰীটোৰ দুই ফালে দুখন বেঞ্চ মানুহ বহিবলৈ। তাৰে এখনত মাধৱ আৰু মাধৱীক বহি কথা পাতি থকা দেখা যায়। বসন্ত কাল। ফুলৰ সৌৰভ, মলয়াৰ মৃদু পৰশন। দুয়োৰো দেহ-মন মিলনাতুৰ। মধুৰ আলাপন দুয়োৰো মাজত।)

মাধৱী—(মাধৱৰ চকুলৈ আকুল দৃষ্টিৰে চাই প্ৰশ্ন কৰে) যাক প্ৰাণতকৈও ভাল পোৱা যায় তেওঁক কি বুলি সম্বোধন কৰিছিল পুৰণি সংস্কৃত নাটকত ?

•মাধৱ—(হাঁহি মাৰি) 'প্ৰিয়তম' বুলি।

মাধৱী—বাঃ কি চমৎকাৰ ভাষা !

মাধৱ—(মাধৱীৰ থুতৰিটোত ধৰি জোকাৰি দি) আৰু যাক হিয়া উদঙাই প্ৰাণ সঁপি দিয়ে, সেইজনাক কি বুলি সম্বোধন কৰিছিল সংস্কৃত নাটকত ?

মাধৱী—(চতুৰ দৃষ্টিৰে চাই লেনিয়া সুৰেৰে)—প্ৰি—য়—ত—মে। (মাধৱে লাহেকৈ চৰ এটা মাৰি দিয়ে মাধৱীৰ গালত। দুয়োৰে হাঁহি উঠে। লাহে লাহে মাধৱী মাধৱৰ বুকুত ঢলি পৰে। মাধৱে বুকুত সাবটি লয়। ধীৰে ধীৰে ক'লা কাপোৰ নামি আহে।)

পঢ়ি সবিতাৰ ভাল লাগি যায়। দৃশ্যটো চুটি, কিন্তু আকৰ্ষণীয় হব; তাই ভাবে। ইয়াত লাইট সেউজিয়া ৰঙৰ দিব লাগিব। নীলা লাইট পেলাই পুখুৰীৰ পানী দেখুৱাব লাগিব; আচ্ছা। তাই চিন্তা কৰে। তাৰ পাচত দ্বিতীয় দৃশ্য পঢ়ে—

২য় দৃশ্য

(কথা পাতি মাধৱৰ পিতাক নৰেন আৰু মাধৱীৰ পিতাক বীৰেনৰ প্ৰৱেশ।)

নৰেন—মোৰ খোলা কথা বাস, টকা নহলে মই আপোনাৰ ছোৱালী মোৰ ল'ৰালৈ বিয়া কৰাব নোৱাৰো।

বীৰেন—মোৰো খোলা কথা চৌধুৰী, টকা দি মই মোৰ ছোৱালী বিয়া নিদিওঁ।

কিন্তু আপুনি জানে চৌধুৰী, আপুনি আজি মোৰ বাবে ইমানখিনি উধাইছে। মই সুবিধা নিদিলে আপুনি 'ট্ৰেডিঙ'ৰ দোকানত ইমান ব্লেক মাৰ্কেট কৰিব নোৱাৰিলেহেঁতেন আৰু আজি ইমান টনকিয়াল অৱস্থাও কৰিব নোৱাৰিলেহেঁতেন। আপোনাৰ ঘৰ-বাৰী নহ'লহেঁতেন।

নৰেন—আৰু আপুনিও জনা উচিত যে, মই ভেটী নিদিলে আপুনি সাধাৰণ ইন্‌স্পেক্টৰ এজন হৈ মটৰগাড়ী কিনিব নোৱাৰিলেহেঁতেন। আপুনি এইটো মনত ৰখা উচিত। •

বীৰেন—এয়ে যি ক'লে কৈছে, আকৌ এনে কথা নকব। আপোনাৰ দৰে নিমখ-হাৰাম মানুহৰ ঘৰলৈ মোৰ ছোৱালী নিদিওঁ।

নৰেন—আৰু আপোনাৰ দৰে অকৃতজ্ঞ মানুহৰ ছোৱালীও বিয়া নকৰাওঁ।

বীৰেন—আপুনি নিনিলে মোৰ ছোৱালী পৰি নাথাকে। ময়ো এটি ল'ৰা পাম।

নৰেন—ময়ো এজনী ছোৱালী পাম। আপোনাৰ ছোৱালী নহ'লে মোৰ ল'ৰা পৰি নাথাকে বৰং মোৰ ল'ৰাক আপোনাৰ ছোৱালীতকৈ আগতে বিয়া কৰাই দিম। আপুনি চাই থাকিব।

বীৰেন—বাৰু দেখা যাব। ময়ো দেখিম, আপোনাৰ ল'ৰাতকৈ মোৰ ছোৱালী আগতে বিয়া দিব পাৰো নে নোৱাৰো।

নৰেন—আচ্চা দেখা যাব কাৰ হাৰ হয়, কাৰ জিত হয়।

পট পৰিবৰ্তন

(বীৰেনৰ ড্ৰয়িং ৰুম। সুসজ্জিত কোঠাত 'বীৰেন দাস' আৰু যাদৱ কলিতা বহি কথাপাতি থাকে। কোঠাত মূল্যবান আচবাব পত্ৰ। দুয়ো মুখা-মুখিকৈ বহি কথা-পতা দেখা যায়।)

যাদৱ—কেৰাণীৰ পোষ্টটো দিলে অৱশ্যে আপোনাৰ কথাযাৰ ভাবি চাব পাৰো চাব।

বীৰেন—মোৰ কথাত সন্মত হ'লে কালিয়ে তোমাক মই 'এপইণ্টমেণ্ট' দিম। তুমি ৰাজি আছা ?

যাদৱ—আছো চাৰ। কিন্তু আপোনাৰ ছোৱালী যদি…।

বীৰেন—কোনো চিন্তা নাই। মোৰ মাধৱী তেনে ছোৱালী নহয়। মোৰ কথা আখৰে আখৰে মানে, তুমি ভয় নকৰিবা।

যাদৱ—কোনো কথা নাই চাৰ। মই এতিয়া উঠোঁহে।

বীৰেন—বাৰু।

পট পৰে

(এই দৃশ্যটো পঢ়ি সবিতাৰ বেয়া লাগে।)

৩য় দৃশ্য

(পৰ্টি'ক'ত বহি আছে যাদৱ। মাধৱীয়ে চাহ দি কথা পাতি আছে।)

যাদৱ—আপোনাৰ পিতেৰাৰ অনুগ্ৰহতে কালি চাকৰিত 'জইন' কৰিলোঁ মিচ দাস। তাৰ বাবে আপোনাক ধন্যবাদ।

মাধৱী—চাকৰি পালে যেতিয়া আৰু চিন্তা নাই। আগৰদৰে দিনে-ৰাতি ঘনে ঘনে আৰু লগ ধৰিব নলগা হ'ল।

যাদৱ—আপোনাৰ অনুগ্ৰহতে সেই কষ্টৰ হাত সাৰিলোঁ। সেইদিনা আপুনি পিতাকক নোকোৱা হ'লে আজি মোৰ 'পোষ্টিং' নহলহেঁতেন।

মাধৱী—(হাঁহি) তাৰবাবে মোৰ ওচৰত কৃতজ্ঞ হোৱা উচিত।

যাদৱ—চিৰ জীৱনৰ কাৰণেই কৃতজ্ঞ হবৰ দিহা কৰিছোঁ।

মাধৱী—কথাষাৰ বুজিবলৈ টান পাইছোঁ।

যাদৱ—বোধহয় অহা সপ্তাহত ব্ৰাহ্মণৰ মন্ত্ৰে বুজাই দিব।

মাধৱী—আপুনি ভুল ভাবিছে। মই আপোনাক উপায়হীন দেখি চাকৰিহে দিছোঁ—জীৱন নিদিওঁ। মাধৱীয়ে দুৰ্বল, নিঃসহায়ক পুতৌহে কৰে—শ্ৰদ্ধা নকৰে। আপোনাৰ কল্পনাবোৰ বাদ দিয়ক।

যাদৱ—পিতাকে যে বিয়া পাতিছে ?

মাধৱী—সেইবুলি আপোনাক মই বিয়া কৰাব নোৱাৰোঁ। চাকৰি পাইছে। চাকৰি কৰি থাকক—মাধৱীক পাবলৈ আশা নকৰিব। (মাধৱীৰ প্ৰস্থান। যাদৱে সেমেনা সেমেনি কৰে।)

পট পৰিবৰ্তন

(মাধৱহঁতৰ ঘৰ) মাধৱ আৰু পিতাকে কথা পাতি থাকে।)

মাধৱ—এম. এল. এ.-ৰ ছোৱালী মই বিয়া নকৰাওঁ পিতা। মই বিক্ৰি হব নোখোজোঁ। টকাৰে মোক কিনিব নোৱাৰে ; আৰু কোনো সুবিধাৰ অজুহাত দেখুৱায়ো মোক ভুলাব নোৱাৰে।

নৰেন—তাৰ মানে তই বীৰেন দাসৰ ছোৱালী নহ'লে বিয়া নকৰাৱ, নহয়নে ?

মাধৱ—ইমান দিনে যেতিয়া কথা-বতৰা হৈ আছে, তেনেস্থলত মই বাধ্য হৈছোঁ।

নৰেন—চুপ। তোৰ কথামতে মই কাম কৰি টকা কেইহেজাৰ হেৰুৱাব নোৱাৰোঁ। তাই এম. এল. এ.ৰ ছোৱালী বিয়া কৰিবই লাগিব। ই মোৰ আদেশ।

মাধৱ—মই নোৱাৰিম পিতা।

নৰেন—তেন্তে তই ত্যাজ্যপুত্ৰ হব লাগিব। (খঙতে কয়)

মাধৱ—হ'লেও মই নোৱাৰিম পিতা। মই কথা লৰাব নোৱাৰিম।

(প্ৰস্থান)

পট পৰে

৪ৰ্থ দৃশ্য

(নদীৰ পাৰৰ শিল এছটাত বহি চিন্তামগ্ন অৱস্থাত দেখা যায় মাধৱক। ওপৰলৈ চাই সি কিবা ভাবি থাকে। এনেতে পুৰবী সোমাই আহি মাধৱক চিন্তামগ্ন অৱস্থাত দেখা পায় মাত লগায়।)

পুৰবী—দাদা, তুমি ইয়াত কিয় বহি আছা ? মই বিচাৰি বিচাৰি হায়ৰান হলোঁ।

মাধৱ—অ' পুৰবী ; তুমি আহিছা ? আহা, বহাহি মোৰ কাষত।

পুৰবী—ঘৰলৈকে বলক দাদা, পিতা আহিছে।

মাধৱ—কোন ? মোমাইদেউ আহিছে ? কেতিয়া আহিছে ?

পুৰবী—(মাধৱৰ কাষতে শিলছটাত বহি) এতিয়াই আহি পাইছে দাদা। ধুৰুৰীৰপৰা এই মাত্ৰ আহি পালে। আহক, ঘৰলৈ বলক, পিতাই আপোনাক মাতি পঠাইছে।

মাধৱ—(পুৰবীৰ মূৰত হাত বুলাই মৰম কৰি) মোৰ মৰমৰ ভনীটী, তোমাৰ

মুখখন দেখিলে মোৰ মামীৰ কথা মনত পৰে। উস্! কিমে মৰম কৰিছিল মোক মামীয়েহে…। আজিও মোৰ প্ৰাণ কঁপি উঠে।

পূৰবী—আইৰ কথা আৰু মনত কৰি নিদিব দাদা। যিদিনা আই মৰিছে সেই দিনাৰপৰাই মোৰ সুখ শান্তি নাইকিয়া হৈছে। উস্! আজিও মনত…। (কান্দে)

মাধৱ—নাকান্দিবা পূৰবী, তুমি নাকান্দিবা। তুমি মোৰ বৰ মৰমৰ ভনীটী। তোমাৰ চকুত চকুলো দেখিলে মোৰ সহ্য নহয় সোণ।

পূৰবী—আইৰ কথা নকবা দাদা, মোৰ হৃদয় ভাগি যায়। মোৰ চকুলো ওলায়। (উচুপে)

মাধৱ—(পূৰবীক ওচৰলৈ চপাই কাণ মূৰ পিহি মৰমতে কয়) নাকান্দিবা পূৰবী। তুমি এতিয়া ডাঙৰ হৈছা—কলেজত পঢ়িছা। তোমাক কন্দা দেখিলে মোৰ বৰ দুখ লাগে। (গা পিহি পিহি সোধে) বাৰু পূৰবী, ধুবুৰী কলেজখন তোমাৰ ভাল লাগিছেনে ?

পূৰবী—ভাল নালাগিলেও নিজৰ জন্ম ঠাইৰ কলেজ যেতিয়া তাকতো ভাল পামেই দাদা, তাক আৰু সুধিব লাগিছেনে। বলক ঘৰলৈ বলক।

(এনেতে মাধৱীৰ প্ৰৱেশ। দূৰৈৰপৰা তাই মাধৱ আৰু পূৰবীক বহি থকা দেখে। মাধৱৰ গাৰ কাষতে অপৰিচিতা গাভৰু এজনী দেখি তাই চমকি উঠে। তাৰ পাচত মাধৱে গাভৰুগৰাকীক গা মূৰ পিহি মৰম কৰা দেখি তাইৰ গা জ্বলি উঠে। তাই এই অপৰিচিতা গাভৰুজনীক মাধৱৰ ভাবী কইনা এম. এল. এ. ডাঙৰীয়াৰ জীয়েক বুলি ভুল কৰিলে। ঈৰ্ষাত তাই জ্বলি উঠিল। মাধৱৰ ওচৰলৈ আহিল তাই।)

মাধৱী—চমৎকাৰ মিলন মিষ্টাৰ চৌধুৰী। এই নিৰ্জন তটিনীতীৰত বান্ধৱীৰ মিলনৰ তৃপ্তি ঘটে।

(মাধৱ আৰু পূৰবী দুয়ো থিয় হৈ মাধৱীলৈ চায়।)

মাধৱ—মাধৱী, তুমি কি বকিছা ? (খং কৰি)

মাধৱী—(একে সুৰতে) অজলা হবৰ দৰ্কাৰ নাই। মাধৱীকে ফাঁকি দিব নোৱাৰা তুমি।

মাধৱ—তুমি কি কৈছা মাধৱী ?

মাধৱী—মই কেছোঁ মাধৱীক ফাঁকি দিব নোৱাৰা তুমি। কিন্তু মনত ৰাখিবা, তুমি যদি এজনীক পাব পাৰা ; তেন্তে মাধৱীৰ বাবেও এজনৰ অভাৱ নহব। মনত ৰাখিবা।

(বেগে প্ৰস্থান)

মাধৱ—মাধৱী ! মাধৱী !! শুনি যোৱা।

পূৰবী—কোন দাদা ? কি অভদ্ৰ এওঁ !

মাধৱ—ভুলৰ ৰাজ্যত, ভদ্ৰতাৰ স্থান নাই ভনীটী। আহ, আমি ইয়াত নথকাই শ্ৰেয়।

(দুয়োৰো বেগে প্ৰস্থান)

পট পৰে

৫ম দৃশ্য

(ৰাস্তাৰ চক'ত মাধৱ আৰু তেওঁৰ বন্ধু উদ্ধৱে থিয় হৈ মেল কৰি থাকে।)

মাধৱ—আৰু নহৈছে ভাই। মাধৱীয়ে ভুল বুজিছে।

উদ্ধৱ—সেই ভুল শুধৰাই দিব লাগিব।

মাধৱ—নোৱাৰি ভাই। তাই সন্দেহ কৰিছে যে, ময়ো হেনো এম. এল. এ.-ৰ ছোৱালীজনীৰ প্ৰেমত পৰি তাইক বিয়া কৰাব খুজিছোঁ। আনবোৰ সকলো মিছা।

উদ্ধৱ—ভুল কৰিব পাৰে। তই বুজাই দিবি।

মাধৱ—চিকিৎসাৰ সময় আৰু নাই ভাই—বেমাৰী আগেয়ে খতম।

উদ্ধৱ—হ'লেও চেষ্টা কৰা। মই হ'লে এতিয়াও সিমান বিশ্বাস কৰা নাই। মাধৱীতো তেনে ছোৱালী নহয়।

মাধৱ—বাৰু সময়ত দেখিবি।

(এনেতে হাতত ধৰি আহিছে মাধৱী আৰু যাদৱ। মাধৱীয়ে মাধৱক নমস্কাৰ কৰে।)

মাধৱী—নমস্কাৰ চৌধুৰী। পিচে খবৰ কি ?

মাধৱ—তুমি……।

মাধৱী—(হাঁহি) মিষ্টাৰ কলিতা, বলক সোনকালে, চিনেমা আৰম্ভ হব। আমি যাওঁ মিষ্টাৰ চৌধুৰী। এখেতে আজি চিনেমালৈ যাবলৈ বৰ ইচ্ছা কৰিছে, গতিকে···

উদ্ধৱ—মিচ্ দাস, আমিও বাৰু ইচ্ছা কৰোঁ, আমাকো নিব নে ? (হাঁহে)

মাধৱী—মোৰ লগত চিনেমা চাবলৈ আপোনালোক নাযায়।

উদ্ধৱ—কিয় ?

মাধৱী—মোৰ পিতা এম. এল. এ. নহয় যে ······।

মাধৱী—শুনা মাধৱী, তুমি ভুল বুজিছা।

মাধৱী—এতিয়া আৰু 'তুমি' সম্বোধন কৰিবলৈ আপোনাৰ একো অধিকাৰ নাই। গতিকে 'তুমি' বুলি সম্বোধন নকৰিব।

যাদৱ—তৰ্ক কৰিলে কি হব। ভদ্ৰতা শিকিলেহে······। আহক সোনকালে। (মাধৱীক হাতত ধৰি টানি লৈ যায় যাদৱে। মাধৱীয়ে এটা বিদ্ৰূপৰ হাঁহি মাৰি এবাৰ মাধৱৰ ফালে কেৰাহিকৈ চাই যাদৱৰ পিচে পিচে যায়।)

মাধৱ—দেখিলা এতিয়া ? বিশ্বাস কৰিছা এতিয়া ?

উদ্ধৱ—দেখিলোঁ, নিজ চকুৰে দেখিলোঁ। কি আচৰিত পৰিবৰ্ত্তন।

মাধৱ—আহা, আমাৰ ইয়াতো থকাটো সমীচীন নহব।

উদ্ধৱ—বল বাৰু। আচ্চা দেখা হব এবাৰ কোন এওঁ ভদ্ৰতা জনা ভদ্ৰলোক।

(দুয়োৰো প্ৰস্থান)

পট পৰে

এই দৃশ্যটো পঢ়ি সবিতাৰ খং উঠিল মাধৱীৰ ওপৰত। কি অবিবেচক ছোৱালী! কি উত্তেজনাপ্ৰবণা ছোৱালী মাধৱী!

৬ষ্ঠ দৃশ্য

(চেয়াৰত বহি মাধৱীয়ে মাধৱৰ চিঠিখন পঢ়িব ধৰে। মাজে মাজে তাচ্ছিল্যৰ হাঁহি মাৰে। চিঠিখন পঢ়ি থাকোঁতে যাদৱৰ প্ৰবেশ)

যাদৱ—মিচিকি মিচিকি হাঁহিছে যে। কিবা সু-খবৰ আহিছে নেকি মিচ্ দাস ?

মাধৱী—সুখবৰেই। প্ৰেমৰ চিঠি। চাব খোজে নেকি ?

যাদৱ—প্ৰেমৰ চিঠিৰ প্ৰতি ডেকা মানুহৰ লোভ যে বেঁচি এই কথা আৰু কব লাগিছেনে ? বিয়কচোন, কি প্ৰেম, কেনে তাৰ আস্বাদ আমিও অলপ লওঁ ।

মাধৱী—(থিয় হৈ উঠি যাদৱৰ হাতত চিঠিখন দিয়ে) নিয়ক । পঢ়ক টানকৈ, ময়ো শুনো ।

যাদৱ—(চিঠিখন হাতত লৈ পঢ়ে টান টানকৈ)

মৰমৰ মাধৱী,

মোৰ অন্তৰভৰা ভালপোৱা গ্ৰহণ কৰিবা । তুমি মোৰ ওচৰত ভুল বুজিছা মাধৱী । মই এম.এল.এ.-ৰ ছোৱালী চোৱা নাই—পিতাই ঠিক কৰিছে, মই বৰং সেই বিয়া বন্ধহে কৰিছোঁ । তুমি মোক বিশ্বাস কৰা নাই, কিন্তু নিশ্চয়কৈ জানিবা, মই আজিও তোমাক ভাল পাওঁ । মোৰ হৃদয় পটত মাথোঁ এখনিয়ে ছবি অঁকা আছে আৰু সেই খনিয়েই হ'ল মোৰ প্ৰাণৰ মাধৱীৰ । সচাকৈয়ে মাধৱী, মই তোমাক প্ৰাণতকৈও ভাল পাওঁ । মোৰ কোমল অন্তৰখনত আঘাত নিদিবা সোণ । মোৰ কিবা দোষ হব পাৰে, ভুল হব পাৰে, কিন্তু এইটো ঠিক জানিবা মই তোমাৰ, তুমি মোৰ । আৰু লিখিব নোৱাৰোঁ ; উত্তৰ দিবা । মোৰ অকপট ভাল পোৱা নিবেদন কৰিলোঁ । ইতি—

তোমাৰ মৰমৰ

—মাধৱ—

বাঃ কি মজা প্ৰেমৰ কথা । সচাকৈ একেবাৰে মজি গৈছে হতভগাই । বাৰু আপোনাৰ কোন প্ৰেমিক এই মাধৱ ?

মাধৱী—মোৰ বিগত দিনৰ ৰূপৰ পূজাৰী—প্ৰেমিক নহয় । অৱশ্যে আজিকালি টকাৰ পূজাৰী—ধনৰ প্ৰেমিকহে । সিদিনা ৰাস্তাৰ চ'কত 'তুমি' কৰা অভদ্ৰজন ।

যাদৱ—বাৰু আপুনি কি উত্তৰ দিব ?

মাধৱী—অলপ পাচত জানিব । মই এতিয়া লিখিমহে । অনুগ্ৰহ কৰি আপুনি এপাক ফুৰি আহক ।

যাদৱ—বাৰু, একো কথা নাই । (প্ৰস্থান)

পট পৰিৱৰ্তন

(বাৰাণ্ডাৰ বেঞ্চত বহি চিঠি এখন হাতত লৈ পঢ়ি থাকে মাধৱে। কাষতে বহি শুনি থাকে উদ্ধৱে।)

মাধৱ—বাৰু শুনা তেন্তে কি লিখিছে মাধৱীয়ে।

শ্ৰদ্ধেয় চৌধুৰী,

আপোনাৰ চিঠি পাই বৰ বেজাৰ পালোঁ; কাৰণ কোনো ভদ্ৰ মানুহে এনে চিঠি নিলিখে। আপুনি কিবা নিচা খাইছে নেকি? আপোনাৰ জানো এনে অশ্লীল কথা লিখিবলৈ লাজ নালাগে? আপুনি নিলাজ হ'ল বুলি আমি নহয়—আমাৰ লাজ চৰম আছে। এনে চিঠি নিলিখিব।

তাৰ উপৰি, মোক আপুনি যাত্ৰাপাৰ্টিৰ প্ৰেমিক পাইছে নেকি যে, দিল খোলা প্ৰেমপত্ৰ নিবেদন কৰিছে? মোক এনে সম্বোধন কৰিবলৈ আৰু কথা কবলৈ আপোনাৰ একো অধিকাৰ নাই। ভৱিষ্যতে একো নিলিখিব। যদি বৰ নোৱাৰা হৈছে, তেন্তে চহৰত বহুত গাভৰু পাব প্ৰেমৰ চিঠি দিবলৈ; তালৈকে দিব। আপোনাৰ হৃদয়পটৰ ছবিখন নিজে মচি পেলাব। মোক ভাল পাবলৈ আপোনাক অধিকাৰ দিয়া হোৱা নাই। 'মই আপোনাৰ নহয়, আৰু আপুনিও মোৰ নহয়' এই কথা আজিৰপৰাই জানি থওক। নমস্কাৰ। ভৱিষ্যতে চিঠি পত্ৰৰ আদান-প্ৰদান নকৰিব; কৰিলে সম্মানৰ লাঘৱ হোৱাও একো আটক নহয়। ইতি—

আপোনাৰ
শ্ৰীমতী মাধৱী দাস

শুনিলি এতিয়া? বাৰু এতিয়া তই মোক ক, মোৰ কি কৰ্তব্য? এই জ্বালা মই কেনেকৈ সহিম ভাই। ইয়াতকৈ মোৰ মৃত্যুৱেই শ্ৰেয়। এই অপমান মই সহ্য কৰিব নোৱাৰোঁ। উস্! (মূৰ কপালে হাত দিয়ে।)

উদ্ধৱ—ধৈৰ্য্য ধৰ ভাই। বিপদত ধৈৰ্য্যই হে আচল বন্ধু। ভৱিষ্যতে ইয়াৰ কিবা ব্যৱস্থা কৰিব লাগিব। আহ এতিয়া, এপাক ফুৰি আহোঁ। মনটো পাতল পৰক।

(উদ্ধৱে মাধৱক হাতত ধৰি লৈ যায়)

পট পৰে

৭ম দৃশ্য

(কেমেৰা এটা হাতত লৈ উদ্ধৱ সোমাই আহে। পাচে পাচে মাধৱী।)

উদ্ধৱ—আপোনাক বাট চাওঁতে চাওঁতে আমনি লাগিল। বাৰু আহক। বহক চেয়াৰখনত। (মাধৱীক চেয়াৰত ভালকৈ বহুৱাই সন্মুখৰ ফালে গৈ কেমেৰাটো 'ফিট' কৰে।) মই যেতিয়া এক, দুই বুলি কওঁ তেতিয়া আপুনি একেবাৰে সাজু হৈ থাকিব। যেতিয়া তিনি বুলি কম তেতিয়া একেবাৰে স্থিৰ হৈ ৰব, নিমিষকে নাকাঢ়িব। মই 'স্নেপ' দিয়াৰ পাচতহে আপুনি উঠিব।

মাধৱী—বাৰু। মই ঠিক আছোঁ। (উদ্ধৱে 'কেমেৰা' ফিট কৰি 'স্নেপ লবলৈ সাজু হয়।)

উদ্ধৱ—এক, দুই, তি-নি। বছ। আপুনি উঠিব পাৰে।

মাধৱী—(ওচৰলৈ আহি হাঁহি মাৰি) ফটোখন কোন দিনা পাম ?

উদ্ধৱ—মই ধুই-পখালি আনি আপোনাৰ হাতত দি আহিম গৈ।

মাধৱী—আপুনি চহৰলৈ গ'লে কিন্তু মুস্কিল হব।

উদ্ধৱ—গোল্লাই যাওক মোৰ চহৰ। আপোনাৰ ফটোতকৈ মোৰ মনত চহৰ ডাঙৰ নহয় মিচ্ দাস।

মাধৱী—সচাকৈ কৈছেনে এই কথা ?

উদ্ধৱ—বুকু ফালি মই দেখুৱাব নোৱাৰোঁ ; কিন্তু জানো যে···। (উদ্ধৱ মাধৱীৰ চকুলৈ চাই মিচিকিয়া হাঁহি মাৰে। মাধৱীয়ে তেওঁলৈ চাই মিচিকিয়া হাঁহি মাৰি কয়।)

মাধৱী—মোৰ বৰ ভাগ্য তেনেহলে। অপুনি গ'লে মই বৰ সুখী হম।

উদ্ধৱ—নিশ্চয় যাম।

মাধৱী—তেন্তে এতিয়া উঠিলোঁ। নমস্কাৰ।

উদ্ধৱ—নমস্কাৰ।

(মাধৱীৰ প্ৰস্থান। উদ্ধৱে দুষ্টালি ভঙ্গীৰে একেৱাহে চাই ৰয়।)

পট পৰে

৮ম দৃশ্য

(মাধৱীৰ কক্ষ। নিজৰ ফটোখন চাই থাকে মাধৱীয়ে। ওচৰতে থিয় হৈ আছে উদ্ধৱ। দুয়ো গাতে গা লগাকৈ আছে। দুয়ো আনন্দিত।)

মাধৱী—চমৎকাৰ ফটো। সচাকৈ আপুনি খুব ভাল ফটোগ্ৰাফাৰ। মই ধন্যবাদ দিছোঁ আপোনাক।

উদ্ধৱ—আপোনাৰ অনুগ্ৰহ।

মাধৱী—এনে সুন্দৰকৈ উঠিছে। মোৰ বৰ ভাল লাগিছে।

উদ্ধৱ—(ওচৰ চাপি গৈ ফটোখন আঙুলিৰে দেখুৱাই) এইখিনি— আপোনাৰ গালখনৰ এইখিনি বাস্তৱিক ইমান ধুনীয়াকৈ উঠিছে···। এই চাওক আপোনাৰ হাঁহিভৰা চকু জুৰি কি বঢ়িয়াকৈ উঠিছে। হাঁহো হাঁহো মুখখনি দেখি সচাকৈ মোৰ ইমান ভাল লাগিল—। ফটোখন ধুই যেতিয়া লাহে লাহে মই আপোনাৰ মুখত অৰ্থাৎ ফটোখনত হাতেৰে ধীৰে ধীৰে পিহি পৰিষ্কাৰ কৰিলোঁ তেতিয়া ইমান যে ভাল লাগিল মোৰ!

মাধৱী—মই জানো ধুনীয়া? এয়া চাওকচোন কপালখন কেনে···।

উদ্ধৱ—কপালখন কেনে মানে—অপৰূপ। এনে সুন্দৰ নাকটো আৰু মনোমোহা ওঁঠ দুটিৰে সচাকৈ ফটোখন লোভনীয় হৈ পৰিছে।

মাধৱী—মোৰ ফটোখনহে লোভনীয়—মুখখন কিন্তু ঘৃণনীয়।

উদ্ধৱ—ছিঃ তেনে কথা নকব মিচ্ দাস। মই ন দি কব পাৰোঁ যে আমাৰ এই অঞ্চলত, বিশেষকৈ আমাৰ ইয়াত আপোনাৰ দৰে ধুনীয়া ছোৱালী এজনী আৰু নাই। মই এনেয়ে ভালৰি বোলাই কোৱা নাই—সচা কথা।

মাধৱী—আপুনি মোক ঠাট্টা কৰিছে।

উদ্ধৱ—কেতিয়াও নহয়।

(এনেতে বাহিৰত মাত শুনা যায়—'মিচ্ দাস'।)

মাধৱী—কোন? (যাদৱক দেখি) অ' আপুনি?

যাদৱ—হয়। মই আহিছোঁ। (ভিতৰত প্ৰৱেশ কৰে।)

উদ্ধৱ—তেন্তে মই যাওঁ মিচ্ দাস। (যাবলৈ প্ৰস্তুত হয়।)

মাধৰী—বৰ। ক'লৈ যায়; বহক (যাদৱলৈ চাই) কিয় আহিল আপুনি ?

যাদৱ—ফুৰিবলৈ নাযায় জানো ? এতিয়া গধূলি হবৰ হলেই।

মাধৰী—আপুনি যাওকগৈ। মই আপোনাৰ লগত ফুৰিবলৈ নাযাওঁ। মতা মানুহৰ লগত ফুৰিলে মানুহে মোক কি কব ভাবিছেনে নাই ? তাৰ উপৰি আপোনাৰ লগত ফুৰিবলৈ মোৰ ইচ্ছা নাই। আপুনি যাওকগৈ। এখেতৰ সৈতে মোৰ কাম আছে।

যাদৱ—(সেমেনা সেমেনি কৰি) নাযায় যদি ময়ে যাওঁ বাৰু। পিচে এওঁৰ লগত কি কাম ?

মাধৰী—মোৰ যি কামে নাথাকিল, আপোনাৰ তাত কি ? অনধিকাৰ চৰ্চা কৰি লাভ নাই। আপুনি যাওকগৈ।

যাদৱ—বাৰু। (এবাৰ উদ্ধৱৰ ফালে ক্ৰোধ দৃষ্টিৰে চায়। উদ্ধৱে তাচ্ছিল্যৰ হাঁহি এটা মাৰি তাৰ ফালে চাই ৰয়। লাজ, অপমানত জৰ্জৰিত হৈ যাদৱ ওলাই যায়।)

মাধৰী—কি যে আস্পৰ্ধা মানুহৰ !

উদ্ধৱ—কুকুৰক লাই দিলে কান্ধত উঠে।

মাধৰী—অৱশ্যে। বাৰু আপোনাৰ কিমান মূল্য দিব লাগিব ফটোখনৰ বাবে ?

উদ্ধৱ—(হাঁহি) মূল্য ? আপোনাৰ ধন্যবাদ ফেৰা। মোক আৰু একো নালাগে।

মাধৰী—ধন্যবাদেৰে পেট ভৰিব নেকি ?

উদ্ধৱ—পেট নভৰিলেও মন ভৰিব।

মাধৰী—আপোনাৰ ফটো ভাল লাগে; কিন্তু তাতকৈ বেচি ভাল লাগে মোসনা কথাবোৰ। ইমান মিঠা কথা আপুনি কব পাৰে !

(মাধৰীয়ে উদ্ধৱৰ ফালে চায়। উদ্ধৱে তাইৰ চকুলৈ চাই হাঁহি মাৰি দিয়ে।)

উদ্ধৱ—বাস্তৱিক, আপোনাক মোৰ বৰ ভাল লাগে। এনে অমায়িক ব্যৱহাৰ আপোনাৰ। আপোনাৰ শৰীৰৰ ৰূপ যেনে অতুলনীয় ব্যৱহাৰো তেনে আকৰ্ষণীয়।

মাধৰী—বৰ বেচি প্ৰশংসা কৰিব নালাগে ? আহক এতিয়া নদীৰ পাৰেৰে ফুৰি আহোঁগৈ।

উদ্ধৱ—মোৰ লগত ?

মাধৱী—হয়, আপোনাৰ সৈতে। উচাপ্ খাই উঠিল যে ?

উশ্বৰ—অলপ আগতে যাদৱ বাবুক যে ক'লে—আপুনি মতা মানুহৰ লগত নুফুৰে ?

মাধৱী—ইয়াকো নুবুজিলেনে আপুনি ? তাৰ মানে মই তেওঁৰ লগত নুফুৰো, কাৰণ তেওঁক মই পছন্দ কৰা নাই।

উশ্বৰ—তেন্তে মোক ?

মাধৱী—তাকো নুবুজে নেকি ? বলক এতিয়া। (তাই ফটোখন থৈ দিয়ে। উশ্বৰক হাতত ধৰি টানি লৈ যায়। দুয়োৰো প্ৰস্থান)

(দৃশ্য পট)

৯ম দৃশ্য

(বিৰাট বানপানী) হো হো, কল্ কল্ শব্দ শুনা যায়। পানীৰ শব্দ। মানুহৰ কোলাহল। ব্যস্তভাৱে বহুত মানুহ অহা যোৱা কৰে। ল'ৰা-তিৰোতাৰ আৰ্তনাদ শুনা যায়। গৰু-ছাগলীৰ বেৰ্বানি শুনা যায়। 'ডুবিল' 'ডুবিল' ; গ'ল গ'ল 'উটাই' 'নিলে' ইত্যাদি শব্দই কাণ তাল মাৰি ধৰে। ব্যস্তভাৱে নৰেন চৌধুৰীৰ প্ৰবেশ)

নৰেন—বোপা মাধৱ, এইফালে আহচোন তৎক্ষণাৎ। সকলোবোৰ উটি যায় এতিয়া। গৰুৰ গোহালিটো ডুবিল, গৰুবোৰ এৰি দে গৈ। অ' মা পুৰবী, ক'ত আছ, দৌৰি আহ, ছাগলী কেইজনীক এৰি দিয়াহি। উঃ কোনো নাই। কি কৰা যায়। ইচ এয়া চোতালখনো তল গ'ল। নাওখন ক'ত ? নাওখন আনিব লাগিব।

(দৌৰি প্ৰস্থান)

(আন ফালৰপৰা বেগাই সোমাই আহে বীৰেন দাস।)

বীৰেন—উস্! কি আচৰিত কথা। শদিয়াত বানপানী ? দেশ উটাইছে। শদিয়াত জানো বানপানী হয় ? আমাৰ গাঁও গ'ল, ওচৰৰ গোটাই গাঁও

জলমগ্ন হ'ল। কি কৰা যায়? চহৰলৈ খবৰ দিবৰ কোনো উপায় নাই।
(অলপ বৈ) অ' মা, মাধৰী, এইফালে আহচোন আই।

(মাধৰীৰ প্ৰবেশ)

মাধৰী—কি পিতা?

বীৰেন—তই কলৈকো নাযাবি আই, বানপানী বেয়া ভাৱে বাঢ়িছে। আমাৰ ঘৰো ডুবে নেকি ৰাতিমানলৈ……।

মাধৰী—ঘৰ ডুবিব পাৰে পিতা। গতিকে আমাৰ বয়-বস্তুবোৰ চাং বাংলাৰ ওপৰলৈ তুলি নিয়াই ভাল।

বীৰেন—এৰা তাকেই কৰিব লাগিব।

মাধৰী—আমাৰ দোতালাৰ ওপৰৰপৰা পানী চাবলৈ বৰ মজা দেখা হৈছে পিতা। চাওক আহিচোন।

বীৰেন—পানীয়ে বস্তু-বাহানি নষ্ট কৰে যদিও, দেখিবলৈ কিন্তু এটা খুব ভাল দৃশ্যৰ অৱতাৰণা কৰে। বল। চাওঁৰ ওপৰৰপৰা সেই দৃশ্য আমি চাওঁগৈ। অৱশ্যে বস্তু-বাহানিবোৰ ওপৰত তুলিব লাগিব।

মাধৰী—সেইবোৰ নিয়া হব পিতা। এতিয়া আহক।

(দুয়োৰো প্ৰস্থান)

১০ দৃশ্য

(নাৱৰ ওপৰত বহি মাধৱ উদ্ধৱে কথা পাতি থাকে)

মাধৱ—জীৱনত ব্যৰ্থতাই মোৰ আশ্ৰয় হ'ল বন্ধু। মোৰ ভগ্ন-হৃদয়ত মাথোন এটা তপত হুমুনিয়াহ সাৰ হ'ল।

উদ্ধৱ—নিজৰ কথা এৰি দে ভাই! এবাৰ বাইজৰ দুখৰ কথা ভাব। এই ৰাক্ষসী বান আহি মানুহ-দুনুহ, গৰু, ছাগলী, ঘৰ-বাৰী সকলোকে উটুৱাই নিলে। উস্, কি শোকময় ঘটনা।

মাধৱ—সচাকৈ ভাই মানুহৰ দুখ দেখি মোৰ প্ৰাণ কান্দি উঠিছে। কি কৰা যায়। এই বেৰ্হ মোন চাউলেৰেনো কেইজন মানুহক জুৱাই দিব পৰা যাব।

চৰকাৰৰ চাউল অহাৰ আগেয়ে মানুহ শুকাই মৰি শেষ হব যেন পাইছোঁ।

উদ্ধৱ—তথাপি ইয়াৰেই যি পাৰোঁ বচাব লাগিব। এই নাওৰ চাউল শেষ হ'লে আকৌ চাউল তুলিব লাগিব।

মাধৱ—নিশ্চয়। পৰৰ এনে বিলাই দেখাতকৈ নিজে মৰি যোৱাই ভাল ভাই। মই মানুহৰ এনে অবৰ্ণনীয় দুখ সহ্য কৰিব নোৱাৰোঁ।

উদ্ধৱ—হেৰ, নাওখন ইয়াতে এই গছডালতে বান্ধ। তই অলপ থাকিবি, মই এবাৰ সৰু নাওখনেৰে গাঁৱৰ ভিতৰৰপৰা আহোঁ।

মাধৱ—মই অকলে থাকিলে মনলৈ বেয়া চিন্তা আহে ভাই। মাধৱীয়ে মোক ভুল বুজিলে—মোৰ হিয়া ভাগি পেলালে··· !

উদ্ধৱ—এতিয়া মাধৱীৰ চিন্তা এৰি দে। মই আহিলোঁ, তই অলপ সময় থাকিবি। মাধৱীৰ চিন্তা কৰিলে কি হব ?

(প্ৰস্থান)

মাধৱ—মাধৱীৰ চিন্তা কৰিলে কি হব। এৰা, মাধৱীৰ চিন্তাত লাভ নাই বৰং লোকচান আছে। কিন্তু চিন্তা নকৰোঁ বুলিলেতো চিন্তাই এৰি নিদিয়ে। উস্ মাধৱী, তুমি কি নিষ্ঠুৰ! এবাৰো তুমি ভাবি নাচালা, মই তোমাক কিমান ভাল পাওঁ। পাষাণী, ইমানেই হৃদয়হীনা তুমি ? তিল্ তিল্কৈ মোক ধ্বংস কৰিব ধৰিছা পাষাণী। মোৰ হৃদয় চুৰমাৰ কৰি দিছা। উস্ ! (মূৰে কপালে হাত দি বহি ৰয়)। (এনেতে দূৰৈৰপৰা এটা কিবা ভাহি অহা দেখে মাধৱে মূৰ তুলি চায়। বস্তুটো ওচৰ চাপি আহে। ওচৰলৈ অহাত মাধৱে দেখিলে একোছা ক'লা চুলি পানীত ভাহি আহিব ধৰিছে। দূৰৈৰপৰা মানুহ যেন অনুমান হয়। মাধৱে তধা লাগি চাই ৰয়। ক্ৰমে ক্ৰমে তিৰোতাৰ চুলি বুলি তাৰ ধাৰণা হয়। ভাবোঁতে ভাবোঁতে ছোৱালী বুলি তাৰ ধাৰণা হ'ল। ছোৱালী বুলি ধাৰণা হোৱাৰ লগে লগে হঠাতে তাৰ মনৰ মাজত মাধৱীৰ ছবিটি জিলিকি উঠিল! তাৰ ভ্ৰম হ'ল। মাধৱী বুলি সি ভুল কৰিলে। লজিকৰ 'মাল অবজাৰ্ভেচন' বুলি এটা কথা আছে। তেতিয়া জৰীকো সাপ জ্ঞান হয়। মাধৱে হঠাতে তেনে ভুল কৰিলে। মাধৱীৰ চিন্তাই তাক পগলা কৰি তুলিছিল তেতিয়া। সেই দেখি মাধৱী বুলি ভুল কৰিলে।)

মাধৱ—ই কি ? কি আছিছে সোটো ? চুলি ?

(কিছুপৰ চাই) সচাকৈ চুলি। দীঘল ক'লা চুলিটাৰি···তেন্তে কোনোবা তিৰোতো ? (নীৰৱ) নিশ্চয় কোনোবা ছোৱালী উটি আহিছে। এয়া ওচৰ পায়হে লাগে। কোন এওঁ ? যদি মাধৱী হয় তেন্তে ? মেচমেচ কৰে ক'লা ঢৌ খেলোৱা চুলিটাৰি ! এই চুলিটাৰি যেন মোৰ বহুদিনৰ চিনাকি ! তেন্তে মাধৱীৰ চুলি ? এয়া ওচৰ পালে। নিশ্চয় মাধৱী। মোৰ প্ৰাণৰ মাধৱী, উস্ ! কি কৰো মই ? কেনেকৈ ৰক্ষা কৰো মোৰ প্ৰাণৰ প্ৰতিমাক ! নাই —আৰু বাট চালে নহব। মোৰ প্ৰাণ দি হ'লেও মই মোৰ প্ৰাণৰ মাধৱীক ৰক্ষা কৰিম। (থিয় হৈ চুলিকোছালৈ লক্ষ্য কৰি) মাধৱী ! মাধৱী !! মোৰ প্ৰাণৰ মাধৱী !!! তোমাক মই ৰক্ষা কৰিম। তোমাৰ বাবে মই প্ৰাণ দিম প্ৰিয়তমে !

(নাৱৰ বুকুৰপৰা মাধৱে পানীত জাপ মাৰ পৰে। মাধৱে গৈ চুলিকোছাত থাপ মাৰি ধৰে। এনেতে পানীৰ কোবাল সোঁতে তাক তৎক্ষণাৎ তললৈ নি ক'ৰবালৈ উটাই লৈ গ'ল। ওচৰত থকা মানুহবোৰৰ মাজত হাহাকাৰ লাগি পৰিল। দৌৰি উদ্ধৱৰ প্ৰৱেশ।)

উদ্ধৱ—(চিঞৰি) মাধৱ। মাধৱ !! গ'ল ; সকলো গ'ল। উস্ ; কি কৰিলি বন্ধু ? জীৱনত ভুল কৰি শেষত ভুলৰ বুকুতে আশ্ৰয় ললি ? (চকুলো টুকি) ভুলৰ বুকুতে কৰিলি ভুল ৰচনা। উস এয়ে তোৰ প্ৰণয়ৰ পৰিণতি ? ব্যৰ্থ পৰিণতি।

যৱনিকা পতন

পঢ়ি উঠি সবিতাৰ চকুৰে দুধাৰি চকুলো বৈ আহিল। তাই বহীটো জপাই লৈ বুকুৰ মাজত হেঁচি ধৰি নিৰ্বাকভাবে চিন্তা কৰিলে—মাধৱৰ ব্যৰ্থ পৰিণতিলৈ—জীৱন আহুতিলৈ ভাবি ভাবি তাইৰ অন্তৰ সেমেকি গ'ল। কাহিনীটোৱে যেন তাইৰ প্ৰাণ স্পৰ্শ কৰিলে। নিজৰ জীৱনৰ সমস্যাৰ লগত জড়িত থকা কাহিনী পঢ়িলে অজানিতেই মানৱ মন আকৃষ্ট হৈ পৰে। বিস্মৃতিৰ বন্ধ দ্বাৰ খুলি হৃদয়ৰ অবদমিত আকাঙ্ক্ষাই এনেবোৰ কাহিনীৰ আলম লৈয়ে প্ৰকট হয়। বোধহয় সবিতাৰ অৱচেতন মনৰ অবদমিত ভাববোৰ পুনৰ উদয় কৰাবলৈকেই নবীনে ৰচনা কৰিলে 'ব্যৰ্থ-পৰিণতি'। একোটা কাহিনীৰ সূক্ষ্ম আঘাতত মানব মনৰ বিস্মৃতি আৰু অবদমিত ভাববোৰ মুঞ্জৰি উঠে। সেই কাৰণেই বোধহয় শৰতৰ চিন্তাই সবিতাৰ মন আগুৰি পেলালে। সবিতাৰ মনত যেন শৰতেই মাধৱ ৰূপে আগবাঢ়ি আহিল নাটকৰ মাজেৰে। লাহে লাহে শৰতেই যেন মাধৱৰ মূৰ্তিত ভাঁহি উঠিল। মাধৱ নিশ্চয় শৰৎ—তাই ঠিক কৰিলে। কিন্তু মাধৱী? মাধৱী তেন্তে তাই নিজেই নেকি? তাইৰ মনত এই প্ৰশ্ন অহাৰ লগে লগেই শিৰা-উপশিৰা পৰ্যন্ত যেন স্ফীত হৈ উঠিল। এৰা, তায়ে মাধৱী, হৃদয়হীনা মাধৱী যাৰ কাৰণে সৰল প্ৰেমিক মাধৱে বানপানীৰ গৰাহত জীৱন আহুতি দিলে। তাইৰ চিন্তা কৰি বিচাৰে চায় তাইৰ ঘটনাবোৰ। মনত পৰে প্ৰবীণৰ কথা, মনত পৰে নবীনৰ কথা। তেনেহলে যাদৱ হ'ল প্ৰবীণ কলিতা। আৰু উদ্ধৱ—যাৰ কূট-কৌশলত পৰি মাধৱীয়ে নাৰীত্বক অপমানিত কৰিব ওলাইছে? এওঁ নিশ্চয় নবীন—সম্পাদক—ধুৰন্ধৰ—স্বয়ং নাট্য-কাৰ। নবীনৰ ওপৰত সবিতাৰ সন্দেহ হয়। কি উদ্দেশ্যে তেওঁ ৰচনা কৰিলে সবিতাৰ জীৱন কাহিনী নাটক ৰূপে? তেওঁৰ উদ্দেশ্য কি? তাই চিন্তা কৰে। হঠাতে তাই বুজি উঠে নিজৰ ভুল। কি ভুল কৰিছে তাই, আৰু কি ভুল কৰিব ওলাইছে বৰ্তমান। আজিহে যেন কৌশল ধৰিব পাৰিলে তাই। নিজৰ কাহিনীয়ে নাটকৰ কাহিনী ৰূপে প্ৰকাশ হ'ল। আজিহে তাই উপলব্ধি কৰিলে শৰতৰ অন্তৰ। যদি শৰতে বান বিধ্বস্ত অঞ্চললৈ গৈছে আৰু শেষত যদি পানীত জাপ দি······। তাই আৰু ভাবিব নোৱাৰে। তাই জানে যে শৰৎ বৰ উত্তেজনা প্ৰৱণ। আৰু ইফালে যে শদিয়াত বানপানী হৈ মানুহ-দুনুহ মৰি থান্তাং হব ধৰিছে তাৰ সংবাদটো ইতিমধ্যে বাতৰি কাকত আৰু গৱৰ্ণমেণ্টৰ তৰফৰপৰা প্ৰকাশিত হৈছেই। কিজানি মনে মনে সকলো সংবাদ সংগ্ৰহ কৰি লৈ ধুৰন্ধৰ নবীনে ৰচনা কৰিছে এই নিবন্ধণে

কাহিনী ? সন্দেহত তাইৰ মন আতুৰ হৈ উঠিল ; বেদনাত প্ৰাণ কান্দি উঠিল। শৰতৰ ওপৰত থকা সমস্ত ঘৃণাৰ ভাব যেন এক নিমিষতে উদণ্ড পচোৱাই ক'ৰবালৈ উৰাই লৈ গ'ল। শৰতৰ প্ৰতি ক্ৰমে মৰম বাঢ়ি আহিল। তাইৰ মনত পৰিল কেনেকৈ শৰতে ক্ষমা খোজা সত্বেও তাই ক্ষমা নকৰিলে ; কটু কথা লিখি চিঠি দিলে। যদি সেই চিঠিৰ আঘাতত তেওঁ এনে অঘটন ঘটালে ? উস্ ! তাই যেন ভাবিব নোৱাৰে। ইচ্ছা হ'ল যেন এই মুহূৰ্তে দৌৰি গৈ নবীনক সুধি আহিব কাহিনীটো সচানে মিছা। তাই বিচনাত উঠি বহিল। বহীটো হাতত লৈ যাওঁ বুলি সাজু হ'ল। কিন্তু দেখিলে তেতিয়া ৰাতি প্ৰায় এটা বাজিছে। ইতস্ততঃ ভাৱে ইফাল সিফাল চাই তাই এবাৰ ড্ৰেচিং টেবিলখনৰ ওচৰলৈ গৈ ড্ৰয়াৰৰ ভিতৰত বহীটো সুমাই থলে। নিজৰ অসংযত চুলি কেইডাল এবাৰ সংযত কৰি লৈ আয়নাত মুখখন চাই ললে। তাৰ পাচত আঠুৱাখন টানি লৈ বিচনাত শুই পৰিল। কিন্তু টোপনি নাহিল। বাৰে বাৰে শৰতৰ কথা মনত পৰে। প্ৰাণ আকুল হৈ উঠে তেওঁৰ খবৰ জানিবলৈ। ইমান দিনৰ ঘৃণা, অসূয়া, বিৰাগ, অভিমান যেন ধীৰে ধীৰে লয় পাব ধৰিলে তাইৰ মনৰপৰা। ক্ৰমে ক্ৰমে অনুশোচনাৰ পবিত্ৰ পানীৰে যেন তাইৰ অন্তৰ ধোৱা হৈ গ'ল।

এনেভাৱে—এনে কৌশলেৰে যেন নবীনে ফিৰাই আনিলে সবিতাৰ অৱদমিত মনৰ গোপন গুহাৰপৰা অতীতৰ সমস্ত স্মৃতি তাইৰ সচেতন মনলৈ। মন-বিশ্লেষণ-কাৰী মনোবৈজ্ঞানিক নহয় নবীন ; তথাপি তেওঁৰ কৌশলে মনস্তাত্বিক বিকাৰগ্ৰস্ত সবিতাক অজানিতে আৰোগ্যৰ পথলৈ আনিলে। এই হিচাবে নবীন ভাল বৈদ্য। অৱশ্যে দ্ৰব্যগুণ নাজানি এনেয়ে ঔষধ দিয়া বিধৰহে। তেওঁ বেমাৰ নিচিনে, ঔষধো নাজানে ; কিন্তু চিকিৎসা কৰিলে আৰু বেমাৰীও আৰোগ্যৰ পথলৈ আহিল। ৰহস্য ইয়াতেই।

আমাৰ অজানিতে আমি বহু ভুল কৰোঁ আৰু আমাৰ অজানিতে আমি বহুত ভালো কৰোঁ।

॥ একচল্লিশ ॥

ৰাতিপুৱাতে সবিতা উপস্থিত নবীনৰ বাহাত। দোক্মোকালিতে হাজিৰ হোৱা দেখি নবীনে মনে মনে হাঁহিলে। সবিতাৰ চকুত নিদ্ৰাহীনতাৰ চিন; মুখত অৱসাদ আৰু ক্লান্তিৰ দাগ; অযত্ন পালিত চুলিটাৰিয়ে উদ্বেগৰ স্পষ্ট ইঙ্গিত প্ৰকাশ কৰিছে। জিজ্ঞাসু মনত অধীৰ দ্ৰুত খেলা কৰাৰ চিহ্ন বুজা যায় তাইৰ উগুল-থুগুল কণ্ঠ-স্বৰত। নবীনে নিজে নিজে বুজিলে—'ইন্জেক্চনে' কাম কৰিছে বোধহয়। সেইখনটো নাটক নহয়—তাইৰ বেমাৰৰ 'ইনজেক্চন'। ঔষধে গুণ দিলে বৈদ্যৰ আনন্দ। নবীনেও হাঁহি মাৰি চকী এখন আগ বঢ়াই দি ক'লে—"সুপ্ৰভাত, বহক।" সবিতাই এটা ম্লান হাঁহি মাৰি বহি পৰে চকীখনত। ওচৰৰ খনত বহি হাঁহি মাৰি নবীনে—সোধে—"নাটক পছন্দ হ'লনে?"

"অনিবাৰ্য্য। আপোনাৰ লিখা বাস্তৱিকে বৰ মৰ্মস্পৰ্শী।"

"বাস্তৱ ঘটনাৰে ৰূপায়িত কাহিনী সাধাৰণত হৃদয়স্পৰ্শী হয়েই।"

সবিতাই চকু দুটি ডাঙৰ কৰি মেলি দি চমকিত হৈ সোধে—"তেন্তে কাহিনী সত্য?"

"সত্য নহয়—কিন্তু বাস্তৱ।"

"বাস্তৱেইতো সত্য; অবাস্তৱ কল্পনা সত্য হব নোৱাৰে। চমৎকাৰ কাহিনী। "ৰিয়েলী বিউটিফুল।" পাচে এক্টিং কৰিব নে নকৰে?"

"আপুনি কৰিলে মই কৰিব পাৰোঁ।"

"মোৰ ইচ্ছা নাই।

"তেন্তে নায়িকা মাধৱীৰ পাৰ্ট কোনে কৰিব?"

"মঞ্জুৱে।"

"আৰু নায়ক মাধৱৰ?"

"স্বয়ং নাট্যকাৰে।"

"নহয়। তেতিয়া হ'লে পৰেশে কৰিব লাগিব।"

"তাৰ মানে মোক নায়িকা নাপালে আপুনি নায়ক নহয়?"

"নাট্যকাৰে নায়ক হব লাগিলে সম্পাদিকাই নায়িকা হবই লাগিব।"

"অৱশ্যে মোৰো এটা ইচ্ছা আছিল কিন্তু যোৱা ৰাতিৰপৰা সেই ইচ্ছা নাইকিয়া হৈছে।"

"কিয় ?"

"মানুহৰ সকলো কথাকে প্ৰকাশ নকৰে কোনোৱে। বাৰু, আজি সোনকালে যাব। পাৰ্ট বিলাব লাগিব। সেই কাৰণেই মই আহিছোঁ।"

"বাৰু। চেষ্টা কৰিম।"

"এটা কথা সুধিব লগা আছিল আপোনাক। অৱশ্যে কথাটো অবান্তৰ।"

"কওক কি কথা।"

"আপোনাৰ বন্ধু হাকিম বাবু আজি-কালি ক'ত আছে ?"

"শদিয়াত।"

"শদিয়াত কিয় ? তাত দেখোঁ বানপানী হৈছে ?"

"সেই বাবেইতো গৈছে।" এটা ক্ষীণ হাঁহি মাৰি সবিতাই কয়—

"তেন্তে সচাকৈ আপোনাৰ নাটকৰ কাহিনী সত্য নেকি ?"

"সত্য হ'লেও এইটো জনা উচিত যে কাহিনী সদায় কাহিনী। কল্পনা সদায় কল্পনা—তাত বাস্তৱতা থাকে—প্ৰকৃত সত্য নাথাকিবও পাৰে।"

"অৱশ্যে। বাৰু এতিয়া মই যাওঁ, আপুনি সোনকালে যাব। নমস্কাৰ।"

"নমস্কাৰ।"

সবিতা উঠে। বাহিৰ হৈ আহে। পিচে পিচে আহে নবীন। সবিতাক চিন্তামগ্ন দেখা যায়। তাইৰ অন্তৰত যেন কিবা ভয়, কিবা আশঙ্কাই আহি হঠাতে বাহ সাজিলে। বিষন্ন বদনে তাই ঘৰলৈ ফিৰিল। তাই সন্দেহ কৰিলে—যদি নাটকৰ শেষৰ দৃশ্যটো বাস্তৱত পৰিণত হয়! উস্! তাই আৰু সহ্য কৰিব নোৱাৰে। বেগাই খোজ লয় ঘৰলৈ।

সিদিনাৰেপৰা হাস্যময়ী সবিতাৰ অন্তৰত বেদনাৰ তিক্ত পোকে বাহ ললে। আশঙ্কা আৰু সন্দেহৰ ধোঁৱাই সমস্ত মন যেন আচ্ছন্ন কৰি আনিব ধৰিলে। কোনে জানে কেতিয়া কি হয়…… !

সবিতাৰ জীৱনত যেন নতুন অধ্যায় ৰচনা হবৰ সূচনা হ'ল।

॥ বিয়াল্লিশ ॥

সবিতাহঁতৰ ঘৰতে নৱনাট্য সমিতিৰ মিটিং বহিছে। জয়ন্তী, বাসন্তী, মঞ্জু কুঞ্জহঁত আহিছে ; পৰেশ, উমেশ, ধীৰেন, বীৰেনহঁত আহিছে। আনকি নাট্যকাৰ স্বয়ং ধুৰন্ধৰ নবীনো উপস্থিত। সবিতা গহীন হৈ বহি আছে। গাত কোনো অলঙ্কাৰ নাই, আনকি কাপোৰ কানিবোৰো বেলেগ। বগা মেখেলা, বগা পাটৰ ব্লাউজটো ; বগা ৰিহাখনো। আজি যেন সবিতাক শুক্লা সৰস্বতী যেন দেখি। মুখত গভীৰ ভাব, গাত অলঙ্কাৰ বৰ্জিত গৌৰবসন, মূৰৰ মুক্তকেশ পৃষ্ঠদেশত উন্মুক্ত। ধুনীয়া চকীখনত বহি আছে। কাষতে বহিছে জয়ন্তী, অন্যকাষে মঞ্জু। মঞ্জুৰ ঠিক পিচতে পৰেশক দেখা যায়। উমেশে কুঞ্জৰপৰা অলপ নিলগত বহিছে কিয় বুজা নগ'ল। মিটিং আৰম্ভ হ'ল। পাৰ্ট ভাগ হব আজি। লাহে লাহে ইজনে সিজনে কোৱাকুই আৰম্ভ কৰিলে। মাধৱীৰ পাৰ্ট দিয়া হ'ল মঞ্জু চৌধুৰীক আৰু মাধৱৰ পাৰ্ট দিয়া হ'ল পৰেশক। সকলোটিয়ে হাত তালি দি সমৰ্থন কৰিলে। জয়ন্তী আৰু সবিতাই চোৱাচুই কৰি মিচিকিয়া হাঁহি মাৰি দিলে। ভাল তালত পৰিছে বাপেকে ; যতে বাঘৰ ভয় ততে ৰাতি হয়। মঞ্জুৱে আপত্তি কৰিলে। তাই পৰেশৰ লগত একটিং কৰিব নোখোজে। যদিও সি তাইৰ পিচে পিচে ফুৰে আৰু পকেটৰ পইচা কেইটা শৰাধ কৰে তাইৰ প্ৰসাধন সামগ্ৰীত তথাপি তাই তাক পেটে পেটে ভাল নাপায়। মাধৱীৰ পাৰ্ট কওঁতে মাধৱৰ বুকুৰ মাজত সোমাব লাগে, প্ৰিয়তম শব্দ উচ্চাৰণ কৰিব লাগে ; ইত্যাদি কথাবোৰ থকাৰ বাবে তাই আপত্তি কৰিলে—"মই নোৱাৰোঁ ভাই।"

সবিতাই সুধিলে—"কিয় নোৱাৰা ?"

"মই যাৰে তাৰে লগত পাৰ্ট কৰিব নোৱাৰিম। মই নিজে নাজানো গতিকে ভাল অভিনেতা এজনৰ লগত কব পাৰিলেহে যদি কিবা কৰিব পাৰোঁ।"

"তোৰ পছন্দ মতে বাছি ল ভাই।"

"স্বয়ং নাট্যকাৰে নায়কৰ ভাব উদ্ধাৰ কৰিব নোৱাৰিলে অইনে জানো পাৰে ?"

"তেনেহলে নাট্যকাৰ সকলো ঠাইতে গৈ জানো নায়কৰ ভূমিকাত অভিনয় কৰি ফুৰে ?" বৰ জনালাত প্ৰতিবাদ কৰি কৈ উঠিল জয়ন্তীয়ে। নবীনৰ লগত মঞ্জুই

একে লগে নায়ক-নায়িকাৰ ভাওৰ অভিনয় কৰা কথা জয়ন্তীয়ে সহ্য কৰিব নোৱাৰে। সেই দেখি তাচ্ছিল্য কৰি প্ৰশ্ন কৰিলে। খন্তেকতে উচাৎ মাৰি উঠি আহি মঞ্জুৱে পাৰ্টটো আনি সবিতাৰ হাতত দি ক'লে—"মই একো পাৰ্ট নকৰোঁ; ধৰ ভাই। মই দলতো নাই। ইমান অপমান।" মঞ্জুৰ ঘটনাটো বৰ বেয়া যেন দেখা গ'ল। সবিতা অবাক হৈ গ'ল। সকলোৱে জয়ন্তীক পেটে পেটে বেয়া পালে। অৱস্থাৰ এনে বিপৰ্যয় দেখি নবীনে লাহেকৈ ক'লে—"যদি মই নহলে নহয় বুলি আপোনা-লোকৰ ধাৰণা হয় তেন্তে ময়ে কৰিম মাধৱৰ অভিনয়।"

তেওঁৰ কথাত সকলোটিয়ে হাত চাপৰি দিলে। সবিতাই উঠি গৈ মঞ্জুক পাৰ্টটো ঘুৰাই দিলে। নবীনৰ লগত পাৰ্ট কৰলৈ মঞ্জুৰ বৰ ইচ্ছা আছিল যদিও তাই লাজতে কৈ উঠিল—"মই পাৰ্ট কৰ নোৱাৰোঁ ভাই।" মঞ্জুৰ ব্যৱহাৰত সকলোৱে অপ্ৰতিভ হৈ গ'ল। সবিতাই জয়ন্তীক দিলে—"ল' ভাই, তই কৰিব।"

পেটে পেটে ইচ্ছা আছিল জয়ন্তীৰ নবীনক নায়ক পাতি নিজক নায়িকা সজাবলৈ কিন্তু ঘটনাৰ এনে ওলোটা ধাৰ বোৱাৰ বাবে মনৰ ইচ্ছা দমন কৰি কবলৈ বাধ্য হ'ল—"ময়ো সচা কথা এটাহে কৈছোঁ। সেই বুলি মই কৰ লাগিব নে? তহঁতে যদি আকৌ মোকে জব্দ কৰ তেন্তে মই ইয়াত নাথাকোঁ। মই উঠিলোঁ।"

জয়ন্তীয়ে অভিমান কৰি যাবলৈ ওলাল। তাকে দেখি সবিতাই জয়ন্তীক গাত ধৰি বহুৱাই দি ক'লে—"কোনেও কাজিয়া কৰিব নালাগে। নকৰোঁ বুলিছিলোঁ যদিও ময়ে বাৰু কম মাধৱীৰ পাৰ্ট।"

"বেছ বেছ চমৎকাৰ হব।" সকলোৱে হাত চাপৰি বজাই সমৰ্থন কৰে। "তাৰ পাচত বাকীবোৰ?" প্ৰশ্ন কৰে বাসন্তিয়ে। "বাকীৰ ভিতৰত টান পাৰ্ট যাদৱৰ আৰু উদ্ধৱৰ। যাদৱৰ পাৰ্ট কৰিব মিষ্টাৰ প্ৰবীণ কলিকাই আৰু উদ্ধৱৰ পাৰ্ট কৰ মিষ্টাৰ পৰেশ বৰুৱাই।" গম্ভীৰভাৱে কয় নবীনে। সকলোৱে হাত তালি দি সমৰ্থন কৰে।

তাৰ পিচত বাকীবোৰ পাৰ্ট ভগাই উঠি থিয়েটাৰৰ আলোচনা কৰে তেওঁলোকে।

॥ তিয়াল্লিশ ॥

ৰিহাৰ্চেল কৰোঁতে নবীনে ধৰিব পাৰিছে যে সবিতা মাজে মাজে অন্যমনস্কা হৈ পৰে। কেতিয়াবা কেতিয়াবা কথাৰ ছলতে সুধি পেলায় শৰতৰ কথা।

চাৰিদিন পিচৰ কথা। নাটকৰ শেষ দৃশ্য। অতি কৰুণ দৃশ্য—হৃদয় বিদাৰক ; হিয়া আকুহি আনে। এই দৃশ্যটো দেখি সমস্ত অভিনেতা অভিনেত্ৰীয়ে কাষ পৰি জিন যোৱাৰ দৰে নিটাল নিস্তব্ধ হৈ চাই ৰ'ল। কাৰো মুখত মাত বোল নাই। সবিতা বিস্মিতা, অভিভূতা। তাইৰ দুচকু বাষ্পাকুল। শ্ৰেষ্ঠ অভিনেতা নবীনৰ নিখুঁত বচন ভঙ্গী আৰু মনোমুগ্ধকৰ কলা-কৌশলেৰে এই দৃশ্যটো আৰু আকৰ্ষণীয় কৰি তুলিলে। প্ৰাণ ঢালি দিলে নবীনে। নায়ক মাধৱৰ ভূমিকাত স্বয়ং নাট্যকাৰ নবীন। 'মাধৱী' 'মোৰ প্ৰাণৰ মাধৱী' বুলি আকুল হৈ চিঞৰি যেতিয়া মাধৱে পানীত জাপ দি পৰিল, তেতিয়া সবিতাই আৰু সহ্য কৰিব নোৱাৰিলে। কথমপি নিজৰ ভদ্ৰতা ৰক্ষা কৰি বহা ঠাইৰপৰা উঠি আহি বাহিৰত থিয় হ'ল। দুচকু তেতিয়া তাই ৰুমালেৰে ঢাকি ধৰিছে। তালিমৰ শেষত যাবৰ বেলিকা নবীনক দুখোজমান আগবঢ়াই থবলৈ আহিল তাই। নবীনৰ গাৰ ওচৰলৈ আহি কাতৰ সুৰত ক'লে—"শেষ দৃশ্যটো অতি কৰুণ হৈছে মিষ্টাৰ বৰ্মণ। আপুনি বৰ মৰ্মস্পৰ্শীভাবে দেখুৱাইছে এই দৃশ্যটো। মোৰ বৰ দুখ লাগে। ইচ্ বেচেৰা মাধৱ! বৰ বেয়া লাগে তেওঁৰ কথা ভাবি।"

হাঁহি মাৰি উত্তৰ দিয়ে নবীনে—"ভয় নাই, বাস্তৱত তেনে হবৰ সম্ভাৱনা নাই।"

নবীনৰ ইঙ্গিত বুজে সবিতাই। তাইৰ গাটো জিকাৰ খাই উঠে। যিমানবাৰ শৰতৰ কথা মনত পৰে সিমানবাৰ তাইৰ অন্তৰত অনিশ্চিত আশঙ্কা এটাই আহি হঠাতে খুন্দা মাৰি যায়। নবীনৰ ইঙ্গিতপূৰ্ণ উক্তিত সবিতাই হঠাতে চমকি উঠিল। কিন্তু পিচ মুহূৰ্ততে নিজক আবিষ্কাৰ কৰি তাই লজ্জিত হ'ল। লাজতে ঘেহীন মাৰি কৈ উঠিল—যাওক, আপুনি সদায়......।"

নবীনে সবিতাৰ অন্তৰৰ ভাব ধৰি পেলালে।

এনেভাৱে চলে আখৰা। এনেভাৱে আগবাঢ়ে নৱনাট্য সমিতিয়ে বিচিত্ৰা অনুষ্ঠানৰ আয়োজনত।

* * * *

ৰাতি খাই বৈ উঠি নবীনে এখন টেলিগ্ৰাম লিখে শৰৎলৈ "চিৰিয়াচ মেটাৰ। কাম চুন।" নৱনাট্য সমিতিৰ থিয়েটাৰৰ দিনা যাতে উপস্থিত থাকিব পাৰে তাৰ বাবে টেলিগ্ৰাম কৰি পঠালে। ৰাতিপুৱাতে গৈ টেলিগ্ৰাম কৰি বাহিৰে বাহিৰে নবীন সবিতাহঁতৰ ঘৰলৈ গ'ল।

ৰাতিপুৱাতে নবীনক অহা দেখি সবিতাই হাঁহি মাৰি সুধিলে—

"ৰাতি বাৰু কেতিয়া পুৱাল ?"

"সবিতাৰ যেতিয়া উদয় হ'ল।"

"সবিতা এতিয়াও ৰুমৰ ভিতৰতে—উদয় হোৱা নাই।"

তাই ওলাই আহি নবীনক বহিব দি নিজে মুখ ধুবলৈ গ'ল। নবীন বহি ৰ'ল। সবিতাই ফিৰি আহি নবীনৰ ওচৰত বহি হাঁহি মাৰি সুধিলে—

"কিবা জৰুৰী সকাম আছে নেকি ?"

"হয়। মই আজি ঘৰলৈ যাম।"

"আৰু মাত্ৰ পাঁচ দিন আছে থিয়েটাৰলৈ। এতিয়া যদি আপুনি নাথাকে তেন্তে 'ৰিহাৰচেল' চলিব কিৰূপে ?"

"মোৰ সকলোবোৰ দৃশ্য হৈ গৈছে। যোৱা কালি শেষ দৃশ্যটোৰ হৈ গ'ল। আপুনি বাকীবোৰ ঠিক কৰি লব। মই নগ'লে নহয়।"

"কিবা বেয়া খবৰ আহিছে নেকি ?" সবিতাই ব্যস্ত হৈ সোধে।

"বেয়া নহয় বৰং সুখবৰ।"

"কি ?"

"সুখবৰ আৰু কি হব ? ইমান দিনৰ মূৰত আকৌ যেতিয়া অভিনয় কৰিবলৈ ওলালো তেতিয়া আৰু নিজৰ মানুহক দেখুৱাবৰহে মন।" হাঁহে নবীনে। হাঁহি মাৰি সবিতাই সোধে—"তাৰ মানে ঘৰৰপৰা কাৰবাক আনিব ?"

"তেনেই মতলব।" হাঁহি হাঁহি মূৰ দুপিয়াই নবীনে।

"হাঁহি হাঁহি কয় সবিতাই—"মাকক কিন্তু নানিব। আনিলেই মই বৰ লাজত পৰি মৰিম।"

"হয় নেকি ? বাৰু কোনো কথা নাই। পিচে মোৰ দুই এদিন পলম হব কিন্তু। আপুনি চলাব। মই উঠোঁহে।"

"বৰ। চাহ নোখোৱাকৈ ক'লৈ যাব ? বহক।"

সবিতা তৎক্ষণাৎ উঠি যায়। কিছুপৰ পাচত দুকাপ চাহ আৰু দুখন মিঠাইৰ প্লেট আনি নবীনৰ ওচৰৰ টেবিলৰ ওপৰত থৈ ক'লে—"চাহ খাওক।" —সবিতা বহে। দুয়ো চাহ খায়।

তেতিয়া প্ৰায় আঠ বাজিছে। নবীনক খৰধৰকৈ কানি-কাপোৰ সলাই চুটকেচটো হাতত লৈ ষ্টেচনলৈ খোজ ললে।

॥ চৌচল্লিশ ॥

অভিনয়ৰ দিন যিমানে ওচৰ চাপি আহিছে তিমানে সবিতাৰ মনত উদ্বিগ্নতা বাঢ়ি আহিছে। তাইৰ ঘনে ঘনে মনত পৰে পৰেশৰ তালৈ। ছিঃ! কি নিদাৰুণ চিঠিৰে কটুবাক্য প্ৰয়োগ কৰি তেওঁৰ হৃদয় চুৰমাৰ কৰি দিছে তাই। তাইৰ অনুতাপ আহে। ঘৃণাত নাক কোঁচাই এদিন যি শৰতক নিৰ্মম পত্ৰেৰে হৃদয় ভাঙি দিছিল, সেই ঘৃণাই আকৌ পৰিণত হ'ল ভাল পোৱাত। ঘৃণাৰ ওলোটা ফালত বাস কৰে ভালপোৱা! তাই শৰতক ভাল পাবলৈ নতুনকৈ আৰম্ভ কৰে। কিন্তু শৰতক জানো লগ আৰু পাব ? যদি নাটকৰ নায়কৰ দৰে তেওঁ বিৰহ জ্বালা নিবাৰণ কৰিবলৈ আশ্ৰয় লৈছে পানীৰ, তেন্তে ? তাইৰ প্ৰশ্ন জাগে। গা শিয়ৰি উঠে। ক্ৰমে ক্ৰমে মন বিমৰ্ষ হৈ পৰে। বহু চিন্তাই পাচত আকৌ এটি নতুন যেন মনৰ পৰ্দাত খেলা কৰিব ধৰে। এইটো নবীনৰ ছবি! কি যে দুৰ্নিবাৰ আকৰ্ষণ এই ধুৰন্ধৰৰ। অশান্ত মনৰ আশ্ৰয় নবীন। তাইৰ মৰহি যোৱা ভাবক যেন পুনৰ সঞ্জীৱিত কৰি তুলিছে নবীনে। শৰতে ৰুলে সবিতাৰ অন্তৰত প্ৰণয়ৰ পুলি; নবীনে যেন সাৰ গোবৰ দি জীয়াই ৰাখিব ধৰিছে। তেন্তে আৱশ্যকতা কাৰ বেচি ? গুৰুত্বনো কাৰ অধিক ? শৰতৰ নে নবীনৰ ? দোদুল্যমান অৱস্থাত সবিতা। এফালে টানে শৰতে—আনফালে টানে নবীনে। 'টাগ অব ৱাৰ' খেলা চলিছে সবিতাৰ অন্তৰত। চঞ্চল, অস্থিৰ হাস্যময়ী সবিতা যেন ক্ৰমে ক্ৰমে বিষাদময়ী স্থিৰা গম্ভীৰা সবিতাত পৰিণত হৈছে। মনৰ ভিতৰত তাইৰ তুমুল সংগ্ৰাম।

* * * *

বিস্ময়ৰ সবিতাহঁতৰ নওলামুখত এখন নবীন সোমাই আহিল তেওঁৰ বাহালৈকে পিচে পিচে এজনী তিৰোতা আৰু এটি ল'ৰা। তিনিও সোমাই গৈছে। দোতালাৰ ওপৰৰপৰাই চকুত পৰিল সবিতাৰ। নবীনৰ পিচে পিচে গৈছে এজনী তিৰোতা আৰু এটি ল'ৰা। তেওঁ তেন্তে বৌৱেৰক আনিলে থিয়েটাৰ দেখুৱাবলৈ? তাই প্ৰশ্ন কৰে নিজে নিজে। তাই তৎক্ষণাৎ নামি আহে। খিৰিকীৰে চালে তিৰোতাৰ ফালে। ধুনিয়া তিৰোতা। হাতে বোৱা বগা চাদৰ মেখেলা পিন্ধি ল'ৰাজনৰ হাতত ধৰি লাহে লাহে গৈ আছে গলি ৰাস্তাটোৰে। ভৰিত এযোৰা সাধাৰণ চেন্ডেল। খোপাটো ডাঙৰ। মূৰত ওৰণি নাই। দূৰৈৰপৰা ছোৱালী যেন দেখি। তেন্তে নবীনৰ ভনীয়েক নেকি? সেই ল'ৰাজন কোন? তেওঁৰ দদায়েকৰ ল'ৰা। প্ৰশ্ন জাগে সবিতাৰ দেখা পোৱালৈকে চালে তেওঁলোকক সবিতাই।

ঘৰ পায়ে পাৰুলে এবাৰ চাৰিওফালে চাই ল'লে। ভাৰাঘৰ। গুৱাহাটী যেন চহৰৰ ভাৰঘৰ। কিন্তু চাৰিওফালে অযত্নৰ চিহ্ন পৰিলক্ষিত। তেওঁৰ মনত পৰিল নবীনে কোৱা কথা এষাৰ—"গুৱাহাটীৰ ভাৰাঘৰ মালিকসকলে কেৱল জানে মাহৰ মূৰত ভাৰা আদায় কৰিবলৈহে—মাহৰ আৱন্তণিতে যে ঘৰৰ মেৰামতি কৰি থকাৰ সুবিধা কৰি দিব লাগে তেনে কাণ্ডজ্ঞান সিহঁতৰ নাই।"

এৰা! আহি তাকেই দেখিলে পাৰুলে। ঘৰটো সৰু, পাকঘৰটো আৰু সৰু, ওচৰতে পাইখানা; কাষতে পানীৰ পাইপটো। তাৰ কাষে প্ৰস্ৰাৱ কৰা ঠাইখিনি। পাকঘৰ, পাইখানা, প্ৰস্ৰাৱ কৰা ঠাই আৰু কাষেৰে আবৰ্জনা বৈ যোৱা নলাটোৰ গন্ধই লগ লাগি এটা নতুন ধৰণৰ গন্ধৰ সৃষ্টি কৰিছে। নতুনকৈ অহা গাঁৱলীয়া মানুহৰ বাবে এই নতুন গন্ধই নতুন ধৰণে বমি অহাত সহায় কৰিব নিশ্চয়, তাত সন্দেহ অকণো নাই; কিন্তু পাৰুল নতুন নহয় আৰু একেবাৰে গাঁৱলীয়া চহৰ নেদেখা বিধৰ নহয়। এইবোৰৰ লগত আগৰেপৰা পৰিচয় আছে। সেয়েহে তেওঁ নিজক ইয়াৰ লগত খাপ খুৱাই নিব পাৰিছিল।

নবীনৰ ৰুমত প্ৰবেশ কৰি কানি-কাপোৰবোৰ সলাই ললে তেওঁ। ইতিমধ্যে ৰান্ধনি ল'ৰাজনে গা পা ধোৱাৰ ব্যৱস্থা কৰি দিলে; কাৰণ তেতিয়া প্ৰায় বাৰটা বাজিছে। কানি-কাপৰবোৰ সলাই পাৰুলে গা-পা ধুলে। নবীনে শৌচাচাৰ কৰি আহি গা ধুই ললে। গা-পা ধুই আহি তেওঁলোক খাবলৈ বহিল।

খাই বৈ উঠি পাৰুল দেৱী বহিছে ড্ৰইং ৰুমত। কাষতে থিয় হৈ আছে

ল'ৰাজন। পাৰুলে তালপাতৰ বিচনীখনেৰে লাহে লাহে বিচি আছে, কাৰণ তেতিয়া গৰম। জহকালি। বেতৰ চেয়াৰখনত আৰামকৈ বহি ল'ৰাজনৰ মুৰ পিহি আছে। পাৰুলক দেখাত সাইলাথ গাভৰু ছোৱালী যেন দেখি‍ৰ বগা ধুনীয়া মুখখনি। দীঘল ক'লা চেলাউঁৰিৰে মনোমোহা চকু দুটি। কপালত ৰঙা সেন্দুৰৰ ফোঁট। কিচকিচীয়া ক'লা চুলিটাৰি তপিনাত পৰা। চেয়াৰৰ বাহিৰলৈ মেলি দিছে শুকাবলৈ বুলি। উঠন বুকু, লাহি ককালখন। স্বাভাৱিক ৰক্তাভ ওঁঠ দুটি তামোল খাই আৰু ৰক্তাভ দেখা গৈছে। তল ওঁঠৰ তলত বাওঁফালে এটা ক'লা তিল আছে যেন থিয়েটাৰত অভিনেত্ৰীয়ে লোৱা 'বিউটিস্পট' হে। এনে ৰূপ আৰু এনে বেশত দুপৰীয়া খাই বৈ উঠি তেওঁ আৰাম কৰি বহিছে মাত্ৰ, এনেতে দেখা গ'ল এজনী ছোৱালীয়ে আহি নমস্কাৰ কৰি ভিতৰ সোমাই আহিল। তাই সবিতা। তেতিয়াৰে পৰা এই তিৰোতাজনীৰ ওপৰত তাইৰ এটা কৌতুহল জন্মিছে —কোন এওঁ? সবিতাই নমস্কাৰ কৰাত পাৰুলেও নমস্কাৰ কৰি বহিব দিলে সন্মুখৰ চেয়াৰখনত। সবিতা বহিল। দুয়ো মুখামুখি। মাজতে টেবিলখন। সবিতাই এবাৰ পাৰুলৰ মুখৰ ফালে চাই স্তম্ভিত হৈ গ'ল। কি অপৰূপ সুন্দৰী এই নাৰী। পাউডাৰ নাই, 'লিপষ্টিকা' নাই, আনকি বজাৰৰ কোনো পণ্যৰূপ-সামগ্ৰীৰ আভাস নাই এওঁৰ শৰীৰত, অথচ ইমান ৰূপহী দেখা গৈছে। সচাকৈ ৰূপ-ৱতী নাৰী। সবিতাৰ ঈৰ্ষা জাগে। পাৰুলৰ এনে গাভৰু সদৃশ্য ৰূপ দেখি তাইৰ ধাৰণা হ'ল যে এইজনী নিশ্চয় নবীনৰ ভনীয়েক।

"আপোনাক দেখি বৰ ভাল লাগিল। মোৰ নাম সবিতা দাস। সৌটো আমাৰ ঘৰ।" তাই ঘৰটো আঙুলিয়াই দিয়ে।

"আপুনি সবিতা দাস? প্ৰশ্ন কৰে পাৰুলে।

"হয়। মোৰ নামেই সবিতা দাস। মোৰ নাম আপুনি আগেয়ে শুনিছিল নেকি?"

"কিয় নুশুনিম? 'অনামী'ত সদায় আপোনাৰ আধুনিক কবিতা ওলাই নহয়। আপোনাক দেখি বৰ ভাল লাগিল। এজনী আধুনিক কবিৰ লগত সাক্ষাৎ হ'ল; মোৰ পক্ষে বৰ সৌভাগ্যৰ কথা।"

"গৌৰৱ দান কৰিবপৰা গুণ বা ব্যক্তিত্ব মোৰ পক্ষে এতিয়াও তৈয়াৰ হোৱা নাই। মিছাকৈ লাজ নিদিব।"

"আপোনালোকে অহা কালি থিয়েটাৰ কৰিব, নহয় নে ?"

"হয়। সেই বাবেই আহিছে নেকি ?" হাঁহি মাৰি প্ৰশ্ন কৰে সবিতাই।

"অকল থিয়েটাৰ নহয়—আপোনাকো দেখা কৰিবৰ বাবেই আহিছো।"

পাৰুলৰ এই আষাৰ কথাত সবিতাৰ কাণ দুখন ৰঙা পৰি উঠিল। তেন্তে নবীনে তাইৰ বিষয়ে কিবা কৈছে নেকি ? যদি কৈছে তেন্তে আৰু লাজৰ পৰিসীমা নৰব। যদি তেওঁৰ লগত ঘটা ঘটনাবোৰ এখেতক জনাইছে তেন্তে ? তাইৰ আকৌ লাজ লাগিল। তাই তলমূৰা হৈ ইফালে সিফালে চাব ধৰিলে। এনেতে পাৰুলৰ কাষত বহি থকা ল'ৰাজনে কৈ উঠিল—"কালি থিয়েটাৰ হব আই ?"

"এৰা। কালি গধূলিৰপৰা হব।"

সবিতাই বিস্ময়াভিভূতা হৈ একেথৰে চায় ৰয় পাৰুলৰ মুখলৈ। এওঁ তেন্তে নবীনৰ ভনীয়েক নহয়—বোৱেক হে। আচৰিত ! ইমান ডাঙৰ হৈছে ল'ৰা তথাপি গাভৰু সদৃশ চেহেৰা ! কি অপূৰ্ব স্বাস্থ্য ! চমকিত হৈ উঠে সবিতা। ব্যগ্ৰভাবে সোধে—"এইজন আপোনাৰ ল'ৰা।"

"হয়। মোৰেই ল'ৰা।"

সবিতাই এবাৰ মাকৰ ফালে আৰু এবাৰ ল'ৰাজনৰ ফালে চাব ধৰিলে, তাকে দেখি পাৰুল দেৱীয়ে সুধিলে—"কিয় সুধিলে ?"

"সচাকৈয়ে আপোনাৰ চেহেৰাটো বৰ লোভনীয়। ইমান সুন্দৰ আপোনাৰ স্বাস্থ্য আৰু এনে মনোমোহা আপোনাৰ দেহৰ গঠন দেখি মোৰ ঈৰ্ষা হয়।" হাঁহি মাৰি কয় সবিতাই।

"কিয় ?"

"নিজতকৈ ৰূপৱতীজনক নাৰীয়ে সদায় ঈৰ্ষাৰ চকুৰে চায়। বাস্তৱতে আপোনাক দেখি মোৰ ঈৰ্ষা কৰিবৰ মন যায়।" খোলা হাঁহি এটা মাৰি সবিতাই খোলাভাৱে কয় কথাবোৰ। এনে দিলখোলা কথাত পাৰুলৰ বৰ ভাল লাগি যায় সবিতালৈ। আপোন আপোন যেন বোধ হয় এক মুহূৰ্তৰ ভিতৰতে। হাঁহি মাৰি সৰলভাৱে উত্তৰ দিলে পাৰুলদেৱীয়ে—"অৱশ্যে মোক বহুতে গাভৰু ছোৱালী বুলি ভুল কৰে ; বিশেষকৈ মুৰত ওৰণিখন নললে। মই যে এটি সন্তানৰ মাক এই কথা বহুতে স্বীকাৰ কৰিবই নোখোজে।"

"নিশ্চয়। সচাকৈ ময়ো ভুল কৰিছিলোঁ।"

এনেতে 'চুটপেন্ট' পৰিহিত ডেকা এজন আহি হঠাতে দুৱাৰ মুখত উপস্থিত হ'ল। পাৰুলৰ সম্মুখত থিয় হৈ নমস্কাৰ কৰি হাঁহি মাৰি কৈ উঠিল—

'আৰে, বৌ দেখোন ?"

'আই ঔ, শৰৎ চোন। আহা ভিতৰলৈ, বহাহি।"

পাৰুল দেৱীয়ে উঠি গৈ শৰতৰ হাতৰপৰা চুটকেচটো লৈ আহিল। শৰতক আনি চেয়াৰখনত বহুৱাই দিলে। শৰৎ বহিল। পাৰুলে চুটকেচটো থৈ আহিল। হঠাতে শৰতক দেখি সবিতা চমকিত হৈ গ'ল। ই কি অদ্ভুত কাণ্ড। যাক লৈ তাইৰ দুশ্চিন্তাৰ অন্ত নাই, সেই শৰৎ আহি সম্মুখতে উপস্থিত। লাজ, আনন্দ আৰু আবেগত সবিতাৰ অন্তৰ থোকিবাথোঁ লাগিল। শৰতেও অকস্মাতে এনে এটা অৱস্থাত পৰিব বুলি ভবা নাছিল। তেৱোঁ হতবাক হৈ গ'ল। ইকি ৰহস্য!

সবিতাই এবাৰ শৰতলৈ চালে ? দুয়োৰে চকুৱে চকুৱে পৰিল। সবিতাৰ চকুত অন্তহীন প্ৰশ্ন; শৰতৰ চকুত ভয় বিহ্বল চাৱনি। তথাপি বুকুত অযুত হস্তীৰ বল বান্ধি শৰতে দুই হাত তুলি নমস্কাৰ কৰিলে—"নমস্কাৰ সবিতা দেৱী।" তেজ ৰঙা বেলিটিৰ দৰে ৰঙা চিঙা পৰি উঠিল সবিতা। তলমুৱা হৈ ক্ষীণ কণ্ঠে কথমপি জনালে—"নমস্কাৰ।"

এনেতে পাৰুল পুনৰ সোমাই আহিল। পাৰুলক দেখি শৰতে যেন ৰক্ষা পালে। প্ৰশ্ন কৰিলে—পিচে কেতিয়া আহিলা নবৌ ?"

"আজি দুপৰীয়াৰ আগে আগে। তুমি আহিব বুলি ককায়েৰাই মোক কৈছিল।"

"হয় নেকি ? বাৰু, এতিয়া সেই ধুৰন্ধৰটো ক'ত ?"

এনেতে নবীন সোমাই আহি হাঁহি মাৰি কৈ উঠিল—"চিগাৰেট হস্তে এয়া ধুৰন্ধৰৰ প্ৰৱেশ।"

নবীনৰ ব্যঙ্গোক্তিত দুয়ো হাঁহি উঠিল। সবিতা কিন্তু স্তব্ধ হৈয়ে ৰ'ল। কি কাণ্ড, কি ষড়যন্ত্ৰ এওঁলোকৰ তাই একো ধৰিব নোৱাৰিলে। তেন্তে কিবা মতলব কৰি এইবোৰ কৰিছে নেকি নবীনে ? কি ধুৰন্ধৰ লোক এওঁ। তাইৰ মনত প্ৰশ্ন জাগে। নবীনৰ ফালে তীক্ষ্ম দৃষ্টিৰে চায় সবিতাই। নবীনে এবাৰ সবিতাৰ ফালে চাই লয় কেৱাহিকৈ। তাৰ পাচত চিগাৰেটটো জ্বলাই দিয়াচলাই কাঠীডাল

দলি মাৰি পেলাই যি চিগাৰেটটো হুপিব ধৰে আৰু চিগাৰেটৰ বাহটো দিয়াচলাইৰ সৈতে টেবিলৰ ওপৰত শৰতৰ সন্মুখত থৈ কৈ উঠে—“অতিথি সৎকাৰ গ্ৰহণ কৰা।”

শৰতে কৈ উঠে—“তোৰ অতিথি হ’লোনে? টেলিগ্ৰাম কৰি মাতি পঠাইছ জৰুৰী সকাম বুলি, আৰু এতিয়া কৰিছ অতিথি? কিয় বাৰু টেলিগ্ৰাম কৰিছিলি?”

“বিশেষ জৰুৰী সকাম নহ’লে জানো কোনোবাই টেলিগ্ৰাম কৰে?”

“কি জৰুৰী সকাম ক’ সোনকালে।”

“কম বাৰু, বহ। ধৰি ল’ তই এখন থিয়েটাৰ কৰিছ, তেতিয়া মই নাচালে জানো তই ভাল পাবি?”

“তোৰ ঠাট্টা এৰি দে। আচল কথা ক’। তোৰ থিয়েটাৰখন চাবৰ বাবে মই সুদূৰ শদিয়াৰপৰা লৰি আহিবৰ দৰ্কাৰ নাই। দেশৰ মানুহ মৰিব ধৰিছে বানপানীৰ উৎপাতত আৰু তই মৰিছ গান-বাজনাৰ উৎপাতত? এই দুৰ্যোগৰ দিনত আমোদৰ সময় নহয়। তাই জান, তই মোৰ কিমান ক্ষতি কৰিলি, দেশৰ কিমান ক্ষতি কৰিলি? তই জনা বুজা মানুহ হৈও…… ।”

শৰতে গম্ভীৰ আৰু উত্তেজনাৰ সুৰত কথাবোৰ কৈ যায় যেন তেওঁ কোনোবা মিটিঙত বক্তৃতাহে কৰিছে। স্তব্ধ হৈ শুনি যায় পাৰুলে; অবাক হৈ শুনি থাকে সবিতাই। নবীনে কিন্তু মুৰ দুপিয়াই হাঁহি হাঁহি চিগাৰেট হুপি হুপি কৈ যায় —“তোৰ ক্ষতি কৰা নাই, আৰু দেশৰো ক্ষতি কৰা নাই; বৰং দেশৰ উপকাৰ কৰিবলৈ হে যত্ন কৰিছোঁ, তোৰ সুবিধা কৰিবলৈ যত্ন কৰিছোঁ।

এনেতে পাৰুল উঠি পাকঘৰলৈ যায় চাহ আনিবৰ বাবে।

শৰতে একে সুৰতে সোধে—“মোৰ সুবিধা তই কৰি দিব নালাগে, কেৱল দেশৰ কি উপকাৰ কৰিবলৈ যত্ন কৰিছ তাৰ খবৰহে দেচোন?”

“প্ৰথমতে ধৰ, থিয়েটাৰ—অৰ্থাৎ ‘চেৰিটী শ্বো’ কৰিম। যি টকা উঠিব সেই-বোৰ বানপীড়িত অঞ্চললৈ সহায়ৰ বাবে দান কৰিম। তাৰ পাচত…।”

“তাৰ পাচত নালাগে আৰু। দেশৰ হেজাৰ হেজাৰ মানুহ মৰিব ধৰিছে বানৰ উৎপাতত আৰু তহঁতে মৰিব ধৰিছ গানৰ নিচাত?” “শৰতৰ এনে তাচ্ছিল্যপূৰ্ণ কথাত সবিতাৰ গা বেজৰেজাই গ’ল; প্ৰতিবাদ কৰিবৰ মন আছিল কিন্তু নকৰিলে। মনে মনে শুনি থাকিল। এনেতে নবীনে হাঁহি মাৰি ক’লে—“বুজিলো, দেশৰ

বানপানী নিবাৰণৰ বাবে বেছ চেষ্টা কৰিছ, কিন্তু মনত যাৰ বানপানী আছিছে তাক নিবাৰণৰ কি ব্যৱস্থা কৰিছ ?"

এই প্ৰশ্নত সবিতা সজাগ হৈ উঠিল। শৰতৰ মুখলৈ একেথৰে চাই থাকিল। শৰতো থমকি ৰ'ল। নবীনে লাহে লাহে ক'লে—"থং নকৰিবি। পাচত মই কম।"

এনেতে চাহ লৈ পাৰুল হাজিৰ হ'ল। সকলোৰে আগত চাহৰ কাপ থলে আৰু খাবলৈ ইঙ্গিত দিলে। "বৰ ভাগৰ লাগিছে চাগে, তুমি অলপ জিৰণি লোৱা শৰৎ। মই সোৱা বিচনাখন তৈয়াৰ কৰি দিছোঁ।" ওচৰৰ ৰুমৰ দুৱাৰখন খুলি সুসজ্জিত বিচনাখন দেখুৱাই দিয়ে পাৰুলে।

"মই বাহিৰে বাহিৰে আহিছোঁ নবৌ ; ঘৰলৈ যোৱাই নাই।"

"মই মুখ দেখিয়েই বুজিছোঁ। সেইবাবে বাজেনক ভাত ৰান্ধিবলৈ দিছোঁ। তুমি গা-পা ধুই বিশ্ৰাম লোৱা মানে ভাত হবই। মই 'বাথৰুম'ত পানী যোগাৰ কৰি থৈ আহিছোঁ।"

"বহুত ধন্যবাদ নবৌ।" শৰতে চাহ খাবলৈ ধৰে।

"আৰু বহুত আচ্ছা বিবিজান!" নবীনেও একাপ তুলি লৈ পাৰুলক ঠাট্টা কৰে। পাৰুলে হাঁহি মাৰি কেৰাহিকৈ চাই সবিতাক ইঙ্গিত কৰে। নবীনে সবিতাক কয়—"তুমিও খোৱা সবিতা।"

নবীনৰ তুমি সম্বোধনত সবিতা অবাক হৈ গ'ল। তাইৰ মনত পৰিল সেই-দিনাৰ কথা—যিদিনা প্ৰবীণৰ সমুখত 'তুমি' সম্বোধন কৰি কোট চোলা থবলৈ দি বেচেৰা প্ৰবীণৰ অন্তৰ জ্বলাই মাৰিছিল। আজিও কিজানি শৰতৰ সমুখত সেই একে অস্ত্ৰকে ব্যৱহাৰ কৰি শৰতকো দগ্ধ কৰিব চাইছে ? কোনে জানে এওঁৰ মতলব কি! সবিতা অপ্ৰস্তুত হৈ পৰে। তাইৰ উঠি যাবলৈ ইচ্ছা হয় ; কিন্তু এনে অৱস্থাত গ'লে নিজৰ দুৰ্বলতাৰ পৰিচয় দিয়া হব ; তাকে ভাবি তাই বহি ৰ'ল আৰু চাহ কাপ তুলি লৈ এঢোক খাই ললে। এনেতে ভিতৰৰ পৰা দৌৰি আহি ল'ৰাজনে সুধিলে—

"কোন দিনা থিয়েটাৰ হব পিতা ?"

"অহা কালি।" উত্তৰ দিয়ে নবীনে।

আন্ধাৰ বাতি বাহিৰলৈ ওলাবৰ বাবে দুৱাৰ খোলিবলৈ হঠাতে সেই দুৱাৰ খিলিটোতে কপালত খুন্দা খাই আঘাত পোৱাৰ দৰে সবিতায়ো তৎক্ষণাৎ মনত খুন্দা খাই আঘাত পাই ওপৰলৈ মুখ কৰি নবীনক প্ৰশ্ন কৰিলে—"কি আচৰিত। এইজন আপোনাৰ ল'ৰা ?"

"মোৰ বুলিনো কয় কেনেকৈ ; তোমালোকৰে গোলাম।" হাঁহে নবীনে।

"আপুনি বিবাহিত ?"

খিলখিলকৈ হাঁহি কয় নবীনে—"অকল বিবাহিতই নহয়—এটি ল'ৰাৰ বাপেকো।"

"তেন্তে ইমান দিনে মোক কোৱা নাই কিয় ?"

"বাৰু, ইমান দিনে মোক সোধা নাই কিয় ?

"ওস্ কি অদ্ভুত লোক আপুনি··· !"

সবিতা অতিপাত আচৰিত হৈ যায়। তাইৰ মগজুত যেন তড়িৎ-আঘাত হয়। এনে মেনটেল চক্ অৰ্থাৎ মনৰ আঘাত তাই সহ্য কৰিব নোৱাৰা হ'ল। আগৰপৰা তাইৰ মনৰ ওপৰত কেবাটাও আঘাত লাগি আছিছে। আঘাতৰ ওপৰত আঘাত লাগি তাইৰ মনৰ সচেতনতা ক্ৰমে ক্ৰমে অৱশ হৈ যাব ধৰে। লাহে লাহে তাইৰ হাতৰপৰা চাহৰ কাপটো টেবিলত সৰি পৰিল। ঠুংকৈ শব্দ হৈ চাহবোৰ ছিটিক গ'ল চাৰিওফালে। ওচৰতে বহি থকা শৰতৰ কানি-কাপোৰত পৰি নষ্ট হৈ গ'ল। কাষত থিয় হৈ থকা নবীনৰ গাতো আহি কেইটোপামান পৰিল। শৰৎ আৰু নবীন আচৰিত হৈ থিয় হৈ উঠিল। শব্দ শুনি পাৰুলে দৌৰি আহি এই কাণ্ড দেখিলে। চাওঁতে চাওঁতে সবিতা ঢলি পৰিল চেয়াৰত। অৱশ দেহ আৰু অস্থিৰ মনৰ হেঁচাত তাই মূৰ্চ্ছা পৰিল। তাকে দেখি পাৰুল উদ্বিগ্নহৈ পৰিল আৰু দৌৰিগৈ তৎক্ষণাৎ সবিতাক খাপ মাৰি ধৰিলে। সবিতাক সাবটি লৈ কপালত হাত দি পাৰুলে সুধিলে লাহেকৈ—"কি হ'ল আপোনাৰ ?"

খেহ খেহীয়া মাতেৰে সবিতাই উত্তৰ দিলে—"মোৰ মূৰ ঘূৰাইছে। পাৰুলৰ গাত সবিতাই মূৰ আওজাই ঢলি পৰিল। পাৰুলে বৰ উদ্বিগ্ন হৈ নবীনক ক'লে —"চাওকচোন কি হ'ল।"

নবীনে তৎক্ষণাৎ গৈ সবিতাৰ হাতত ধৰি নাড়ী পৰীক্ষা কৰি কয়—"তুমি পানী আনাগৈ তৎক্ষণাৎ।"

নবীনে সবিতাৰ গাত ধৰিলে। পাৰুল দৌৰি গ'ল পানী আনিবলৈ। এনে অভাৱনীয় কাণ্ড দেখি শৰৎ হতবাক হৈ বহি ৰ'ল।

তাকে দেখি নবীনে শৰতৰ হুকুম কৰে—"কি চাইছ, ধৰ, লৈ গৈ তোৰ বাবে তৈয়াৰ কৰা বিচনাত শুৱাই দে গৈ।"

যন্ত্ৰ চালিতৰ দৰে শৰৎ সবিতাৰ ওচৰ পালেগৈ। আলফুলকৈ সবিতাৰ গাত ধৰি পথালি কোলাকৈ দাঙি নি বিচনাখনত শুৱাই থলে। এনেতে পানী লৈ আহিল নবীনৰ ঘৈণীয়েক পাৰুল দেৱীয়ে। সবিতাৰ মুখত পানী ঢালিব ধৰিলে পাৰুল দেৱীয়ে। তালপাতৰ বিচনীখনেৰে বিচিব ধৰিলে শৰতে।

কিছু সময় পানী ঢলাৰ পাচত সবিতাৰ মূৰ্ছা ভঙ্গ হ'ল। লাহে লাহে চকু দুটা মেলি তাই দেখে যে মুখত অলপ অলপ পানী দি আছে পাৰুল দেৱীয়ে, বিচনাৰ অলপ দূৰত ল'ৰা বীৰেনক কোলাত লৈ থিয় হৈ আছে নবীনে আৰু মূৰ শিতানত বহি বিচনীৰে বিচি দি আছে শৰতে।

সবিতাই লাহেকৈ চকু মেলি চোৱাত নবীনে সুধিলে—"কেনে পাইছা ?" ক্ষীণ কণ্ঠে কৃতজ্ঞ দৃষ্টিৰে চাই উত্তৰ দিয়ে সবিতাই—"অলপ ভাল পাইছোঁ।"

নবীনে পাৰুলৰ ওচৰলৈ আহি তেওঁৰ গাত ধৰি ক'লে—

"এতিয়া আমি ইয়াৰপৰা যাওঁ, বলা পাৰুল। আমি আৰু ইয়াত থকা সমীচীন নহব। আমাৰ কাম শেষ।"

বীৰেনক কোলাত লৈ পাৰুলৰ হাতত টান মাৰি আনে নবীনে। হাঁহি মাৰি শৰতক কয়—"গাধ, এতিয়া তোৰ মালিক চম্‌জাই ল'।"

হাঁহি মাৰি গিৰীয়েক ঘৈণীয়েক বাহিৰ হৈ আহে। শৰতে সবিতাৰ কাষত বহি বিচি থাকে। সবিতাই এবাৰ শৰতৰ চকুলৈ আবেগসনা চাহনিৰে চাই কয়—"মোক ক্ষমা কৰক। মই বৰ ডাঙৰ ভুল কৰিছিলোঁ।"

শৰতে সবিতাৰ কপালত মৰমেৰে হাত বুলাই দি কোমল সুৰত কৈ উঠে—"ভুল মানুহেই কৰে আৰু মানুহেই তাক শুধৰাই লয়।"

শৰতৰ হাতখন খামুচি ধৰি বৰ কৰুণভাৱে ক'লে—"মোক ক্ষমা কৰিব পাৰিব ?"

আবেগেৰে সবিতাৰ মুৰটো কোলালৈ চপাই আনি মৰমেৰে চুলিখিনিত হাত বুলাই কয় শৰতে—"মেঘাবৃত সবিতাৰ উজ্জ্বল আলোক সাময়িকভাৱে ক্ষীণ হ'লেও

হীন নহয়। তাৰৰাচ্ছন্ন হ'লেও সবিতা নহয় কলঙ্কিতা। সবিতা চিৰ উজ্জ্বল, চিৰ নিৰ্মল। শৰতৰ আকাশত মেঘমুক্ত সবিতাৰ উজ্জ্বল কিৰণ পৰিব্যাপ্ত দশোদিশে। আকাশৰ সবিতা নহব অৱহেলিত—পৃথিৱীৰ মোৰ এই সবিতাও নহয় অনাদৃত।"

শৰতে সবিতাৰ মুখলৈ চাই ৰয়। সবিতাই শৰতৰ চকুলৈ চাই ক্ৰমে ক্ৰমে তেওঁৰ কোলাত মূৰ গুঁজি দুবাহুৰে তেওঁক ক'কালত সাবটি ধৰে।

তৃপ্তিত তাইৰ চকু মুদ খাই আহে।

বাহিৰত তেতিয়া এচেৰেঙা মিঠা ৰ'দৰ জিলিঙনি পৰে।

—ঃ শেষ ঃ—